পোহৰৰ পথ

(হজৰত বৰপীৰ চাহেবৰ জীৱনী)

আলিমুননিছা পিয়াৰ

নবী প্ৰকাশ
জুবেদা বাগ
শান্তিপুৰ হিলচাইড্
গুৱাহাটী-৯

প্ৰকাশক—
নবী প্ৰকাশ
জুবেদা বাগ
শান্তিপুৰ হিলচাইড্
গুৱাহাটী-৯

প্ৰথম প্ৰকাশ—
ফাতেহা ইয়াজ দাহম, ৩১ আগষ্ট ১৯'৩ চন।
দ্বিতীয় প্ৰকাশ—১৯৮৭ চন।

বেচ—কুৰি টকা

পৰিবেশক—
লয়াৰ্চ বুক ষ্টল
পান বজাৰ
গুৱাহাটী ১

প্ৰিন্টাৰ—
শ্ৰীকান্ত বচাক
জয়শ্ৰী প্ৰেছ
৯১/১ বি, বৈঠকখানা ৰোড
কলিকতা-৭০০ ০০৯

LIBRARY SERVICES

পাতনি

—সময় ইংৰাজী ১৯৬১ চনৰ আৰম্ভণি। মই তেতিয়া হস্পিটেলত নৰিয়া পাটীত। প্ৰায় ডেৰমাহ জোৰা সেই কাল ছোৱাত ৰোগ যন্ত্ৰণাৰ উপশমৰ বাবে আৰু বিমৰ্ষতাৰ পৰা নিজক মুক্ত ৰাখিবলৈ বহু উপকৰণ পাইছিলোঁ। শুভাকাঙ্ক্ষী বন্ধু-বান্ধৱীৰ স্নেহ-আন্তৰিকতা আৰু গুৰুজনৰ অযাচিত স্নেহ-দাক্ষিণ্যেৰে ধন্য হৈছিলোঁ। সেই সময়ত মোৰ স্বামী মহম্মদ পিয়াৰ চাহাবে ছাঁৰ দৰে থাকি সততে মোক উৎফুল্ল ৰাখিবলৈ তৎপৰ হৈছিল। তেখেতে সেই দুৰ্যোগত নানা ইছলামী গ্ৰন্থ অধ্যয়ন কৰিছিল আৰু মোকো কাকত-পত্ৰ, ইছলামী আলোচনী আদিৰ যোগান ধৰিছিল। লঘু-আলোচনা, হাস্য পৰিহাসে আংশিক-ভাবে ৰোগ যন্ত্ৰণাৰ উপশম কৰিছিল যদিও মানৱ-কল্যাণৰ ব্ৰতত ব্ৰতী এই গৰাকী মহান সাধকৰ জীৱনী পঢ়ি মই যেন নতুন পোহৰ এচেৰেঙা দেখিবলৈ পাইছিলোঁ। ৰোগ শয্যাতে মই এই মহান সাধকৰ জীৱনী ৰচনাৰ সঙ্কল্প লওঁ। এই কামত আগবাঢ়োতে কিছু পুথি-পত্ৰ আলোচনী আদি লুটিয়াই বগৰাই চোৱা হৈছিল। তাৰে দুখনমানৰ নাম গ্ৰন্থ-পঞ্জীত উল্লেখ কৰা হৈছে। বিদেশী শব্দৰ উপযুক্ত প্ৰতিশব্দ বাছনিৰ কামত সহায় কৰা বাবে জোনাব মঃ মুচলেহ্ উদ্দিন ধন্যবাদাৰ্হ। কটন কলেজৰ ফাৰ্চী আৰু আৰবী ভাষাৰ অধ্যাপকদ্বয় জোনাব মোহাম্মদ আমিন খাঁ আৰু জোনাব আব্দুল লতিফ চাহেবেও এই বিষয়ে লাগতিয়াল পৰামৰ্শ দি সহায় কৰিছে। তেখেত সকলৰ শলাগ লওঁ।

মোৰ সহোদৰ জোনাব মহম্মদ আবেদউল্লা চাহাব আৰু সেই সময়ৰ মোৰ সহকৰ্ম্মী অগ্ৰজ প্ৰতিম (আকাশ বাণী কটকৰ প্ৰগ্ৰেম এক্সিকিউটিভ) জোনাব মহম্মদ ৰফিক চাহাবকো এই প্ৰসঙ্গত শলাগ

জনাইছোঁ। চুফীবাদ সম্পৰ্কীয় তথ্য সংগ্ৰহত তেখেত সকলেও সহায় কৰিছিল।

সৰ্ব্বসাধাৰণ পাঠকৰ সুবিধাৰ বাবে কেইটিমান শব্দ আৰু বাক্যাংশৰ ব্যাখ্যা এই পুথিৰ শেহৰ ফালে সন্নিবিষ্ট কৰা হৈছে। ইছলামী পৰ্ব্ব বা শব্দ সমূহৰ প্ৰকৃত অৰ্থ বা ভাবান্তৰ অসমীয়াত তেনেকৈ প্ৰকাশ নোহোৱা বাবেই হয়তো বহু সময়ত আমি অমুছলমান বন্ধু বান্ধবীৰ প্ৰশ্নত উচপ্ খাই উঠো—"অমুক তাৰিখে তোমালোকৰ যে কিবা এটা আছে ?" অসমত হিন্দু মুছলমানৰ সম্প্ৰীতি আৰু জাতীয় সংহতিৰ ভোল ডাল আগবে পৰা নিকপ্‌কপীয়া। প্ৰাৰ্থনা কৰোঁ পৰম কৰুণাময়ে তেওঁৰ অপাৰ কৰুণাৰে এই বন্ধন, এই সম্প্ৰীতি কালজয়ী কৰক। মহান সাধকৰ আশীষ কণিকাই আমাক সম্প্ৰীতি দিয়ক, শান্তি দিয়ক, আমীন !

মৰমী পজা
১৯৬৩ চন
শান্তিপুৰ : গুৱাহাটী

আলিমুননিছা পিয়াৰ

উৎসর্গ

মৰহুম হাজী আনোৱাৰ ছাহ ফকীৰৰ

পুণ্য সোঁৱৰণত।

বিজনে ৰাজানুগ্ৰহ লাভ কৰি, গৃহস্থী জীৱন যাপন কৰিও সত্যসন্ধানৰ পথত অবিচল নিষ্ঠাৰ পৰিচয় দি নৈষ্টিক জীৱনৰ আহি দাঙি ধৰিছিল।

আলিমুন্নিছা পিয়াৰ

মোগলে কামৰূপ—গুৱাহাটী আক্ৰমণ কৰাৰ পাচত (১৬৬৩-১৬৬৭) চনত মুছলমান শাসনকৰ্ত্তা সকলে মছজিদ মাজাৰ আদিৰ সংস্কাৰ সাধনত ব্ৰতী হৈছিল। হাজোত থকা চুলতান গিয়াচুদ্দিন আউলিয়াৰ মাজাৰ (কবৰ) সম্ভৱতঃ নষ্ট হৈছিল। বৰ্ত্তমানৰ মছজিদৰ দেৱালত থকা বিবৰণীৰ পৰা জনা যায় যে, চাহেবে কেৰাম চাহজাহান বাদচাহ গাজীৰ ৰাজত্বকালত আৰু আব্দুল গাজী চুজাউদ্দিন মহম্মদ চাহ গভৰ্ণৰ থকা কালত চুজাবাদৰ (হাজো) মছজিদৰ আধাৰশিলা স্থাপন কৰা হয়। লুৎফুল্লা চিৰাজীয়ে এই আধাৰশিলা স্থাপন কৰে। মছজিদৰ সম্পূৰ্ণ কাম শেষ হয়—লুৎফুল্লা চিৰাজীৰ পুত্ৰ নিয়ামত উল্লাৰ দিনত ১৬৫৭ খৃঃৰ জুন মাহত।

অসম উপত্যকাত মুছলিম সকলৰ বহুতো দৰ্গাহ আৰু মোকাম সিঁচৰতি হৈ আছে। এই দৰ্গাহ সমূহৰ পৰিচালনাৰ বাবে ব্যয়ভাৰ ৰজাঘৰৰ পৰা বহন কৰা হৈছিল। হাজোৰ (কামৰূপ) পোৱামক্কা দৰ্গাহৰ ভাৰ দিয়া হৈছিল মৰহুম হাজী আনোৱাৰ ছাহ ফকীৰৰ ওপৰত। মক্কাশ্বৰীফৰ পৰা 'হজ্জ ব্ৰত' সম্পন্ন কৰি আহি ফাৰ্চীপঢ়ীয়া (ফাৰ্চী অনুবাদক) ফৈদৰ মৰহুম হাজী আনোৱাৰ ছাহ চাহেবে স্বৰ্গদেউ লক্ষ্মীসিংহৰ লগত সাক্ষাৎ কৰিছিল। তেখেতৰ কথা-বতৰাত মোহ গৈ স্বৰ্গদেউ লক্ষ্মীসিংহই কামৰূপত বিনা ৰাজহৰ ভালেমান ভূ-সম্পত্তি হাজী চাহেবক দান কৰে। লগতে আৱশ্যকীয় 'পাইকে'ৰে সৈতে হাজোৰ বাউসী পৰগণাৰ চাহমদাৰ বৰ মোকাম, ক্ষেত্ৰী পৰগণাৰ চাহ ফকীৰৰ মোকাম, আৰু হাজোৰ বৰ মোকামৰ এক চতুৰ্থাংশৰ অধিকাৰ দান কৰে। হাজী আনোৱাৰ চাহ ফকীৰে তেওঁৰ পুত্ৰ পৌত্ৰাদি ক্ৰমে এই মোকামসমূহৰ পৰিচালনাৰ ভাৰ পাব আৰু

ৰজাৰ কুশল কামনা কৰিব, এই মৰ্ম্মে এখন তামৰ কলিত বাজাজ্ঞা খোদিত আছে (১৭৮০ খৃঃ ১৭ চেপ্তেম্বৰ ঃ দহ আহিন ১৭০২ শক)।

মৰহুম হাজী আনোৱাৰ চাহ ফকীৰৰ চনদ লাভৰ এই বাতৰি ১৯৩৪ খৃঃৰ ২৭ জানুৱাৰী তাৰিখৰ 'বাতৰি' নামৰ কাকতত প্ৰকাশ হৈছিল। (ডাঃ সূৰ্য্যকুমাৰ ভুঞা প্ৰণীত 'Annals of the Delhi Padsahate নামৰ ইংৰাজী গ্ৰন্থৰ পৃঃ ১৫ আৰু পৃঃ ২৩৩ দ্ৰষ্টব্য)।

হাজী চাহাবৰ বংশধৰ সকলৰ ভিতৰত এই সকলৰ নাম উল্লেখ কৰিব পাৰি। মৰহুম ডাক্তৰ বাহাৰ আলী, মৰহুম হাজী আনোৱাৰ ছাহ ফকীৰৰ আজো নাতি। ডাঃ বাহাৰ আলী চাহাবৰ ভতিজাক বাৰিষ্টাৰ মৰহুম আব্দুল মজিদ চাহাব। ডাঃ বাহাৰ আলীৰ পুত্ৰ মৰহুম মহম্মদ ইয়াৰ। তেওঁৰে পুত্ৰ সাহিত্যিক মহম্মদ পিয়াৰ চাহাব, আৰু তেওঁৰে পত্নী এই গ্ৰন্থৰ লিখিকা আলিমুননিছা পিয়াৰ।

ছুফীবাদ

বহস্যবাদ বা মিষ্টিছিজমেই ইচলামৰ ছুফীবাদ। অৱশ্যে হিন্দু বা বৌদ্ধ বহস্যবাদৰ পৰা ছুফীবাদৰ বহুতো পাৰ্থক্য আছে। 'ছুফী' শব্দৰ উৎপত্তি সম্বন্ধেও পণ্ডিতসকলৰ মাজত মতভেদ আছে। প্ৰাচীন মুছলমান পণ্ডিতসকলে 'ছুফী' শব্দটি 'আহল্-উছ্-ছুফা' (অৰ্থাৎ মছজিদে নববীত বাস কৰা সাধকসকল) শব্দৰ পৰা ওলোৱা বুলি কয়। কোনো কোনোৱে 'ছাফ্' অৰ্থাৎ মৰ্য্যাদা শব্দটিৰ পৰা উৎপত্তি হোৱা বুলিও ধাৰণা কৰে। যিহেতু 'ছুফী'সকলৰ মৰ্য্যাদা সকলোৰে আগত আছিল। 'জামী' আৰু আন বহুতে 'ছাফা' (শুদ্ধতা) শব্দৰ পৰা 'ছুফী' শব্দৰ উৎপত্তি বুলি কয়। পাশ্চাত্য পণ্ডিতসকলে 'ছুফী' শব্দৰ উৎপত্তি গ্ৰীক 'ছফচ' শব্দৰ পৰা বুলি কব খোজে। কিন্তু বহুলভাৱে প্ৰচলিত মতবাদ মতে জনা যায় যে 'ছুফ' শব্দই হৈছে—'ছুফী' শব্দৰ উৎপত্তিৰ থলী। যাৰ অৰ্থ হ'ল 'পছম'। ফাৰ্চীভাষাত 'ছুফী' শব্দৰ অৰ্থ হ'ল 'পছমী কাপোৰ পিন্ধা মানুহ'। ছুফীসকলে আমোদ-প্ৰমোদ আৰু বাহ্যিক বিলাস-ব্যসন ত্যাগ কৰি সৰলতাৰ প্ৰতীক হিচাবে এই পোছাক পৰিধান কৰিছিল। ইচলামৰ পয়গম্বৰ হজৰত মোহাম্মদ (চঃ) নিজেই এজন মহান 'ছুফী' আছিল।

গ্ৰীক দৰ্শন সম্বন্ধে সম্পূৰ্ণ অজ্ঞ ইমাম হাচান বচৰীক প্ৰথম 'ছুফী' বুলি অনুমান কৰা হয়। গ্ৰীক দৰ্শনে তেতিয়াও মুছলিম সাম্ৰাজ্যত প্ৰবেশ লাভ কৰাই নাছিল। বিখ্যাত ছুফী 'গজালী'য়ে (ৰঃ) ছুফীবাদক ইছলামত অধিক জনপ্ৰিয় কৰি তোলে আৰু ইছলামৰ কানুনৰ (চৰিয়ত) লগত ইয়াৰ ঐক্য সাধন কৰে। এইজনা ছুফীৰ প্ৰতি এজন পণ্ডিতে এইদৰে উক্তি কৰিছে—"He made

Sufism Islamic and Islam sufistic" ছুফীবাদ ইছলামৰ বাহিৰা বিষয় নহয়, বৰং ইছলামৰ এটি প্ৰধান অঙ্গ। ইছলামৰ মূলনীতিৰ স'তে জড়িত থকা আধ্যাত্মিকতা আৰু ৰহস্যবাদৰ এটি পূৰ্ণ প্ৰকাশ। ইছলামৰ বাহ্যিক আৰু আধ্যাত্মিক দুয়ো দিশেই মূলতে এক আৰু পৰস্পৰ বিৰোধী নহৈ বৰং ইটো, সিটোৰ পৰিপূৰকহে।

"তেৱেঁই (আল্লাহ) আদি, তেৱেঁই অন্ত, প্ৰকাশ্য অপ্ৰকাশ্য। তেওঁ সকলো বস্তুৰেই জ্ঞাত।"

"যেতিয়া তুমি শৰ নিক্ষেপ কৰা, সেই শৰ তুমি নিক্ষেপ কৰা নাই; তেওঁহে (আল্লাহে) কৰিছে।"

"প্ৰতিদিনেই তেওঁ নতুন ৰূপত প্ৰকাশ পায়। তেওঁ (আল্লাহে) ইচ্ছা নকৰিলে—তুমি ইচ্ছা কৰিব নোৱাৰা।" ইত্যাদি পবিত্ৰ কোৰআনৰ এনেবোৰ বাক্যৰ মৰ্ম্ম অনুধাৱন কৰিলে বুজা যায় যে ইছলামৰ স'তে কোৰআনৰ পৃষ্ঠাতে ছুফীবাদৰ গজালি মেল খাইছে।

সকলো ৰহস্যবাদৰ শেষ লক্ষ্য হৈছে—সৃষ্টিকৰ্ত্তা পৰম ব্ৰহ্মৰ সৈতে মিলন। কিন্তু ছুফীসকলে 'স্ৰষ্টাক' বিশ্ব ব্ৰহ্মাণ্ডৰ লগত 'একে' বুলি মানি নলয়। তেওঁলোকৰ মতে 'আল্লাহ'ৰ বাহিৰে সকলো বস্তু ধ্বংসশীল, অনিত্য যেতিয়া, সেই অনাদি অনন্ত পৰম ব্ৰহ্মৰ সৈতে ধ্বংসশীল নশ্বৰ বিশ্বক 'এক' কৰিব নোৱাৰি। ছুফীসকলে—হিন্দু আৰু বৌদ্ধসকলৰ অৱতাৰবাদ বা আত্মাৰ দেহান্তৰ বাদৰ বিশ্বাস নকৰে।

অৱশ্যে উপনিষদ আৰু চৰ্য্যা গীতত শাস্ত্ৰজ্ঞ ব্ৰহ্মদৰ্শী গুৰুৰ শৰণ লবলৈ দিয়া নিৰ্দ্দেশৰ দৰে ছুফীবাদেও 'পীৰ' 'মুৰ্চিদ' (গুৰু)ৰ ওচৰত দীক্ষা গ্ৰহণ কৰিবলৈ নিৰ্দ্দেশ দিয়ে। যাতে শিষ্যৰ তত্ত্বজ্ঞানলাভৰ পথ সুগম হয়। ৰিপু (নফছ) দমন কৰিলে, ৰূহ (আত্মা) বলীয়ান হয়। যোগশাস্ত্ৰৰ সৈতেও ছুফীসকলৰ এটি পন্থাৰ কিছু সাদৃশ্য আছে। ইড়া আৰু পিঙ্গলা নাড়ীৰ মধ্যস্থিত সুষুম্না নাড়ীৰ বিশুদ্ধি, মণিপুৰ, মূলাধাৰ আদি নামৰ পদ্মৰ (চক্ৰ) সূক্ষ্ম ছয়কেন্দ্ৰৰ সৈতে ছুফীৰ ছয়

পতিকাৰ সাদৃশ্য আছে। শ্ৰীমদ্ভাগবদ্গীতাত উল্লেখিত—"অপানে জুহ্বতি প্ৰাণং প্ৰাণেঽপানং তথাপৰে, প্ৰাণ গতি ৰুদ্ধা প্ৰাণায়াম পৰায়ণাঃ" ত যি কুম্ভক, ৰেচক আদি প্ৰক্ৰিয়াৰ কথা কোৱা হৈছে, ছুফীপন্থাৰ শ্বাসৰোধ কৰি জিকিৰ কৰা (হৱচেদম) পন্থাৰ লগত তাৰ সাদৃশ্য আছে। ছুফীসকলে শঙ্কৰাচাৰ্য্যৰ অদ্বৈতবাদ (Monoism) "বিশ্বই ব্ৰহ্ম" বা "সৰ্ব্ব খল্বিদং ব্ৰহ্ম" সম্বন্ধে একমত নহৈ কয় যে দেখাত একে যেন লাগিলেও 'আল্লাহ্' স্ৰষ্টা ; গতিকে তেওঁৰ স্বত্বা আচল আৰু সৃষ্টিৰ সত্বা ধাৰ কৰা। ৰামানুজৰ বিশিষ্টাদ্বৈতবাদৰ এই মতৰ লগত কিছু সাদৃশ্য আছে।

ইছলামৰ ছুফীবাদ আৰু অন্য ৰহস্যবাদৰ মাজত পাৰ্থক্য এয়ে যে ছুফীবাদে বিবেক আৰু ঐশীবাণীৰ মাজত, দেহা আৰু আত্মাৰ মাজত এটা সমন্বয় সাধন বিচাৰে। ইছলামে কঠোৰভাবে নিৰ্দ্দেশ দিছে এইদৰে যে যিহেতু ইছলামত পৌৰোহিত্য নাই বৰং প্ৰত্যেকৰে আধ্যাত্মিক আৰু বাহ্যিক উভয়দিশৰ সমন্বয়হে আৱশ্যক আছে, সেই হেতুকে কোনো পাৰ বা ছুফীয়ে এই দুই অংশক বিচ্ছেদ কৰিব নোৱাৰে ; কৰিলে নিজৰ দায়িত্বত আৰু ইছলামৰ নীতিৰ বিৰুদ্ধেহে কৰিব।

ছুফীসকলৰ বিভিন্ন সমষ্টি আছে। ভিন ভিন ছুফীৰ অধীনত শিক্ষা লাভ কৰা এনে সমষ্টি বা 'গোট'ক খানাৱাদা (পৰিয়াল) বুলিও জনা যায়। এই সমূহৰ পৰাই চাৰিটি বিভিন্ন তৰিকাৰ (পন্থা) উৎপত্তি হৈছে। যি চাৰিজন বিখ্যাত ছুফী চেখৰ নামানুসাৰে এই পন্থা চতুষ্টয়ৰ নামাকৰণ কৰা হৈছে তেখেতসকল হ'ল—

১। চেখ আব্দুল কাদেৰ জিলানী (ৰঃ)

২। খাজা মইনুদ্দিন চিশ্তী (ৰঃ)

৩। বাহাউদ্দিন নশকবন্দ্ (ৰঃ)

৪। চাহাবুদ্দিন চোহ্ৰাৱাৰ্দ্দী (ৰঃ)

এই পন্থাসমূহৰ শিক্ষা একেই ; মাথোন নিয়ম প্ৰণালীতহে কিছু

বিভিন্নতা আছে। নৈতিকতা, আধ্যাত্মিকতা, প্ৰেম-ভক্তি আৰু মিলনৰ স্ফূৰ্ত্তি স্বৰূপ এই ছুফীবাদৰে 'চিশ্‌তী তৰিকা' দ্বাদশ শতাব্দীত ভাৰতলৈ আহে। পঞ্চদশ শতাব্দীত আহে কাদেৰী তৰিকা। ইয়াতকৈ কিছু আগতে 'ছোহৰাৱাৰ্দী তৰিকা' আহে। সৰ্ব্বশেষত ষষ্ঠদশ শতাব্দীত 'নশ্‌কবন্দী তৰিকা' আহে। এই চাৰিও পন্থা ভাৰত সোমোৱাৰ পাছত সমগ্ৰ ভাৰতত ছুফী সাধকসকল বিয়পি পৰিল। লগে লগে ফাৰ্চী, হিন্দী, বঙালী, পঞ্জাবী আৰু অসমীয়াত ছুফীবাদৰ গাত ভেঁজা দি গদ্য পদ্য নানা পুথি-প্ৰবন্ধ ৰচিত হ'ল।

ছুফী কবিয়ে ৰূপক, কবিতা, গজল-গীতিৰ বাংপতাৰ মাজতে 'ছুফীমতবাদ' আৰু 'নীতিৰ' বহুমূলীয়া হীৰা ডোখৰ আটোমটোকাৰিকৈ সুৰিয়াই থয়। ভাৰতীয় লৌকিক সাহিত্য, গজল-গীতি আদিত এই ছুফী কবিসকলৰ অৱদান মন কৰিবলগীয়া। অসমতো উপাসনা তত্ত্ব, প্ৰেম-ভক্তি আৰু মোক্ষ-সাধন আদি নানা বিষয় সম্বলিত আজান পীৰ চাহাবৰ জিকিৰসমূহ ছুফীবাদৰ গাতে ভেজা দি ৰচিত হৈছে।

চুফীবাদৰ ওপৰত ৰচিত প্ৰথম পুথি 'ৰিচালা-ই-কুশ্বায়াৰ' (RISALA-I-QUSHAIRIYAH)-ত এনেদৰে বৰ্ণিত হৈছে যে খোদায়ে যি জনক ভাল পায়, তেৱেঁই 'চুফী', অথবা খোদাৰ প্ৰেম আৰু সেৱাত যিজনে আত্মোৎসৰ্গ কৰিছে, তেৱেঁই চুফী।

আব্দুল্লা খালিফে কবৰ দৰে: "সেই জনেই চুফী হব পাৰে, যিজনক প্ৰেমময় খোদায়ে নিজ স্বাৰ্থৰ হকে পবিত্ৰ কৰি লৈছে। সেই পবিত্ৰতা প্ৰাপ্তি হৈছিল ইচলামৰ পয়গম্বৰ হজৰত মহম্মদ (দঃ) ৰ। খোদায়ে তেওঁক বিশুদ্ধ কৰি লৈছিল। সেইবাবেই তেখেত আছিল— মোস্তাফা বা খোদাৰ দূত বা প্ৰকৃত চুফী।

যিসকলে ইচলামৰ গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ভাষ্য কৰিছে, তেখেতসকলে সমগ্ৰ মানবজাতিক তিনিটা ভাগত ভগাব খোজে।

(১) লক্ষ্যস্থলত উপনীত হোৱা গুণীলোকসকল।
(২) লক্ষ্যস্থলৰ বাটত খোজ দিয়া মধ্যম শ্ৰেণীৰ লোক।
(৩) এখোজো নিদিয়া অলায়ক লোকসকল।

এনে বিচাৰেৰে চালে চুফীসকলকে প্ৰথম পৰ্য্যায়ভুক্ত কৰিব পাৰি। দ্বিতীয় পৰ্য্যায়ত পৰে—ফকীৰ সকল। গতিকে স্পষ্টতঃ চুফীৰ স্থান ফকীৰতকৈ ওপৰত। ফকীৰজনে সকলো পাৰ্থিব বস্তুৰ ত্যাগৰ বিনিময়ত ভাগৱৎ-সান্নিধ্য আকাঙ্ক্ষা কৰে। চুফীৰ বাবে পথ আৰু লক্ষ্যৰ মাজত কোনো প্ৰভেদ নাই। তদুপৰি নিজে পূৰ্ণতা লাভ কৰি চুফীয়ে আইনৰ মাজতো সেই পূৰ্ণতা বিতৰণ কৰিব খোজে।

চুফীবাদৰ উৎপত্তি সম্পৰ্কে বহুতে এনে মত পোষণ কৰিব খোজে যে মূলতঃ চুফীবাদ গ্ৰীক দৰ্শনৰ পৰা অহা। কিন্তু এনে ধাৰণাৰ কোনো বিশ্বাসযোগ্য ভিত্তি বিচাৰি পোৱা নাযায়।

সম্ভৱতঃ ইচলাম যুগৰ দ্বিতীয় শতিকাৰ শেহৰফালে চুফীবাদে প্ৰসাৰ লাভ কৰে। গ্ৰীক দৰ্শনে তেতিয়াও মুচলিম সাম্ৰাজ্যত প্ৰৱেশ লাভ কৰা নাছিল। গতিকে এইষাৰ কথা স্পষ্ট যে চুফীবাদ ইছলামৰ সমানেই পুৰণি। পয়গম্বৰৰ ওচৰত ইছলামৰ ৰহস্যবাদ যেতিয়াৰ পৰা উন্মুক্ত হয়, তেতিয়াৰ পৰাই চুফীবাদৰো আৰম্ভণী।

নবীসকলক নধৰিলেও তাৰ মাজতে আমি দুটা শ্ৰেণী পাওঁ। চুফী আৰু ফকীৰসকল। ফকীৰসকলে—জন-সংযোগ ৰক্ষা কৰি নচলে, আৰু চুফীসকলৰ যি মতবাদ যে ইহলোক বা পৰলোকৰ প্ৰতি আকৃষ্ট নহৈ মাথোন তেওঁতে বিলীন হোৱা উচিত, এই মতবাদ হজৰত মহম্মদ (দঃ) ৰ নিজৰ জীৱনতে প্ৰতিফলিত হৈছিল।

সমগ্ৰ বিশ্বখনেই হ'ল—খোদাৰ প্ৰতিফলিত ৰূপ। গতিকে—তেওঁৰ সৃষ্ট জীৱসমূহো তেওঁৰেই একোটি ৰূপ মাথোন, আৰু তেওঁৰ ইচ্ছাতহে মানুহে পৃথিৱীত সকলো কাম কৰে। আমি যি কৰোঁ বা যি কৰোঁ, সেই সকলো স্ৰষ্টাৰ পৰাই অহা।

সিজনাৰ আত্মপ্ৰকাশৰ প্ৰবৃত্তিতেই বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি। হাদীছ-ই-কুৰ্ছি (HADITH-I-QUDSI) ত খোদায়ে পয়গম্বৰক কৈছে: "মই দৃষ্টিৰ অগোচৰ হৈ থকা ৰত্নসম্ভাৰ; মোক যাতে অন্যই জানিব

পাৰে, সেই বাবেই মই সৃষ্টি কৰিলোঁ।”—এনে ৰহস্যবাদেই চুফীবাদৰ উৎস। সকলো চুফীয়েই খোদাৰ লগত নিজকে বিলীন কৰিব খোজে; কাৰণ, তেওঁলোকে বিশ্বাস কৰে যে—খোদাই মাথোন সত্য, বাকী সকলো তেওঁৰ প্ৰতিফলনহে। আকৌ, প্ৰেমেই হৈছে—চুফীবাদৰ ভিত্তি প্ৰস্তৰ। প্ৰেম আৰু ভক্তিৰে খোদাত বিলুপ্তি আশা কৰা চুফীজন সেইবাবে পবিত্ৰ, সম্পূৰ্ণ স্বাৰ্থশূন্য আৰু আসক্তি-বিহীন। পয়গম্বৰেও কৈছে যাৰ অন্তৰত প্ৰেম নাই, তেওঁৰ অন্তৰত ভগৱৎবিশ্বাসো থাকিব নোৱাৰে।

এনেবোৰ কথাৰ পৰা স্পষ্টতঃ প্ৰতীয়মান হয় যে ইচলাম আৰম্ভণীৰ লগে লগে চুফীবাদৰো আৰম্ভণী হৈছিল। পয়গম্বৰে নিজে ৰহস্যবাদৰ প্ৰতি আকৰ্ষিত হৈছিল আৰু 'হীৰা' গুহালৈ গৈ—ধ্যানমগ্ন হৈছিলগৈ। গতিকে ৰহস্যবাদৰ উৎপত্তি হজৰত মহম্মদ (দঃ) ৰ লগতেই হৈছিল আৰু তেওঁৰ চাহাবা অৰ্থাৎ অনুগামী সকলে তেওঁক অনুগমন কৰা নাছিল বুলি ভবাৰ কোনো অৱকাশ নাই। তেনে এদল চাহাবাই পিছলৈ—চুফীবাদৰ বিস্তৃতি লাভত সহায় কৰে। গতিকে চুফীবাদ ইচলামৰ মূলনীতিৰ স'তে জড়িত থকা আধ্যাত্মিকতা আৰু ৰহস্যবাদৰ এটি পূৰ্ণপ্ৰকাশ।

খলিফাসকল ধৰ্মগুৰু হোৱাৰ উপৰিও ৰাজগুৰু হোৱাৰ কাৰণে স্বভাৱতঃ তেওঁলোকৰ ব্যস্ততা বৰ বেছি আছিল। গতিকে ধ্যানমগ্ন হৈ ৰহস্যবাদৰ অনুসন্ধান কৰাৰ বাবে তেওঁলোকৰ অৱসৰ নাছিল। আনহাতে কিছুমানে এই ব্যস্ততাৰ জগতখনৰ পৰা আঁতৰি গৈ ৰহস্যবাদৰ অনুসন্ধান কৰিছিল। এনে ৰহস্য অনুসন্ধানকাৰী সকলেই শেহলৈ সকলো প্ৰকাৰ ভোগ বিলাসিতা ত্যাগ কৰিছিল। এইদৰে এওঁলোক চুফীবাদী শ্ৰেণী এটাত পৰিণত হৈছিলগৈ। এওঁলোকে বিদেশী ভাষা নাজানিছিল আৰু গ্ৰীক নতুবা আৰ্যসংস্কৃতিৰ লগতো তেওঁলোকৰ পৰিচয় হৈছিল বুলি ভাবিবৰ থল নাই। প্ৰথম চুফী

বুলি খ্যাত ইমাম হাচান বচৰী গ্ৰীক দৰ্শন সম্পৰ্কে সম্পূৰ্ণ অজ্ঞ আছিল। তাৰ পিছতে—চুফী হিচাবে খ্যাতি লাভ কৰিছিল আবু হাচিম (১৬২ হিজৰী, ৭৭৭—৭৮ খ্ৰীঃ) আবু ইচাক ইব্ৰাহিম বিন আডাম আৰু ৰাবিয়া বচৰী। এওঁলোকৰ বাবে অন্তৰৰ পবিত্ৰতাই আছিল—ভগবৎ প্ৰাপ্তিৰ একমাত্ৰ পথ

চুফীবাদৰ দ্বিতীয় স্তৰত চুফী সাধকসকলে পবিত্ৰতাতকৈয়ো তত্ত্ব উপলব্ধিতহে অধিক গুৰুত্ব দিলে। এই কালছোৱাৰ প্ৰখ্যাত চুফী হ'ল—ফিৰোজ-পুত্ৰ মাৰুফ কাৰখী (MARUF KARKHI, SON OF FIORF) এওঁৰ মৃত্যুকাল হিজৰী ২০০ (৮১৬ খ্ৰীঃ) ঋষিতুল্য সৰলতা আৰু পবিত্ৰতাৰে এওঁ জীৱন অতিবাহিত কৰিছিল। মাৰুফকে ইচলামী ৰহস্যবাদৰ ধাই খুটা বুলিব পাৰি। এই পথকে অনুসৰণকাৰী আন এজন চুফীৰ নাম হ'ল—তৌবা-বিন-ইব্ৰাহিম-ডুলনুন মিশ্ৰি (THAWBAN-BIN-IBRAHIM DHUL NUN MISRI) মৃত্যু ২৪৫ হিজৰী (৮৫৯—৬০ খৃঃ) এওঁ ৰহস্যবাদৰ তত্ত্ব আলোচনা কৰিছিল আৰু কৈছিল যে যেয়ে নিজকে খোদাত বিলীন কৰি দিব পাৰে, তেৱেঁই খোদাক জানিব পাৰে।

সম্পূৰ্ণ আত্ম-বিলুপ্তিৰ পথেৰে ভগৱৎ-ৰহস্য অনুধাবন কৰা চুফীজন আছিল—বায়েজীদ (আবু ইয়াজিদ) বিস্তাম। এওঁ তৌবা বিন-ইব্ৰাহিমৰ সমসাময়িক আছিল। এওঁ এনে মতবাদ পোষণ কৰিছিল যে স্ৰষ্টাৰ লগত নিজক বিলুপ্ত নকৰালৈকে স্বৰ্গপ্ৰাপ্তিৰ পথৰ কোনো সন্ধান পাব নোৱাৰি। স্ৰষ্টাত নিজক বিলোপ কৰাৰ পথত এনে এটা স্তৰ আহিব—যেতিয়া—স্ৰষ্টা আৰু সৃষ্টিৰ মাজত কোনো পাৰ্থক্য নাথাকে। তেতিয়াই—সকলো মানুহকে খোদাৰ ৰূপ বুলি প্ৰতীয়মান হ'ব।

এই মানৱপ্ৰেমে (মানৱীয়তা)ই চুফীবাদৰ তৃতীয় স্তৰ। গতিকে—এজন চুফী আৰু এজন সাধাৰণ তত্ত্বান্বেষীৰ মাজত মূলগত পাৰ্থক্য

বিশেষ নাই। সেই সময়ৰ বিখ্যাত চুফী বাগদাদৰ—জুনাইদে (JUNAYD) ২৯৭ হিজৰী (মৃত্যু ৯০৯ খৃঃ অ) এনে মতকে পোষণ কৰে। তেওঁৰ মতে কোনোৱে আচৰণ বা অনুশীলনৰ মাজেদি খোদাৰ সন্ধান কৰে, কোনোৱে আত্ম-উপলব্ধিৰ পথেৰে তেওঁক পাব খোজে। প্ৰথমজন সাধাৰণ অৰ্থত ধাৰ্ম্মিক, দ্বিতীয়জন চুফী। গতিকে এওঁলোকৰ মাজত কোনো বিৰোধ নাই।

কিন্তু, যেতিয়াই ৰহস্যবাদীজনক সাধাৰণ ধাৰ্মিক জনতাকৈ বেলেগ চকুৰে চাবলৈ ধৰা হ'ল, তেতিয়াই চুফীবাদ ইচলামৰ পৰা ভালেখিনি আঁতৰি গ'ল আৰু লগে লগে চুফীবাদৰো স্খলন আৰম্ভ হ'ল। পিছলৈ এওঁলোকৰ ভিতৰতে বিভিন্ন 'সমষ্টি' বা 'গোট'-ৰ সৃষ্টি হ'ল।

চুফীবাদ (ইচলামৰ ৰহস্যবাদ) অন্য দৰ্শনৰ দ্বাৰা প্ৰভাবান্বিত হৈছিল বুলি ভাবিবৰ থল নাই। ইছলামী সংস্কৃতিৰ যিকোনো পাঠকে জানিব যে, চুফীবাদ প্ৰচলনৰ আৰম্ভণীৰে পৰা ভালেমানদিনলৈকে ইচলামী চিন্তানায়ক সকলে ধৰ্ম্মতত্ত্বত এনেদৰে নিমগ্ন আছিল যে বাহিৰা সংস্কৃতিৰ প্ৰভাৱৰ প্ৰতি তেওঁলোক সম্পূৰ্ণ নিৰ্ব্বিকাৰ আছিল। পিছলৈ—আৰব সকলে ধৰ্ম্মতত্ত্ব আলোচনাত এনেদৰে নিবিষ্ট হৈছিল যে তেওঁলোকৰ অতি প্ৰিয় কাব্যচৰ্চ্চাও বিসৰ্জ্জন দিছিল। অৱশ্যে, খলিফা মামুনৰ দিনত প্লেটোৰ দৰ্শন আদি কেতবোৰ গ্ৰীক পুথি আৰবীয় ভাষাত ওলাইছিল। এই পুঁথিসমূহ অনুবাদ নহয়—মাথোন ৰূপান্তৰহে। কাৰণ—এইবোৰ কোনোৱে বুজা নাছিল আৰু ভুল বুজাৰ বাবে বিপৰীত ফলহে হৈছিল। গতিকে—চুফীবাদৰ অগ্ৰণী-সকল গ্ৰীক ৰহস্যবাদৰ দ্বাৰা প্ৰভাবান্বিত হোৱাটো দূৰৈৰে কথা পৰিচিত হৈছিল বুলিও কব নোৱাৰি। খৃষ্টীয় দশম শতিকাত যেতিয়া—গ্ৰীকদৰ্শন ইচলামী চিন্তাজগতত পৰিচিত হয়, চুফীবাদে তাৰ বহু আগতেই পূৰ্ণতা লাভ কৰে।

আৰ্য্য সংস্কৃতিৰ প্ৰভাৱেও চুফীবাদক স্পৰ্শ কৰিছে বুলি কব নোৱাৰি। কাৰণ, চুফীবাদে সম্পূৰ্ণতা লাভ কৰাৰ বহু পিছতহে খলিফা

মামুনৰ দিনত ইচলাম জগতত আৰ্য্য সংস্কৃতিৰ অধ্যয়ন আৰম্ভ হৈছিল। অধ্যাপক আৰ. এ. নিকলচনে (৭৮৬—৮৬১) খৃঃৰ কাল ছোৱাত গ্ৰীক দৰ্শন ও বিজ্ঞানৰ বহুতো পুথিয়ে আৰব চিন্তা জগতক প্ৰভাবান্বিত কৰিছিল বুলি মন্তব্য কৰিছে। কিন্তু, এই কথা যথেষ্ট সন্দেহজনক, কাৰণ, সেই সময়ৰ শাসক হাৰুণাৰ ৰছিদে গ্ৰীকদৰ্শনক আদৰণি জনোৱা দূৰৈৰে কথা—ইচলাম সাম্ৰাজ্যত বাহিৰা (গ্ৰীক সংস্কৃতিৰ) দৰ্শনৰ প্ৰবেশেই নিষিদ্ধ কৰি দিছিল। হাৰুণাৰ ৰছিদৰ উত্তৰাধিকাৰী আমিনেও তেওঁতকৈ বেলেগ নীতি অনুসৰণ কৰিছিল বুলি জনা নাযায়। কেৱল মামুনেহে (৮১৩—৮৩৩ খৃঃ) গ্ৰীক দৰ্শন আৰু বিজ্ঞান জনপ্ৰিয় কৰাত উৎসাহ দিছিল। কিন্তু এই সময়ৰ চুফী ডুলমুন মিস্ত্ৰিৰ জীৱনী অধ্যয়ন কৰিলে তেওঁ যে গ্ৰীক সংস্কৃতিৰ দ্বাৰা মুঠেও প্ৰভাবান্বিত হোৱা নাছিল, এই কথা বুজিব পাৰি।

দ্বিতীয়তঃ গ্ৰীক সংস্কৃতিৰ সোঁত ইচলাম জগতলৈ বৈছিল বুলি ধৰিলে চুফীবাদ যে তাৰ দ্বাৰা প্ৰভাবান্বিত হৈছিল—তেনে কথা কব নোৱাৰি। কাৰণ, গ্ৰীক দৰ্শনে প্ৰভাবান্বিত কৰা কোনো এজনো ইচলামী পণ্ডিতৰ উদাহৰণ দিব নোৱাৰি। বাগদাদ আৰু ইৰাকৰ ওচৰে পাজৰে কিছুদূৰ গ্ৰীক-সংস্কৃতিৰ প্ৰভাৱ পৰিছিল। তাৰ বাহিৰে সাম্ৰাজ্যৰ অন্য ঠাইত গ্ৰীক-সংস্কৃতিৰ পোহৰ পৰিছিল বুলি জনা নাযায়। গতিকে, এই কথা স্পষ্টতঃ প্ৰতীয়মান হয় যে আৰ্য্যৰ বেদান্ত তত্ত্ব বা গ্ৰীচৰ নিঅ প্লেটনিক দৰ্শনৰ (Neo-Platonic-Philosophy) চুফীবাদৰ উৎপত্তি আৰু প্ৰসাৰৰ লগত কোনো সম্পৰ্ক নাই। সকলো দেশৰ ৰহস্যবাদতে দুই-এক কথাৰ মিল বা সাদৃশ্য দেখা যায়। কিন্তু সেইটোৱে এটা দৰ্শন আন এটাৰ দ্বাৰা প্ৰভাবান্বিত হোৱাটো প্ৰমাণ নকৰে। গতিকে, চুফীবাদৰ সম্যক আলোচনা ইচলামী পটভূমিকাতহে সম্ভৱপৰ।

কেইটিমান উল্লেখযোগ্য বৈশিষ্ট্যই চুফীবাদক অন্যান্য ৰহস্যবাদৰ পৰা পৃথক কৰিছে। অন্যান্য ৰহস্যবাদত আত্মাৰ উৎকৰ্ষসাধনৰ বাবে

মানুহৰ দৈহিক দিশটো সম্পূৰ্ণ উপেক্ষা কৰা হয়, কিন্তু চুফীবাদত আত্মাৰ পবিত্ৰকৰণ বিচাৰা হয় যদিও শাৰীৰিক দিশটোও উপেক্ষা কৰা নহয়। হিন্দু বা বৌদ্ধ ৰহস্যবাদীয়ে স্ব-আৰোপিত দৈহিক যন্ত্ৰণাও আত্মাৰ মুক্তিৰ বাবে মানি লয়। এনে যন্ত্ৰণাই মুক্তিৰ ওচৰ চপায় বুলি তেওঁলোকৰ ধাৰণা। ইচলামী ৰহস্যবাদত এই আত্মনিপীড়নক উৎসাহ দিয়া নহয়। এজন চুফীয়ে তেওঁ সঁচা ইচলামপন্থী হোৱা হেতুকে জীৱনৰ বহিৰ্দিশটো আওকাণ কৰিব নোৱাৰে। দেহক বাদ দি আত্মাৰ উন্নতি সাধন নহয়। দৈহিক আৰু আধ্যাত্মিক এই উভয়ৰে সম্বন্ধ মানব-জীৱনত এনেদৰে ওতঃপ্ৰোতভাবে জড়িত যে দুয়োটাৰে উৎকৰ্ষ সাধিত হলেহে আমি স্ৰষ্টাৰ কৃপাদৃষ্টি লাভ কৰা সম্ভৱপৰ।

সকলো চুফীয়েই তেওঁৰ ৰহস্যবাদী কাৰ্য্যক্ৰমৰ উপৰিও নানান পাৰ্থিব কাৰ্য্যত নিজক ব্যস্ত ৰাখিছিল। নিজৰ পৰিশ্ৰমৰ দ্বাৰা জীৱিকা উপাৰ্জন কৰিছিল। তেওঁলোকে নিজৰ সংসাৰৰ, সমাজৰ, ৰাষ্ট্ৰৰ যাবতীয় দায়িত্ব বহন কৰিছিল। তেওঁলোকৰ মতে পাৰ্থিব দায়িত্ব সম্পূৰ্ণ পৰিহাৰ কৰাত মুক্তি নাই। আনহাতে পাৰ্থিব দায়িত্ব আৰু ধৰ্ম্মীয়বিধি পালনৰ সমন্বয় সাধনতহে প্ৰকৃত মুক্তিৰ পথ আছে। প্ৰকৃতপক্ষে তেওঁলোকে জীৱনৰ পাৰ্থিব আৰু আধ্যাত্মিক দিশক অভেদ বুলি ভাবিছিল।

পয়গম্বৰৰ চাহাবা আৰু তেওঁৰ লগৰীয়া সকললৈ চালেই তেওঁলোকে দেহ আৰু আত্মাৰ সমন্বয় কেনেকৈ সাধন কৰিছিল বুজিব পাৰি। পয়গম্বৰৰ পদাঙ্ক অনুসৰণ কৰি তেওঁলোকে মানুহৰ কল্যাণতো আত্মনিয়োগ কৰিছিল; আৰু খোদাৰ সেৱাতো নিছক উছৰ্গা কৰিছিল। তেওঁলোকে বিশ্বাস কৰিছিল যে খোদাৰ প্ৰতি তেওঁলোকৰ সেৱাৰ কোনো মূল্য নাথাকিব, যদিহে—তেওঁলোকে আল্লাৰ সৃজিত মানুহৰ সেৱা নকৰে। বহুক্ষেত্ৰত চুফীসকলৰ কাৰ্য্য বিবেক-প্ৰণোদিত। লাগিলে আপাতদৃষ্টিত সেয়া পাৰ্থিবেই হ'ক নতুবা আধ্যাত্মিকেই হ'ক।

ইয়াতে আৰু এটা পাৰ্থক্য চকুত পৰে যে অন্যান্য ৰহস্যবাদত একজন মাজৰ মানুহ বা মাধ্যম অৰ্থাৎ গুৰুৰ যোগেদিহে পৰম আৰাধ্যজনক পাব পাৰি। কিন্তু চুফীবাদত ভগবৎপ্ৰাপ্তিৰ বাবে তেনে কোনো গুৰুৰ প্ৰয়োজন নাই। কোৰাণত আছে—"মোক যিয়েই বিচাৰে, মই তেওঁৰে ওচৰলৈ যাওঁ। গতিকে—বৌদ্ধৰ ফুঙী, হিন্দুৰ ব্ৰাহ্মণ, ইহুদীৰ ৰাবী নাইবা খ্ৰীষ্টান পাদ্ৰীৰ দৰে কোনো পুৰোহিতৰ প্ৰয়োজন ইচলামত নাই। অৱশ্যে, আজিকালি এনে পীৰ বা চুফীও বহুতো ওলাইছে—যি সকলে ইচলামৰ প্ৰকৃত শিক্ষাৰ বিৰুদ্ধে গৈ প্ৰায় পুৰোহিতৰ দৰে কাম কৰিব খোজে আৰু নিজকে খোদাৰ দূত বুলি বিবেচনা কৰি জনসাধাৰণক বিভ্ৰান্ত কৰিব খোজে। ইচলামে সকলো মানুহকে খোদাৰ লগত পোনপতীয়া সম্পৰ্ক স্থাপনৰ অধিকাৰ দিছে। পুৰোহিতালি কৰিব খোজা পীৰসকলে ইচলামৰ এই মূলশিক্ষাকে প্ৰকাৰান্তৰে অৱমাননা কৰে।

হিন্দু আৰু বৌদ্ধ ৰহস্যবাদৰ লগত চুফীবাদৰ আৰু এটি পাৰ্থক্য আছে। পৰমাত্মা (DIVINITY)-ৰ লগত বিলীন হৈ যোৱাটোৱে সকলো ৰহস্যবাদীৰে কামনা হলেও একজন চুফীয়ে খোদাক বিশ্বব্ৰহ্মাণ্ডৰ লগত নাইবা বিশ্বব্ৰহ্মাণ্ডক খোদাৰ লগত একে বুলি নাভাবে, যিটো হিন্দু বা বৌদ্ধ ৰহস্যবাদীয়ে ভাবে। প্ৰকৃত চুফীয়ে বিশ্বাস কৰে যে এই বিশ্বব্ৰহ্মাণ্ড খোদায়ে সৃষ্টি কৰিছে। কিন্তু খোদা আৰু তেওঁৰ সৃজিত বিশ্বব্ৰহ্মাণ্ড এক বস্তু নহয়। কোৰাণত কোৱা হৈছে যে খোদাৰ বাহিৰে—সকলো বস্তু ধ্বংসশীল। গতিকে অবিনশ্বৰ খোদাক তেওঁৰ নশ্বৰ সৃষ্টিৰ লগত একে কৰি চোৱা ভুল হব। হিন্দু বা বৌদ্ধ ৰহস্যবাদীয়ে আত্মাৰ 'দেহান্তৰ' (TRANSMIGRATIO OFN SOUL)-ত বিশ্বাস কৰে আৰু 'অৱতাৰবাদো' (INCARNATION) বিশ্বাস কৰে। কিন্তু, একজন চুফীয়ে—তেওঁতে ঈশ্বৰে অৱতাৰ ধাৰণ কৰিছে বা তেৱেঁই ঈশ্বৰৰ অৱতাৰ বুলি নাভাবে। বৰং ময়েই খোদা বা তেৱেঁই মই (আনাল হক) এনে বিশ্বাসহে পোষণ কৰে।

যিসকলে—চুফীবাদ ইচলামৰ আত্মাৰে এটি অবিচ্ছেদ্য অঙ্গ বুলি নাভাবে, তেওঁলোকৰ কাৰণে আৰু এষাৰ কথা সংযোজন কৰাৰ প্ৰয়োজন। যি ভিত্তিৰ ওপৰত ইচলামী সমাজ আৰু সভ্যতা ৰচিত হৈছে তাৰ মূল হ'ল—কোৰাণৰ বাণী—পয়গম্বৰ হজৰত মহম্মদ (চঃ) লাভ কৰা ভগবৎলব্ধ জ্ঞান। পয়গম্বৰৰ চাহাবাৰ দলে (আচহাবে চুফা) পয়গম্বৰৰ দিনতেই ধৰ্ম্মীয় অনুশীলনৰ বাবে খ্যাতি লাভ কৰিছিল। গতিকে—এনে পৰিপ্ৰেক্ষিতত ইচলামক কেৱল গোড়ামি আৰু আচাৰ বিধিৰ অনুষ্ঠান মাথোন বুলি ভাবিলে আৰু 'তাচাৱাফৰ' জন্ম যে তাতোকৈয়ো পিছত এনেদৰে ভাবিলে বুৰঞ্জীক অস্বীকাৰ কৰা হব।

প্ৰকৃততে 'তাচাৱাফে'ই ইচলামৰ আত্মা, আৰু ইচলামৰ ৰাজনৈতিক দৰ্শন তাৰ পথিৰ দিশাৰ এটাহে। অৱশ্যে এই কথাও সচাঁ যে—'চুফীবাদ' বুলি যি বুজায়, মাথোন সেয়ে 'তাচাৱাফ' নহয়। বাহিৰৰ ভাবধাৰা আৰু আচাৰবিধি আনকি ইছলামৰ সম্পূৰ্ণ বিৰোধী আচাৰ বিধিয়েও ইচলাম বিশ্বাসত ঠাই পাইছে। বিশেষকৈ যোৱা কেই শতিকামানত। ইয়াৰ কাৰণ হৈছে—ইছলামৰ সামাজিক আৰু বৌদ্ধিক জীৱনৰ পতনোন্মুখ গতি। কিন্তু ই ইছলামৰ ৰোগবিশেষহে, আৰু ৰোগেই স্বাস্থ্যহীনতাৰ প্ৰমাণ নহয়।

বাহিৰৰ কলুষিত প্ৰভাৱ সত্বেও ইছলামৰ আধ্যাত্মিক দৰ্শন 'তাচাৱাফ' ইচলাম জগতত অবিকৃত ৰূপে আছে।

অৱশ্যে এই ৰূপ দৰ্শনৰ বাবে বিশেষ দৃষ্টিৰ আৱশ্যক। যিসকলে ছলস্থুলীয়া দৰবেশক ইচলাম ৰহস্যবাদৰ প্ৰতিভূ বুলি জ্ঞান কৰে, সেইসকলে 'তাচাৱাফৰ' প্ৰকৃত স্বৰূপ উদ্‌ঘাটন কৰিবলৈ আধ্যাত্মিকতাৰ নতুন পাঠ গ্ৰহণ কৰিব লাগিব।

পোহৰৰ পথ

পৰিচয়

হজৰত বৰপীৰ চাহেবৰ আন নাম হজৰত আব্দুল কাদেৰ জিলানী। অলী বা সিদ্ধ পুৰুষ সকলৰ ভিতৰত শ্ৰেষ্ঠ হোৱাৰ বাবে তেওঁক গওচল আজম, পীৰানেপীৰ দস্ত্‌গীৰো কোৱা হয়। তদুপৰি ইৰাণ দেশৰ জিলান (গিলান) নামৰ জিলাত তেওঁৰ জন্ম হোৱা বাবে তেওঁক জিলানী আখ্যাও দিয়া হয়। (মতান্তৰে গিলানী)

হজৰত বৰপীৰ চাহেব চৈয়দ বংশীয়। তেওঁৰ আদি পিতৃ পুৰুষ হজৰত আলী কৰমুল্লা অজহু। (১) তেওঁৰ পুত্ৰ ইমাম হাচান ৰাজি আল্লাহু আনহু। (২) তেওঁৰ পুত্ৰ চৈয়দ আব্দুল্লা (ৰাঃ)। (৩) তেওঁৰ পুত্ৰ মুচাল জুন (ৰাঃ)। (৪) তেওঁৰ পুত্ৰ চৈয়দ আব্দুল চানি (ৰাঃ)। (৫) তেওঁৰ পুত্ৰ চৈয়দ মুচা (ৰাঃ)। (৬) তেওঁৰ পুত্ৰ চৈয়দ দাউদ (ৰাঃ)। (৭) তেওঁৰ পুত্ৰ চৈয়দ মহম্মদ (ৰাঃ)। (৮) তেওঁৰ পুত্ৰ চৈয়দ জাহেদেহি (ৰাঃ)। (৯) তেওঁৰ পুত্ৰ চৈয়দ আবু আব্দুল্লাহ (ৰাঃ)। (১০) তেওঁৰ পুত্ৰ চৈয়দ চফিউদ্দিন (ৰাঃ)। (১১) তেওঁৰ পুত্ৰ চৈয়দ আবু চালে মুচা জঙ্গী (ৰাঃ)। (১২) তেওঁৰ পুত্ৰ হ'ল চৈয়দ আব্দুল কাদিৰ মহীউদ্দিন জিলানী (ৰাঃ)।

আবু চালেহ জঙ্গী দোস্ত্‌ এজন ডাঙৰ পণ্ডিতৰ উপৰিও পৰম সাধক আছিল। ধ্যানমগ্ন হলে তেওঁ বাহ্যজ্ঞান হেৰুৱাই পেলাইছিল। তন্ময় অৱস্থাত কত সময় যে পাৰ হৈ গৈছিল তাৰ নিশ্চয়তা নাছিল। এনেজন পিতৃৰ সুযোগ্য সন্তান হজৰত আব্দুল কাদেৰ জিলানীও আছিল এজন সফল সাধক আৰু সময়ৰ শ্ৰেষ্ঠ নিৰ্দ্দেশক (হাদীয়ে জামান) তেওঁৰ

ঘটনাবহুল জীৱনী বহু অলৌকিক কাৰ্য্য কলাপেৰে পৰিপূৰ্ণ। তদুপৰি তেওঁৰ ভক্তবৰ্গৰ অতিৰঞ্জনৰ ফলত বৰপীৰ চাহেবৰ জীৱনীত পিছলৈ বহুতো অতিশয়োক্তিয়েও ঠাই পোৱাত সত্য উদ্ঘাটন কৰি তেওঁৰ অলৌকিক জীৱনী লিখা বৰ সহজো নহয়। ভক্তিৰ আতিশয্য আৰু অসাৱধানতাৰ ফলত বহু ঠাইত সত্যৰ অপলাপ ঘটাৰ সম্ভাৱনাও নোহোৱা নহয়।

ৰছুল আৰু নবীসকলক পৰম কৰুণাময় আল্লাহ্ পাকে তেওঁৰ খাটী বান্দা বা প্ৰকৃত সেৱক স্বৰূপে দুনিয়ালৈ পঠিয়াইছিল। সেই বাবেই নবীসকলৰ জীৱনৰ চৰম আৰু পৰম সাধনা আছিল মানুহৰ মাজত—জনসাধাৰণৰ মাজত আল্লাৰ দীন বা মহা সত্য প্ৰচাৰ কৰা। শেষ নবী হজৰত মোহাম্মদ মোস্তফা ছাল্লাল্লাহু আলায়হে ৱাচ্ছালামৰ সময়ত এক অদ্বিতীয়, আল্লাহ্ তাআ'লাৰ দীনে পৰিপূৰ্ণতা লাভ কৰে। তেওঁৰ পিছত আৰু কোনো নবী বা ৰছুল পঠিওৱাৰ আৱশ্যক নাই। নাই যদিও যুগে যুগে সেই 'দীনৰ' প্ৰচাৰৰ বাবে পৰম কৰুণাময় সৃষ্টিকৰ্ত্তাৰ নৈকট্য লাভ কৰোঁতা সাধক সকল, অলি আল্লাহ্ আৰু সময়ৰ নিৰ্দ্দেশক, (হাদীয়ে জামান) সকলৰ আৱশ্যক আছে। হজৰত বৰপীৰ চাহেব এই শ্ৰেণীৰে এজন সফল সাধক আৰু সময়ৰ শ্ৰেষ্ঠ নিৰ্দ্দেশক।

খোদা তা'আলাই তেওঁৰ ভক্ত বৰপীৰ চাহেবৰ প্ৰতি অশেষ কৰুণা কৰিছিল। তেওঁৰ সেই অপাৰ কৰুণা লাভ কৰি সাধক প্ৰবৰ হজৰত বৰপীৰ চাহেবে নিজে ধন্য মানিছিল আৰু ধন্য কৰিছিল তেওঁৰ অনুগামী ভক্ত সকলক! যি সকল আল্লাৰ ওপৰত নিৰ্ভৰশীল, তেওঁলোকৰ বাবে আল্লাহ্ তা'আলাই সৰ্ব্বস্ব। সকলো কল্যাণ, সকলো শুভ, সকলো মঙ্গল সেই পৰম কৰুণাময়ৰে দান!

অতিৰিক্ত নফল এবাদতৰ (ওপৰঞ্চি পুণ্যাৰ্জ্জনৰ বাবে কৰা উপাসনা, আৰাধনা) দ্বাৰা মানুহে খোদাৰ সান্নিধ্য লাভ কৰে। হজৰত বৰপীৰ চাহেবে বছৰৰ পিছত বছৰ সেই পৰম দয়ালু খোদাৰ এবাদতত থাৱন,

যৌৱন, সুখ-স্বাচ্ছন্দ্য সকলো ত্যাগ কৰি কঠোৰ সাধনাৰ মাজেদিহে সফলতা লাভ কৰিছিল। তেওঁৰ সুকঠোৰ কৃচ্ছ্র সাধনাই তেওঁৰ সফলতাৰ, শ্ৰেষ্ঠত্বৰ আৰু অলৌকিকত্বৰ কাৰণ।

ইচলামৰ সুশীতল করুণা জগতৰ বুকুত সিঁচোতা মহান নবী হজৰত মোহাম্মদ মোস্তফা ছাল্লাল্লাহু আলায়হে য়াচ্চালামৰো বাসভূমি আছিল দীন দৰিদ্ৰৰ খেজুৰ পাতৰ পঁজা, ৰজাৰ ৰাজপ্ৰাসাদ নহয়! তাপলিমৰা জৰা-জীৰ্ণ চামৰাৰ জোতা। চেণ্ডেল তেওঁ কেতিয়াবা ব্যৱহাৰ কৰিছিল। কেতিয়াবা হয়তো সুদা ভৰিৰেই মৰু-ভূমিৰ ওপৰত বালিত খোজ কাঢ়ি ফুৰিছিল। দুবেলাৰ আহাৰ একে লগে ঘৰত ৰখাৰ কথা নেভাবিছিল। পেট পূৰাই কোনোদিনেই আহাৰ নাখাইছিল। আনকি বহুসময়ত পেটত শিলবান্ধি ভোকৰ জ্বালা উপশমৰ চেষ্টা কৰিছিল। বহুদিন চৌকাত জুই নজ্বলিছিল। আনকি অলেখ ধন-ঐশ্বৰ্য্যৰ গৰাকী হোৱাৰ পিছতো সেই একেদৰেই নিৰ্লিপ্ততাৰ মাজেৰেই তেওঁৰ দিন কাটিছিল। হজৰত ৰছুল (ছঃ)ৰ ইন্তেকাল (স্বৰ্গী) হোৱাৰ পিছতো খলিফা চতুষ্টয়ৰ কালত (খোলাফায়ে ৰাচেদীন) এই ত্যাগৰ আদৰ্শ অক্ষুণ্ণ আছিল। পবিত্ৰ খিলাফত বা গণতন্ত্ৰৰ আদৰ্শ অব্যাহত থকালৈকে ত্যাগ আৰু কৰ্ম্মৰ মাজেদি ইচলামে শক্তি আৰু দৃঢ়তা অৰ্জ্জন কৰিছিল। 'বায়তুল মালৰ' (জনসাধাৰণৰ বাবে গচ্ছিত ধন) যথাযথ ব্যৱহাৰৰ দ্বাৰা ইচলামৰ মেৰুদণ্ড আৰু মজ্জাত যি শক্তি প্ৰবাহ বৈছিল, ৰাজতন্ত্ৰ প্ৰতিষ্ঠাৰ সময়ত সেয়া গৈ ৰাজকোষত পৰিণত হ'ল। ৰাজ্যৰ আয়-ব্যয়ৰ ভু ৰাখোঁতা থাকিলগৈ মাথোন 'ৰজা' আৰু তেৱেঁই হ'ল 'খলিফা' অৰ্থাৎ ইচলামী ৰাজ্যৰ দণ্ডমুণ্ডৰ বিধান-কৰ্ত্তা! খোলাফায়ে ৰাচেদীনৰ সময়ত ত্যাগৰ মাজেৰে যি শক্তিৰ উন্মেষ হৈছিল পিছৰ যুগত ভোগৰ মাজত তাৰ শোচনীয় পৰিসমাপ্তি ঘটিল। এই পৰিবৰ্ত্তনৰ প্ৰতিক্ৰিয়া ব্যাপক আৰু সুদূৰ প্ৰসাৰী। ইচলামৰ মেৰুদণ্ডৰ দৃঢ়তা কমি অহাৰ পিছতে ইচলামৰ চৰিত্ৰতৰ

(ইচলামী বিধি) আৰু পবিত্ৰ কোৰাণৰ নামত মানুহক শোষণৰ সূচনা হ'ল।

স্তিমিতপ্ৰায় ইচলাম জ্যোতিয়ে হজৰত ৰৰপীৰ চাহেবৰ জন্মৰ লগে লগে পুনৰ্বাৰ পৃথিবীৰ বুকু উদ্ভাসিত কৰিলে। ইচলামৰ প্ৰকৃত আদৰ্শৰ পতনে জাতীয় সভ্যতাৰ স্ৰোত নিম্নগামী কৰিছিল। তেনে সন্ধিক্ষণত মহিমাময় খোদাৰ ইচ্ছাত মহান সাধক হজৰত ৰৰপীৰ চাহেবৰ আবিৰ্ভাৱ হৈছিল।

আত্মিক শক্তিৰ বলেৰে বলীয়ান এই শান্তিকামী মহান সাধকৰ আগমন অপেক্ষাত থকা সাধকসকলে এই শুভবাৰ্ত্তা জগতক আগ ধৰিয়ে শুনাইছিল। দাৰিদ্ৰ্যৰ কঠোৰ নিপীড়ন আৰু অসাধাৰণ দুখকষ্টৰ দীঘলীয়া পথ অতিক্ৰম কৰিও তেওঁ আল্লাহ তা'আলাৰ দানক দুষ্কৃতিকাৰীৰ অন্যায় আক্ৰমণ আৰু কুসংস্কাৰৰ কঠিন শিকলিৰ পৰা মুক্ত কৰি গৈছে। পাপ, তাপ, জৰা, ব্যাধিৰে ভৰা এই পৃথিবীলৈ মানুহৰ বাবে শান্তি আৰু কল্যাণৰ অমিয়াধাৰালৈ হজৰত ৰৰপীৰ চাহেব আহিব আৰু এক নবযুগৰ সূচনা কৰিব। এয়ে সৃষ্টিকৰ্ত্তাৰো অভিলাষ—নিৰ্দ্দেশ। সেই শুভদিন আহিল—৪৭০ হিজৰীৰ পহিলা ৰমজানৰ দিনা। পবিত্ৰ ৰমজান মাহৰ মহিমা সেইবাৰ যেন দুগুণে চৰিছিল। মাতৃৰ কোলা শুৱনি কৰিলেহি এই সাধকে। তেওঁৰ গুণৱতী, বিদূষী মাতৃৰ সস্নেহ সাহচৰ্য্য আৰু নিষ্ঠাযুক্ত তত্ত্বাৱ-ধানত এই মহান শিশু বাঢি আহিল। পিতৃ-মাতৃৰ পৰিচয় আৰু তেওঁলোকৰ জীৱনৰ ত্যাগ আৰু সাধনাৰ যি অপূৰ্ব্ব মাহাত্ম্য প্ৰকাশ পাইছিল—তাৰে যেন পূৰ্ণ বিকাশ ঘটিছিল—হজৰত ৰৰপীৰ চাহেবৰ জীৱনত।

পিতৃ-পৰিচয়

গিলান জিলাৰ ভিতৰুৱা এখন গাৱঁত হজৰত আবু চালেহ জঙ্গীদোস্ত নামৰ এজন পৰম সাধক মহাপুৰুষ আছিল। তেওঁৰ জন্ম হৈছিল ইচলামৰ পয়গম্বৰৰ (চঃ) প্ৰিয় দুহীতা হজৰত ফাতেমা বিবিৰ

পুত্র হজৰত ইমাম হাচানৰ পবিত্র বংশজ। তেওঁ এজন ডাঙৰ পণ্ডিত আছিল ; পাণ্ডিত্যৰ উপৰিও তেওঁৰ আছিল গভীৰ সাধনা। ধ্যান-ধাৰণাত তেও সিদ্ধি লাভ কৰিছিল এক বিস্ময়কৰ ঘটনাৰ দ্বাৰা। সেই ঘটনাৰ বিষয়ে জনাৰ পিছত হজৰত বৰপীৰ চাহেবৰ অপূর্ব্ব দৃঢ় আৰু মহিমান্বিত সাধক জীৱনৰ ভিত্তি কেনে সুদৃঢ় আছিল সেই কথা সহজেই অনুমান কৰিব পাৰি।

এদিনৰ কথা। ফুৰি ফুৰি আবুচালেহ জঙ্গী দোস্ত নৈ পাৰ পালে। চৌদিশে সেউজীয়া পথাৰ। তটিনীৰ কুলু কুলু তান, ফুলে ফুলে সুশোভিত ধুনীয়া গছ-লতা, নানাবিধ বনৰীয়া চৰাইৰ গীতৰ লহৰীয়ে ইৰাণৰ সেই ঠাইখনি মনোৰম কৰি তুলিছিল। প্ৰকৃতিৰ সকলো দানেৰে পৰিপূর্ণ ধুনীয়া সেই ঠাইখনিয়ে সাধক প্ৰবৰৰ মনত সৃষ্টিকৰ্ত্তা পৰম দয়ালু,দাতা মহান আল্লাৰ অপূর্ব্ব মহিমাৰ কথা সোঁৱৰাই দিলে। মুহূর্ত্ত মাত্রও পলম নকৰি তেওঁ আনন্দ মনেৰে আল্লাৰ ধ্যানত নিমগ্ন হ'ল। লাহে লাহে তেওঁৰ বাহ্যজ্ঞান লোপ পালে। এইদৰে কতপৰ যে কাটি গ'ল তালৈ তেওঁৰ ভ্ৰূক্ষেপ নাই। বহুপৰ পিছত ধ্যানভঙ্গৰ অন্তত মাথোন তেওঁ অনুভৱ কৰিলে যে তেওঁ ভোক-পিয়াহত কাতৰ।

সাধক সকলৰ পাৰ্থিব ধন-সম্পদ নাথাকে। তথাপিও যি অলপ অচৰপ খোৱাৰ যোগাৰ আছিল—সিওখিনি তেওঁৰ থকা ঠাইতে ৰ'ল। কাষৰে পাজৰে মানুহৰ সাৰি সুৰাও (সঁহাৰি) নাই। ধুনীয়া উপবন-খনি চালে চকুৰোৱা যদিও খোৱাৰ উপযোগী একো তেওঁৰ চকুত নপৰিল। নৈৰ পাৰে পাৰে তেওঁ আগবাঢ়ি গৈ থাকিল।

গৈ থাকোঁতে এঠাইত দেখিলে—এটি পকা আপেল নৈৰ সোঁতত উটি গৈছে। দেখামাত্রকে হেঁপাহেৰে আপেলটি তুলি লৈ তেওঁ ভোক পূৰালে। কিন্তু এই আপেলটিয়ে অলক্ষ্যে তেওঁকনো ক'লৈ আকর্ষণ কৰিছিল সেইকথা ভোক-পিয়াহত কাতৰ সৰলমতি সাধকৰ বুজিবৰ সাধ্য নাছিল। ভোক-পিয়াহত কাতৰ হৈ পেটৰ অগণিকুৰা

মুমাবলৈকে তেওঁ ফলটি খাইছিল। কিন্তু তাৰ পিছ মুহূৰ্ত্তৰ পৰা তেওঁৰ পেটৰ অগণি মুমাল যদিও এটি নতুন চিন্তাই তেওঁৰ মনত হেন্দোলনি তুলিলে। চকুৰ আগৰ পৰা যেন এখন যবনিকা আঁতৰি গ'ল।

ছুফী মতবাদ অনুসৰি তৰিকত (খোদাপ্ৰাপ্তি পথ) পন্থীৰ সাধনাৰ প্ৰথম স্তৰ হ'ল—আনৰ 'হক্' (দাবী) আদায় কৰা। গতিকে তেওঁৰ মনত এক মহা দুশ্চিন্তাই ঠাই ললে। তেওঁ ভাবিবলৈ ধৰিলে মই কি অন্যায় কাম কৰিলোঁ। এই আপেলটো বা কাৰ? এই ফলৰ প্ৰকৃত অধিকাৰী কোন? বিনানুমতিত এই ফল খোৱা জানো মোৰ উচিত হৈছে? এতিয়ানো মোৰ কি হব? অন্য এজনৰ 'হক ৰ (দাবী) ওপৰত হেতাওপৰা কৰা দোষ। এই দোষৰ বাবে শেষ বিচাৰৰ দিনা (ৰোজ হাচৰ) খোদাৰ ওপৰত মই বাৰু কি উত্তৰ দিম? পৰকালৰ কথা বাদ দিলেও এই জীৱনতে এই ফলৰ প্ৰকৃত গৰাকীয়ে যদি মোক ক্ষমা নকৰে, তেন্তে মোৰ অতদিনৰ তপস্যা, ধ্যান-ধাৰণা, কৃচ্ছ্ৰসাধনা সকলো যে ব্যৰ্থ হৈ যাব!' এইদৰে চিন্তা কৰি তেওঁ অবিৰল চকুলো টুকিবলৈ ধৰিলে। সাধাৰণৰ বাবে এই ঘটনাটি হয়তো অতি তুচ্ছ; কিন্তু মহান হৃদয়ৰ সাধক প্ৰবৰৰ হিয়াত এই ঘটনাই তোলপাৰ লগালে।

অৱশেষত তেওঁ থিৰ কৰিলে—মনতে এক গভীৰ প্ৰতিজ্ঞা ললে যে যি কোনো উপায়ে নহক—এই আপেলৰ প্ৰকৃত গৰাকীৰ অনুসন্ধান লৈহে এৰিব! কিয়নো, তেওঁৰ পৰা ক্ষমাদান নাপালে আবুচালেহ জঙ্গীদোস্তৰ সাধনা হৈ ৰব আধৰুৱা আৰু তেওঁৰ কৃত অপৰাধৰ বাবে খোদা তা'আলাই নাজানো কি শাস্তিৰ বিধান কৰে! এই সঙ্কল্প গ্ৰহণ কৰাৰ পিছত তেওঁ যেন দাৰুণ অস্বস্তিৰ পৰা কিঞ্চিৎ সকাহ পালে। গৰাকীৰ অনুসন্ধানত তেওঁ নৈৰ বিপৰীত পিনে সোঁতৰ ওভোতা কালে যাবলৈ ধৰিলে। গৈ থাকোঁতে সততে তেওঁ পাৰলৈ লক্ষ্য ৰাখিলে—ক'ৰবাত আপেল গছ আছে নে নাই।

এক্কেবাহে কেবাদিনো দিনে নিশাই এইদৰে অনুসন্ধান কৰি কৰি এদিন এঠাইত দেখিলে বহুঠাই জুৰি এখন বিৰাট ফলৰ বাগিচা। বংমনেৰে বাগিচাৰ ওচৰ চাপি দেখিলে—ঠিক নৈৰ পাৰতে বাগিচাত এডাল আপেলৰ গছ। কেঁচা পকা আপেলেৰে ভৰা গছডাল দেখিয়েই তেওঁ বুজিলে যে এই গছৰে আপেল তেওঁ খাইছে।

বাগিচাৰ ওচৰতে আছিল এটি অতি বিতোপন অট্টালিকা। তেওঁ খবৰ কৰি জানিব পাৰিলে যে এই অট্টালিকাৰ গৰাকীয়ে বাগিচাৰো গৰাকী। এই কথাৰ সম্ভেদ পাই অনুতাপদগ্ধ হজৰত আবুচালেই যেন কণেক জুৰণি পালে। অৱশেহত তেওঁ যে আহি কৃতকৰ্ম্মৰ বাবে ক্ষমা প্ৰাৰ্থনা খুজিবলৈ বাঞ্ছিতজনৰ সন্ধান পালেহি তাৰ বাবে বিশ্বনিয়ন্তাৰ ওচৰত কৃতজ্ঞতাও নিবেদন কৰিলে। হজৰত আবুচালেহ লাহে লাহে অট্টালিকাৰ ওচৰলৈ আগবাঢ়িল। তেওঁ ইয়াকো জানিব পাৰিলে যে এই অট্টালিকাৰ গৰাকীজন এজন অতি গুণবান সাধক পুৰুষ। তেওঁ হজৰত ইমাম হোচেন (ৰাঃ) ৰ বংশধৰ আৰু নাম হ'ল—হজৰত আব্দুল্লাহ চোৱামী। এই কথা জনাৰ পিছত হজৰত আবুচালেহৰ মনলৈ অলপ বল আহিল। কিয়নো তেওঁ নিজে হজৰত ইমাম হাচানৰ (ৰাঃ) বংশধৰ। সেয়ে হয়তো হজৰত আব্দুল্লাহ চোৱামীয়ে এটি মাথোন আপেল বিনানুমতিত খোৱাৰ অপৰাধ ক্ষমা কৰিবও পাৰে। আশা আৰু আশ্বাসৰ হেন্দোলনিত কাতৰ কণ্ঠে —চকুলোৰে ভৰা চকুৰে হজৰত আবুচালেই ক্ষমা ভিক্ষা কৰিলে।

প্ৰথমে চকুৰ আগত ক্ষীণকায় এটি যুবকক দেখি হজৰত আব্দুল্লাহ চোৱামী আচৰিত হ'ল। কিন্তু ক্ষমা প্ৰাৰ্থনা জনোৱাৰ পাছত এই নম্ৰ শান্ত আৰু কোমলমতি তাপসৰ বিষয়ে সকলো জানিব পাৰিলে। তদুপৰি জহুৰীয়ে হীৰা, জহৰৎ আদি বিশুদ্ধ ধাতু চিনাৰ দৰে—হজৰত আব্দুল্লাহ চোৱামীয়ে ভালকৈ চিনি পালে হজৰত আবুচালেহক। কেনে সৰলমতি। একনিষ্ঠ এই তৰুণ সাধক।

হজৰত আবুচালেহৰ আগমনৰ উদ্দেশ্য তেওঁৰ নিজৰ মুখৰ শুনি হজৰত আব্দুল্লাহ চোৱামীৰ অন্তৰ পুলকিত হৈ উঠিল। কিন্তু বাহিৰত তেওঁৰ কোনো ভাবান্তৰ দেখা নগ'ল। মুখেৰে ফুটাই কলে—"তোমাৰ আগমনৰ উদ্দেশ্য, মনৰ বাসনা আৰু অন্তৰৰ ব্যথাৰ বিষয়ে মই সকলো বুজিব পাৰিছোঁ। অৱশ্যে তোমাৰ অন্যায় যে অতি গুৰুতৰ সেইকথাও মই কব নোখোজোঁ; কিন্তু মোৰ ক্ষমাৰ চৰ্ত্ত বৰ কঠোৰ। তুমি জানো সঁচাই মোৰ পৰা ক্ষমা বিচৰা? যদি সঁচাকৈয়ে বিচৰা—তেন্তে একাদিক্ৰমে বাৰ বছৰ তুমি মোৰ সান্নিধ্যত থাকিব লাগিব। মই যেতিয়া বুজিম যে তুমি ক্ষমালাভৰ উপযুক্ত হৈছা, তেতিয়াহে তোমাক মই ক্ষমা কৰিব পাৰিম।"

এই অদ্ভুত প্ৰস্তাব শুনামাত্ৰকে হজৰত আবুচালেহ জঙ্গীদোস্তৰ আশা ভৰা অন্তৰত বিষাদৰ ছাঁ পৰিল। হাঁয়! কি কঠোৰ পৰীক্ষা! তেন্তে এই বাৰ বছৰ দাসত্বৰ—বন্দীত্বৰ নিকপকপীয়া জৰীগছেৰে তেওঁক হজৰত আব্দুল্লাহ চোৱামীয়ে বান্ধি ৰাখিব খুজিছে? কিন্তু এই প্ৰস্তাব মানি নলৈয়ে বা তেওঁ কিদৰে মুক্তি পাব? নিজৰ কৃত কৰ্ম্ম অন্যায় বুলি জনাৰ পিছত তাৰ প্ৰতিকাৰৰ অৰ্থে এই ক্ষমা প্ৰাৰ্থনাৰ বাবে যি আদেশ হয়, তাকেই যে কৰিব লাগিব। অন্যথায় তেওঁৰ অতদিনৰ সযত্ন সাধনা বিফলে যাব আৰু পৰকালৰ সকলো পুৰস্কাৰৰ পৰাও তেওঁ বঞ্চিত হব লাগিব। এই কথাকে ভাবি তেওঁ যিমানেই কঠোৰ নহক লাগিলে—যিমানেই কঠিন নহক লাগিলে সেই চৰ্ত্তৰ বিনিময়তে ক্ষমালাভৰ বাবে অঙ্গীকাৰ বদ্ধ হবলৈ স্থিৰ কৰিলে। ক্ষমালাভৰ আশাত তেওঁৰ উদ্বেলিত অন্তৰৰ গ্লানি আঁতৰ হ'ল আৰু মন হৈ পৰিল পুনৰ শান্ত, ধীৰ। সাহস, দৃঢ়তা, ধৈৰ্য্য আৰু আশাৰে বুকু বান্ধি হজৰত আবুচালেহই নম্ৰভাৱে হজৰত আব্দুল্লাহ চোৱামীৰ প্ৰস্তাবত সম্মতি জনালে।

সাধাৰণ দৃষ্টিৰে চাবলৈ গলে সাধকসকলৰ কাৰ্য্যকলাপত আমি তেনে কোনো বিশেষত্ব নেদেখোঁ; কিন্তু তেওঁলোকৰ প্ৰতিটো

কাৰ্য্য পুঙ্খানুপুঙ্খৰূপে কঁহিয়াই চালে প্ৰকৃত সন্ধানীৰ চকুত তেওঁলোকৰ অপূৰ্ব মহত্ব আৰু পবিত্ৰ আত্মাৰ নিকলুষ সৌন্দৰ্য্য ধৰা পৰে। এই সৌন্দৰ্য্যই তেওঁলোকক আপামৰ জনৰ চকুত শ্ৰদ্ধেয় আৰু বৰণীয় কৰিছে। সামান্য একোটি ত্ৰুটি-বিচ্যুতিৰ বাবেই তেওঁলোকৰ অন্তৰৰ বিচলিত ভাব, বিবেকৰ দংশনত আত্মাৰ আকুতি এই বিলাকেই তেওঁলোকক শ্ৰেষ্ঠত্বৰ আসন দিছে। এইবাবেই প্ৰকৃত সাধক, খোদাভক্ত প্ৰেমিক সকল বিশ্বৰ জড়—চেতন সকলো প্ৰাণীৰ বাবেই করুণাময় খোদাৰ মহৎ অনুগ্ৰহ স্বৰূপ !

সূক্ষ্মদৰ্শী সকলে এই অদ্ভুত কঠোৰ চৰ্ত্তৰ মাজত সোয়ে এক মঙ্গলৰ —শুভৰ ইঙ্গিত দেখিবলৈ পাব। উভয় সাধকৰ সম্পৰ্কৰ ভিতৰত কিবা এক মহান যোগ-সূত্ৰৰ সূচনা হ'ল—এইদৰেই অকস্মাৎ আৰু অপ্ৰত্যাশিত ভাবে !

সঁচাকে—পীৰ-ফকিৰ, আলী আল্লাহ সকলে সাধনাৰ বলেৰে জ্ঞান আৰু শক্তিৰ বিশেষ শক্তিৰে বলীয়ান হৈ এখনি সুকীয়া জগতত বিচৰণ কৰে। দেখাত এই জড় জগতৰ অধিবাসী হলেও তেওঁলোক জড় জগতৰ মুখাপেক্ষী নহয়। চেতন আৰু অচেতন দুয়ো শক্তিয়ে এই বিশেষ শক্তিৰ অধিকাৰী পীৰ-ফকিৰ সকলৰ সেৱাতহে ৰবং আত্মনিয়োগ কৰে। পৰম দয়ালু, দাতা, বিশ্বপালকেও পবিত্ৰ কোৰাণ চৰিফতো সেই কথাই এইদৰে ঘোষণা কৰিছে—"পৃথিবী আৰু সৌৰজগতত থকা সকলো জড় আৰু চেতন পদাৰ্থ সমূহ মই মানৱৰ উপকাৰত, সেৱাত আহিবৰ বাবেই সৃষ্টি কৰিছোঁ। কিন্তু মানুহে সেইবোৰক সেৱা কৰিবৰ উদ্দেশ্যে নহয়।" এই ঘোষণাৰ প্ৰতি উদাসীন হৈ বা পাহৰি গৈ আপামৰ জনে ভুল কৰিব পাৰে, কিন্তু অলী-আল্লাহ সকলে, পীৰ-সাধক সকলে তেওঁলোকৰ নিজৰ জীৱন আৰু আদৰ্শনীয় কাৰ্য্যাৱলীৰ যোগেৰে এই ঘোষণাৰ সত্যতা প্ৰমাণ কৰি থৈ যায়।

অনিত্য, অসাৰ সকলো বস্তু, সুখ-ভোগ বিসৰ্জন দি তেওঁলোকে

মাথোন নিত্য, চিৰ শ্বাশ্বত সত্যৰ অনুসন্ধান কৰে। পাৰ্থিৱ সুখ-সম্ভোগৰ মাজত আত্মসুখ, তৃপ্তি বিবিচাৰি তেওঁলোকে কিচাৰে আত্মাৰ উন্নতি আৰু নিজৰ জীৱনৰ বিনিময়তো এই শিক্ষাকে জগতবাসীক দিবলৈ অভিলাষী হয়। এই নৰজগতৰ সুখ-সম্ভোগ, আত্মতৃপ্তি, কামনা-বাসনা, লোভ-লালসা বিসৰ্জ্জন দি ত্যাগৰ জীৱন কঠোৰভাবে পালন কৰাৰ বহু দৃষ্টান্ত আছে। পীৰ-ফকিৰ, অলী-আল্লাহ সকলৰ এই সুমহান দৃষ্টান্ত বাজিয়ে মাথোন—তেওঁলোকৰ নিজ নিজ মহত্বই যে প্ৰকাশ কৰে, তেনে নহয়—এই আদৰ্শ—সমগ্ৰ বিশ্বৰ কল্যাণৰ আদৰ্শ। জগতবাসীক এইদৰে নিজৰ জীৱনৰ ত্যাগৰ বিনিময়ত দি যোৱা শিক্ষাৰ অবিহনে পৃথিবী পাপেৰে পূৰ্ণ হ'লহেঁতেন। এই পৃথিৱী হয়তো জ্ঞান-বিজ্ঞান, বাণিজ্য, শিল্প-কলা, সভ্যতা, মানৱতাৰ আবাসভূমি নহৈ হ লহেঁতেন পাপৰ লীলাভূমি। অৱশ্যে বহুসময়ত বাহ্যিক ভাব অলী-আল্লাহ সকলৰ কাৰ্য্যকলাপ পৰ্য্যালোচনা কৰি চালে একো অৰ্থ উলিয়াব নোৱাৰি; কিন্তু প্ৰকৃততে তেওঁবিলাকে আত্মশুদ্ধিৰ বল আৰু আত্মিক শক্তিৰ মাহাত্ম্যত বহু অসাধ্য সাধন কৰে।

আবুচালেহ জঙ্গী দোস্তৰ কঠোৰ পৰীক্ষাও আৰম্ভ হৈছিল এই ত্যাগ-সাধনাৰ মাজেৰেই। ঘৰ-বাৰী, আত্মীয় পৰিজন, সকলোকে তিয়াগি হজৰত আব্দুল্লাহ চোৱামীৰ কঠোৰ চৰ্তত মান্তি হৈ আবুচালেহই অতি নিষ্ঠা আৰু ধৈৰ্য্যেৰে হজৰত চোৱামীৰ সান্নিধ্যত দিন নিয়াবলৈ ধৰিলে। কৰুণাময় আল্লাৰ উপাসনা আৰু হজৰত চোৱামীৰ খেদমত (শুশ্ৰূষা) কৰি তেওঁৰ আদেশ, নিৰ্দ্দেশ মূৰদোৱাই পালন কৰাই হ'ল তেওঁৰ জীৱনৰ নতুন ব্ৰত। এইদৰে বহুদিন, বহুমাহ, বহুবছৰ পাৰ হৈ গ'ল। ক্ৰমে সুদীৰ্ঘ বাৰ বছৰ (নিৰ্দ্দিষ্ট সময়) উকলি গ'ল। এই দীঘলীয়া সময় ছোৱাত হজৰত আবুচালেহৰ দৰে অমূল্য বস্তু বহুমূলীয়া বস্তুৰ দৰেই উজ্জ্বল হৈ গুণী, জ্ঞানী হজৰত চোৱামীৰ চকুত ধৰা দিছিল। সেয়ে তেওঁ শিক্ষা আৰু সাধনাৰ

বাটত হজৰত আবুচালেহক নিজৰ সান্নিধ্যত ৰাখি বহুদূৰ আগবঢ়াই দিছিল।

পবিত্ৰ অন্তৰৰ হজৰত আবুচালেহৰ অন্তৰখনি আছিল ফুলৰ দৰে সুকোমল আৰু নিকা। নিজৰ কৃত অপৰাধৰ বাবে তেওঁ সদায় অনুশোচনা কৰিছিল। হজৰত চোৱামীৰ পৰা ক্ষমালাভৰ আশাত একেৰাহে বাৰ বছৰ তেওঁৰ খেদমতত থকাৰ পিছতো তেওঁৰ অন্তৰৰ পৰা ভয় আৰু শঙ্কা আঁতৰ হোৱা নাছিল। ইয়াৰ কাৰণ হ'ল হজৰত চোৱামীৰ মধুৰ স্বভাৱ আৰু আত্মিক শক্তিৰ অপূৰ্ব্ব সুষমাই হজৰত আবুচালেহক বিস্মিত আৰু মুগ্ধ কৰিছিল। সেয়ে—বাৰে বাৰে তেওঁ ভাবিছিল—এই হেন এজন গুণী, মহান সাধকৰ বিনানুমতিত তেওঁৰ গছৰ ফল খোৱা চাগৈ কিমান গুৰুতৰ অন্যায় হৈছে! কোনে জানে হয়তোবা এই বাৰ বছৰৰ ভিতৰতো তেওঁ অজানিতে আৰু কত জগৰ লগাইছে! যদি এইবাৰো তেওঁ মুক্তি নাপায়! এইদৰে বহুকথা গুণাগঁথা কৰি হজৰত আবুচালেহ দোমোজাত আছিল। হয়তোবা আগৰ অপৰাধৰ বাবেও তেওঁ ক্ষমালাভৰ উপযুক্ত হোৱাই নাই। এই অৱস্থাৰ পৰা কোনে তেওঁক উদ্ধাৰ কৰিব? একমাত্ৰ খোদা পাকেহে ইয়াৰ পৰা তেওঁক মুক্তি দিব পাৰিব। অৱশ্যে একমাত্ৰ সান্ত্বনা আছে সেয়ে হ'ল—হজৰত চোৱামী এজন সাধক—মহাজ্ঞানী। তেওঁৰ অন্তৰত জানো ক্ষমাশীলতা নাই?

এইদৰে মনৰ মাজত আশা-নিৰাশাৰ হেন্দোলনি চলি থকা সত্বেও সাহত সিদ্ধি কৰি হজৰত আবু চালেহে হজৰত চোৱামীৰ ওচৰলৈ গৈ হাতযোৰ কৰি নিবেদন কৰিলেগৈ, "অপৰাধীৰ প্ৰায়শ্চিত্তৰ বাবে প্ৰতিশ্ৰুত বাৰ বছৰ উকলি গ'ল। এইবাৰ অপৰাধী ক্ষমালাভৰ উপযুক্ত হৈছেনে?"

হজৰত চোৱামী হয়তো এই প্ৰশ্নৰ বাবে সাজু নাছিল। হঠাতে হজৰত আবুচালেহৰ মুখত ক্ষমাভিক্ষাৰ বাণী শুনি তেওঁ আচৰিত হ'ল। সুমধুৰ চৰিত্ৰ আৰু আন্তৰিক ভক্তিপূৰ্ণ পৰিচৰ্য্যাৰে তেওঁক মুগ্ধ কৰি

খোৱা এই নিকলুষ ভেকাটিৰ মহান অন্তৰৰ পবিত্র মতুনকৈ পাই তেওঁৰ অন্তৰ পুলকিত হ'ল। বাৰবছৰ পৰম নিষ্ঠা আৰু একাগ্রতাৰে তেওঁক পৰিচৰ্য্যা কৰাৰ পাছতো ক্ষমা দানৰ বাণী শুনাৰ বাবে কি কাতৰ আকুল আগ্রহ! মুগ্ধ বিস্ময়ত অভিভূত হৈ হজৰত চোৱামীয়ে তেওঁৰ এই অসামান্য শিষ্যক এক নতুন পৰীক্ষাৰ মেৰজালত পেলাই— নিৰুপকপীয়া বন্ধনেৰে বান্ধিব খুজিলে। কিন্তু বাহিৰত নিজৰ মনৰ আবেগ বা কল্পনাৰ কোনো আতিশয্য প্রকাশ নকৰি ক'লে—"বাৰু, যদি তুমি সঁচাকৈয়ে ক্ষমালাভৰ বাবে ইমান আগ্রহান্বিত, তেন্তে আৰু বাৰ বছৰ তুমি মোৰ সান্নিধ্যত থাকিব লাগিব। মোৰ এজনী অতি অযোগ্যা জীয়াৰী আছে। কণা, খোঁৰা, কলা আৰু বোবা তাই। তোমাকেই মই তাইৰ বাবে উপযুক্ত পাত্র বুলি বিবেচনা কৰিছোঁ।"

ক্ষমাদানৰ কথা দূৰতে থ'ক নতুন বন্ধনত আৰু বাৰ বছৰ কটাব লাগিব! এটি মাথোন আপেল ভোকৰ জ্বালাত গৰাকীৰ বিনানুমতিত খায়েই আজি এই কঠোৰ পৰীক্ষাৰ সন্মুখীন হবলগীয়া হ'ল! দুটা যুগৰ বন্দীদশাৰ উপৰিও এনে এটা সাংঘাতিক প্রস্তাবৰ উত্থাপন যে হজৰত চোৱামীয়ে কৰিব—হজৰত আবুচালেহে এই কথা সপোনতো ভাবিব পৰা নাছিল। বিয়াৰ প্রস্তাব শুনি তেওঁ বিস্মিত হ'ল। কিন্তু তেওঁ যে নিৰুপায়! জীৱিতাৱস্থাত মানুহৰ হক (দাবী) পূৰণ নকৰিলে আখেৰাতত (পৰলোকত) কৰুণাময় খোদাৰ ক্ষমা কিদৰে আশা কৰিব পাৰি? সেয়ে অন্তৰৰ সকলো গ্লানি মছি তেওঁ হৃদয় কঠোৰ কৰিলে। হজৰত চোৱামীৰ প্রস্তাৱত তেওঁ মান্তি হ'ল। তেওঁ মনতে প্রতিজ্ঞা কৰিলে—যিমানেই কঠোৰ আৰু কঠিন পন্থাৰে নহক কিয়— ক্ষমা তেওঁ আৰ্জিবই লাগিব।

হজৰত আবুচালেহে হজৰত চোৱামীৰ প্রস্তাবিত চৰ্ত্ত মানি ললে। এইদৰে ক্ষমালাভৰ আশাত তেওঁ বিবাহ বন্ধনত আবদ্ধ হবলগীয়া হ'ল কিন্তু কি আচৰিত! বিয়াৰ পিছত হজৰত আবু চালেহে দেখিলে হজৰত চোৱামীৰ বৰ্ণনাৰ লগত তেওঁৰ পত্নীৰ কোনো মিল নাই।

কণা, খোঁৰা, কলা, বোবাৰ ঠাইত তেওঁ দেখিলে—এক পৰমা সুন্দৰী, বিদুষী, সৰ্বগুণ সম্পন্না কন্যা! ভয় আৰু বিস্ময়ত তেওঁৰ অন্তৰ কঁপি উঠিল। হজৰত চোৱামীয়ে পুনৰায় ইকি ছলনাৰ জাল তৰিলে? একোবাৰ ভাবিলে—হয়তো তেওঁৰ চকু-কাণৰে কিবা ভুল হৈছে। কিন্তু সেই সন্দেহ ভঙ্গনৰ পিছত দেখিলে যে তেওঁ যি দেখিলে সকলো সঁচা। উপায়ন্তৰ হৈ তেওঁ ঘৰৰ পৰা ওলাই আহিল। হয়তো ভাগ্যত আৰু নতুন কিবা বিড়ম্বনাৰহে সূচনা হৈছে এই বুলি তেওঁৰ মহাচিন্তা হ'ল।

তেওঁৰ সৰলমতি শিষ্যৰ কাৰ্য্যকলাপ হজৰত চোৱামীয়ে আঁতৰৰ পৰাই লক্ষ্য কৰি আছিল। তেওঁ হজৰত আবুচালেহৰ ভাব-ভঙ্গী দেখি শিষ্যৰ অন্তৰৰ আকুলতাৰ কাৰণ বুজিব পাৰিলে। প্ৰিয় শিষ্যৰ নিষ্কলুষ অন্তৰৰ মহিমাই হজৰত চোৱামীক পুনৰ্বাৰ মুগ্ধ আৰু অভিভূত কৰিলে। কাষচাপি তেওঁ মৰম-কোমল মাতেৰে হজৰত আবু চালেক ক'লে—"বাছা, তোমাৰ অস্থিৰতাৰ কাৰণ মই বুজিব পাৰিছোঁ। কিন্তু চিন্তা নকৰিবা। তোমাৰ কোনো ভয় বা শঙ্কা নাই। হয়তো তুমি মোৰ কথা আৰু কাৰ্য্যৰ বিসঙ্গতি দেখি আচৰিত হৈছা। কিন্তু মোৰ কথা সত্য। কিয়নো, ইচলামী চৰিয়ত অনুসৰি নিষিদ্ধ কোনো বস্তু মোৰ জীয়াৰীয়ে দেখা নাই, শুনা নাই, স্পৰ্শ কৰা নাই, কোনো নিষিদ্ধ ঠাইলৈ যোৱা নাই, নিষিদ্ধ কথা কোৱা নাই, নিষিদ্ধ উপভোগৰ বস্তু উপভোগ কৰা নাই। এই কাৰণেই চৰিয়তৰ বিধি নিষেধ মানি চলা মোৰ জীক কণা, খোঁৰা, কলা, বোবাৰ বাহিৰে নো কি বুলি কম? তুমি চিন্তা নকৰিবা। ময়ো তোমাৰ দৰে সুপাত্ৰৰ হাতত মোৰ জীয়াৰীক অৰ্পণ কৰিবলৈ পাই খোদাৰ ওচৰত কৃতজ্ঞতা জনাইছোঁ।"

হজৰত চোৱামীৰ ধীৰ, স্থিৰ, শান্ত, সংযত অভয় বাণীয়ে হজৰত আবুচালেহৰ অস্থিৰ, উদ্বেলিত অন্তৰত শান্তিৰ অমিয়া সিঁচিলে। পৰম কৰুণাময় খোদাৰ প্ৰতি কৃতজ্ঞতাত তেওঁৰ অন্তৰ উপচি পৰিল।

ক্ষমাৰ এনে অনুপম পুৰস্কাৰ লাভ আগেয়ে কোনো অপৰাধীৰ ভাগ্যত ঘটা কোনোৱে শুনা নাই। মহান হৃদয়ৰ সাধকেহে মাথোন এইদৰে ক্ষমালাভৰ অভিলাষী হৈ কৃচ্ছ্রসাধন কৰিব পাৰে আৰু মহান সাধকেহে এইদৰে আপুকগীয়া ক্ষমাদান কৰিব পাৰে।

তেতিয়াহে হজৰত আবুচালেহে উপলব্ধি কৰিলে যে তেওঁৰ আন্তৰিক নিষ্ঠাপূৰ্ণ পৰিচৰ্য্যাৰ প্ৰতিদানস্বৰূপে হজৰত চোৱামীয়ে বহুগুণে শ্ৰেষ্ঠ অৱদান আগবঢ়ালে। নিজ সান্নিধ্যত ৰাখি আত্মিক উন্নতিৰ পথ সুগম কৰি দিয়াৰ উপৰিও অন্তৰৰ শুভকামনা, শুভাশীষ সিঁচি—চৰিত্ৰ, শিক্ষা, সৌন্দৰ্য্য গুণেৰে বিভূষিতা কন্যাক দান কৰিলে। হজৰত আবুচালেহক যে এক সুন্দৰ ধ্যানলোকলৈ আগুৱাই নিবলৈহে এনেবোৰ অসাধাৰণ ঘটনাৰ সন্নিবেশ হৈছিল, এইকথা বুজিব পাৰি সৃষ্টিকৰ্ত্তাৰ প্ৰতি ভক্তি আৰু বিস্ময়ত তেওঁৰ মূৰ দোঁ খালে।

এই দৰেই দুই মহান সাধকৰ বংশত হজৰত আবুচালেহৰ ঔৰসত গিলান চহৰত হজৰত বৰপীৰ চাহেব গওচল আজম হজৰত আব্দুল কাদেৰ জিলানীৰ জন্ম হ'ল। তেওঁৰ জন্মৰ পাছত ইচলামী কৃষ্টি, সংস্কৃতি, শিক্ষা, সভ্যতা আৰু সাধনাৰ নতুন পথ ওলাল। খোলাফায়ে ৰাছেদীনৰ পিছৰ স্তিমিত প্ৰায় ইচলাম জ্যোতিয়ে তেওঁৰ বলিষ্ঠ পৰিচালনাত ভেজা দি পুনৰ্বাৰ পৃথিবীৰ বুকু উদ্ভাসিত কৰিলে।

এই প্ৰসঙ্গত খোলাফায়ে ৰাছেদীনৰ পিছত বিপৰ্য্যস্ত ইচলামী-জগতত ঐক্য আৰু শৃঙ্খলা অব্যাহত ৰখাৰ যি সুমহান দায়িত্ব অলী আল্লাহ সকলে পালন কৰি গৈছে, সেইকথা বিশেষভাবে উল্লেখযোগ্য। সেই সন্ধিক্ষণত খলিফাসকলে ইচলামৰ নিৰ্দেশ অৱজ্ঞা কৰি মাথোন পাৰ্থিব জাকজমকতা, ক্ষমতাপ্ৰিয়তাৰ ফালেহে ঢাল খাইছিল। সেই সঙ্কট মুহূৰ্ত্তত ইচলামী আদৰ্শ, ঐক্য, শৃঙ্খলা অব্যাহত ৰখাৰ সুকঠোৰ দায়িত্ব পালন কৰিছিল এই সংসাৰ বিৰাগী, নিৰাসক্ত, ৰাজনীতিৰ পৰা বহু যোজন আঁতৰত থকা এই আত্মিক শক্তিৰ অধিকাৰী অলী-আল্লাহ

সকলে। তেওঁবিলাকে নিজৰ নিজৰ সৰু সৰু অঞ্চলত নিজৰ সাধ্য অনুযায়ী মানৱ-কল্যাণৰ ব্ৰতত ব্ৰতী হৈছিল। জ্ঞান বিতৰণ কৰি, লোকৰ সেৱা কৰি তেওঁলোকে দিন কটাইছিল—কঠোৰ দাৰিদ্ৰ্যৰ মাজত জ্ঞানৰ উপলব্ধি। সাধনাত সিদ্ধিলাভৰ হেতু। তেনে সময়তে হজৰত ৰৰপীৰ চাহেবৰ আবিৰ্ভাৱত সকলো অলী-আল্লাহৰ (সাধু-ফকিৰ) কৰ্মধাৰা এক সুনিয়ন্ত্ৰিত পথেৰে পৰিচালিত হ'ল। কঠোৰ সাধনাৰ অন্তত সিদ্ধিলাভ কৰাৰ পিছত পৰম দাতা খোদায়ে এদিন হজৰত গওচল আজমৰ হতুৰাই ঘোষণা কৰাইছিল—"সকলো অলীৰ (সাধু-ফকিৰ) স্থান মোৰ চৰণ তলত।"

উপৰুৱা দৃষ্টিৰে চালে এই উক্তিতো হয়তো কোনোৱে অহমিকাৰ গোন্ধ পাব পাৰে। কিন্তু প্ৰকৃততে ই আল্লাৰ আদেশত হোৱা সত্যৰ ঘোষণা মাথোন। সাধন মাৰ্গত সিদ্ধিলাভ কৰোঁতা অলী সকলক ঐক্যবদ্ধ কৰি মানৱৰ সামুহিক কল্যাণৰ বাবে পৰিচালনা কৰাৰ দায়িত্ব হজৰত গওচল আজমৰ দৰে যোগ্যতম জনৰ ওপৰতহে পৰম করুণাময়ে অৰ্পণ কৰিছিল। কোনোজন 'অলীৰ' কোনো এক বিশেষ কাৰ্য্যৰ ধাৰা হয়তো সাধাৰণৰ বিচাৰ বুদ্ধিৰে ঢুকিপোৱাৰ বাহিৰত। তাৰ বাবে তেওঁক জগৰীয়া পাতিব নোৱাৰি। তাৰবাবে জগৰীয়া বৰং বিচাৰ কৰোঁতা সাধাৰণ জনৰ দৃষ্টিভঙ্গীৰ, বিচাৰবুদ্ধিৰ সংকীৰ্ণতাহে। সকলো অলী খোদাৰ প্ৰিয়পাত্ৰ। কিন্তু তেওঁলোকে কঠোৰ সাধনাৰ পিছত লাভকৰা ধন তেওঁলোকৰ নিজৰ বাবে মাথোন নহয়—সেয়া বিশ্বমানৱৰ কল্যাণৰ হকেহে প্ৰয়োগ হয়। সেয়েহে এই হেন বজ্ৰতুল্য অলী সকলে আত্মকেন্দ্ৰিক হৈ নিজৰ ক্ষুদ্ৰ অঞ্চলত নিজৰ ক্ষুদ্ৰ কৰ্ম-ক্ষেত্ৰত ব্যস্ত থকাৰ হেতুকে অথবা এই বিৰাট শক্তি বিকেন্দ্ৰীভূত হৈ অপচয় হোৱাৰ আগন্তুক আশঙ্কাৰ পৰা ৰক্ষা পৰিবলৈ এজন 'অলী প্ৰধানৰ আৱশ্যক হ'ল আৰু এই কঠিন আৰু গুৰু দায়িত্বভাৰ লওঁতা-জনা হ'ল যোগ্যতম ব্যক্তি হজৰত গওচল আজম।

স্থানান্তৰত হজৰত ৰৰপীৰ চাহেবৰ জীৱনৰ গতিয়ে মোৰ সলোৱাৰ

প্ৰসঙ্গত এই কথা উল্লেখ কৰা হৈছে, যে মৃতপ্ৰায় ইচলামক পুনৰ সঞ্জীবিত কৰাৰ সুমহান দায়িত্ব ভাৰ হজৰত বৰপীৰ চাহেবৰ ওপৰত ন্যস্ত হৈছিল। সেই কালৰ জনসাধাৰণক শিক্ষাৰ, জ্ঞানৰ—নতুন পোহৰ দেখুওৱাৰ ভাৰো পৰিছিল তেওঁৰে ওপৰত। এই সকলো পবিত্ৰ আৰু মহান দায়িত্ব ভাৰ আল্লাহ তা'আলাৰ ফালৰ পৰা ন্যস্ত কৰা হৈছিল আৰু 'অলীপ্ৰধান' বুলি নিজক ঘোষণা কৰিবলৈকো তেওঁ আদিষ্ট হৈছিল। এই ঘোষণাত বিন্দুমাত্ৰও আত্মম্ভৰিতা নাছিল।

এই ঘোষণাৰ পিছতে হজৰত বৰপীৰ চাহাবে পৃথিবীৰ বিভিন্ন ঠাইৰ পৰা অভাবনীয় ভাবে সঁহাৰি পাবলৈ ধৰিলে। তেওঁৰ নেতৃত্ব বংমনে গ্ৰহণ কৰি মানৱ সেৱাৰ ব্ৰত লৈ বহু অলী-আল্লাহ দলে দলে আগবাঢ়ি আহিল। তেওঁৰ দুখনি পবিত্ৰ চৰণ কান্ধত লৈ বুকুত লৈ বহু অলী-আল্লাহে ধন্য মানিলে। সেই সময়ত হজৰত খাজা মইনুদ্দিন চিচ্‌তী আছিল—খোৰাচানৰ কোনোবা এটা পৰ্ব্বতৰ গুহাত। তাৰে পৰা তেওঁ ঘোষণা কৰিলে—হজৰত বৰপীৰ চাহেবৰ পবিত্ৰ চৰণ দুখনি মোৰ কান্ধতে মাথোন নহয়—মোৰ বুকু, চকু আৰু মুখৰো ওপৰত।" হজৰত বৰপীৰ চাহেবেও নিজৰ আত্মিক শক্তিৰ বলেৰে এইজন সাধকক আহ্বান কৰি হিন্দুস্থানৰ পীৰ ফকিৰ সকলৰ নেতা (চৰ্দ্দাৰ) নিযুক্ত কৰিলে। এইদৰে বিভিন্ন ঠাইত হজৰত গওচল আজমে অলীসকলক সঙ্ঘবদ্ধ কৰিলে। লগতে—ধৰ্ম্ম আৰু কৰ্ম্মৰ এক সুসংহত ঐক্য আনি আত্মিক কৰ্মধাৰাৰ মাধ্যমত অলী-আল্লাহ সকলক নিজ নিজ শক্তিসমূহৰ বিকাশৰ ভাৰ অৰ্পণ কৰিলে। ইচলামৰ এক গৌৰৱময় অধ্যায় আছিল খোলাফায়ে ৰাছেদীনৰ যুগ। সেই যুগৰ মাহাত্ম্যও সুঁৱৰিব লগীয়া।

খোলাফায়ে ৰাছেদীনৰ যুগত ইচলাম

জ্ঞান-গৰিমা, শক্তি-সামৰ্থ্যত মুছলিম জাতি তেতিয়া আছিল বিশ্ববৰেণ্য। কিন্তু শৌৰ্য্য-বীৰ্য্য, শক্তি-সামৰ্থ্যত আগৰণুৱা হৈয়ো

তেওঁলোক আছিল ফলৰ ভৰত অৱনত গছৰ দৰে বিনয়, নম্ৰতাৰ সৌম্যমূৰ্ত্তি। ঐশ্বৰ্য্য বা শক্তিৰ অহমিকাই তেওঁলোকক কলুষিত কৰিব পৰা নাছিল। সংসাৰত থাকিও তেওঁলোক আছিল—পদুম পাতৰ দৰে নিৰ্লিপ্ত। ইচলামৰ নবীয়ে, ৰাজকোষৰ (বায়তুল মাল) বিপুল ধনৰাজিলৈ কেতিয়াবা কোনোৱে আঙুলিয়াই দিলেও ব্যথিত অন্তৰেৰে সেই প্ৰস্তাৱৰ অসাৰ্থকতা প্ৰতিপন্ন কৰিছিল। আনকি অভাৱৰ জ্বালাত নিপীড়িতা তেওঁৰ পত্নী (বিবি) সকলৰ কোনোৱে যদি 'বায়তুল মাল'ৰ সম্পত্তি ব্যৱহাৰ কৰিবৰ ইঙ্গিত দিয়ে, তেওঁ ব্যথিত হৃদয়েৰে তেওঁলোকৰ সংশ্ৰৱ ত্যাগ কৰি মছজিদে নববীত আশ্ৰয় গ্ৰহণ কৰিছিল আৰু তেনে সময়ত করুণাময় খোদাই কোৰাণ মজিদত সান্ত্বনাৰ বাণী প্ৰেৰণ কৰি হৃদয়ৰ জ্বালা পোৰণিৰ উপশম কৰিছিল।

ইচলামৰ সুদিন ফিৰি অহাৰ পিছতো, মুছলমান সকলে ক্ষমতা লাভ কৰাৰ পিছতো ৰাজ্যৰ প্ৰচুৰ আয়, বায়তুল মালৰূপে সঞ্চিত হৈ দুখীয়াৰ দুখ মোচনৰ বাবেই ব্যয় হৈছিল। তদুপৰি ৰাজদৰবাৰলৈ 'নজৰ-নিয়াজ' (উপঢৌকন, মাননি) আহিছিল। এই সকলো দৰিদ্ৰ জনসাধাৰণৰ বাবেই ব্যয় কৰা হৈছিল। এই নীতি অনুসৰণ নকৰিবলৈ আৰু আদেশ অমান্য কৰিবলৈ কাৰো শক্তি নাছিল। ইচলামৰ নবীৰ এই নীতি আৰু আদেশ তিলমানো লৰচৰ নকৰি আটায়ে এই নীতিৰেই অনুসৰণ কৰিছিল। অধৰ্ম্মী (বেদীন) আৰু কুসংস্কাৰাচ্ছন্ন মানব-জাতিক আল্লাহৰ পিনে—সত্যৰ পিনে আহ্বান জনাবলৈ আহিছিল—ইচলামৰ নবী। সেয়ে সেইকালৰ মানবৰ নৈতিক, মানসিক আৰু চাৰিত্ৰিক অৱনতিয়ে তেওঁৰ অন্তৰত নিদাৰুণ ব্যথাৰ সঞ্চাৰ কৰিছিল। সমগ্ৰ মানবজাতিক পাপমুক্ত কৰি সঙ্কীৰ্ণতাৰ পৰা ৰক্ষা কৰিবলৈ সত্ উপদেশ বিতৰণ কৰি জীৱনৰ শেষলৈকে তেওঁ নিঃস্বাৰ্থ মানৱ-সেৱাত আত্মোৎসৰ্গৰ ব্ৰত লৈছিল। তেওঁৰ ইন্তেকালৰ (মৃত্যু) পিছতো যি সকলে বিশ্ব-মুচলিমৰ নেতৃত্বভাৰ গ্ৰহণ কৰিলে তেওঁ-

বিলাকেও এৰেকে আদৰ্শবাদত বিশ্বাস থাপিয়েই জীৱন উছৰ্গা কৰিছিল।

প্ৰথম খলিফা আছিল (সমগ্ৰ বিশ্ব মুচলিমৰ প্ৰতিনিধি স্বৰূপ) হজৰত আবুবকৰ ছিদ্দিক (ৰাঃ)। তেওঁ আছিল—বিশ্বাসী সকলৰ ভিতৰত অন্যতম অগ্ৰণী। কোনো যুক্তি তৰ্কৰ অৱতাৰণা নকৰি শুনামাত্ৰেই তেওঁ আল্লাহ তা'আলা আৰু তেওঁৰ ৰছুলৰ 'নবুৱতৰ' (প্ৰত্যাদেশ প্ৰাপ্তি) ওপৰত বিশ্বাস স্থাপন কৰিছিল, আৰু সেইবাবে তেওঁক ছিদ্দিক অৰ্থাৎ 'সত্যাশ্ৰয়ী' আখ্যাৰে ভূষিত কৰা হয়। সমুদয় ছিদ্দিক সকলৰ ভিতৰত সত্যত আস্থা স্থাপনত তেওঁ 'অগ্ৰণী' আছিল বাবে তেওঁক "ছিদ্দিক-আকবৰ" আখ্যাৰে সন্মান জনোৱা হৈছিল। সঁচাকৈয়ে হজৰত আবুবকৰ ছিদ্দিক (ৰাঃ) আজীৱন ৰছুলৰ সহচৰ আছিল। সকলো সময়তে—সুখ-দুখ, বিপদ-সম্পদত তেওঁ আছিল ইচলামৰ নবীৰ বিশ্বস্ত সহচৰ। সেইবাবেই নবী কৰিম হজৰত মোহাম্মদ মুস্তফা ছাল্লাল্লাহো আলায়হে ৱাচ্ছালামৰ ইন্তেকালৰ পিছত হজৰত আবুবকৰ (ৰাঃ) প্ৰথম খলিফা নিৰ্ব্বাচিত হৈছিল। আজীৱন হজৰতৰ পুণ্যময় সাহচৰ্য লাভ কৰি মহাত্মা আবুবকৰ ছিদ্দিক (ৰাঃ) ৰ হৃদয়ো ৰছুলৰ আদৰ্শ আৰু নীতিৰ ভেটীত দৃঢ়ভাবে গঢ়ি উঠিছিল। সেয়ে— ৰাজপদৰ দৰে খলিফাৰ উচ্চপদত অভিষিক্ত হৈয়ো তেওঁ ৰছুলৰ আদৰ্শ আৰু নীতিৰ পৰা এখোজো পিছলি নাহিল। বৰং ৰাষ্ট্ৰৰ সেৱাত আত্মনিয়োগ কৰাৰ লগে লগে তেওঁহে জীৱনযুদ্ধৰ এক কঠোৰ ক্ষেত্ৰত অৱতীৰ্ণ হব লগীয়া হৈছিল।

খলিফা পদ লাভ কৰাৰ আগতে বিৰাট ধনী আছিল তেওঁ। তেওঁৰ অৰ্থৰ প্ৰাচুৰ্য্যৰ মূলত আছিল ব্যৱসায়, কিন্তু ইচলামৰ সেৱা, জেহাদ আৰু দীন-দৰিদ্ৰৰ মাজত বিতৰণ কাৰ্য্যত তেওঁৰ বহু অৰ্থ ব্যয় হৈছিল। সময়ত এনে হ'লগৈ যে ব্যক্তিগত সঞ্চিত ধন বুলিবলৈ তেওঁৰ একোৰে নোহোৱা হ'ল। নিজৰ ঘৰৰ বহুমূলীয়া বস্তু-বেহানি বিক্ৰী কৰি আনকি পিন্ধনৰ বস্ত্ৰখনি পৰ্য্যন্ত বেচিব লগীয়া হ'ল। ৰাজকোষত

বিভিন্ন দিশৰ পৰা অৰ্থৰ আমদানি হোৱাত ৰাজকোষ পৰিপূৰ্ণ আছিল। কিন্তু সেই অৰ্থলৈ দৃকপাতো কৰা নাছিল হজৰত আবুবকৰ ছিদ্দিকে।

জীৱন-যাত্ৰাৰ উপায় বিচাৰি এনে বিমুখিত পৰা অৱস্থাতে ৰাষ্ট্ৰৰ প্ৰধান নায়কসমূহ সমবেত হৈ ৰাষ্ট্ৰৰ এজন সাধাৰণ ব্যক্তিয়ে খোৱা-পিন্ধাৰ বাবে কৰা ব্যয়ৰ সমপৰিমাণৰ এটি বৃত্তি হজৰত আবুবকৰ ছিদ্দিকৰ (ৰাঃ) বাবে নিৰ্দ্ধাৰিত কৰিলে। কিয়নো, সৰ্ব্বসাধাৰণৰ প্ৰতিনিধি হিচাবে খলিফাৱো এজন সাধাৰণ মানুহতকৈ অধিক অৰ্থ ব্যয় কৰাৰ অধিকাৰী নহয়। বিলাস-ব্যসন নবী কৰিমৰ (চঃ) সুন্নতৰ খেলাফ (বিধি-বহিৰ্ভূত) তদুপৰি দীন-দুখীৰ অভাৱ-অভিযোগ মোচনৰ বাবে যি খলিফাই সজাগ আৰু সতৰ্ক দৃষ্টি ৰাখিব লাগে, সেইজনা খলিফাৰ বাবে তাতকৈ অধিক অৰ্থ নিৰ্দ্ধাৰণ ন্যায়নীতি সাপেক্ষও নহব। ৰাষ্ট্ৰৰ-নায়ক সকলৰ এই যুক্তিপূৰ্ণ মীমাংসাৰ পিছতো ৰাজকোষৰ পৰা দিয়াবৃত্তি গ্ৰহণ কৰিবলৈ ন্যায়চিত্তৰ খলিফা আবুবকৰ ছিদ্দিকে (ৰাঃ) বং মনেৰে গ্ৰহণ কৰিব পৰা নাছিল। তেওঁৰ অন্তৰত দ্বন্দ্বৰ সৃষ্টি হৈছিল এইবুলি যে ৰাজকোষৰ ধন বায়তুল মাল (সৰ্ব সাধাৰণৰ গচ্ছিত ধন)। এই ধনত তেওঁৰ বিন্দুমাত্ৰও অধিকাৰ নাই। অৱশেহত জনসাধাৰণৰ সিদ্ধান্তৰ বিপক্ষে নগৈ তেওঁ ৰাজকোষৰ পৰা দিয়া সেই বৃত্তি গ্ৰহণ কৰিলে।

তেওঁৰ খিলাফতৰ কালত জনসাধাৰণৰ কোনো অভিযোগ নাছিল। ব্যক্তিগত ভাবে খাটিও তেওঁ মানুহৰ নানা ধৰণৰ উপকাৰ কৰিছিল। তেওঁৰ শাসনাধীনত আৰু সংৰক্ষণত থাকি লোকে সন্তোষ প্ৰকাশ কৰিছিল। য'তে ত'তে যিকোনো সময়ত জনসাধাৰণে তেওঁক লগ পাইছিল আৰু অভাৱ-অভিযোগ নিবেদন কৰিবলৈ সক্ষম হৈছিল। বিশাল ৰাজ্যৰ অধীশ্বৰ হৈয়ো নবী কৰিম হজৰত মোহাম্মদ (দঃ) ৰ আদৰ্শ দাৰিদ্ৰকে তেও বৰণ কৰি লৈছিল।

এই জনা খলিফাৰ ইন্তেকাল (মৃত্যু) হোৱাৰ পিছত খিলাফত লাভ

কৰিলে হজৰত ওমৰে (ৰাঃ)। এওঁ আছিল প্ৰকাধাৰে জ্ঞানী, বীৰ আৰু মহান হৃদয়ৰ উদাৰ পুৰুষ। এওঁৰ খিলাফতৰ কালতে ইচলামী ৰাজ্য পৃথিবীৰ দূৰ দুৰান্তলৈ বিয়পি পৰিছিল। চিৰিয়া, মিচৰ, ইৰাক আৰু ইৰাণ সম্পূৰ্ণভাবে এওঁৰ কৰতলীয়া হৈছিল। ইৰাণ আৰু ৰোমৰ সেই কালৰ বিৰাট সাম্ৰাজ্য আৰু মহাশক্তি এওঁৰে নেতৃত্বত চূৰ্ণ বিচূৰ্ণ হৈ ধূলিস্মাৎ হৈ পৰিছিল। এই বিজয়ৰ লগে লগে ৰাষ্ট্ৰৰ প্ৰতি তেওঁৰ গুৰু দায়িত্বও বহুগুণে বাঢ়িছিল। কিন্তু তথাপিও সেই প্ৰাচুৰ্য্যৰ কালতো খলিফাৰ বাসস্থানৰ বাবে সুৰম্য প্ৰাসাদ নিৰ্ম্মাণ হোৱা নাছিল, আৰু জীৰ্ণ, শীৰ্ণ বস্ত্ৰই আছিল খলিফাৰ পৰিধান। নিৰাসক্ত মহা সাধকৰ দৰেই জীৱনৰ প্ৰতিটো কৰ্ম নিয়ন্ত্ৰণ কৰি তেওঁ চলিবলৈ চেষ্টা কৰিছিল। ৰাজ্যৰ মঙ্গল, মানুহৰ হিত চিন্তা, পৰোপকাৰ আৰু সৃষ্টিকৰ্ত্তা খোদা তা'আলাৰ ধ্যান-ধাৰণাতে তেওঁ ব্যস্ত হৈ ৰ'ল। এয়ে আছিল তেওঁৰ জীৱনবো মূল-মন্ত্ৰ। শত বাধা-বিঘিনি বা প্ৰলোভন আনকি শত্ৰুৰ অস্ত্ৰয়ো তেওঁক এদিনলৈকে নিজ নীতিৰ পৰা বিচ্যুত কৰিব নোৱাৰিলে।

এই লেখীয়া নিৰাসক্ত খলিফা সকলক সেইকালৰ লোকে মাথোন যে ভক্তিহে কৰিছিল তেনে নহয়, অন্যায়ৰ বিপক্ষে হাতত অস্ত্ৰ ললে খলিফাসকল দৈহিক শক্তিতো যে অতি বিক্ৰমশালী, এই কথা তেওঁলোকে ভালদৰে বুজিব পাৰিছিল আৰু সেইবাবে সমীহ কৰিও চলিছিল। সেইকালত ইচলামিক ৰাষ্ট্ৰৰ বিভিন্ন প্ৰদেশৰ শাসনকৰ্ত্তাসকলে অন্যায় আচৰণ কৰা নিলগৰে কথা, দুৱাৰদলিত ৰখীয়া বা প্ৰহৰী ৰাখিবলৈকো সঙ্কোচ কৰাই নহয়, ভয়ো খাইছিল। এবাৰ এই নিয়মৰ বিপক্ষে যোৱাত এজনক গ্ৰেপ্তাৰ কৰা হ'ল। দুৱাৰ মুখত ৰখীয়া থৈ ঘৰৰ ভিতৰত নিশ্চিন্ত হৈ ভোগত লিপ্ত থাকিলে কৰ্তব্য পালনত ত্ৰুটিৰ কথা উনুকিয়াই তেওঁলোকক সতৰ্ক কৰি দিয়া হৈছিল। "যি জনসাধাৰণৰ প্ৰতিনিধি হৈ সেই গুৰু দায়িত্বভাৰত শিথিলতা দেখুৱায় বা নিজৰ আৰাম আয়াসত মগ্ন

থাকে, তেনেলোক ৰাষ্ট্ৰৰ দায়িত্ব বহনৰ উপযুক্ত নহয়, বৰং মৰুভূমিত পশুৰখীয়াৰ বাবহে তেনেলোকৰ বাবে উপযুক্ত পদ," বুলি দোষী শাসনকৰ্ত্তাক এই শাস্তিকে দিয়া হৈছিল। অপৰাধীৰ শত অনুনয়তো খলিফাৰ আদেশ লৰচৰ নহল। সেই বুলি খলিফাৰ অন্তৰত দয়া বা ক্ষমা নাছিলনে ? নিশ্চয় আছিল। কিন্তু ৰাষ্ট্ৰৰ প্ৰতি নিষ্ঠা সকলোতকৈ আগ। ৰাষ্ট্ৰৰ প্ৰতি আনুগত্য আৰু দায়িত্বৰ প্ৰতি একনিষ্ঠতাৰ এনে অতুলনীয় আদৰ্শ অইন কোনোবাই থৈ যাব পাৰিছেনে সন্দেহ।

দেশত এবাৰ আকালে দেখা দিলে। সেই দুৰ্দিনত বায়তুল মালৰ (জনসাধাৰণৰ উমৈহতীয়া গচ্ছিত ধন) পৰাই দেশবাসীলৈ মুক্ত সাহায্য আগবঢ়োৱা হ'ল। এই সাহায্য দান আৰু বিতৰণ কাৰ্য্য সুচাৰু ৰূপে সম্পন্ন হৈছে নে নাই সেই বিষয়ে নিঃসন্দেহ হবলৈ তেওঁ আনকি ছদ্মবেশ ধৰি নগৰে নগৰে, গাঁৱে গাঁৱে ভ্ৰমণ কৰিছিল। আৱশ্যক অনুসৰি আহাৰৰ উপকৰণ আটা, ময়দা, খেজুৰ, ঘিঁউ নিজৰ মূৰত বোজা দি লৈ গৈয়ো ভুকীয়াৰ ভোক গুচাইছিল। লগুৱা, লিকচোৱে উপযাচি দায়িত্ব লবলৈ আহিলে তেওঁ কৈছিল—"এই দায়িত্ব মোৰ ওপৰত অৰ্পণ কৰোতা মহান বিশ্বপালকৰ ওচৰত শেষবিচাৰৰ দিনা মইহে জগৰীয়া হব লাগিব। তোমালোক নহয়। মোক দায়িত্ব পালন কৰিবলৈ দিয়া।"

ৰাষ্ট্ৰৰ বিভিন্নকাৰ্য্য উপলক্ষে যিসকলে সাময়িক ভাবে বিদেশত প্ৰবসুৱা হৈ কটাবলগীয়া হৈছিল; তেওঁলোকৰ পৰিয়াল পৰিজনৰ যথোপযুক্ত তত্ত্বাৱধান লোৱাত খলিফাই অকনো ত্ৰুটি নকৰিছিল। আনকি দৈহিক শ্ৰমদান দিও তেওঁলোকৰ পৰিয়ালৰ জীৱনযাত্ৰাত সাহায্য আগবঢ়াইছিল। গাখীৰ খীৱাই দিয়া, হাট-বজাৰ কৰি দিয়া, নিৰক্ষৰজনক বিদেশৰ আত্মীয়স্বজনলৈ চিঠি পত্ৰ লিখি সহায় কৰা এই সকলো কামকে খলিফাই নিজ কৰ্ত্তব্য বুলি হাঁহিমুখে কৰিছিল। বজ্ৰৰ দৰে কঠোৰ আৰু ফুলৰ দৰে কোমল অন্তৰৰ এই জনা

খলিফাই জনসেৱাৰ কাৰ্য্যক নিজক অতি আন্তৰিকতাৰে উছৰ্গা কৰিছিল।

তেওঁৰ তিৰোধানৰ পিছতে সেই কালৰ আৰবৰ লেখত লবলগীয়া চহকী হজৰত ওচমান গণি (ৰাঃ) খলিফা হয়। হজৰত ওচমান গণি ধৰ্মভীৰু আছিল যদিও নিজ বংশ 'উম্মিয়াৰ' প্ৰতি তেওঁৰ এটা বিশেষ 'টান' আছিল। এইবাবেই হয়তো উম্মিয়া বংশৰ লোক সকলক তেওঁ উচ্চপদত নিয়োগ কৰিছিল। এইদৰেই পূৰ্ব্বৰ খলিফা হজৰত ওমৰে (ৰাঃ) নিয়োগ কৰি থৈ যোৱা বহু উচ্চ-বিষয়ৰ পদচ্যুতিও ঘটিছিল। হজৰত ওচমান গণিয়ে ছীৰিয়াদেশৰ শাসনকৰ্ত্তা নিযুক্ত কৰিছিল তেওঁৰ বংশৰে—হজৰত মাবিয়াক। জনসেৱাৰ আদৰ্শৰ জীৱন উছৰ্গা কৰিবলৈ আৰু কৰ্ত্তব্য নিষ্ঠাৰে ইচলামিক ৰাষ্ট্ৰৰ কৰ্ণধাৰৰ আদৰ্শ বৈশিষ্ট্য ৰক্ষা কৰিবলৈ চেষ্টা কৰিছিল যদিও হজৰত ওচমান গণিৰ শাসন আৰু নিয়োগত পক্ষপাতিত্বৰ দোষ-ত্ৰুটি আছিল। ইয়াৰ মূলত আছিল তেওঁৰ স্বজনপ্ৰীতি।

হজৰত ওচমান গণিৰ পিছত এই গৌৰবময় খলিফা পদৰ দায়িত্বভাৰ ললে হজৰত আলীয়ে (কঃ) ইচলামৰ পয়গম্বৰ হজৰত মোহাম্মদ (দঃ) ৰ উপযুক্ত জোঁৱাই এইজনা খলিফা। তেওঁ আছিল একাধাৰে বহু গুণেৰে গুণীপুৰুষ। বীৰত্ব, পাণ্ডিত্য আৰু সাধনাৰ ক্ষেত্ৰত অতুলনীয় আছিল তেওঁৰ অৱদান। খলিফাপদ লাভ কৰাৰ পিছত হজৰত আলী (কঃ)য়ে পূৰ্ব্বৰ খলিফাৰ দ্বাৰা নিযুক্ত লোকসকলক আৱশ্যক অনুযায়ী উচ্চপদৰ পৰা আঁতৰাবলৈ ধৰিলে। এই কাৰ্য্যৰ প্ৰতিবাদো কৰিলে দুই-একে। বিশেষকৈ ছিৰিয়াৰ শাসনকৰ্ত্তা 'উম্মিয়া' বংশৰ মাবিয়াই হাছেমী বংশৰ খলিফা হজৰত আলী (কঃ)ৰ আনুগত্য মানি লবলৈ টান পালে। তেওঁ বিদ্ৰোহ ঘোষণা কৰিলে।—যুদ্ধ আৰম্ভ হ'ল।

হজৰত মাবিয়া ধৰ্ম্মপৰায়ণ যদিও ৰাজনৈতিক চতুৰালিতো অভিজ্ঞ আছিল। নিজ স্বাৰ্থ পূৰণৰ বাবে তেওঁ আৱশ্যক বুজি

কূট-নীতি প্ৰয়োগতো অভ্যস্ত আছিল। হজৰত আলীয়ে (কঃ) বিদ্ৰোহী মাবিয়াক উপযুক্ত শাস্তি বিছিবলৈ ছীবিয়ালৈ যাত্ৰা কৰিলে। যুদ্ধত তেঁৱেই জয়ী হ'ল যদিও সুচতুৰ মাবিয়াই চক্ৰান্ত কৰি হজৰত আলী (কঃ)ক কুফানগৰী পোৱালেগৈ। হজৰত মাবিয়াৰ ৰাজধানী আছিল দামেস্ক চহৰ। মাবিয়াই ষড়যন্ত্ৰ কৰি হজৰত আলী (কঃ) ক খলিফা পদৰ পৰা আঁতৰাই পেলালে আৰু নিজক খলিফা বুলি ঘোষণা কৰিলে। ইয়াৰ পিছতে কুফানগৰৰ এটি মছজিদত হজৰত আলী (কঃ) গুপ্তঘাতকৰ হাতত নিধন হ'ল।

পয়গম্বৰ চাহাবৰ পাছৰ চাৰিজনা খলিফাৰ ৰাজধানী আছিল মদিনা। হজৰত আলীৰ (কঃ) মৃত্যুৰ পিছত কুফানগৰীৰ কিছুসংখ্যক মুখিয়াল লোকে হজৰত ইমাম হাচানক (ৰাঃ) তালৈ মাতি পঠিয়ালে। কুফানগৰী ইৰাক দেশত। হজৰত ইমান হাচানে (ৰাঃ) ইৰাকী সকলৰ এই আমন্ত্ৰণ উপেক্ষা নকৰি কুফালৈ আহি খলিফা পদত অধিষ্ঠিত হ'ল; কিন্তু তেওঁ সোনকালেই বুজি উঠিল যে ইৰাকী সকল বিশ্বাসঘাতক আৰু নীতিহীন। এনে অবিশ্বাসী প্ৰজাৰ আৰু অধীনস্থ বিষয়াৰ দ্বাৰা কাৰ্য্যনিৰ্ব্বাহ কৰা আৰু খিলাফতৰ পদৰক্ষা কৰা যে সুকঠিন সেই কথা উপলব্ধি কৰাৰ সেয়েই বোধহয় উপযুক্ত সময় আছিল। কিয়নো, তাৰপিছতে মাবিয়াই দামেস্কৰ পৰা ইৰাক আক্ৰমণ কৰিলে। শান্তিপ্ৰিয় হজৰত ইমাম হাচানে মাবিয়াৰ লগত সন্ধি কৰিলে। যুদ্ধত নিৰীহ প্ৰজাৰ নিধন তেওঁৰ সহ্য নহৈছিল। সন্ধিত চৰ্ত্ত ৰ'ল যে জীৱিতকালছোৱা হজৰত মাবিয়াই খলিফা পদত অধিষ্ঠিত থাকিব আৰু তেওঁৰ অবিহনে ইমাম-ভ্ৰাতৃদ্বয়ে সেই পদৰ অধিকাৰী হ'ব। কিন্তু প্ৰকৃততে মাবিয়াই তেওঁৰ অবিহনে পুতেক এজিদকহে খলিফা নিৰ্ব্বাচিত কৰি যাবলৈ পাতিছিল। এনে সময়তে এজিদৰ চক্ৰান্তত হজৰত ইমাম হাচানৰ মৃত্যু হ'ল। "দামেস্কৰ খলিফাপদৰ অধিকাৰী এজিদ"—এই ঘোষণাজাৰী কৰাই হজৰত মাবিয়াই ইচলাম জাহানত ভাঙনৰ সূচনা কৰিলে। পবিত্ৰ খিলাফত

বা গণতন্ত্ৰৰ আদর্শ বিমুখ কৰি তাৰ ঠাইত ৰাজতন্ত্ৰৰ প্ৰতিষ্ঠা কৰি ইচলামিক ৰাষ্ট্ৰৰ পবিত্ৰ আদর্শৰ অবমাননা কৰিলে। জনসাধাৰণৰ নির্বাচিত প্ৰতিনিধিৰে দেশ শাসনৰ পৰিবর্তে ক্ষমতা লোলুপতাৰ বীজ সিঁচা হ'ল।

অত্যাচাৰী, মদগৰ্বী আৰু ক্ষমতালোভী এজিদৰ বশ্যতা স্বীকাৰ কৰি এজিদক—সৃষ্টিকর্তা আল্লাহ তা'আলা আৰু তেওঁৰ প্ৰিয় নবী হজৰত মোহাম্মদ মোস্তাফা (দঃ)ৰ প্ৰতিনিধি (খলিফা) বুলি মানি নলৈ মক্কা আৰু মদিনাৰ অধিবাসী সকলে এজিদৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিলে। তেওঁলোকৰ এই বিদ্ৰোহৰ ন্যায়সঙ্গত কাৰণ আছিল —সকলো ধৰণৰ নীচতা, হীনতা আৰু অন্যায়ৰ অনুশীলনকাৰী এজিদৰ বশ্যতা স্বীকাৰ কৰিলে আওপকীয়াকৈ হলেও সেই সমূহ ইছলাম সম্মত নীতি বুলি মানি লোৱা হয়।

খিলাফত আৰু ৰাজতন্ত্ৰৰ পাৰ্থক্য আকাশ-পাতাল সমান। অৱশ্যে পিছৰ খলিফাসকলে প্ৰাচীন ৰোম আৰু—পাৰস্যৰাজ সকলৰ আদর্শৰেই ৰাজ্যশাসন কৰিছে যদিও তেওঁলোকৰ মাজতো ভালেমান কীৰ্ত্তিমান পুৰুষৰ আবিৰ্ভাৱ হৈছিল। তেওঁলোকৰ মাজৰে কোনো কোনোৱে খোলাফায়ে ৰাছেদীনৰ আদর্শ পুনঃ প্ৰতিষ্ঠাৰ বাবে প্ৰাণপাত কৰিবলৈকো আগবাঢ়িছিল। অৱশ্যে তেওঁলোকৰ সংখ্যা নিতান্ত কম। কীৰ্ত্তিমান শাসকসকলৰ আমোলত দেশৰ বিভিন্ন কেন্দ্ৰস্থলত সুবৃহৎ বিশ্ববিদ্যালয়, কলেজ আদি নানা শিক্ষানুস্থান প্ৰতিষ্ঠিত হৈছিল। সেই সমূহত ধৰ্ম শাস্ত্ৰৰ লগে লগে শিল্প, বিজ্ঞান, প্ৰাণীতত্ত্ব, আদিৰ শিক্ষা দিয়া হৈছিল। দেশ-বিদেশৰ জ্ঞান-ভাণ্ডাৰৰ পৰা অমূল্য বস্তুবাজি আহৰণ কৰি তেওঁলোকে চেষ্টা কৰিছিল দেশৰ মঙ্গল সাধনৰ।

কিন্তু এই চেষ্টা আৰু সাধনাক বিপথগামী কৰিছিল স্বেচ্ছাচাৰিতা আৰু দুৰ্নীতিয়ে। সেয়েহে কৃষ্টি আৰু সভ্যতাৰ পৰিমাৰ্জিত ৰূপ দৰ্শনৰ পৰা জন-সাধাৰণ বঞ্চিত হ'ল। তেনে সন্ধিক্ষণত সেই যুগৰ

ভালেমান শিক্ষিত ব্যক্তি সেইকালৰ প্ৰচলিত সমাজ-ব্যৱস্থাৰ প্ৰতি বিৰূপ হৈ পৰিল। আদৰ্শৰ পতনে তেওঁলোকৰ মন আৰু আত্মাত গভীৰ আঘাত দিলে। কিন্তু জাতীয় সভ্যতাৰ এই ভিন্নমুখী স্ৰোত ৰোধ কৰিবলৈ তেওঁলোকে উপায়ো বিচাৰি পোৱা নাছিল। সেয়ে হয়তো উপায়ন্তৰ হৈ তেওঁলোকে ৰাজনীতিৰ পটভূমিকাৰ পৰা আঁতৰি থাকিবলৈ কৰা প্ৰয়াসৰ মূল কাৰণ। পাৰ্থিৱ জগতৰ প্ৰতি অনাসক্ত হৈ ধৰ্ম্মচিন্তা, ধ্যান-ধাৰণা আৰু সাধনাত তেওঁলোকে মন-প্ৰাণ উছৰ্গা কৰিলে। হয়তো তেওঁলোকৰ সেই একনিষ্ঠ সাধনা আৰু প্ৰেৰণাৰ অবিহনে আজি ইচলাম হৈ পৰিলহেঁতেন পঙ্গু।

খোদাৰ কি অপাৰ মহিমা! তেনে সন্ধিক্ষণতে সেই মহান সাধক-কুলৰ শিৰোমণি স্বৰূপ এক অসাধাৰণ পণ্ডিত আৰু মহান সাধকৰ জন্ম হ'ল। দাৰিদ্ৰ্যৰ কঠোৰ নিপীড়ন আৰু অসাধাৰণ দুখকষ্টৰ নিপীড়নৰ দুৰ্গম পথ অতিক্ৰম কৰিও তেওঁ আল্লাহ তা'আলাৰ দানক দুষ্কৃতিকাৰীৰ অন্যায় আক্ৰমণ আৰু কুসংস্কাৰৰ কঠিন শৃঙ্খলৰ পৰা মুক্ত কৰি গৈছে। বহু গুণী, অসাধাৰণ জ্ঞানী-পণ্ডিত হজৰত বৰপীৰ চাহেবে ইচ্ছা কৰা হলে যিকোনো ৰাজ-দৰবাৰত দিন নিয়াব পাৰিলহেঁতেন! কিন্তু পাৰ্থিৱ সুখ-স্বাচ্ছন্দ্য, সম্মান-প্ৰতিপত্তি আৰু ভোগ-লালসাৰ বাসনা তেওঁৰ মানত তৃণ তুল্য। সেয়েহে তেওঁ মানৱকল্যাণৰ বাবে অপৰিসীম দুখকষ্টকেই বৰণ কৰি লৈছিল। পৰম কৰুণাময় খোদা তা'আলাই নিৰ্দ্দেশ দিয়া প্ৰকৃত সৰল পথ 'চিৰাতাল মোস্তাকিম'ৰ ফালে পৰিচালনা কৰি আদৰ্শ মুছলিমৰ জীৱন-যাপন কৰিবলৈ শিক্ষা দিছিল। ৰজা-বাদশাহ, খলিফা-আমীৰ সকলোৱে এই বিজ্ঞ সাধকৰ ওচৰত মূৰ নত কৰিবলৈ বাধ্য হৈছিল। পৃথিবীৰ শ্ৰেষ্ঠ সাধকসকলৰ মাজত তেওঁ বিশেষ খ্যাতিমন্ত আৰু তেজোদীপ্ত আছিল। তেওঁৰ সেই কহানী প্ৰভাৱ চিৰকাল অখণ্ড তেজেৰে বিৰাজ কৰিব।

হজৰত ৰবপীৰ চাহাবৰ লৰালিকাল

'যি মূলা বাঢ়ে, তাৰ চুপতীয়াতে চিন' এই যোজনাৰ সত্যতা হজৰত ৰবপীৰ চাহেবৰ লৰালিলৈ মন কৰিলেই ধৰা পৰে। সৰুৰে পৰা অসাধাৰণ আত্মিক শক্তিৰে বলীয়ান এই মহান সাধকে জীৱনত ভালেমান মাহাত্ম্য প্ৰকাশ কৰিছিল। তেওঁ ৰমজান মাহৰ পহিলা তাৰিখে উপজি সিদিনাৰ পৰাই দিনৰ ভাগত মাতৃস্তন্য পানৰ পৰা বিৰত থাকি উপবাস ব্ৰত আৰম্ভ কৰিছিল। এই অভূতপূৰ্ব্ব ঘটনাৰ কথা চৌদিশে বিয়পি পৰিছিল। দলে দলে লোকৰ আগমন হৈছিল এই এধানি মহান সাধকৰ দৰ্শনৰ বাবে। এইদৰেই নিচেই অকণি মানৱ পৰাই তেওঁ লোকৰ শ্ৰদ্ধা আৰু সন্মান লাভৰ গৰাকী হৈছিল। এবেলি —ভাৰবীয়া বতৰত লোকে ৰমজানৰ জোন নেদেখি হজৰত আব্দুল কাদেৰ জিলানী (ৰাঃ) ৰ মাকৰ ওচৰ চাপিল। তেওঁলোকৰ আগমনৰ হেতু জানিব পাৰি তেওঁৰ মাতৃয়ে পুতেকক আহাৰ যাচি চালে; কিন্তু কোনোমতেই তেওঁৰ পুত্ৰই স্তন্য গ্ৰহণ নকৰে। লোক সকলে সিদিনাই পহিলা ৰমজান পৰিছে বুলি প্ৰত্যয় গৈ নিশ্চিন্ত হৈ ঘৰাঘৰি গ'লগৈ।

চুবুৰীৰ অন্যান্য ল'ৰাছোৱালীৰ দৰে খেল-ধেমালি, স্ফূৰ্ত্তি-তামাছা, একোতেই আব্দুল কাদেৰৰ মন নবহিছিল। ল'ৰা ঢপৰা আদি ল'ৰা-ধেমালিৰ প্ৰতিও তেওঁৰ অন্তৰত কোনো হেঁপাহ নাছিল। কোনো কোনো মুহূৰ্ত্তত ল'ৰা-ধেমালিৰ প্ৰতি ক্ষন্তেকলৈ হাবিয়াস উপজিছিল যদিও কোনোবাই যেন অদৃশ্য থাকি তেওঁৰ হৃদয়ক নিয়ন্ত্ৰণ কৰি দিছিল। কোনোবাই যেন দূৰৰ পৰাই তেওঁক কৈছিল "আব্দুল কাদেৰ, পৃথিৱীলৈ তোমাৰ আগমনৰ এয়াতো উদ্দেশ্য নহয়, বিৰাট, গধুৰ আৰু মহান কৰ্ত্তব্যভাৰ তোমাৰ ওপৰত পৰিব।

সেই ভাব লবলৈ সাজু হোৱাঁ।" অবাক বিস্ময়ত শিশু সাধকৰ মনত উগুল থুগুল লাগিছিল। কিন্তু কিনো তেওঁৰ কৰ্ত্তব্য? কিয়নো তেওঁ পৃথিবীলৈ আহিছে? এই সতৰ্কবাণীৰে ভবিষ্যত জীৱনৰ প্ৰস্তুতিৰ বাবে কোনে তেওঁক এইদৰে সকিয়াই দিছে, এয়ে তেওঁৰ বিবেক নেকি? একোকেই তেওঁ বুজিব পৰা নাছিল। কোনো কোনো সময়ত হয়তো এনে ধৰণৰ অদ্ভুত ঘটনাৰ উপলব্ধিত তেওঁ আচৰিত আৰু ভীত হৈ লৰি গৈ মাকৰ আঁচল তলত লুকাইছিলগৈ। ভয়ে ভয়ে মাকক খামুচি ধৰি সুধিছিলগৈ—"এয়ানো কিহৰ শব্দ মা? কোনেনো কথা কয় আঁৰত বৈ?" মাকৰ ওচৰত এই ঘটনাৰ ভেদ গোপন নাছিল। তেওঁৰ মন আনন্দত—আশাত পুলকিত হৈ উঠিছিল। পুত্ৰৰ উজ্জ্বল ভবিষ্যতৰ কথা ভাবি মনত নানা আশাৰ সঞ্চাৰ হৈছিল। সেয়ে তেওঁ পুতেকক নানা ধৰণে বুজনি দি প্ৰবোধ দিবলৈ চেষ্টা কৰিছিল। এই গৰাকী মহীয়সী মাতৃয়ে পুত্ৰৰ চৰিত্ৰ নিৰ্ম্মল আৰু হৃদয় উন্নত কৰিবলৈ সাধ্য অনুসৰি যত্ন কৰিছিল। ঐই অসীমৰে আহ্বানত তেওঁৰ পুত্ৰই যে সময়ত সঁহাৰি দিব লাগিব! এই হেন মহান পুত্ৰৰ ভবিষ্যত প্ৰস্তুতিৰ ভাৰ তেওঁৰ ওপৰত পৰাত আপোনমনে নিজ কৰ্ত্তব্যৰ প্ৰতি সজাগ হৈছিল। লগৰীয়াসকলেও তেওঁলোকৰ এই বিশেষ সঙ্গীজনৰ ভাবভঙ্গী দেখি মনতে ধাৰণা কৰি লৈছিল কালক্ৰমত এওঁ এজন শ্ৰেষ্ঠ অলী হৈ বংশৰ মুখ উজ্জ্বল কৰিব।

লৰালিৰ পাঠ

এক মহান সাধকৰ বংশত জন্মগ্ৰহণৰ সৌভাগ্যলাভৰ অধিকাৰী হজৰত বৰপীৰ চাহেবৰ (ৰাঃ)ৰ জীৱনৰ গতিধাৰা লৰালিৰে পৰা নিয়ন্ত্ৰিত হৈছিল। গুণৱতী, বিদুষী মাতৃৰ চেনেহ সাহচৰ্য্য আৰু পৰিবাৰৰ ধাৰাই তেওঁৰ চৰিত্ৰত গভীৰভাৱে ৰেখাপাত কৰিছিল।

আনকি মহৰত্ব বয়সতে তেওঁ, তেওঁৰ শিক্ষকসকলৰ পৰা এজন অলীৰ (সাধু: জ্ঞানী সাধক) সম্মান লাভ কৰিছিল। নিতৌ মাদ্রাছালৈ (ইছলামী শিক্ষানুস্থান) গলে তেওঁৰ শিক্ষকসকলে অন্যান্য ছাত্রক সম্বোধন কৰি কৈছিল—"তোমালোকৰ মাজলৈ এজন অলী আল্লাৰ শুভাগমন হৈছে। তোমালোকে তেওঁক বহিবলৈ ঠাই এৰি দিয়া।" এইদৰে নিচেই সৰুৰে পৰা হজৰত বৰপীৰ চাহেবৰ প্রতি সমনীয়া ছাত্রসকলৰ সম্ভ্রমবোধ উপজিছিল। শিক্ষকসকলে তেওঁৰ প্রতি দেখুওৱা এই সম্ভ্রমে আৰু জ্ঞান-লাভৰ এই অনুকূল পৰিবেশলৈ লক্ষ্য কৰিলেই বুজিব পাৰি—উন্নত, নির্ম্মল, আৰু মহান চৰিত্রৰ এই মহাগুণী ব্যক্তিৰ ওপৰত করুণাময় খোদাৰ কিমান ৰহম (দয়া) আছিল।

তেওঁৰ স্মৃতিশক্তি আছিল অতি প্রখৰ। অন্যান্য ছাত্রই যি পাঠ এসপ্তাহত আয়ত্ব কৰিব পাৰে, তেওঁৰ বাবে সেই পাঠ অন্ত কৰোঁতে লাগিছিল মাথোন এদিনৰ সময় বা তাতোকৈ কম! জ্ঞানলাভৰ প্রবল হেঁপাহে তেওঁক নিতৌ নতুন তথ্য শিক্ষাৰ বাবে আগবঢ়াই দিছিল। ওঠৰ বছৰ বয়সলৈকে তেওঁ ঘৰতে থাকি ওস্তাদ-সকলৰ অধীনত বিদ্যালাভ কৰিছিল। তেওঁৰ অসাধাৰণ স্মৃতিশক্তিয়ে ওস্তাদসকলৰ মনত বিস্ময়ৰ সৃষ্টি কৰিছিল। কোনো কোনো পাঠ মাথোন এবাৰ আওৰালেই তেওঁৰ কণ্ঠস্থ হৈছিল। সেইকালত সমগ্র মুছলিম জাহানত বাগদাদ আছিল ইছলামী শিক্ষা দীক্ষা আৰু কৃষ্টি-সভ্যতাৰ কেন্দ্রস্থান স্বৰূপ। মুছলিম শাসিত স্পেন, আলহামৰা, কর্ডোভা আদি বিশ্ববিদ্যালয়ৰ বাহিৰে কোনো ঠাইৰ বিশ্ববিদ্যালয়ৰ লগত বাগদাদৰ তুলনা নহৈছিল। সমগ্র ইউৰোপ তেতিয়া অজ্ঞান অন্ধকাৰৰ কবলতে আছিল বুলিব পাৰি।

এই হেন বাগদাদ নগৰীলৈ গৈ শিক্ষালাভ কৰিবলৈ হজৰত বৰপীৰ চাহেবৰ প্রবল হেঁপাহ হৈছিল। ইছলামী দুনীয়াত আদর্শ-বিচ্যুতি, অনাচাৰ, কুসংস্কাৰে শিপাবলৈ ধৰা দেখি তেওঁৰ অন্তৰত

বন্ধৰ সৃষ্টি হৈছিল। হয়তো তেওঁৰ পূৰ্ব্বপুৰুষ সকলৰ আদৰ্শ যেনে—ধৰ্ম্মাৰ্থে আত্মবলিদান, আদৰ্শৰ বাবে অভাৱনীয় দুখকষ্ট বৰণ আদি ঘটনাই তেওঁৰ মনত প্ৰভাৱ পেলাইছিল। পিতৃ-মাতৃকুলৰ পূৰ্ব্বপুৰুষ হজৰত ইমাম হাচান (ৰাঃ) আৰু হজৰত ইমাম হোচেন (ৰাঃ)ৰ আদৰ্শই তেওঁক পৃথিবীৰ দুৰ্গত সমাজৰ দুখ নিবাৰণৰ বাবেও প্ৰেৰণা যোগাইছিল। হজৰত ইমাম চাহেবদ্বয়ৰ করুণ মৃত্যুৰ কাহিনীয়েও তেওঁৰ প্ৰাণত নতুন কৰ্ত্তব্যৰ প্ৰেৰণাৰ সঞ্চাৰ কৰিছিল। প্ৰকৃততে ইমাম ভ্ৰাতৃদ্বয়ৰ মৃত্যুৰ কাহিনী কেনে করুণ! ৰবজনৰ বিহপানত মৃত্যু আৰু সৰুজনে পৰিয়াল-পৰিজন বৰ্গেৰে সৈতে কাৰবালা প্ৰান্তৰত দিয়া জীৱনাহুতিয়ে হজৰত ৰৰপীৰ চাহেবৰ প্ৰাণত এটি প্ৰতিজ্ঞাৰ বীজ সিঁচিছিল। তদুপৰি ধৰ্ম্মীয় আদৰ্শৰ সংযোগ-বিহীন সাম্ৰাজ্যবাদ বিস্তাৰৰ পৰিকল্পনাৰ আঁচনিয়ে তেওঁৰ অন্তৰত ব্যথা-বেদনাৰ সৃষ্টি কৰিছিল। তেওঁ ভাবিছিল—এই পৰিকল্পনাৰ মাজতে জাতিৰ ভবিষ্যৎ পতনৰ বীজ নিহিত আছে। জাতিক এই অধঃপতনৰ পৰা ৰক্ষা কৰিবলৈ তেওঁ মনতে দৃঢ়সঙ্কল্প কৰিছিল।

বাগদাদৰ পৰিবেশে অহৰহ তেওঁৰ জ্ঞান-পিপাসু মনত আলোড়ন জগাই তুলিছিল। জাতিৰ, ধৰ্ম্মীয় শিক্ষাৰ ভেটী সুদৃঢ় কৰাৰ কথা দকৈ চিন্তা কৰিলেই তেওঁৰ মনে ঢাল লৈছিল বাগদাদ নগৰীলৈ। কিন্তু বাধাও জানো কম? তেওঁ আছিল পিতৃহীন। ইফালে আতায়েকো জীৱিত নাই। দূৰদেশত শিক্ষাৰ ব্যয়ভাৰেই বা কোনে বহন কৰিব? আপদে-বিপদে, সুখে-দুখে খা-খবৰেই বা লব কোনে? বাগদাদ নগৰীৰ বিদ্বানমণ্ডলীৰ সমাবেশে তেওঁৰ অন্তৰত সৃষ্টি কৰা আকৰ্ষণেই তেওঁৰ মনলৈ আনিছিল অভাৱনীয় দৃঢ়তা। এই দৃঢ়-সঙ্কল্পই তেওঁক এদিন মনোবলো দিলে। বিপদ-আপদ নিৰাশাৰ চিন্তাই তেওঁক সাময়িক ভাবে দুৰ্ব্বল কৰি তুলিছিল যদিও দৃঢ়তাই শেহত জয়লাভ কৰিলে। মাকক তেওঁ ক'লেগৈ, "মা, মই ঠিক বুজিব পৰা নাই, কি কাৰণে নো পৰম করুণাময় খোদা তা'আলাই মোক দুনীয়ালৈ

পঢ়িব্লাগে। কিন্তু মোৰ মনত হয়—মানুহে যেন মোৰ বাণী শুনিবলৈ আকুল, উন্মুখ হৈ আছে। ভৱিষ্যতৰ মহান কৰ্ত্তব্যৰ আহ্বান যেন মই শুনিবলৈ পাইছোঁ। মই যে বাগদাদৰ দৰে শিক্ষাকেন্দ্ৰৰ আহ্বান উপেক্ষা কৰিব নোৱাৰোঁ। ভৱিষ্যতৰ প্ৰস্তুতিৰ বাবে উপযুক্ত ইছলামী শিক্ষা-দীক্ষা লাভৰ বাবে মই যদি বাগ্দাদলৈ যাওঁ, মোক তুমি বংমনেৰে বিদায় নিদিবা জানো ?"

মাতৃয়ে আগৰে পৰা লক্ষ্য কৰিছিল পুত্ৰৰ মতি-গতি, ধৰণ-কৰণ, সাধাৰণ শিশুৰ দৰে নহয়। বুকুৰ অমৃত খুৱাই যি সন্তান তেওঁ প্ৰতিপালন কৰিছে, তেওঁৰ প্ৰকৃতি জানো মাতৃৰ অবিদিত থাকে ? আধ্যাত্মিক শক্তিৰে বলীয়ান মাতৃৰ অন্তৰে পুত্ৰ-বিচ্ছেদৰ আশঙ্কাত কাতৰ হৈ উঠা দুৰ্ব্বলতা হেলাৰঙে জয় কৰিলে। হয়তো আধ্যাত্মিক শক্তিৰ বলত তেওঁ ইয়াকো বুজিব পাৰিছিল যে পুত্ৰৰ স'তে এই বিচ্ছেদ তেওঁৰ সাময়িক নহয়—চিৰ-বিচ্ছেদ ! তথাপিও মহান সাধকৰ, মহান মাতৃয়ে পুত্ৰৰ মহৎ ইচ্ছাৰ বাটত কোনো হেঙাৰ নিদিলে। মাতৃ-স্নেহৰ দুৰ্ব্বলতাৰে কোনো বিধি-পথালি নিদিলে। বৰং আথেবেথে পুত্ৰৰ বিদেশ যাত্ৰাৰ আয়োজনত তৎপৰ হ'ল !

সাঁচতীয়া ধন বুলিবলৈ হাতত বিশেষ একো নাছিলেই। হজৰত বৰপীৰ চাহেবৰ (ৰাঃ) ৰ পিতৃ হজৰত আবু চালেই (ৰাঃ) মৃত্যুৰ সময়ত দুকুৰি সোণৰ মোহৰ এৰি থৈ গৈছিল। সেই মোহৰ দুকুৰিকে পুত্ৰৰ বিদেশ যাত্ৰাৰ মূলধন স্বৰূপে দিলে। দুৰ্গম পথ। বাটে-ঘাটে চোৰ, ডকাইতিৰ ভয়। সেই ভয়তে চোলাৰ ভাঁজতে মোহৰ দুকুৰি চিলাই কৰি দিলে মাকে, আৰু বিদেশ যাত্ৰাৰ আগ মুহূৰ্ত্তত গভীৰ স্নেহেৰে পুত্ৰক বিদায় দিলে, আৰু দিলে দুটি বহুমূলীয়া উপদেশ—যি চিৰদিন হজৰত বৰপীৰ চাহেবৰ (ৰাঃ)ৰ জীৱন পথৰ পাথেয় আছিল। মাতৃয়ে তেওঁক কৈছিল—"পুত্ৰ, কেতিয়াও কোনো সময়তে যেন সৃষ্টিকৰ্ত্তা কৰুণাময় খোদা আৰু তেওঁৰ ৰছুল হজৰত মোহাম্মদ মোস্তফা (দঃ)ক

নেপাহবা। আৰু শুনা—কেতিয়াও যেন কোনো সময়তে মিছা নোকোৱা।"

হীৰাৰ টুকুৰা যেন পুত্ৰধন হজৰত বৰপীৰ চাহেবে কোনোদিন মিছা কৈ পোৱা নাই, কিন্তু তথাপিও পুত্ৰৰ মঙ্গলাকাংখিনী, মমতাময়ী মাতৃয়ে ভাবিছিল কিজানিবা কেতিয়াবা পৰিস্থিতিৰ চাকনৈয়াত পৰি পুত্ৰই অসত্য কৱল যায়! সেয়ে—বিদায়ৰ আগমুহূৰ্ত্তত এই সতৰ্কবাণী।

হজৰত বৰপীৰ চাহেবে মাতৃৰ উপদেশবাণী গভীৰ শ্ৰদ্ধাৰে শুনিলে আৰু তেওঁক তচলিম্ (প্ৰণাম) কৰি বাগ্দাদ অভিমুখে আগবাঢ়িল। এই সময়তে জিলান চহৰৰ পৰা এদল সাউদেও বণিজৰ বাবে বাগ্দাদলৈ ৰাওনা হৈছিল। এই বণিকদলৰে লগ লাগিল হজৰত বৰপীৰ চাহেব।

বাট আৰু বিঘিনি—

সাউদৰ দলৰ সংতে বালিময় মৰুভূমি, পৰ্ব্বত, হাবি-বননি পাৰ হৈ হজৰত বৰপীৰ চাহব বাগ্দাদ মুৱা হৈ গৈ আছিল। সেই কালত বাট পথত চুৰি-ডকাইতি অনবৰত লাগিয়েই আছিল। সুযোগ পালেই ডকাইতৰ দলে বাটৰুৱা নিৰীহ যাত্ৰীদলক লুটপাট কৰি যথাসৰ্ব্বস্ব অপহৰণ কৰিছিল।

বণিকদলৰ আটায়ে হজৰত বৰপীৰ চাহেবক সন্মান কৰিছিল। সেয়ে বাটত তেওঁৰ কোনো কষ্ট হোৱা নাছিল। কিন্তু ভাগ্যৰ লিখন বাটতে তেওঁলোকৰ দল ডকাইতৰ হাতত পৰিল। যাত্ৰীদল ভেতিয়া হামাদান নামৰ ঠাইখিনি পাইছিলগৈ। তিনিকুৰি ডকাইতে ঘেৰি ধৰিলে বণিকদলক। দলৰ কেজনমানে বৰ বেছিকৈ আঘাত পালে, আৰু বাকীবোৰ ছত্ৰভঙ্গ হৈ পৰিল। হজৰত বৰপীৰ চাহেবৰ চকুৰ আগতে এইবোৰ ঘটি আছিল। তেওঁ নীৰৱ দৰ্শকৰ দৰে

মাথোন চাই আছিল। শত্ৰুদলক বাধা দিবৰ শক্তিয়েই বা ক'ত ? তিনি কুৰি দুৰ্দ্দান্ত ডকাইত আৰু তেওঁ এটি মাথোন নিৰীহ ছাত্ৰ। পৰম করুণাময়, সৰ্ব্বনিয়ন্তা খোদা তা'আলাৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ বাহিৰে আন আৰু একো কৰিবৰ তেওঁৰ উপায় নাছিল। আনহাতে ডকাইত দলে খৰখৰকৈ প্ৰথমে সাউদৰ বণিজৰ যতমানে বেহানি, সকলো লুটি পুটি নিলে। সাজপাৰ, ভাৱভঙ্গী, চেহেৰাই পাতিয়ে হজৰত আব্দুল কাদেৰক সিহঁতে এজন ডেকা ফকিৰ বুলিয়েই ধৰি লৈছিল। তেওঁৰ লগতো যে কিবা পইচা পাতি থাকিব পাৰে, ভবাই নাছিল। তথাপিও যাবৰ পৰত ডকাইতদলৰ এজনে আগবাঢ়ি আহি সুধিলে—"হেৰা, তোমাৰ হাততো কিবা সা-সম্পত্তি আছে নেকি হে? দেখিছাইতো, আমাৰ ধৰ্ম্ম-কৰ্ম্ম হ'ল এয়ে। বোপাই, যদি কিবা আছে তোমাৰ হাতত; ভালে ভালে আমাৰ হাতত সমৰ্পণ কৰা।" উত্তৰত হজৰত বৰপীৰ চাহেবে ক'লে, "মোৰ চোলাৰ ভিতৰত চুকুৰি সোণৰ মোহৰ আছে। চিলাই কৰি থোৱা আছে। লাগিলে লৈ যোৱা।" ডকাইত অবাক। পিছ মুহূৰ্ত্ততে ভাবিলে—সংসাৰ-বিৰাগী এই ডেকা ফকিৰে উপযুক্ত পাত্ৰ পাই হয়তো বগৰেই কৰিলে তাৰ লগত। ফকিৰেনো ধন-সোণ পাব ক'ৰ পৰা আৰু যদি লগত ধন-সোণ আছেই, সোণৰ মোহৰ কেইটি নিজে উপযাচিনো ডকাইতৰ হাতত কোনে তুলি দিব? এইভাবি ডকাইত তাৰপৰা নিলগ হ'ল। কিন্তু পিছ পাকতে দলৰ আন এটি ডকাইত আহি হজৰত বৰপীৰ চাহেবক পুনৰ একে প্ৰশ্নকে কৰিলেহি। এইবাৰো মহান পুৰুষে সেই একে দীপ্ত উত্তৰকে দিলে। ডকাইতে প্ৰথমে ফকিৰৰ ধেমালি বুলি উকৰাই দিলে যদিও কথাষাৰ গৈ দলপতিৰ কাণ চোৱালেগৈ। দলপতিৰ আদেশ হ'ল— "ডেকাটিক মোৰ ওচৰলৈ লৈ আহ।" হজৰত বৰপীৰ চাহেবকে চৰ্দ্দাৰৰ ওচৰত হাজিৰ কৰালেগৈ। চতুৰ আৰু কঠোৰ-হৃদয়ৰ দলপতিয়ে এবাৰ হজৰত বৰপীৰ চাহেবৰ মূৰৰ পৰা ভৰিলৈকে চাই

কঠুৱাভাবে সুধিলে,—"তোমাৰ লগত ধন-বিত্ত কিবা আছে নেকি? সঁচা কথা কবা, জানাইতো আমি নিষ্ঠুৰ ডকাইত। দয়া-মায়াৰ লেশ নাইকিয়া নিৰ্ম্মম ডকাইত যাক কয়, বুজিলা? মিছা ক'লে তোমাৰ অৱস্থা কি হব পাৰে ভাবি চাবা।"

নিৰ্ভয়ে আৰু পূৰ্ব্বৰ দৰেই দৃঢ়চিত্তে হজৰত বৰপীৰ চাহেবে উত্তৰ দিলে—"কৈছোঁৱেইতো যে, মোৰ চোলাৰ ভিতৰফালে ছকুৰি সোণৰ মোহৰ চিলাই কৰি থোৱা আছে, তথাপিও বাৰে বাৰে কিয় মোক একে প্ৰশ্নকে কৰা হৈছে?"

হজৰত বৰপীৰ চাহেবৰ উত্তৰত দলপতিৰ মুখৰ মাত হৰিল। এই ডেকাটিয়ে কয়নো কি? লগে লগে চৰ্দ্দাৰৰ আদেশ অনুসৰি ডকাইতদলে হজৰত বৰপীৰ চাহেবৰ চোলাৰ চিলাই কাটি পেলালত সোণৰ মোহৰ ছকুৰি জন জনাই ওলাই পৰিল। চৰ্দ্দাৰ বিস্ময়ত হতবুদ্ধি হৈ পৰিল। কি অসাধাৰণ দৃঢ়চৰিত্ৰ এই দীনহীন বেশধাৰী ডেকা ফকিৰটিৰ। জানি শুনি ডকাইতৰ দলৰ আগত সঁচা কথা কৈ নিজৰ যথা সৰ্ব্বস্ব মোহৰ কেইটি অৰ্পণ কৰিবলৈ অকনো কুণ্ঠিত নহল! ডকাইতদলৰ চৰ্দ্দাৰী কৰি জীৱনৰ এইকালছোৱাত কত নিষ্ঠুৰতা আচৰণ কৰি আহিছে অতদিনে, কিন্তু এনে অদ্ভুত তেজস্বী ব্যক্তিৰ স'তে কেতিয়াওতো সাক্ষাৎ হোৱা নাই! সত্যভাষণৰ এনে দৃঢ় মনোবলেই বা এই যুবকে পালে ক'ৰপৰা? ভাব-চিন্তা ক্ষন্তেকলৈ আঁতৰাই থৈ ডকাইত দলপতিয়ে হজৰত বৰপীৰ চাহেবক ধীৰভাবে ক'লে,—"চোৱা, তুমিতো চকুৰ আগতে দেখিলা আমি কি, কিমান নিষ্ঠুৰ আমাৰ এই লুণ্ঠন আৰু মানুহৰ ওপৰত কৰা অত্যাচাৰ। মানুহৰ কাতৰ বিননি শুনি আমাৰ কৰুণা নহয়—কোনোৱে আমাৰ আক্ৰমণত বাধা দি প্ৰাণ হেৰুৱালেও আমি তুচ্ছ ঘটনা বুলি তাক টিলিকিতে উৰুৱাই দিওঁ। ধন-অপহৰণ, প্ৰাণী হত্যা আমাৰ মানত অতি সাধাৰণ—অতি নগণ্য কথা! তুমি বাৰু আমাৰ আগত সঁচা কথাকৈ কিয় নিজৰ গচ্ছিত ধনকেৰা হেৰুৱালা?

তোমাৰ হাতত যে, কিবা পইচা-পাতি, ধন-বিত আছে আমাৰ বিশ্বাসেই হোৱা নাছিল, তেনেস্থলত মিছা কোৱা হলেই তোমাৰ আপুৰুগীয়া ছকুৰিমোহৰ ৰক্ষা পৰিলহেঁতেন। তাকে নকৰি তুমি হেলাৰঙে, কোনো কুণ্ঠা নকৰাকৈ কিয় আৰু কেনেকৈ মোহৰ ছকুৰিৰ লোভ এৰিলা ?"

ডকাইত-চৰ্দ্দাৰৰ এই কথাই হজৰত বৰপীৰ চাহেবকো কম আচৰিত নকৰিলে। লোকৰ ধন-প্ৰাণ হানি কৰি ফুৰাতেই যাৰ তৃপ্তি,—মানুহক জোৰ-জুলুম কৰি ডেকা-হকাৰি ধন আৰ্জ্জনেই যাৰ ব্যৱসায়, তেনেজন দস্যু চৰ্দ্দাৰকেই বা হজৰত বৰপীৰ চাহেবৰ সঁচাকোৱাৰ কৈফিয়তৰ কি আৱশ্যক ? তথাপিও হজৰত বৰপীৰ চাহেবে ভাবিলে—হয়তো, মনত কিবা চিন্তা-ভাৱনাৰ ঢৌ উঠিছে ডকাইত দলপতিৰ। এইক্ষেত্ৰত যথাযথ ভাৱে সত্য-উত্তৰ নিদিয়াৰেই বা কি আৱশ্যক ? ইয়াকে ভাবি তেওঁ ক'লে—"তুমি ডকাইত দলপতি হিচাবে মই মিছা কথা কৈ তোমাক ফাঁকি দি মোহৰ ছকুৰি ৰখাটো যিমান সহজ কাম বুলি ভাবিছা, মোৰ বাবে সেইকাম সিমান সহজ নহয়। সহজতো নহয়েই, বৰং মোৰ পক্ষে সি সম্পূৰ্ণ অসম্ভৱ আৰু অত্যন্ত গৰ্হিত কাম বুলিহে ধাৰণা হৈছিল। মিছাকোৱা মহাপাপ। বিশেষকৈ মোৰ এই বিদেশ যাত্ৰাৰ আগমুহূৰ্ত্তত মই জন্মদাতৃ মাতৃৰ ওচৰত অঙ্গীকাৰ কৰি আহিছোঁ যে, জীৱনত কোনোদিন আৰু কোনো অৱস্থাতেই মিছা নকওঁ। যদি তাৰ বাবে কেতিয়াবা নিজৰ এই ক্ষুদ্ৰ-প্ৰাণ বিসৰ্জ্জন দিবলগীয়াও হয়, তাৰ বাবেও মই সাজু আছোঁ। এই ধন-বিত, অৰ্থ-সম্পত্তিৰ কি মাহাত্ম্য আছে ? এই সকলো যে ক্ষণস্থায়ী, অতি তুচ্ছ ! আজি আছে, কালি নাই। এই তুচ্ছ বস্তুৰ বিনিময়ত মাতৃৰ ওচৰত কৰা অঙ্গীকাৰ ভঙ্গ কৰিম নে ?"

হজৰত বৰপীৰ চাহেবৰ এই উত্তৰ শুনি দলপতিয়ে থৰ লাগি চাই ৰল। প্ৰথমে তেওঁ ভাবিছিল—হয়তো ডেকাটিয়ে কব—

ডকাইত দলৰ দলপতিৰ ভয়তে সত্য গোপন নকৰি নিজৰ সাঁচতীয়া ধনখিনি ডকাইতৰ হাতত অৰ্পণ কৰিছিল; কিন্তু ইকি শুনিলে তেওঁ? এক অদ্ভুত ভাবাবেগে তেওঁক অভিভূত কৰি তুলিলে। হিয়াফাটি যোৱা এক আৰ্তনাদ কৰি তেওঁ চকুলো টুকিবলৈ ধৰিলে। "হাঁয়! হাঁয়!! মই যে পশুতুল্য! মইতো মানুহ নামৰ যোগ্যই নহয়! কাৰ ধন অপহৰণ কৰিছোঁ মই? কোন এই ফুকলীয়া ল'ৰাটি? মাকৰ ওচৰত সত্য-ভাষণৰ অঙ্গীকাৰ বদ্ধ হৈ—সত্যৰ বাবে হাঁহিমুখে ধন-প্ৰাণ দিব পৰা এনে মনোবল, এনে তেজস্বিতা!! আৰু মই? মই যে নৰাধম! ময়োতো সৃষ্টিকৰ্তাৰ ওচৰত আৰু তেওঁৰ ৰছুলৰ ওচৰত বাৰে বাৰে মানুহৰ দৰে জীৱন যাপনৰ প্ৰতিশ্ৰুতি দি আহিছোঁ? মোৰ এই জীৱনধাৰা কিমান জঘন্য, কিমান ঘৃণনীয়! আজীৱন অন্যায়, অধৰ্ম্ম, অত্যাচাৰৰ লীলাতেই বিভোৰ হৈ আছোঁ। পাহৰি গৈছোঁ এই পাপৰ—এই অন্যায়ৰ কি পৰিণাম মোৰ বাবে আছে! মোৰ এই ধৰ্ম্ম-দ্ৰোহিতাৰ, পাপৰ, কি শাস্তি কোনে জানে?"

অনুতাপত জৰ্জ্জৰিত হৈ বলিয়াৰ দৰে লৰি আহি ডকাইত চৰ্দ্দাৰ হজৰত বৰপীৰ চাহেবৰ ভৰিতে লুটিখাই পৰিলহি। হজৰত বৰপীৰ চাহেবে বুজিলে—চৰ্দ্দাৰৰ অন্তৰত অনুতাপৰ জুই জ্বলিছে। এতিয়া এই মুহূৰ্ত্তত তেওঁ আৰু ডকাইতৰ দলপতি হৈ থকা নাই। হজৰত বৰপীৰ চাহেবে হাত আগবঢ়াই ডকাইত চৰ্দ্দাৰৰ মূৰটো দাঙি তুলিলে আৰু সান্ত্বনা দি ক'লে—"উঠা, অস্থিৰ নহবা। সৃষ্টিকৰ্ত্তা খোদা তাআ'লা অতি দয়ালু, অতিশয় ক্ষমাময়। সেই পৰম করুণাময়ৰ ওচৰত তোমাৰ দোষৰ বাবে তওবাহ (কাতৰভাবে অপৰাধৰ বাবে অনুশোচনা ঃ খেদ) কৰি তেওঁৰ ওচৰত করুণা ভিক্ষা কৰা। এতিয়াৰে পৰা সকলো কু কাম, অন্যায়-অধৰমৰ পৰা আঁতৰি থাকিবলৈ প্ৰতিজ্ঞা কৰা। তেওঁ অগতিৰ গতি। তোমাকো তেওঁ নিশ্চয় সত্যপথলৈ আনিব।"

অমৃতগুপ্ত চৰ্দাৰে হজৰত বৰপীৰ চাহেবৰ এই বাণী শুনি তেওঁৰ মুখনি পবিত্ৰ হাতত হাত থৈ 'তওবাহ্' কৰিলে, আৰু সিদিনাৰে পৰা দস্যুবৃত্তি পৰিত্যাগ কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হ'ল। লগে লগে দলৰ আনবোৰ ডকাইতেও চৰ্দাৰৰ অনুসৰণ কৰিলে। সাউদৰ দলক মাতি আনি তেওঁলোকৰ ধন-সম্পত্তি পুনৰ ফিৰাই দিয়া হ'ল।

কি আচৰিত! কেইমুহূৰ্ত্তমানৰ ভিতৰতে কিবা এক অদৃশ্য শক্তিৰ বলত যেন এই সকলো ঘটি গ'ল। ডকাইতৰ কঠোৰ হিয়া গলি গ'ল, ডকাইত হ'ল সাধু!

সাধনাৰ বাটত

সেইকালৰ শিক্ষা, সভ্যতা, সংস্কৃতিৰ শ্ৰেষ্ঠকেন্দ্ৰ বাগদাদনগৰীৰ প্ৰতি আকৰ্ষিত হৈ মনৰ হেঁপাহ পলুৱাই শিক্ষালাভৰ বাবেই হজৰত বৰপীৰ চাহেব আহিছিল এই মহানগৰীলৈ। বাগদাদৰ শাসক তেতিয়া—আব্বাছবংশীয় খলিফাসকল। এই বংশ হজৰত মোহাম্মদ (দঃ)ৰ বংশৰ আছিল। দুৰাচাৰ এজিদৰ বংশৰ পৰা শাসনক্ষমতা হস্তগত কৰি এই আব্বাছ বংশই হৈছিল খিলাফতৰ অধিকাৰী। আব্বাছবংশীয় খলিফাসকলৰ দিনত সুশাসন প্ৰতিষ্ঠিত হৈছিল যদিও খোলাফায়ে ৰাছেদীনৰ সময়ৰ নিভাঁজ লোকতন্ত্ৰৰ পুনৰ প্ৰতিষ্ঠা হোৱা নাছিল। খলিফা উপাধিধাৰী হলেও খান শওকত (আড়ম্বৰ, জাক-জমক) আৰু ক্ষমতাবিস্তাৰত পৃথিবীৰ অন্যান্য ৰজাসকলৰ মাজত শ্ৰেষ্ঠ আসন লাভ কৰি আছিল। সেইবাবে খলিফা নুবুলি তেওঁলোকক 'বাদশ্বাহ্' অৰ্থাৎ 'নৃপতি' আখ্যাৰেই ভূষিত কৰা হৈছিল। আব্বাছ-বংশীয় খলিফাসকলৰ বিৰাট ৰাজ্য বিস্তৃত সাম্ৰাজ্য যেন আছিল। তেওঁলোকৰে শাসনকালত ৰাজধানী বাগদাদনগৰী শিক্ষা, সভ্যতাৰ

উপৰিও বিভিন্ন বিষয়ত শিক্ষাৰ পীঠস্থান স্বৰূপে খ্যাতিলাভ কৰিছিল। পৃথিবীৰ বিভিন্ন ঠাইৰ জ্ঞানী-গুণী, মানী,. বিদ্বান লোকৰ সমাৱেশ ঘটিছিল বাগদাদত। মাথোন যে ইছলামী ধৰ্ম্মশাস্ত্ৰৰ বিষয়েই চৰ্চ্চা হৈছিল, তেনে নহয়, বিভিন্ন জাগতিক বিষয়—বিজ্ঞান, দৰ্শন, ভূগোল আদিৰ বহুল চৰ্চ্চা হৈছিল। বহু দূৰ দেশৰ পৰা দলে দলে শিক্ষাৰ্থী-সকল আহিছিল অধ্যয়নৰ পূৰ্ণতাৰ বাবে এই বাগদাদ নগৰীলৈ। অধ্যাপনাৰ বাবে আহিছিল জাতি, বৰ্ণ নিৰ্ব্বিশেষে সেইকালৰ বিভিন্ন ঠাইৰ গুণী, জ্ঞানী মহাজন সকল। বিভিন্ন ভাষাৰ পৰা মূল্যবান মূল্যবান গ্ৰন্থসমূহৰ অনুবাদ কাৰ্য্যতো খলিফাসকলে যথেষ্ট ব্যয় কৰিছিল। গ্ৰন্থসমূহ নিৰ্ব্বাচনত প্ৰাচীন গ্ৰন্থৰ লগতে আধুনিক গ্ৰন্থয়ো ঠাই পাইছিল। খলিফাসকলৰ পৃষ্ঠপোষকতা আৰু যোগ্যব্যক্তিৰ ওপৰত যোগ্য কৰ্ম্মৰ ভাৰ অৰ্পণৰ ফলত বাগদাদ নগৰীয়ে শিক্ষাপীঠ স্বৰূপে পৃথিবীৰ ভিতৰতে এক বিশেষ শিক্ষাকেন্দ্ৰ স্বৰূপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সমৰ্থ হৈছিল।

হজৰত বৰপীৰ চাহেবে বাগদাদ পায়েই ইছলামী শাস্ত্ৰ সমূহৰ উপৰিত তৰ্কশাস্ত্ৰ আৰু সাহিত্যৰ সাধনাত মন-প্ৰাণ সঁপি দিলে। ফেকাহ (ইছলামী আইন) শাস্ত্ৰত তেওঁৰ ওস্তাদ আছিল—হজৰত কাজী আবু ছৈয়দ মোকাৰৰম বীন আলী মোকাৰৰমী, হজৰত আবুল ওফা আলী বীন অকিল (ৰাঃ) আদি বিশিষ্ট শিক্ষাবিদ সকল। পবিত্ৰ হাদিচ (ইছলামী বিধি-বিধান) হজৰত আবুল কাচেম আলী আদি মহা মহা পণ্ডিতসকলে। সেইকালৰ বিখ্যাত এদীব (সাহিত্যিক) নিজামিয়া মাদ্ৰাছাৰ অধ্যক্ষ হজৰত আবু জাকাৰিয়া এয়াহিয়া তাবৰেজীয়ে তেওঁক দিছিল সাহিত্যৰ শিক্ষা। প্ৰত্যেক বিষয়ৰ ওস্তাদে তেওঁক অসীম যত্ন আৰু সস্নেহ-আগ্ৰহেৰে শিক্ষা দিছিল। তদুপৰি—সেইকালৰ বহু বিখ্যাত আলীমৰ (বিজ্ঞ ব্যক্তি) আৰু সাধকৰ পৰা তেওঁ পবিত্ৰ কোৰাণৰ বিভিন্ন পঠন প্ৰণালী, আয়াত (বাক্যাংশ) সমূহৰ বিভিন্নৰূপ, ভাষ্য

আৰু নিগূঢ় অৰ্থ সম্বন্ধে সম্যকজ্ঞান লাভত মগ্ন আছিল। তেওঁৰদৰে খোদাভক্ত, আৰু মেধাবী ছাত্ৰৰ পক্ষে এই কঠোৰ সাধনাৰ পথত সাফল্যলাভ কৰাটোত কোনো বিচিত্ৰতা নাই, কিন্তু অন্য ছাত্ৰৰ তুলনাত সাধনাত তেওঁৰ সিদ্ধিলাভ হৈছিল যথেষ্ট কম সময়ৰ ভিতৰতে। তথাপিও বিভিন্ন বিষয়ৰ জ্ঞান-সাধনাত নিমগ্ন হৈ থকা এই কালছোৱা কম দীঘলীয়া নাছিল। সাধক মণ্ডলীৰ স্নেহ আৰু সাহচৰ্য্যত হজৰত বৰপীৰ চাহেবৰ আত্মিক আৰু আধ্যাত্মিক শক্তি ক্ৰমে বৃদ্ধি পাইছিল। তেওঁৰ চিত্ত জ্যোতিৰ্ম্ময় কৰি তুলিছিল এক অপাৰ্থিব জ্যোতিৰ ৰেঙনিয়ে। এই জ্যোতিৰ আভা দেখিছিল সাধকসকলে।

শিক্ষাগ্ৰহণৰ, জ্ঞান-সাধনাৰ এই কালছোৱাত হজৰত বৰপীৰ চাহেবে কঠোৰ দাৰিদ্ৰ্যৰ লগত সংগ্ৰাম কৰিবলগীয়া হৈছিল। ডকাইতদলৰ হাতৰ পৰা পুনৰ ফিৰাই পোৱা মোহৰ ছকুৰি মাথোন আছিল তেওঁৰ সৰ্থাসৰ্ব্বস্ব। বিদেশত এই দীঘলীয়া দিনৰ ভিতৰত তেওঁৰ হাতত আৰু একো ধন-বিত পৰা নাছিল। ঘৰৰ পৰাই বা পঠিয়াব কোনে? পিতৃহীন তেওঁ। মাতৃও অক্ষম। হয়তো সেই মোহৰ ছকুৰিৰেই ভালেমান দিন চলিলহেঁতেন, কিন্তু দীন-দুখী ছাত্ৰৰ হীনঅৱস্থা দেখিলে পুতৌত পমিগৈ হজৰত বৰপীৰ চাহেবে অৰ্থসাহায্য নকৰাকৈ থাকিব নোৱাৰিছিল। দৰিদ্ৰ জন-সাধাৰণৰ দুখ দেখিলে, সমনীয়া অভাৱগ্ৰস্ত ছাত্ৰৰ অৰ্থকষ্ট দেখিলে, তেওঁ পাহৰি গৈছিল যে, তেওঁ নিজেও পিতৃহীন অভাৱগ্ৰস্ত ছাত্ৰ! সঙ্গতিহীনা মাতৃয়ে যে তেওঁক টকা-পইচা, ধন-বিত দি সহায় কৰিব নোৱাৰে! দূৰ প্ৰবাসত তেনেস্থলত হাতৰ ধন উদং হলে কোনে সহায় কৰিব? এই কথা ভাবিলেও তেওঁ ইয়াকে মাথোন বিশ্বাস কৰিছিল যে—তেওঁৰ সৃষ্টিকৰ্ত্তা খোদা তাআলাই তেওঁৰ প্ৰতি-পালনবো গৰাকী। তেওঁ আৰু ভাবিছিল—নিজৰ জীৱনত অনুভৱৰ কথা সুদূৰৰ এক বিশেষ আহ্বানৰ সঁহাৰি দিবলৈকেই তেওঁৰ

প্ৰবৃত্তি চলিছে। তেনেস্থলত দৃঢ়প্ৰতিজ্ঞা, আত্মবিশ্বাস আৰু সততা থাকিলে যিকোনো বিপৰ্য্যয়ৰ ধুমুহাতেই তেওঁ নপৰক কিয়, বিশ্বনিয়ন্তা, পৰম কৰুণাময়ে তেওঁক টানি তুলিবই! তেওঁ ভালদৰেই উপলব্ধি কৰিছিল যে কৰ্ত্তব্যৰ পথ চিৰদিনেই কঠোৰ আৰু বাধাময়। সেয়েহে হাতত ফুটাকড়ি এটি নথকা সত্বেও তেওঁ ভাঙি নপৰিল। মাককো অভাৱৰ কথা জনাই দুখ নিদিলে। অমানুষিক কষ্ট আৰু অসাধাৰণ ধৈৰ্য্য, সহিষ্ণুতাৰে নিজ কৰ্ত্তব্যত অবিচল ভাবে থাকিল!

পৃথিবীৰ ইতিহাসত ছাত্ৰাৱস্থাত এনে কঠোৰ তপস্যা আৰু কৃচ্ছ সাধনাৰ উদাহৰণ বিৰল। জনা যায়—ওস্তাদৰ ওচৰত পাঠগ্ৰহণ কৰাৰ পিছত তেওঁ নগৰৰ বাহিৰলৈ গুছি গৈছিল। টাইগ্ৰিচ নৈৰ পাৰত বা ইৰাকৰ মৰুভূমিৰ কাষৰ কোনো নিজান ঠাইলৈ তেওঁ গুছি যায়। ভোক-পিয়াহত কাতৰ হৈ পৰিলে টাইগ্ৰিচ নৈৰ পানী আঁজলি ভৰাই খায় আৰু কেতিয়াবা পালে গছৰ বাকলি, শাক-পাত যিহকে পায়। এইদৰেই দিনৰ পিছত দিন, মাহৰ পিছত মাহ বাগৰি গৈছিল। কেতিয়াবা হয়তো দিনৰ দিনটো একোকে নাপায় খাবলৈ। তথাপি তেওঁ হতাশ নহৈছিল। সাধনাৰ বাট এৰি পিছলি অহা নাছিল—নিজ কৰ্ত্তব্য পথৰ পৰা।

খোদাপ্ৰাপ্তিৰ বাবে জ্ঞান-সাধনাৰ পথত অবিচল ভাবে নিষ্ঠাযুক্ত হৈ সাধনাত লিপ্ত থাকিলে পৰম কৰুণাময়ে সহায় কৰিবই! তেওঁযে অসহায়ৰ সহায়, অগতিৰ গতি, বন্ধুহীনৰ পৰম বন্ধু! শুনা যায়—এদিন হেনো হজৰত বৰপীৰ চাহেব তেওঁৰ ছাত্ৰাৱস্থাত ভোক-পিয়াহত কাতৰ হৈ মূৰ্চ্ছা গৈ পৰি গৈছিল। উপযুক্ত আহাৰ বিনে তেওঁৰ প্ৰাণৰক্ষাৰ কোনো সম্ভাৱনাই নাইকিয়া হ'ল; কিন্তু আহাৰেই বা পায় ক'ত? একমাত্ৰ আল্লাহ তাআ'লাৰ বাহিৰে আন কাৰো মুখাপেক্ষী হবলৈকো তেওঁ সাজু নাছিল। গতিকে এনে বিপদ মুহূৰ্ত্তত কোনে তেওঁক সহায় কৰিবলৈ আগবাঢ়ি আহিব? মনৰ মাজত এইদৰে ভাব-

চিন্তাৰ তোলপাৰ লাগি থকা অৱস্থাত তেওঁ শুনিবলৈ পালে কোনোবাই যেন তেওঁক কৈছে—

"আব্দুল-কাদেৰ, জ্ঞানৰ পথ চিৰদিনেই আল্লাৰ পথ। তুমি, তোমাৰ সঙ্কল্প ত্যাগ নকৰিবা। কৰ্ত্তব্যপথৰ পৰা পিছুলি আহিলে খোদায়ে তোমাক জগৰীয়া কৰিব। বৰ্ত্তমান খাদ্যাভাৱত তোমাৰ প্ৰাণৰ সংশয় ঘটিবৰ উপক্ৰম হৈছে। প্ৰাণৰক্ষা কৰাও তোমাৰ অৱশ্য কৰ্ত্তব্য। মাথোন জীয়াই থাকিবৰ বাবেই নহয়—আল্লাৰ পথত দৃঢ়তাৰে তিষ্ঠি থাকিবলৈকো তুমি ঋণ লোৱাটো কৰ্ত্তব্য হৈ পৰিছে। তুমি ঋণ সংগ্ৰহৰ বাবে সাজু হোৱা।" এই বাণী শুনি হজৰত বৰপীৰ চাহেবে উত্তৰ দিলে—"কিন্তু মই যে অতি দীন হীন ছাত্ৰ। মোক ধাৰ দিবই বা কোনে? আৰু যদি কোনোৱে দিয়েও—সেই ঋণ মই পৰিশোধ কৰিমেই বা কিদৰে?" হতাশা আৰু দাৰিদ্ৰ্যই তেওঁক দুৰ্ব্বল কৰি পেলাইছিল। কিন্তু কি আচৰিত—তথাপিও লগে লগে তেওঁ, তেওঁৰ প্ৰশ্নৰ প্ৰত্যুত্তৰ পালে। কোনোবাই যেন অন্তৰালত থাকি তেওঁক নিৰ্দ্দেশ দিলে—"তুমি নিশ্চিন্ত হোৱা। যি তোমাক ঋণগ্ৰহণৰ নিৰ্দ্দেশ দিছে, পৰিশোধ কৰিবলৈকো শক্তি-সামৰ্থ্য তেৱেঁই দিব।"

এই বাণী শুনি হজৰত বৰপীৰ চাহেবৰ মনত এক অপূৰ্ব্ব পুলকৰ সঞ্চাৰ হ'ল। কিবা এক দৈবীশক্তিয়ে যেন তেওঁৰ দেহ-মনত নতুন বলৰ সঞ্চাৰ কৰিলে। ভোক-পিয়াহত কাতৰ মুমূৰ্ষু হজৰত বৰপীৰ চাহেব কিবা এক মনোবলত বলীয়ান হৈ সৃষ্টিকৰ্ত্তাৰ নাম লৈ উঠি বহিল। সেই নিজান ঠাইৰ পৰা তেওঁ নগৰৰ ফালে খোজ ল'লে।

তেওঁৰ নিষ্ঠা, সৃষ্টিকৰ্ত্তাৰ প্ৰতি প্ৰেমৰ আকৰ্ষণ আৰু সাধনাৰ প্ৰতিজ্ঞা এনেবোৰ কাৰ্য্যৰ পৰাই সুস্পষ্টভাৱে প্ৰতিফলিত হৈছিল। জ্ঞান-সাধনাৰ বাবে ইছলামত নিৰ্দ্দেশ দিয়া আছে এইদৰে—"শিক্ষাগ্ৰহণ, জ্ঞান সাধনা, তোমালোকৰ বাবে অপৰিহাৰ্য্য কৰ্ত্তব্য (ফৰজ)। স্বদেশত উপযুক্ত শিক্ষা-দীক্ষাৰ ব্যৱস্থা নেথাকিলে

সুদূৰ চীনদেশলৈকো জ্ঞানৰ অন্বেষণত যাবা। জ্ঞানীজনৰ কলমৰ চিঁয়াহী শ্বহীদৰ তেজৰ সমানেই মূল্যবান।"—ইছলামৰ নবীৰ এই বাণীয়ে বিশ্বমুছলিমক জ্ঞান আহৰণৰ বাবে উদ্‌বুদ্ধ কৰি তুলিছিল। এক গভীৰ নিষ্ঠা আৰু জ্ঞানৰ প্ৰতি প্ৰবল আকৰ্ষণত অনুপ্ৰাণিত হৈছিল দলে দলে লোকসকল।

হজৰত ৰবপীৰ চাহেবো সেই জ্ঞান-সাধনাত নিলিপ্ত সাধক। অদৃশ্য আদেশবাণীৰ প্ৰেৰণা লৈ তেওঁ ঋণৰ সন্ধানত ওলাল। বাগদাদ নগৰত প্ৰৱেশ কৰি তেওঁ অলপ দোমোজাত পৰিল। লোকৰ ওচৰত হাত পতাৰ প্ৰবৃত্তি তেওঁৰ সমূলি নাছিল। কোনফালে গলে ঋণসংগ্ৰহ কৰা সম্ভৱ হ'ব তাকে তেওঁ ভাবি থিৰাং কৰিব পৰা নাছিল। কিন্তু অদৃশ্য নিৰ্দেশৰ কথা মনত পৰাত বিচলিত হৈ উঠিছিল মন। এনে সময়তে তেওঁ সম্মুখত থকা ৰুটিৱালাৰ ওচৰতে নিজৰ ঋণৰ আৱশ্যকতাৰ কথা জনালে। হজৰত ৰবপীৰ চাহেবে ভাবিলে— "মোক নো টকা-পইচা কেলেই? মোৰ আৱশ্যক ভোক নিবাৰণৰ। এই মানুহজনে যদি মোক ৰুটিকে দিয়ে, সেয়ে মোৰ বাবে বহুত।"

অতি নম্ৰভাৱে তেওঁ ৰুটিৱালাৰ ওচৰত নিজৰ বক্তব্য নিবেদন কৰিলে—"মই এজন অভাৱগ্ৰস্ত ছাত্ৰ। অৰ্থসঙ্গতি নোহোৱাত মোৰ খোৱা-বোৱাৰ বৰ কষ্ট হৈছে। মই বিদেশী। দূৰ প্ৰবাসত মোক অৰ্থসাহায্য কৰিবলৈ মোৰ পিতৃও জীৱিত নাই। মাতৃ অৰ্থ-সঙ্গতিহীনা। আপুনি স্থানীয় এজন ভাগ্যবান গন্য-মান্য ব্যক্তি। যদি দয়া কৰি মোক ধাৰে ৰুটি বিক্ৰী কৰে, মোৰ বৰ সহায় হয়। নিতৌ দেৰখন শুকান ৰুটি হলেই মোৰ যথেষ্ট হ'ব। আল্লাহ-তাআ'লাই মোক যেতিয়া শক্তি-সামৰ্থ্য দিব, মই ঋণ পৰিশোধ কৰিম।"

হজৰত ৰবপীৰ চাহেবৰ এই বিনম্ৰ বচনত ৰুটিৱালাৰ অন্তৰ পমি গ'ল। অপৰিসীম বিদ্যানুৰাগ, মেধা আৰু জ্ঞানৰ পৰিচয় পাই

বাগদাদ নগৰীৰ বহুলোকে হজৰত ৰবপীৰ চাহেবৰ প্ৰতি সম্ভ্ৰম পোষণ কৰিছিল। ৰুটিৱালায়ো হয়তো এই মহান সাধক জনক চিনিব পাৰিছিল। তেওঁ অতি নম্ৰ ভাবে ক'লে—"হে মহান সাধক প্ৰবৰ, আপুনি বহু আগতেই আপোনাৰ এই দুৰ্দশাৰ কথা মোক জনাব পাৰিলেহেঁতেন। আপোনাৰ দৰে মহান ব্যক্তিৰ খেদমত (শুশ্ৰূষা, পৰিচৰ্য্যা) কৰাৰ সৌভাগ্যৰ পৰা মোক বঞ্চিত নকৰিব। আপুনি নিঃসঙ্কোচে আৱশ্যকীয় ৰুটি মোৰ পৰা গ্ৰহণ কৰি মোক ধন্য কৰক!"

এইদৰেই সাম্প্ৰতিক ভাবে হজৰত ৰবপীৰ চাহেব অভাৱমুক্ত হ'ল। যিমানদিনলৈকে আৱশ্যক, ৰুটি তেওঁ বিনা ধনে ৰুটিৱালাৰ পৰা পাই থাকিব! সুদ বিনে এইদৰে ঋণ লোৱাকে 'কৰ্জ্জে হাচানা' বোলে। প্ৰাথমিক যুগত মুছলিম সকলে বিনাসুদে এইদৰে বিপদত ইজনে সিজনক অৰ্থ সাহায্য কৰিছিল। খোদাৰ ওচৰত শুকৃৰিয়া আদায় (কৃতজ্ঞতা নিবেদন) কৰি হজৰত ৰবপীৰ চাহাবে ঋণত ৰুটি লবলৈ ধৰিলে। প্ৰথম অৱস্থাত তেওঁ ভাবিছিল—হয়তো কিবা এটা উপায় ওলাব, সৰহদিন লোৱাৰ আৱশ্যক নহব; কিন্তু তেনে কোনো উপায় চকুৰ আগত নেদেখি দিন যোৱাৰ লগে লগে তেওঁ ক্ৰমে সঙ্কুচিত হৈ পৰিল। ঋণৰ বোজা দিনকদিনে বাঢ়িহে গৈছে। পৰিশোধৰ সম্ভৱপৰ কোনো ব্যৱস্থা তেতিয়ালৈকে ওলোৱা নাই। নিজকে বৰ অসহায় আৰু বিপন্ন যেন লাগিল তেওঁৰ। চিন্তা-ভাৱনাত তেওঁৰ খাৱন-শোধন টুটি আহিবলৈ ধৰিলে; কিন্তু কৰুণাময় সৃষ্টিকৰ্ত্তাৰ অসীম দয়াৰ ওপৰত তেওঁৰ ভৰষা আছিল অসাধাৰণ। তেওঁ পুনৰ খোদা-তাআ'লাৰ ওচৰতে শক্তি আৰু সহায় ভিক্ষা কৰিলে। আকুল আত্মনিবেদনত তুষ্ট হৈ কৰুণাময় খোদায়ে তেওঁক অভয় দিলে। হজৰত ৰবপীৰ চাহাবে শুনিবলৈ পালে—কোনোবাই যেন তেওঁক কৈছে, "তুমি জনবসতি বিৰল ধ্বংসস্তূপৰ ওচৰলৈ যোৱা, তাত সন্ধান কৰি যি পোৱা, লৈ আহি তাৰেই ঋণ পৰিশোধ কৰা। কাতৰ নহবা,

ভাঙি নপৰিবা, সন্মুখত তোমাৰ কৰ্ত্তব্যৰ দীঘলীয়া পথ পৰি আছে।”

এইদৰেই অভাৱনীয় ভাবে দৈবিক সাহায্যৰ প্ৰতিশ্ৰুতি পাই হজৰত বৰপীৰ চাহেবে পলম নকৰি নগৰৰ পৰা নিলগৰ থকা ভগ্নস্তূপৰ ওচৰলৈ গ'ল। তাত সন্ধান কৰি পালে এডোখৰ গোটা সোণ। হজৰত বৰপীৰ চাহেবে তাকে তুলি লৈ আহিল আৰু তাৰেই কটিৱালাৰ ঋণ পৰিশোধ কৰিলে। এই ঘটনাৰ পাছৰ পৰাই তেওঁৰ হৃদয়ৰ দৃঢ়তা বাঢ়িল। তেওঁৰ গভীৰ প্ৰত্যয় জন্মিল যে করুণাময় খোদাৰ সাহায্য যিকোনো বিপদতে তেওঁলৈ নামি আহিব। এই প্ৰত্যয়ে তেওঁৰ প্ৰাণত গভীৰ শক্তিৰ সঞ্চাৰ কৰিলে।

এইদৰেই বহু অলৌকিক উপায়ে হজৰত বৰপীৰ চাহাবৰ বিপদ কাটি গৈছিল। আল্লাহৰ করুণাধাৰা তেওঁৰ ওচৰত শতধাৰে বৰষি-ছিল। এই করুণাধাৰাই তেওঁৰ জীৱনৰ গতিও নিয়ন্ত্ৰণ কৰিছিল।

আকালৰ দিনত

বাগদাদত সেইবাৰ ভীষণ আকাল। দুৰ্ভিক্ষৰ কৰাল গৰাহত পৰা নৰ-নাৰীৰ দলে নগৰ পৰিত্যাগ কৰি আন ঠাইলৈ গুচি যাবলৈ ধৰিলে। দেশৰ মাটিকে কামুৰি থকা বহু নৰ-নাৰীয়ে অনশনত প্ৰাণ হেৰুৱালে। দুখীয়া জনসাধাৰণৰ এই দুখ-দুৰ্গতিয়ে ধনীৰ কঠোৰ হৃদয় টলাব পৰা নাছিল। ধনীসকলে নিজৰ ভোগৰ মাত্ৰা কমাই খোলাফায়ে ৰাছেদীনৰ (সত্যনিষ্ঠ খলিফা চতুষ্টয়) সময়ৰ দৰে দান-খয়ৰাত (দান-দক্ষিণা) কৰা নিলগৰে কথা—একেবাৰে নিষ্ক্ৰিয় হৈ থাকিল। যি বায়তুল মালৰ (জনসাধাৰণৰ গচ্ছিত ধন) দুৱাৰ মুকলি কৰি দি দুৰ্ভিক্ষৰ সময়ত খলিফা ওমৰে (ৰাঃ) নিজৰ মূৰত আহাৰৰ সামগ্ৰী বোজাই দি নি অভাৱগ্ৰস্তক সহায় কৰিছিল, আৱশ্যকমতে ধন-বিত দান

কৰিছিল, সেই উঁড়াল কালক্রমে ৰঙ্গা-মহাৰজাৰ ভোগ-বিলাসৰ কামত লাগিবলৈ ধৰিলে।

হুজৰত ৰৰণীৰ চাহেব নিজেই দাৰিদ্র্যপীড়িত। নগৰব্যাপী এই আকালে দেখা দিয়াত তেওঁৰ কষ্টৰ সীমা নোহোৱা হ'ল। ধনীৰ ওচৰত হাত পাতিবলৈ তেওঁ সততে কুণ্ঠাবোধ কৰিছিল। ভোক-পিয়াহত কাতৰ হৈ পৰিলেও ভোকৰ যাতনাতকৈও তেওঁৰ দুখ হৈছিল এই ভাবিহে—মানুহ বাৰু ইছলামৰ সুমহান আদৰ্শৰ পৰা পিছলি আহিল কিয়? কেনেকৈ? পৰম কৰুণাময় খোদাৰ কৰুণাধাৰা প্ৰতি মানুহৰ বাবে বব পাৰে; কিন্তু তাক লাভ কৰিবলৈ মানুহৰ শক্তি আৰু সাধনাবোতো আৱশ্যক! সাধনাত সিদ্ধিলাভ কৰিবলৈ দৃঢ়তাৰ আৱশ্যক। সততা আৰু সাধনাৰ কষ্টি শিলত মানৱতাৰ পৰীক্ষা নোহোৱালৈকে আল্লাহৰ অপাৰ্থিব কৰুণাধাৰা লাভ কৰাৰ আশা নাই। জীৱনৰ বাধা বিঘিনি ভৰা দুৰ্লংঘ্য পাহাৰ অতিক্ৰম কৰিবলৈ উচ্চ আশা থাকিলেই নহয়, তাৰ লগতে থাকিব লাগিব ঐকান্ত নিৰ্ভৰতা আৰু সাধনাৰ প্ৰতি একনিষ্ঠতা। এই সাধনা থাকিলে—পঙ্গুৱেও জীৱনৰ বাধা-বিঘিনি নেওচি যাবলৈ সমৰ্থ হয়। আৰু তাৰ অবিহনে জাগতিক জড়বস্তুৰ প্ৰাচুৰ্য্য থাকিলেও ব্যৰ্থতাই জীৱন পঙ্গু কৰি তোলে। ইছলামী গৌৰৱ আৰু ঐতিহ্যৰ মূলতে আছিল এই সততা, আৰু ঐকান্তিক নিষ্ঠা! সাধনাত ঐকান্তিকতা নাথাকিলে আল্লাহৰ কৰুণা লাভৰ আশাই বা কিদৰে কৰিব পাৰি? মানৱতাহীন, আদৰ্শচ্যুত ধনীসকলৰ নিষ্ক্ৰিয়তাই আকালৰ দিন দীঘলীয়াহে কৰিলে। সেয়ে ভোক পিয়াহত কাতৰ হলে তেওঁ টাইগ্ৰিচ নৈৰ দাঁতিকাষৰীয়া অঞ্চলৰ পৰা শাক-পাত যি পায়, তাকে খাই ভোক মাৰিছিল। লোকৰ দুৱাৰত হাত নপতাকৈ সেইদৰে কৰুণাময় বিশ্বপালকে তেওঁক উদৰ পূৰাবলৈ সামৰ্থ্য দিয়া বাবে কৰুণাময় বিশ্বস্ৰষ্টাৰ ওচৰত কৃতজ্ঞতা নিবেদন কৰিছিল। কিন্তু সময়ে সময়ে সেইদৰে পেটৰ জ্বালা

নিবাৰণ কৰাতো আহুকালে দেখা দিছিল। কোনো এঠাইলৈ গৈ তেওঁ যদি দেখিছিল যে দুৰ্ভিক্ষপীড়িত আৰু বহুতো নৰ-নাৰী তাত ইতিমধ্যে গোট খাইছে, লাহেকৈ তেওঁ তাৰপৰা আঁতৰি গৈছিল। ভোক-পিয়াহত কাতৰ দলে দলে অন্নবস্ত্ৰহীন নৰ-নাৰীৰ মিছিল দেখি তেওঁৰ প্ৰাণে হাঁহাকাৰ কৰি উঠিছিল। সিহঁতক বঞ্চিত কৰি নিজৰ ভোক পূৰাবলৈ শাক-পাত সংগ্ৰহ কৰাক তেওঁ অপৰাধ বুলি গণ্য কৰি নিজেই উভতি গুছি আহিছিল।

এদিন কিন্তু এটি আচৰিত ঘটনা ঘটিল। একেলেঠাৰিয়ে কেবাদিনো অনাহাৰে থকাৰ পিছত তেওঁ শাক-পাত অলপ সংগ্ৰহ কৰি তাৰেই পেটৰ জ্বালা নুমাবলৈ বুলি পাণ্ডি টাইগ্ৰিচনৈৰ পাৰ পালেগৈ। গৈ দেখিলে—তাত ভুকীয়া, লঘোনীয়াৰ দল ইতিমধ্যে ভৰি আছে। তেওঁ অলপো পলম নকৰি পুনৰ বাগদাদ নগৰী অভিমুখে উলটিল। দুৰ্ব্বল, অৱশ দেহ-ভাৰ কোনোমতে বৈ আনি বাগদাদৰ জামে মছজিদ নামে মছজিদত সোমালহি। ভাবিলে এই ঠাইতে ক্ষন্তেক বহি তেও সৃষ্টিকৰ্ত্তাৰ ধ্যানত নিমগ্ন হব। সেই ধ্যানৰ ৰাজ্য, য ত শ্ৰান্তি নাই, ক্লান্তি নাই। ভোক-পিয়াহে য'ত মানুহক কাতৰ কৰিব নোৱাৰে। এয়ে তেওঁৰ উপযুক্ত কাম, উপযুক্ত আহাৰ হব! কিন্তু কি আচৰিত! মছজিদত সোমাবলৈ গৈয়েই তেওঁ দেখিলে দুৱাৰদলিৰ কাষত কোনোবা এক অচিন ব্যক্তিৰ ৰং মনেৰে খাবলৈ বহিছে। সেইফাললৈ চকু নিদি তেওঁ মছজিদত সোমাবলৈ লওঁতেই অচিন মানুহজনে হজৰত ৰৰপীৰ চাহেবক লক্ষ্য কৰি অতি আগ্ৰহেৰে তেওঁৰ পাতত খাবলৈ অনুৰোধ জনালে। হজৰত ৰৰপীৰ চাহেবে লক্ষ্য কৰি দেখিলে যে মানুহজন বিদেশী। মহা দুৰ্ভিক্ষই ছানি পেলোৱা বাগদাদ নগৰীত বিদেশীৰ বাবে আহাৰ মোকলোৱা অতি কষ্টৰ কথা। সেয়ে—ইছলামৰ নীতি অনুসৰি এনেদৰে জনোৱা আহ্বানত সঁহাৰি দিয়া কৰ্ত্তব্য যদিও হজৰত ৰৰপীৰ চাহেবে অপৰিচিত জনৰ আহ্বান প্ৰত্যাখ্যান কৰিবলৈ পাণ্ডিলে। ইতিমধ্যে

অপৰিচিত জনে হজৰত বৰপীৰ চাহেবৰ মনৰ উগুল্ থুগুল অৱস্থাৰ উমান পাই পুনৰ তেওঁক নিজৰ পাত্তত আহাৰ কৰিবলৈ আহ্বান জনালে। লোকৰ ভাগৰ আহাৰত ভাগ বহুৱাবলৈ যদিও তেওঁ আন্তৰিকভাৱে অনিচ্ছুক আছিল, তথাপি বাৰে বাৰে পোৱা এই আহ্বানত সঁহাৰি জনাই তেওঁ খাবলৈ বহিল।

ইছলামৰ ভ্ৰাতৃভাৱৰ ইও এক অপূৰ্ব্ব নিদৰ্শন। এজন অপৰিচিত মুছলমানে আন এজন মুছলমানক আল্লাহৰ হকে (ৰাস্তে) নিমন্ত্ৰণ জনালে তেওঁ তাক গ্ৰহণ কৰিবলৈ বাধ্য। আল্লাহ তাআলাৰ অসন্তুষ্টিৰ পৰা সাৰি থাকিবলৈকেই তেওঁ মানুহজনৰ আহ্বানত সঁহাৰি দিলে। খাই থাকোঁতে নানা বিষয়ৰ কথ-বতৰা ওলাল। অপৰিচিত জনে পৰিচয় পালে যে, যাক তেওঁ আহাৰৰ পাত্তত বহুৱাইছে তেওঁ আন কোনো নহয়, তেওঁ বাগদাদৰ এজন সুবিখ্যাত শাস্ত্ৰবিদ্ হজৰত আব্দুল কাদেৰ জিলানী (বৰপীৰ চাহেব)। সেই অপৰিচিত জনো বাগদাদৰে অধিবাসী। প্ৰসঙ্গক্ৰমে এই কথাও ওলাল যে, অপৰিচিত ব্যক্তিজনৰ হাতত হজৰত বৰপীৰ চাহেবৰ চেনেহী মাতৃয়ে পুত্ৰৰ হাতত দিবলৈ বুলি আঠোটি সোণৰ মোহৰ দি পঠিয়াইছে।

একে মাতৃভূমিৰ দুই সমধৰ্মী সন্তানৰ মাজত সোনকালেই বন্ধুত্ব গঢ়ি উঠিছিল। নতুন চিনাকীজনে হজৰত বৰপীৰ চাহেবৰ হাতত অতি ভক্তিৰে চুমা খাই ক'লে—"মই এটি অতি গৰ্হিত কাম কৰিছোঁ। মই আপোনাৰ মাতৃৰ ওচৰত প্ৰতিশ্ৰুতি দি আহিছিলোঁ যে, তেখেতে মোৰ হাতত দিয়া মোহৰ কেইটি নিৰ্বিবাদে আপোনাৰ হাতত দিম। বাগদাদ অভিমুখে যাত্ৰা কৰাৰ সময়তে তেখেতে মোহৰকেইটি আপোনাৰ হাতত দিবলৈ দিছিলহি। কিন্তু বাগদাদ পোৱাৰ পিছত একেলেঠাৰিয়ে কেবাদিনো আপোনাক বিচাৰি উলিয়াব নোৱাৰাত মই বিফল হৈ পৰিছিলোঁ। ইতিমধ্যে মোৰ হাতৰ ধনখিনিও ইফালে সিফালে ঘুৰা-পকা কৰোঁতেই অন্ত হ'ল। যোৱা দুদিন লঘোনকে

দিলোঁ। আজি মনতে ভাবিলোঁ—ভোকত মোৰ প্ৰাণ যাওঁ যাওঁ অৱস্থা। এই আঠোটি মোহৰবে অলপ খৰচ কৰি যদি প্ৰাণটি ৰাখোঁ, ইছলামী চৰিয়ত অনুযায়ী সেয়া নিশ্চয় অবৈধ নহব। এই ভাবি তাৰে কিঞ্চিৎ ব্যয় কৰি এই আহাৰ যোগাৰ কৰিছিলোঁ। এই অপৰাধৰ বাবে মোক মাৰ্জ্জনা কৰি বাকী ধনখিনি গ্ৰহণ কৰিলে মই কৃতাৰ্থ হওঁ।”

আগন্তুক অপৰিচিত ব্যক্তিৰ সাধুতা, বিনয় আৰু সুবিবেচনাৰ পৰিচয় পাই হজৰত ৰবপীৰ চাহেব মুগ্ধ হ'ল। মাতৃয়ে প্ৰবাসী পুত্ৰৰ বাবে পঠিওৱা মোহৰ কেইটি আথেবেথে গ্ৰহণ কৰি খোদাৰ ওচৰত কৃতজ্ঞতা জনালে আৰু মাতৃৰ মঙ্গল কামনাৰ বাবে হেজাৰ বাৰ করুণাময় আল্লাহ তাআ'লাৰ ওচৰত প্ৰাৰ্থনা জনালে।

অপৰিচিত জনৰ প্ৰতি কৃতজ্ঞতা নিবেদন কৰি হজৰত ৰবপীৰ চাহেবে নম্ৰভাবে ক'লে—“আপুনি সঁচাকৈয়ে এজন অতি মহৎ হৃদয়ৰ লোক। আপোনাৰ কাৰ্য্যাৱলীয়েই তাৰ চানেকি। হয়তো মোক বিচাৰি হাবাথুৰি খাই আপুনি বৰ কষ্ট পালে। কিন্তু এজন মুছলমানে আন এজনৰ প্ৰতি কৰ্ত্তব্য সম্পাদন কৰাত আপোনাৰ অলপো ত্ৰুটি হোৱা নাই। আপুনি মিছাতে সঙ্কোচ নকৰিব। যদি কিবা দোষ বা ত্ৰুটি আপুনি নিজৰ জ্ঞাতসাৰে বা অজ্ঞাতসাৰে কৰা বুলি ভাবিছেও, তাক বাৰু মই ক্ষমা কৰিছোঁ। করুণাময় খোদাতাআ'লায়ো যেন ক্ষমা কৰে।” ইয়াৰ পিছত তেওঁলোকে নানা বিষয়ৰ আলোচনা কৰিবলৈ ধৰিলে। হজৰত ৰবপীৰ চাহেবে লক্ষ্য কৰি যেতিয়া দেখিলে যে মানুহজনৰ মনৰ পৰা অপৰাধীৰ ভাব নাইকিয়া হৈছে, তেতিয়া তেওঁ কাৰ্য্য উপলক্ষে বাগদাদত থাকিব লগীয়া কালছোৱাত চলিবৰ বাবে আৱশ্যকীয় ধন দান কৰি বং মনেৰে বিদায় দিলে। মহান আৰু উদাৰ হৃদয়ৰ এই সাধক প্ৰবৰৰ দয়া-দাক্ষিণ্য আছিল এনেকুৱাই। বিপদত পৰি ভোক-পিয়াহত কাতৰ হৈ এজনৰ গচ্ছিত ধন ব্যয় কৰা উচিত নে অনুচিত বা বিপদত পৰিহে সেইদৰে ধন ভঙা

হ'ল নে, পৰদ্ৰব্যৰ প্ৰতি লুব্ধ হৈহে তেনেকৈ খৰচ কৰিলে, সেই সম্বন্ধে পুঙ্খানুপুঙ্খৰূপে বিচাৰ কৰাৰ প্ৰবৃত্তি হজৰত ৰৰপীৰ চাহেবৰ নহ'ল।

আনহাতে অপৰিচিত ব্যক্তিজনেও ধৰ্ম্মভীৰুতা আৰু সততাৰ কম অপূৰ্ব্ব চানেকি দাঙি ধৰা নাই। দুয়োটি চৰিত্ৰই মহান আৰু মধুৰতাৰ অপূৰ্ব্ব সমন্বয়। সেই যুগত ইছলামী জগতত এনে মাধুৰ্য্যপূৰ্ণ চৰিত্ৰৰ অভাৱ নাছিল। মহানগৰীৰ দুৰ্ভিক্ষত ধনী সকলৰ ব্যৱহাৰ আৰু এই ধৰণৰ সাধক শ্ৰেণীৰ চৰিত্ৰৰ মাধুৰ্য্য সংঘাতৰ পৰিচায়ক বুলিয়েই কব পাৰি। সেয়েহে জাতি হিচাবে মুছলমান সকল তেতিয়াৰ বিশ্বত এক অপূৰ্ব্ব বিস্ময়স্বৰূপ আছিল। আদৰ্শৰ অভিব্যক্তি তেওঁলোকৰ চৰিত্ৰৰ বিশেষ গুণৰূপে প্ৰকাশ পাইছিল।

বাগদাদৰ মহা দুৰ্ভিক্ষৰ গৰাহত পৰিও অপৰিচিত ব্যক্তি জনে নিজৰ জীৱন বিপন্ন নোহোৱাকৈ অতি সযতনে হজৰত ৰৰপীৰ চাহেবৰ ধনখিনি ৰক্ষা কৰিছিল। পিছত উপায়ান্তৰ হৈ যি কিঞ্চিৎ পৰিমাণ ব্যয় কৰিলে তাকো অকপটে স্বীকাৰ কৰি ক্ষমাপ্ৰাৰ্থনা কৰিলে। এজন মুছলমানৰ জীৱন ৰক্ষাৰ্থে অইন এজন মুছলমানৰ গচ্ছিত ধন ব্যয় কৰাৰ স্বাধীনতা পৃথিবীৰ অইন কোনো ধৰ্ম্মতে নাই। দণ্ডনীয় অপৰাধৰ তুল্য এই কাৰ্য্য কিন্তু ইছলামী চৰিয়তে মানি লৈছে। জাকাত (সঞ্চিত অৰ্থৰ দুকুৰি ভাগৰ এভাগ) ফিৎৰা (ৰোজাভঙ্গৰ পিছত দিয়াদান বিশেষ) আদি ইচ্ছাকৃত দান তাৰেই নিদৰ্শন স্বৰূপ। এজন মানুহে আন মানুহক সহায় কৰা মানে প্ৰকাৰান্তৰে আল্লাহক সাহায্য কৰা। ইছলামৰ এয়ে মূলমন্ত্ৰ। সাম্যবাদৰ এই মহান আদৰ্শই ইছলামক পৃথিবীত এক বিশিষ্ট আসন দান কৰিছে। জ্ঞাতি, গোত্ৰ, স্থান, পৰিচয়ৰ কোনো বিবৰণী নজনাকৈ, নোলোৱাকৈ আহাৰৰ পাতত এজন অচিনাকীক আহ্বান জনোৱা শিক্ষাও বিশেষ মন কৰিব লগীয়া। এনেদৰে আহ্বান জনোৱা আৰু তাত সঁহাৰি দিয়া, উভয়ে চুন্নত (ইচলামী বিধি-

বিধানৰ ভিত্তকৰা নীতি এটি) বুলি পৰিগণিত। এজনৰ প্ৰতি আনজন ভ্ৰাতৃভাবত অনুপ্ৰাণিত হোৱাৰ এই শিক্ষা আজি কিন্তু আমাৰ মাজত দুৰ্লভ হৈ পৰিছে। ভ্ৰাতৃ-বিচ্ছেদ, বিৰোধ আৰু অনৈক্যৰ গুৰিতে আছে—এই আদৰ্শৰ অভাৱ।

মাহাত্ম্য

হজৰত বৰপীৰ চাহেবৰ অন্তৰ, দয়া-মমতাৰে ভৰা আছিল। এবাৰ তেওঁ অৰ্থৰ অভাৱত একেবাহে কুৰিদিনীয়া লঘোণৰ পিছত ভোক-পিয়াহত কাতৰ হৈ পৰিল। লোকৰ দুৱাৰত হাত পতা, তেওঁৰ স্বভাৱ-বিৰুদ্ধ। অৱশেহত তেওঁ 'আয়ওৱানে কায়েচৰা' নামৰ ঠাইখনলৈ গ'ল। সেই ঠাইখনি এখন পুৰণি নগৰৰ ভগ্নাৱশেষ। এনেকুৱা ঠাইত সময়ে সময়ে ভালেমান মূল্যৱান বস্তু পোৱা যায়। দুখ-অভাৱত নিপীড়িত লোকসকলে সময়ত তাৰ পৰা ভগাছিগা বস্তু আনিও বজাৰত বিকা-কিনা কৰি পেটৰ আহাৰ মুঠি যোগাৰ কৰিছিল। সেইদিনা উপায়ান্তৰ হৈ হজৰত বৰপীৰ চাহেবে 'আয়ওৱানে কায়েচৰা'লৈ গৈছিল—কিবা অলপ সংগ্ৰহ কৰিব পাৰিলে, তাৰ বিনিময়ত আহাৰৰ যোগাৰ কৰিব বুলি। কিন্তু তেওঁ গৈ পোৱাৰ আগতেই তাত বহুতো অভাৱগ্ৰস্ত সাধু-ফকিৰৰ সমাবেশ হৈছিল। প্ৰায় সত্তৰ জন অলী-আল্লাহে (ফকিৰ, সাধু) তাত ধন-সংগ্ৰহৰ বাবে ব্যস্ত থকাত তেওঁলোকৰ প্ৰাপ্য বস্তুৰ ওপৰত নিজৰ ভাগ বহুওৱাটো উচিত নহব বুলি তেওঁ উভতি আহিবলৈ থিৰ কৰিলে। আগতেই গৈ আশাৰে ধনৰ সন্ধানত থকা সেই সত্তৰ জন অলী-আল্লাহৰ প্ৰতি শ্ৰদ্ধা-সম্ভ্ৰম আৰু নিজৰ দুখ বা অভাবতকৈ লোকৰ প্ৰতি অধিক সমবেদনা থকাৰ হেতুকেই তেওঁ পুনৰ শুদাহাতে নগৰ অভিমুখে উভতি আহিল। তেওঁ উভতি

নাছিলেও হয়তো সেইসকল অলী-আল্লাহৰ পৰাই-যৎ কিঞ্চিৎ সাহায্য পালেহঁতেন ; কিয়নো সাধু-ফকিৰ, ঐশী প্ৰেমত মগ্ন অলী-আল্লাহ সকলে এখন শুকান ৰুটি হলেও তাকে ভগাই খাই তৃপ্তি পায়। এয়া যে তেওঁলোকৰ স্বভাৱ-বৈশিষ্ট্য! তথাপিও হজৰত বৰপীৰ চাহেবে নিজৰ মহত্ব আৰু ঔদাৰ্য্যৰ গুণত ভগ্নস্তূপৰ ধনেৰে অলী সকলেই উপকৃত হওক বুলি ভাবি অকণো আক্ষেপ নকৰি উভতি আহিল।

নগৰীলৈ উভতি অহাৰ পিছতে তেওঁৰ লগত সাক্ষাৎ হল— তেওঁৰে পুৰণি চিনাকী এজন লোকৰ লগত। মানুহজনে তেওঁক সবিনয়ে জনালে যে প্ৰবাসী পুতেকৰ বাবে হজৰত বৰপীৰ চাহেবৰ মাতৃয়ে অলপ ধন পঠিয়াইছে। সেই ধনফেৰা গৰাকীৰ হাতত তুলি দিবলৈকেই গোটেই দিনটো তেওঁ হজৰত বৰপীৰ চাহেবক বিচাৰি ফুৰিছে। বৰপীৰ চাহেবে অতি বং মনে ধনখিনি গ্ৰহণ কৰি আল্লাহৰ প্ৰতি কৃতজ্ঞতা নিবেদন কৰিলে। ধনখিনি লৈ অহা আগন্তুকৰো গুলাগ ললে।

হজৰত বৰপীৰ চাহেবে হঠাৎ ধনখিনি পাই ভাবিলে, হয়তো ই তেওঁৰ প্ৰতি খোদাৰ গায়েবী (গুপ্ত) অনুগ্ৰহ! সেয়ে, তেওঁ ক্ষন্তেকো পলম নকৰি বেগাই পুনৰ সেই 'আয়ওৱানে কায়েছৰা'লৈ গ'লগৈ। তাত উপস্থিত হৈ দেখিলে যে সেই অভাৱগ্ৰস্ত সত্তৰজন সাধক তেতিয়াও তাত অনুসন্ধানত ব্যস্ত। হজৰত বৰপীৰ চাহেবৰ অন্তৰ ব্যথিত হৈ পৰিল। তেওঁ বুজিলে—সেই ধৈৰ্য্যশীল, খোদা-প্ৰেমী সাধকসকলে তেতিয়ালৈকে একো পোৱা নাই। পোৱাহলে অলপতে তুষ্ট এই সাধক সকলে মিছাতে সময় নষ্ট নকৰিলেহেঁতেন, তেওঁলোকৰ বাবে ধন সংগ্ৰহ মাথোন খোৱা-পিন্ধাৰ বাবেই, তাতকৈ বেছি আন একোৰে আৱশ্যক নাই। ইয়াকে ভাবি তেওঁ মাকে পঠোৱা ধন পৰা মাথোন এটি মোহৰ নিজৰ বাবে ৰাখি বাকীবোৰ সেই সাধকসকলৰ মাজত বিলাই দিলে। পৰদুখকাতৰ হজৰত

ৰফীৰ চাহেবে সাধকসকলৰ অভাৱ-মোচনৰ বাবে এই কিঞ্চিৎ সাহায্যকে আগবঢ়াবলৈ পাই অন্তৰত তৃপ্তি লাভ কৰিলে।

এইদৰেই হজৰত ৰফীৰ চাহেবৰ জীৱন গঢ়ি উঠিছিল অভাৱনীয় দুখ-দাৰিদ্ৰ্য ; অভাৱ-নিপীড়নৰ মাজেদি। এই কষ্টৰ মাজতো, পৰৰ দুখ-মোচনৰ, অভাৱত সাহায্য দানৰ বাবে কিঞ্চিৎমানো সহায় কৰিব পাৰিলে তেওঁৰ অন্তৰ পুলকিত হৈ উঠিছিল। চিত্ত ভৰি উঠিছিল—অপৰিসীম আনন্দত। দুখ-দৈন্যৰ মাজতো পৰম করুণাময়ৰ অপাৰমহিমা উপলব্ধি কৰি হৃদয় উজ্জ্বল কৰি তুলিছিল। কোৰাণ, হাদিছ, ফেকা (ইছলামী আইন) অছুল, তফছীৰ (বিশদ ব্যাখ্যা) সাহিত্য, দর্শন আদি বিভিন্ন শাস্ত্ৰত অগাধ পাণ্ডিত্য লাভ কৰিছিল।

সাধনাৰ বাটত

শিক্ষাতে মন প্ৰাণ সঁপি দি হজৰত ৰফীৰ চাহেবে হকিকত (সত্যতা ঃ সত্যজ্ঞান) তৰীকত (ধৰ্ম্মৰ ৰীতি-নীতি, নিয়মকানুন), মাৰেফাত (তত্ত্বজ্ঞান) আদি আধ্যাত্মিক সাধনাৰ উচ্চস্তৰত উপনীত হৈছিল। সেইকালৰ বাগদাদ নগৰী, মাথোন উচ্চশিক্ষাৰ কেন্দ্ৰই নাছিল, তাত সমাবেশ ঘটিছিল হেজাৰ-বিজাৰ জ্ঞান-পিপাসু, তত্ত্ব-জ্ঞানী সাধক মণ্ডলীৰ। সেই সাধক সকলৰ বাঞ্ছিত সাহচৰ্য্য লাভ কৰি হজৰত ৰফীৰ চাহেবে পৰম তৃপ্তি পাইছিল আৰু সেয়ে শিক্ষা সমাপন কৰিও পুনৰ তেওঁ এই সাধনাৰ বাটতে আত্ম-নিয়োগ কৰিলে।

দুৰ্ভিক্ষ-পীড়িত বাগদাদ নগৰীৰ ৰূপে হজৰত ৰফীৰ চাহেবৰ প্ৰাণত গভীৰভাৱে ৰেখাপাত কৰিছিল। সেই সময়ত বাগদাদ নগৰীৰ পৰিবেশ দূষিত হৈ পৰিছিল। নগৰীৰ নৰ-নাৰীৰ ভিতৰত নানা

অনাচাৰ, দুৰ্নীতি আৰু চাৰিত্ৰিক দুৰ্ব্বলতাই দেখা দিছিল। ইছলামৰ মূল-নীতিৰ পৰা ক্ৰমান্বয়ে তেওঁলোক দূৰলৈ আঁতৰি আহিছিল। ধৰ্ম্ম, প্ৰাণহীন আচাৰ-অনুষ্ঠানতহে পৰিণত হৈছিল। পৰস্পৰৰ মাজত শোষণ, পীড়ন, ঘৃণা-বিদ্বেষ ক্ৰমাৎ বাঢ়ি আহিছিল। শাসক শ্ৰেণীয়ে ক্ষমতাৰ দণ্ড নিজৰ হাতত লৈ সাধাৰণ নাগৰিকৰ জীৱনৰ স'তে সম্পৰ্ক ছিঙি পেলাইছিল। সেয়ে হয়তো শাসক আৰু শাসিতৰ মাজত থাকিব লগা মধুৰ সম্পৰ্কতো ঘূণে ধৰিছিল। ইহকাল—পৰকাল উভয়তে, সাম্য আৰু প্ৰীতিৰ বন্ধনেই মানবজাতিক ঐক্য আৰু মহত্ব দান কৰে। এসময়ত বিশ্বই যি ইছলামৰ মধুৰ ঐক্য, সাম্য আৰু ভ্ৰাতৃত্বৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছিল, ইছলামৰ যি ত্যাগৰ জেউতিয়ে এদিন বিশ্ব আলোকিত কৰি বিশ্ববাসীক ইছলামৰ ফালে আকৰ্ষিত কৰিছিল, সেই ত্যাগৰ শিখাগছি নুমাই গৈ এই সময়ত যেন ভোগৰ স্পৃহাহে প্ৰবল হৈ দেখা দিছিল। লাহ-বিলাহ, পাৰ্থিব সুখ-সম্ভোগত অধিক গুৰুত্ব দি এইকালৰ মুছলমানে ইছলামৰ সাৰ্ব্বজনীন নীতিৰ প্ৰতি অৱহেলা দেখুৱালে। লাহ-বিলাহ আৰু পাৰ্থিব সুখ-সম্ভোগৰ পৰিতৃপ্তিকেই মানব জীৱনৰ চৰম আদৰ্শ বুলি গণ্য কৰিবলৈ ধৰাত সাময়িক ভাবে ইছলামৰ আদৰ্শৰ উজ্জ্বলতা ম্লান পৰি গ'ল।

জনসাধাৰণৰ এই পতনৰ দৃশ্যই হজৰত বৰপীৰ চাহেবক ব্যথিত কৰি তুলিছিল। বংশৰ ঐতিহ্য, শিক্ষা, দীক্ষাৰে গৌৰৱান্বিত আৰু মহান আদৰ্শেৰে অনুপ্ৰাণিত এই সাধকৰ অন্তৰত সেয়ে গভীৰ দ্বন্দ্বৰ সৃষ্টি হৈছিল। জ্ঞান-সাধনা আৰু মোক্ষলাভৰ বাবে তেওঁৰ প্ৰাণৰ আকুলতাই অহৰহ তেওঁক উদ্বুদ্ধ কৰি আছিল। কিন্তু পৰিবেশৰ এই প্ৰতিকুলতা তেওঁৰ চিত্তবৃত্তিৰ বিকাশ লাভৰ পথত অন্তৰায় আছিল। এই সন্ধিক্ষণত তেওঁ আছিল—আত্ম-শাসনৰ বাবে সাধনাৰ বিভিন্ন পন্থা অবলম্বনত মগ্ন। মহানগৰীৰ প্ৰতিকুল পৰিবেশে তেওঁৰ এই সাধনাৰ গতিবেগত বাধাৰ সৃষ্টি কৰাত তেওঁ এক

দাৰুণ সংঘাতৰ সন্মুখীন হব লগীয়া হৈছিল। সময়ে সময়ে বাগদাদৰ এই বিষাক্ত বায়ুৱে আত্মাক কলুষিত কৰাৰ আগতে তেওঁ তাৰপৰা আঁতৰি যাবলৈকো পাণ্ডিছিল; কিন্তু বিধাতাৰ যি অভিলাষ, সেয়া পূৰণ হবই! সেয়ে হজৰত বৰপীৰ চাহেবে ভাবিছিল যদিও, বাগদাদৰ পৰা আঁতৰি যাব পৰা নাছিল। তেনে সময়তে তেওঁৰ চিত্তত এক অদ্ভুত ভাবান্তৰ ঘটিবলৈ ধৰিলে। সুদূৰৰ এক আকৰ্ষণত তেওঁৰ বাহ্যজ্ঞান বিলুপ্ত হৈ যাবলৈ ধৰিলে।

এনে সময়তে এদিন নিজ সঙ্কল্পত অবিচল থাকি হজৰত বৰপীৰ চাহেবে বাগদাদ ত্যাগ কৰি যাবলৈ ওলাল। কিন্তু কি আচৰিত, তেওঁ যাত্ৰা কৰাৰ লগে লগে কিবা এক অদৃশ্য শক্তিৰ আকৰ্ষণত তেওঁ মাটিত পৰি গ'ল। মাটিৰ পৰা উঠাৰ লগে লগে শুনিবলৈ পালে—কোনোবাই যেন তেওঁক গুৰু-গম্ভীৰ সুৰত কৈছে—"হে হজৰত গওচল আজম, তুমি এই বাগদাদ নগৰী এৰি নাযাবা। এয়ে তোমাৰ উপযুক্ত কৰ্ম্মভূমি। যি দেখি তুমি এই নগৰীৰ প্ৰতি বিৰূপ ভাব লৈছা. বীতশ্ৰদ্ধ হৈছা, সেয়া নিঃসন্দেহে ঘৃণনীয়, কিন্তু সেই বুলিয়েই মানৱজাতিক ঘৃণা কৰিলে নহব। মানুহৰ সেৱা (খেদমত) কৰিব লাগিব। পতন উন্মুখ মানৱজাতিক টানি তুলিব লাগিব। ভুৰক্ষাত নপৰা হলে মানৱজাতিৰ উদ্ধাৰৰ প্ৰশ্নই নুঠিলহেঁতেন। গতিকে এই পৰিবেশৰ ভয়ত আঁতৰি যোৱাটো তোমাৰ বাবে শোভনীয় নহয়।"

এই ঘটনাৰ পিছৰ পৰাই হজৰত বৰপীৰ চাহেবৰ চিত্তৰ বিকলতা সঘনে ঘটিবলৈ ধৰিলে। বাহ্যজ্ঞান ৰহিত হবলৈ ধৰিলে সঘনে। কিয় তেওঁৰ এনে অৱস্থা হয়, এই কথা গুণাগঁথা কৰি তেওঁ উৱাদিহ নোপোৱা হ'ল। জ্ঞান পোৱাৰ পিছতো তেওঁ নিজৰ এই অৱস্থা সম্পৰ্কে একো ভাবি উলিয়াব নোৱাৰা হ'ল। বিবুধিত পৰি তেওঁ অসহায়ৰ সহায়, নিঠৰুৱাৰ আশ্ৰয়, পথহাৰা পথিকৰ সাৰথি পৰম কৰুণাময় খোদাৰ ওচৰত কাতৰ প্ৰাৰ্থনা জনালে—"হে দয়াময়, মোৰ এই অৱস্থা কি কাৰণে ঘটিছে, মই একোকে বুজিব পৰা নাই। তুমি

মোক বুজিবলৈ শক্তি দিয়া, নতুবা এনে কোনো মহাপুৰুষৰ সন্ধান মোক দিয়া, যি মোৰ সকলো সন্দেহ ভঞ্জন কৰিব পাৰে। মোৰ অৱস্থা যি বিশ্লেষণ কৰি মোক নিৰ্ভুল পথৰ সন্ধান দিব পাৰে।" তেতিয়া গহীন ৰাতি। প্ৰাৰ্থনাৰ অন্তত তেওঁৰ টোপনি আহিল।

পাছদিনা দোকমোকালিতে হজৰত বৰপীৰ চাহেবে আগনিশাৰ প্ৰাৰ্থনাৰ কথা সুঁৱৰি ঘৰ এৰি বাটলৈ ওলাল। উদ্দেশ্য নিৰ্দিষ্ট; কিন্তু গতিৰ থিৰতা নাই। 'দয়াময়ে কলৈবা নিয়ে? যদি খোদাৰ দয়া হয়, হয়তো কোনোবা যোগ্যলোকৰ সন্ধান তেওঁ নিশ্চয় পাব!' এই বিশ্বাসে তেওঁৰ অন্তৰত সঘনে হেন্দোলনি তুলিবলৈ ধৰিলে।

বাটেদি গৈ থাকোঁতে এঠাইত এজন অপৰিচিতৰ আকস্মিক আহ্বানত তেওঁ থমকি ৰ'ল। সেই অপৰিচিত ব্যক্তিয়ে বাটৰ কাষৰ এটি ঘৰৰ দুৱাৰ মুকলি কৰি তেওঁক সুধিলে—"হেৰা, তুমি যোৱা নিশা বাৰু খোদাৰ ওচৰত কি প্ৰাৰ্থনা জনাইছিলা?" অভাৱনীয় ভাবে হঠাতে হজৰত বৰপীৰ চাহেবে এই প্ৰশ্নৰ সম্মুখীন হব লগীয়া হৈছিল। তেওঁ ভাবিবই পৰা নাছিল—হঠাৎ এনে প্ৰশ্ন কোনোবাই তেওঁক কৰিব। কিংকৰ্ত্তব্যবিমূঢ় হৈ তেওঁ ঘপকৈ একো উত্তৰ দিব নোৱাৰিলে। সেই অপৰিচিত ব্যক্তিয়েও কেই-মুহূৰ্ত্তমান বাট চাই পুনৰ দুৱাৰ বন্ধ কৰিলে। হজৰত বৰপীৰ চাহেব আকৌ আগবঢ়িল। কিছুদূৰ যোৱাৰ পিছত হঠাৎ তেওঁৰ চেতনা চাপিল। তেওঁ বুজিব পাৰিলে যে তেওঁ মহাভুল কৰিছে। বাঞ্ছিত ৰত্নৰ দৰ্শন পায়ো তেওঁ হেলাতে সেই ৰত্ন হেৰুৱালে! তেওঁৰ ভাব হ'ল—এই অপৰিচিত ব্যক্তি নিশ্চয় কোনোবা সাধক প্ৰবৰ। যদি এই গৰাকী অলী-আল্লাহ (সাধু: সন্ত) নহৈ সাধাৰণ মানুহেই হয়, তেন্তে তেওঁৰ প্ৰাৰ্থনাৰ কথাই বা জানিব কিদৰে? হয়তো, পৰম কৰুণাময় খোদাৰ নিৰ্দ্দেশতে এই ব্যক্তিয়ে তেওঁৰ মনৰ অৱস্থা বিশ্লেষণ কৰিবলৈকেই তেওঁক আহ্বান জনাইছিল। তেওঁ যে কি ভুলকে

নৱকবিলে। এই আব্বানৰ সঁহাবি নিদিয়াৰ বাবে তেওঁ বাৰে বাৰে আক্ষেপ কৰিবলৈ ধৰিলে।

এইভাৱ মনলৈ অহাৰ পিছত তেওঁ পুনৰ উভতি যাবলৈ পাতিলে। কিন্তু বহুচেষ্টা কৰিও সেইব্যক্তিৰ ঘৰৰ সন্ধান উলিয়াব নোৱাৰি বিফল হবলগীয়াত পৰিল। হতাশা আৰু দুখত তেওঁ কন্দেকলৈ ভাঙি পৰিল। দুখ আৰু ক্ষোভত তেওঁৰ অন্তৰ ব্যথিত হৈ পৰিল। উপায়ন্তৰ নেদেখি হতাশমনেৰেই উভতি আহিবলৈ বাধ্য হ'ল। তাৰ পিছতো কেবাদিনো তেওঁ সেই ব্যক্তিৰ অনুসন্ধান কৰিলে কিন্তু সকলো যত্ন ব্যৰ্থ হ'ল। শেহত পুনৰ তেওঁ করুণাময়ৰ ওচৰত হাত যুৰিলে—“হে অগতিৰ গতি, বিশ্বপালক! মোক উপায় দিয়া!” দিনৰ পিছত দিন ধৰি এইদৰে কাতৰ প্ৰাৰ্থনা জনোৱাৰ পিছত পৰম দাতা, দয়ালু সৃষ্টিকৰ্ত্তাৰ অনুগ্ৰহ হ'ল। হজৰত বৰপীৰ চাহেবে পুনৰ বাঞ্ছিত জনৰ সন্ধান পালে। একাগ্ৰ নিষ্ঠাৰে সাধনা কৰোঁতা সাধক-প্ৰবৰেই শেহত ভক্তিৰ দ্বাৰা জয়লাভ কৰিলে। এই বাঞ্ছিত জনেই হজৰত বৰপীৰ চাহেবৰ পীৰ—হজৰত হাম্মাদ আল দাব্বাচ।

এই মহান ব্যক্তি সেইকালৰ এজন বিখ্যাত কুতুব আছিল। তেওঁ বাগদাদ নগৰীত ফলৰ ৰস বিক্ৰী কৰিছিল। তেওঁৰ চৰ্বতৰ ওপৰত হেনো কেতিয়াও মাখি নপৰিছিল। ফলৰ ৰস বিক্ৰী কৰাৰ বাবে তেওঁ দাব্বাচ অৰ্থাৎ ৰস-বিক্ৰেতা বুলিও জনাজাত আছিল। সেইকালত বাগদাদত তেওঁৰ দৰে আত্মিক শক্তিৰে (ৰুহানী) শক্তিশালী ব্যক্তি আৰু দ্বিতীয়জন নাছিল।

সেয়ে হয়তো হজৰত বৰপীৰ চাহেবক খোদাপাকে—যুগশ্ৰেষ্ঠ সাধকৰ ওচৰত উপযুক্ত দীক্ষা গ্ৰহণৰ বাবে উপস্থিত কৰালেগৈ। হজৰত হাম্মাদ চাহেবক হজৰত বৰপীৰ চাহেবে তেওঁৰ মনৰ অৱস্থা বিবৰি কলে। উত্তৰত তেওঁ জানিব পাৰিলে যে—খোদাপ্ৰাপ্তিৰ পথত সাধনাত যি সকল লোক আগবাঢ়ে, মহান এক আকৰ্ষণৰ বলত তেওঁলোকৰ চিত্তৰ অৱস্থা এনেকুৱাই হয়। সেইবাবে ব্যাকুল

অস্থিৰ নহৈ ধীৰভাৱে সাধনাৰ বাটত আগবাঢ়িলে এদিন চিত্তৰ স্থিৰতা আহিবই আৰু বাঞ্ছিতৰো দৰ্শন লাভ হ'ব।

কিন্তু সেইদিন কেতিয়া আৰু কেনেকৈ আহিব? সেই যাত্ৰাৰ প্ৰস্তুতিয়েই বা হ'ব কিদৰে? ক'তনো সেই পৰম বাঞ্ছিত জন—যি মনৰ কোণত উঁকি মাৰি সন্থাত আলোড়ন তুলি বাৰে বাৰে অদৃশ্য হয়? যি পথৰ সন্ধান তেওঁ পায়ো হেৰুৱাইছে, সেই পথ কিমান দীঘল? কিমান কঠোৰ সেই সাধনা? যি অৰূপৰ চমকে তেওঁৰ আত্ম বিস্মৃতি ঘটাইছে, সেইজনৰ প্ৰকৃত ৰূপনো কেনে? সেই পৰমবাঞ্ছিত জনৰ সন্ধানেই বা তেওঁক কোনে দিব? হজৰত হাম্মাদ আল দাব্বাচ চাহেবে সেই কথাৰ যে কোনো ইঙ্গিতেই নিদিলে?

তথাপিও হজৰত বৰপীৰ চাহেবে হজৰত হাম্মাদ (ৰাঃ) চাহেবক পাই অমূল্য ৰত্ন পোৱাৰ দৰে পালে। যি ৰত্নৰ আশাত গৃহত্যাগী হৈ সুদূৰ বাগদাদ নগৰীত ভোক-পিয়াহত কাতৰ হৈয়ো লক্ষ্যভ্ৰষ্ট নহৈ সাধনাত সিদ্ধিলাভৰ আশাৰে মাথোন শাস্ত্ৰ অধ্যয়নতে ব্যস্ত নাথাকি দিনৰ পিছত দিন মৰুময়, নিৰ্জ্জন ধ্বংস স্তূপত ধ্যানমগ্ন হৈছে, যি সৃষ্টিকৰ্ত্তা আল্লাহতাআ'লাৰ আদেশ, পালন কৰি চৰিয়তৰ নীতি অনুসৰণত তেওঁ মন-প্ৰাণ সঁপি দিছিল, সেই ৰত্নলাভৰ দুৰ্গম বাট সম্বন্ধে তেওঁ হজৰত হাম্মাদ চাহেবৰ সৈতে আলোচনা কৰি জানিব পাৰিলে যে পৰম বাঞ্ছিতজনৰ সঠিক সন্ধান তেওঁ নাপালেও, বাঞ্ছিত জনে তেওঁৰ সন্ধান কৰিছে নিভুৰ্ল ভাবেই। গতিকে তেওঁক গ্ৰহণ কৰিবলৈ সম্যক প্ৰস্তুতিৰ আৱশ্যক।

কিন্তু সেই প্ৰস্তুতিৰ বাবেও পথ-নিৰ্দ্দেশকৰ আৱশ্যক। সেয়ে তেওঁ (হজৰত বৰপীৰ চাহেবে) ভাবিলে যে যাৰ সান্নিধ্য-লাভৰ আশীৰ্ব্বাদেৰে তেওঁক অনুগ্ৰহ কৰিছে, তেওঁতকৈ যোগ্যতৰ ব্যক্তি আৰনো কোন আছে? সেয়ে তেওঁ হজৰত হাম্মাদ চাহেবৰ সান্নিধ্যৰ পৰা আঁতৰি নগল। হজৰত হাম্মাদ চাহেবেও তেওঁক পোনে পোনে মুৰীদ (দীক্ষাদান) নকৰিলে। বৰং সাধনাৰ পথত

আগবাঢ়িবলৈ তেওঁক নানাধৰণে নিয়ন্ত্ৰণ কৰি লৈ গ'ল। মাজে মাজে তেওঁ হজৰত বৰপীৰ চাহেবৰ নিষ্ঠা আৰু একাগ্ৰতাৰ পৰীক্ষা লবলৈ বুলি প্ৰিয়-শিষ্যক নানা কঠোৰ পৰীক্ষাৰ সম্মুখীন কৰিছিল। কেতিয়াবা হয়তো অতিমাত্ৰাই প্ৰহাৰ কৰিছিল। কেতিয়াবা কৈছিল—"হে আব্দুল কাদেৰ, তুমি এজন ফকীহ। ফেকাহ শাস্ত্ৰত তোমাৰ সমান সুবিজ্ঞ পণ্ডিত ব্যক্তি দ্বিতীয়জন নাই। এই পথ—তোমাৰ বাবে নহয়,—তুমি কিয় এই পথলৈ আহিব খুজিছা? অন্যান্য ফকীহ (ফেকাশাস্ত্ৰবিদ) সকলৰ লৈতে মিলি তুমি তোমাৰ কৰ্ত্তব্যৰ পথ বাছি লোৱা।"

হজৰত হাম্মাদ চাহেবক এবাৰ ওস্তাদ (গুৰু) বুলি গ্ৰহণ কৰাৰ পিছত তেওঁক পীড়ন, প্ৰহাৰ আনকি মাজে, সময়ে মিঠামুখেৰে ভিন পথ অৱলম্বনৰ উপদেশ আদি একেৰেই হজৰত বৰপীৰ চাহেবৰ মনত কোনো ৰেখাপাত কৰিব নোৱাৰিলে। নিজ উদ্দেশ্য সিদ্ধিৰ বাটত তেওঁ অবিচল থাকিল। একোলৈকেই ভ্ৰূক্ষেপ নকৰি বছৰৰ পিছত বছৰ হজৰত বৰপীৰ চাহেবে হজৰত হাম্মাদ চাহেবৰ শুশ্ৰূষা কৰি তেওঁৰ সান্নিধ্যলাভ কৰিলে। হজৰত বৰপীৰ চাহেবে ভাবি পালে আৰু তেওঁৰ অন্তৰেও এই কথাতে বাৰে বাৰে সঁহাৰি দিলে যে এই সকলো অন্তৰায় বা সাময়িক বিচ্যুতি তেওঁৰ ওপৰত চলা পৰীক্ষা মাথোন! খোদা প্ৰাপ্তিৰ পদ কুসুম কোমল নহয়! ই বজ্ৰকঠোৰ সাধনাৰ পথ! এই পৰীক্ষা সমূহেই তাৰ নিদৰ্শন, আৰু ইয়াৰ ভিতৰতে পৰমদাতা খোদাৰ অপাৰ করুণা আৰু মহান উদ্দেশ্য নিহিত আছে। কিয়নো নিজৰ সুপ্ত বাসনা-কামনা, আশা-আকাঙ্ক্ষা, দুখ-বেদনা দিনৰ পিছত দিন ধৰি খোদাৰ ওচৰত নিবেদন কৰাৰ পিছতহে তেওঁৰেই অসীম অনুগ্ৰহত হজৰত হাম্মাদ চাহেবৰ দৰে উপযুক্ত ওস্তাদৰ সান্নিধ্য তেওঁ লাভ কৰিবলৈ সক্ষম হৈছিল। গতিকে এই পৰীক্ষাৰ কালছোৱাতো কঠোৰতা তেওঁ সহ্য কৰিবই লাগিব। হজৰত হাম্মাদ চাহেবে অনুৰোধ কৰিলেও—হজৰত বৰপীৰ চাহেবে তেওঁক এৰি যোৱাৰ কথা এবাৰো নাভাবিলে।

কাৰণ, তেনে কৰিলে যে তেওঁৰ জীৱনৰ প্ৰতিপলো কামতে নাজানি হৈ যাব। সাধনাত সিদ্ধিলাভৰ আশা হৈ ৰব সুদূৰ পৰাহত।

ইকালে হজৰত হাম্মাদ চাহেবেও নানাভাবে নানা উপায়ে তেওঁৰ অসাধাৰণ শিষ্যক পৰীক্ষা কৰি চাই দেখিলে যে এই সাধক প্ৰবৰ কোনোমতেই সাধনাৰ পথৰ পৰা পিছলি নাহে। তেতিয়া—এটি শুভদিনত তেওঁ (হিজৰী ৫০৩) হজৰত ৰবপীৰ চাহেবক মুৰীদ কৰিলে।

তাৰ অলপ দিন পিছতেই এদিন হজৰত হাম্মাদে (ৰাঃ) ঘোষণা কৰিলে—"সোনকালেই সেইদিন আহিব, যিদিনা এই সাধকপ্ৰবৰে পৃথিৱীৰ সাধককুলৰ মাজত সৰ্ব্বশ্ৰেষ্ঠ আসন লাভ কৰিবলৈ সমৰ্থ হব। সমগ্ৰ পৃথিৱীৰ সাধকসকলে এওঁৰ ওচৰত মূৰ দোঁৱাব।"

কঠোৰ সাধনাত সিদ্ধিলাভ

হজৰত ৰবপীৰ চাহেবে সাধনাৰ পথত আগবাঢ়িছিল—ইন্দ্ৰিয়-সমূহক কঠোৰ শাসনেৰে পৰাজিত কৰি। এই কালছোৱাতে সময়ে সময়ে তেওঁ যেন শুনিবলৈ পাইছিল—কোনোবাই তেওঁক নাম ধৰি মাতিছে। সময়ে সময়ে তেওঁ গভীৰ অৰণ্যত সোমাই মহা হুলস্থুল, হৈ-চৈ আৰম্ভ কৰি দিছিল। এই ধৰণৰ অদ্ভুত কাৰ্য্যকলাপসমূহ যেন সেই আহ্বানৰে সঁহাৰি। সেই সময়ত হজৰত ৰবপীৰ চাহেবক লক্ষ্য কৰোঁতাসকলে তেওঁক বাটৰ বলিয়া বুলিয়ে ভাবিছিল। কেতিয়াবা তেনে অৱস্থাত থাকোঁতে কোনোবাই চিনি পাই লৈ আহি চিকিৎসাৰ বাবে আস্পাতালতো ভৰ্ত্তি কৰিছিলহি। কিন্তু আস্পাতালত সুযোগ্য চিকিৎসক সকলৰ চিকিৎসাত আৰোগ্য লাভ কৰা দূৰৈৰ কথা তেওঁৰ অৱস্থা আৰু শোচনীয়হে হৈ পৰিছিল। বাধ্য হৈ তেতিয়া

সেই যশস্বী হেকিম (চিকিৎসক) সকলে তেওঁক পুনৰ মুকলি-মূৰীয়াভাৱে চলাফিৰা কৰিবলৈ এৰি দিছিল। সেইদৰে এৰি দিয়াৰ পিছত তেওঁ আপোন মনে নিজৰ পথলৈ আগবাঢ়িছিল। তেওঁ যেতিয়া নিৰম্বু উপবাস দিছিল, তেতিয়া কোনো কোনো সময়ত তেওঁক দেখিলে মানুহে ভাবিছিল যে তেওঁৰ দেহসজা প্ৰাণশূন্য। প্ৰাণ-পখী যেন দেহসজাৰ পৰা কেতিয়াবাই বাজ হৈ গৈছে। তেনে অৱস্থাত মানুহে তেওঁক পালে তুলি ৈল গৈ দফন কফন (সৎকাৰ)ৰ ব্যৱস্থা কৰিছিল। কিন্তু কি আচৰিত কথা—যেতিয়া তেওঁক গা ধুৱাবৰ ব্যৱস্থা কৰা হয়, বা কফন (মৃতদেহৰ পোছাক) পিন্ধোৱা হয়, তেতিয়াই তেওঁ উঠি বহে। শৰীৰত যেন কোনো গ্লানি, মনতো যেন অকণো অৱসাদ নাই। সুস্থ, সবল মানুহৰ দৰে তেওঁ চলাফিৰা কৰিব পাৰে। বাৰে বাৰে এনে অৱস্থা হোৱাত মানুহ হতবুদ্ধি হৈ পৰিছিল।

জনা যায়—এবাৰ এইদৰে হজৰত বৰপীৰ চাহেবে পঁচিশ বছৰ ইৰাকৰ মৰুভূমিত, নগৰৰ ভগ্নাৱশেষত আৰু—সময়ে সময়ে অৰণ্যত বাস কৰিছিল। এই পঁচিশ বছৰ অতিক্ৰম কৰাৰ পিছত তেওঁৰ এক ভাবান্তৰ ঘটে। মনলৈকো এটা শান্ত, সমাহিত ভাব আহে। ক্ৰমে তেওঁ ধীৰ, স্থিৰ হৈ পৰে। ইয়াৰ পিছতো একাদিক্ৰমে আৰু ছকুৰি বছৰ তেওঁ কঠোৰ সাধনাত কটায়। এই কালছোৱাত হজৰত বৰপীৰ চাহেবে 'ইছাৰ নামাজ'ৰ (নিশাৰ প্ৰাৰ্থনা) 'অজুৰে' (প্ৰাৰ্থনাৰ পূৰ্ব্বে শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গ শুদ্ধি কৰিবলৈ ধোৱা) ফজৰৰ নাজাম (দোকমোকালিৰ প্ৰাৰ্থনা) সমাপন কৰিছিল। কি অপৰিসীম তেওঁৰ নিষ্ঠা আৰু একাগ্ৰতা ভাবিলে শ্ৰদ্ধাত মূৰ নত হৈ আহে। ওৰে নিশা তেওঁৰ এবাদততে (উপাসনা) কাটি যায়। নিশাৰ নিশাটো তেওঁ প্ৰাৰ্থনা, কোৰাণ পাঠতে কটায়। এই ছকুৰি বছৰৰ সৰহভাগ নিশা তেওঁ নামাজৰ পিছত এখন ভৰিত ভৰ দি থিয় হৈ দোকমোকালিৰ নামাজৰ ক্ষণলৈকে পবিত্ৰ কোৰাণ পাঠত মগ্ন

হৈ আছিল। নিশা তন্দ্ৰালস দেহাটি পতনৰ পৰা ৰক্ষা কৰিবলৈ মছজিদৰ এটা খুটা বা স্তম্ভৰ সৈতে এখন হাত বান্ধি থয়।

ইয়াৰো আগতে যেতিয়া তেওঁৰ মনলৈ শান্ত, সমাহিত ভাব অহা নাছিল—পুৰণি মহানগৰীৰ ভগ্নাৱশেষ বা জন-প্ৰাণীহীন নিৰ্জান মৰুভূমিত থকাৰ সময়ত কেতিয়াবা কেতিয়াবা তেওঁৰ প্ৰকৃতিত এক অদ্ভুত উত্তেজনা প্ৰকাশ পাইছিল। তেনে অৱস্থাত কোন সময়ত তেওঁ হয়তো অবিৰাম দৌৰি দৌৰি ক'ৰবাত অজ্ঞান হৈ পৰি গৈছিল। চেতন পাই দেখিছিল—পূৰ্ব্বতে তেওঁ যি ঠাইত আছিল, তাৰপৰা ইতিমধ্যে ভালেমান দূৰ আঁতৰি আহিল। এবাৰ এইদৰেই তেওঁ মূৰ্চ্ছাৰ পৰা জ্ঞান পাই দেখিলে যে নিজৰ পূৰ্ব্বৰ ঠাইৰ পৰা তেওঁ প্ৰায় বাৰ মাইলমান অতিক্ৰম কৰি আহিছে। চেতন পাই তেওঁ মনতে ভাবিলে—কিয় এনেকুৱা হ'ল ? কিয় এই ঘটনাবোৰ ঘটিছে ? কোনে বাৰু এই ঘটনা সমূহৰ তাৎপৰ্য্য বুজাই দিব ? তেতিয়া—তেনেসময়ত এগৰাকী তিৰোতা মানুহে ওচৰ চাপি তেওঁক কৈছিল, "হজৰত, আপুনি যি শ্ৰেণীৰ সাধক, তেওঁলোকৰ পক্ষে এই ধৰণৰ ঘটনা ঘটা একো আচৰিত কথা নহয়।" হজৰত বৰমীৰ চাহেব তেওঁৰ কথা শুনি অবাক হ'ল।

ইৰাকৰ মৰুভূমিত থকা কালছোৱাতো হজৰত বৰমীৰ চাহেবে সযত্নে মানুহৰ সংস্ৰৱ পৰিত্যাগ কৰি ফুৰিছিল। বহুতে ভাবে যে বাগদাদৰ সেইকালৰ পৰিবেশৰ বাবেই হয়তো তেওঁ তেনে কৰিবলৈ বাধ্য হৈছিল। কিন্তু এই সময়তে বহুতে আহি তেওঁৰ ওচৰত মুৰীদ (শিষ্যত্ব গ্ৰহণ) হৈছিল। ঘোৰ-অৰণ্যৰ মাজত, নিৰ্জান মৰুভূমিত আৰু জয়াল হাবিৰ মাজত পুৰণি ভগ্নাৱশেষৰ মাজত তেওঁলোকেই আছিল—এই মহান সাধকৰ আজ্ঞাবহ সেৱা-শুশ্ৰুষাকাৰী।

চয়তানৰ চক্ৰান্ত

পৃথিৱীত ধৰ্ম্মাচৰণৰ লগতে ভণ্ডামিৰো অন্ত নাই। চয়তানে নিজৰ সহচৰৰূপে এই প্ৰতাৰক, ভণ্ডসকলৰ সহায়ত, বহু সাধকক প্ৰৰোচনাৰ জালত পেলাবলৈ চেষ্টা কৰে। কেতিয়াবা এই কামত সফলো হয়। বিখ্যাত বহু সাধকেও কেতিয়াবা এই প্ৰৰোচনাৰ খলাবমা বাটত পিছল খায়। ইছলামৰ সম্পৰ্কে গভীৰ জ্ঞান নেথাকিলেই এনে বিপদৰ ভয় বেছি। হজৰত বৰপীৰ চাহেবৰ দৰে এনে এজন নিষ্ঠাবান সাধককো জালত পেলাবলৈ চয়তানে যত্নৰ ক্ৰটি কৰা নাছিল। অৱশ্যে চয়তানৰ এই চক্ৰান্ত বাৰে বাৰে ব্যৰ্থ হৈছিল। পবিত্ৰ ইছলাম ধৰ্ম্ম সম্পৰ্কে সুগভীৰ জ্ঞান থকাৰ হেতুকে হজৰত বৰপীৰ চাহেবক চয়তানে প্ৰতাৰিত কৰিব নোৱাৰিলে।

এদিন এইদৰে গভীৰ অৰণ্যত সোমাই হজৰত বৰপীৰ চাহেব আল্লাহ তাআ'লাৰ ধ্যানত মগ্ন হ'ল। এইদৰে কিছুদিন কাটি যোৱাৰ পাছত তেওঁৰ খাৱন-শোৱণৰ চিন্তাও চিত্তৰ পৰা বিলুপ্ত হ'ল। ধ্যানভঙ্গ হোৱাৰ পিছতহে তেওঁৰ অনুমান হ'ল যেন তেওঁ পিয়াহত অতিশয় কাতৰ হৈ পৰিছে; কিন্তু সেই গভীৰ অৰণ্যত য'ত জন-মানব বুলিবলৈ এটি প্ৰাণী নাই, তাত পানীৰ সন্ধান পোৱাও যে কষ্টকৰ। অগতিৰ গতি,—অসহায়ৰ সহায় আল্লাহৰ ওচৰত তেওঁ দুহাত যুৰিলে। পৰম দয়ালু দাতা আল্লাহ তাআ'লাই তেওঁৰ একান্ত ভক্তৰ প্ৰাৰ্থনাত সঁহাৰি দিলে। ক্ষন্তেকতে আকাশ ক'লা কৰি মেঘ আনিলে। তাৰ পিছত আহিল ধাৰাসাৰ বৰষুণ। হজৰত বৰপীৰ চাহেবে তৃপ্তিৰে পিয়াহ-পলুৱাই পানী খালে; আৰু করুণাময়ৰ ওচৰত সকাতৰে অন্তৰৰ কৃতজ্ঞতা নিবেদন কৰিলে। সৃষ্টিকৰ্ত্তা মহিমাময় বিশ্বপালকৰ অপাৰ করুণাৰ কথা ভাবি তেওঁৰ দেহ-মন পুলকিত হৈ উঠিল! তেওঁ ভক্তিভৰে 'চিজদাহৰ (মূৰ মাটিত লগাই আল্লাহ তাআ'লাৰ ওচৰত

কৰা প্ৰাৰ্থনাৰ অঙ্গ বিশেষ) পৰা মূৰ তুলিয়েই দেখিলে আকাশ পোহৰ কৰি এটি যেন অতি উজ্জ্বল তৰা তললৈ নামি আহিছে। হজৰত বৰপীৰ চাহেবে আচৰিত হৈ সেইফালে চাই ৰ'ল। ক্ৰমে সেই জ্যোতি বনভূমিৰ কাষ চাপিল। আচৰিত কথা, হজৰত বৰপীৰ চাহেবে শুনিলে—সেই উজ্জ্বল জ্যোতিষ্কটিয়ে যেন তেওঁক কৈছে, "হে গওছল আজম, চোৱা—ময়েই তোমাৰ সেই উপাস্য পৰম করুণাময় আল্লাহ। তুমি যাৰ উপাসনাত দিন ৰাতি মগ্ন হৈ আছা তেওঁ তোমাৰ চকুৰ আগত। আজি অতদিনে যিবিলাক বস্তু বা নীতি তোমাৰ বাবে হাৰাম (নিষিদ্ধ) আছিল, আজি এই মুহূৰ্ত্তৰ পৰা সেই সকলো তোমাৰ বাবে হালাল (সিদ্ধ) হ'ল। তোমাৰ ক্ষেত্ৰত এতিয়াৰ পৰা হাৰাম আৰু হালালৰ (সিদ্ধ-নিষিদ্ধ) কোনো ভেদ নৰল।"

এনে নাভূত নাশ্ৰুত কথা শুনি হজৰত বৰপীৰ চাহেবে চক্ৰান্তকাৰী চয়তানৰ পৰা ৰক্ষা পৰিবলৈ পঢ়িলে—"আউজু বিল্লাহিমিনাছ ছায়তোৱানিৰ ৰাজিম," অৰ্থাৎ বিতাড়িত আৰু অভিশপ্ত চয়তানৰ চক্ৰান্তৰ পৰা ৰক্ষা পৰিবলৈ পৰম করুণাময় বিশ্বপালকৰ আশ্ৰয় ভিক্ষা কৰিছোঁ। হজৰত বৰপীৰ চাহাবৰ মুখৰ পৰা এই পবিত্ৰ বাণী ওলোৱাৰ লগে লগে সেই উজ্জ্বল জ্যোতিষ্ক নুমাই গ'ল। অলপ পিছত হজৰত বৰপীৰ চাহেবে শুনি আচৰিত হ'ল—কোনোবাই যেন তেওঁক কৈছে—"হে গওছল আজম, তুমি বৰ ৰক্ষা পৰিলা। সঁচাকৈয়ে মই চয়তান। কিন্তু তুমি মোক চিনি পালা কেনেকৈ?" হজৰত বৰপীৰ চাহেবে উত্তৰ দিলে—"তুমি চয়তান। পবিত্ৰ কোৰাণত সকলো মুছলমানৰ বাবে যি নিষিদ্ধ, সি কেতিয়াও কোনো মুছলমানৰ বাবে সিদ্ধ হব নোৱাৰে। যদি তেনেকুৱা কিবা নতুন বিধি-বিধানৰ সৃষ্টি হয়, তেন্তে নতুনকৈ এখন কোৰাণ অবতীৰ্ণ হব লাগিব। কিন্তু ইছলামৰ মতে পবিত্ৰ কোৰাণেই শেষ গ্ৰন্থ। গতিকে নতুন কোৰাণ নাজিল (অবতীৰ্ণ) হোৱাৰো সম্ভাৱনা নাই। পৃথিবীৰ সকলো

মুছলমানৰ বাবে একেই কোৰাণ, ব্যক্তি বিশেষৰ বাবে সিদ্ধ-নিষিদ্ধৰ প্ৰশ্ন নুঠে।"

ইছলামৰ সম্বন্ধে হজৰত ৰৰপীৰ চাহেবৰ সম্যক জ্ঞান থকা হেতুকে আৰু তেওঁৰ অপৰিসীম জ্ঞানৱত্তাৰ বাবে চয়তানে বাৰে বাৰে চেষ্টা কৰিও তেওঁক বিপথগামী কৰাত সফল হব পৰা নাছিল। চয়তানৰ প্ৰত্যেক চেষ্টা ব্যৰ্থ হৈছিল—হজৰত ৰৰপীৰ চাহেবৰ কোৰাণ সম্বন্ধে থকা জ্ঞানৰ হেতুকে।

যিসকলৰ চাল-চলন চৰিয়ত-বিৰোধী, পবিত্ৰ কোৰাণ আৰু হাদিছৰ নিৰ্দ্দেশ যিসকলে অমান্য কৰি স্বৈৰ-নীতি গ্ৰহণ কৰি স্বেচ্ছাচাৰী হয়, সেই সকলে নিজৰ লগতে অন্যকো পথভ্ৰষ্ট কৰে। আজিও ব্যৱসায়ী পীৰ-ফকিৰ (সাধু-সন্ত) সকলে তেওঁলোকৰ ব্যক্তিগত লাভালাভ আৰু স্বেচ্ছাচাৰত অধিক গুৰুত্ব দি বহু সময়ত সৰলমতি হোজা জন-সাধাৰণক বিভ্ৰান্ত কৰে। দীঘলীয়া সাধনাৰ পিছতো কোৰাণ-হাদিছ সম্পৰ্কে অজ্ঞতাই ক্ষন্তেকতে সাধনা ব্যৰ্থতালৈ ৰূপান্তৰিত কৰে। বহুতো পাৰ-ফকিৰ নামধাৰী সাধু সন্তয়ো চৰিয়তৰ অনুমোদন নোহোৱা, বৰং চৰিয়ত বিৰোধী কাৰ্য্যাৱলীৰ চৰ্চ্চা কৰে। শিষ্য (মুৰীদ) সকলকো তেনে কৰিবলৈ উৎসাহিত কৰে। হজৰত ৰৰপীৰ চাহেবৰ ঘটনাবহুল জীৱনীৰ পৰ্য্যালোচনা কৰিলে দেখা যায় যে ইছলাম সম্পৰ্কে উপযুক্ত শিক্ষা গ্ৰহণ আৰু সেই শিক্ষাক সঠিকভাবে কাৰ্য্যকৰী উপায়ে নিজৰ জীৱনত প্ৰয়োগৰ বাবেই উপযুক্ত পথ-প্ৰদৰ্শক আৰু পীৰৰ আৱশ্যক।

হজৰত ৰৰপীৰ চাহেবৰ তেজস্বী উত্তৰ শুনি চয়তান নীৰৱে আঁতৰি যাবলৈ বাধ্য হ'ল। যাবৰ পৰত কৈ গ'ল—"হে হজৰত গওচল আজম, মোৰ এই চক্ৰান্তৰ মোহজালৰ পৰা নিজক উদ্ধাৰ কৰিবলৈ খুব কম সাধকহে সক্ষম হৈছে, তুমি ৰব ৰক্ষা পৰিলা। তোমাৰ অপৰিসীম জ্ঞানেই তোমাক মোৰ কবলৰ পৰা ৰক্ষা কৰিলে।"

সোণত সুৰগা

হিজৰী ষষ্ঠ শতিকাত শুকান মৰুভূমি আৰু গছহীন হাবি এৰি হজৰত বৰপীৰ চাহেবে এটি স্তম্ভত খিতাপি ললেগৈ। এই স্তম্ভটি (টাৱাৰ) 'বোৰ্জে আজমী' নামে খ্যাত। এই ঠাইত তেওঁ একেলেঠাৰিয়ে এঘাৰ বছৰ বাস কৰে। ইয়াত থকা সময়তে তেওঁ পুনৰ এক কঠোৰ পৰীক্ষাত উত্তীৰ্ণ হয়। এই পৰীক্ষা আছিল—উপাসকৰ উপাসনা আৰু উপাস্যৰ প্ৰেমৰ পৰীক্ষা। ভক্তিৰ পৰাকাষ্ঠা দেখুৱাই নিজৰ মানসিক শক্তিৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱাৰিলে সৃষ্টিকৰ্ত্তাৰ প্ৰেমলাভৰ উপযুক্ত হ'ব নোৱাৰি। লীলাময় বিশ্বপালকেও বিচিত্ৰ উপায়ে তেওঁৰ ভক্ত-সকলৰ নিষ্ঠা আৰু ভক্তিৰ পৰীক্ষা কৰে। সেয়ে, প্ৰকৃত সাধক আৰু ভক্তসকলে নফচ্ (ৰিপুসমূহ ঃ প্ৰবৃত্তি)ৰ স'তে যুদ্ধ কৰি মানসিক উৎকৰ্ষ সাধন কৰি কৃচ্ছ্ৰসাধনাৰ কঠোৰ পৰীক্ষাত উত্তীৰ্ণ হ'বলৈ চেষ্টা কৰে। এই একে উদ্দেশ্যেৰেই হজৰত বৰপীৰ চাহেবে এদিন প্ৰতিজ্ঞা কৰিলে—"যেতিয়ালৈকে কোনোৱে চেনেহেৰে তেওঁৰ মুখত আহাৰৰ গৰাহ তুলি নিদিয়ে, তেতিয়ালৈকে তেওঁ আহাৰ নকৰে।"

হজৰত বৰপীৰ চাহেবৰ এই প্ৰতিজ্ঞা আছিল প্ৰবৃত্তিৰ—ৰিপুসমূহৰ দমনৰ বাবে লোৱা কঠোৰ ব্যৱস্থা। নিজৰ আশা, পাৰ্থিব কামনা-বাসনা জলাঞ্জলি দি লগতে তেওঁনো কৰুণাময় সৃষ্টিকৰ্ত্তাৰ ওচৰত কিমান প্ৰিয়পাত্ৰ হৈছে, তাৰো এটি পৰীক্ষা আছিল এই কঠোৰ ব্যৱস্থা গ্ৰহণ অভিলাষ। এই সময়ত মানুহৰ চিৰশত্ৰু ৰিপুসমূহে এই মহান সাধকজনকো সঙ্কল্প পূৰণৰ বাটত হেঙাৰ ধৰিছিল। প্ৰবৃত্তিৰ তাড়নাক দৃঢ়তাৰে প্ৰতিৰোধ

কৰি একাদিক্ৰমে হজৰত ৰবণীৰ চাহেবে তুকুৰি দিন আৰু নিশা কটালে। এই দীঘলীয়া দিন কেইটিত হজৰত ৰবণীৰ চাহেবে উপলব্ধি কৰিছিল যে সকল বিশ্বস্ৰষ্টা মহান খোদাৰ কৰুণাভিখাৰী, তেওঁলোকে যেতিয়ালৈকে প্ৰবৃত্তিক, বিপুসমূহক নিজৰ আজ্ঞাবহ কৰি লব নোৱাৰে, যেতিয়ালৈকে তেওঁলোক জিতেন্দ্ৰিয় হব নোৱাৰে, তেতিয়ালৈকে তেওঁলোকৰ অন্তৰ বিশুদ্ধ নহয়; আৰু বিশুদ্ধ অন্তৰৰ আকুল প্ৰাৰ্থনাজহে কৰুণাময় বিশ্বপালকে সঁহাৰি দিয়ে। ভক্তি আৰু প্ৰেমৰ পৰীক্ষাত উত্তীৰ্ণ হবলৈ হলে সাধকে প্ৰবৃত্তিৰ পীড়নক নেওচি ভক্তিৰ, নিষ্ঠাৰ পৰাকাষ্ঠা দেখুৱাব পাৰিব লাগিব। সাধাৰণ দৃষ্টিৰে ওপৰে ওপৰে চালে হয়তো ভাবিব পাৰি যে এইদৰে অকাৰণতে অনাহাৰে থকাৰ কি বিশেষ তাৎপৰ্য্য থাকিব পাৰে? কিন্তু ফঁহিয়াই চালে আৰু দ'কৈ ভাবি চালে দেখা যায় যে এই প্ৰতিজ্ঞাবো নিশ্চয় এটি বিশেষ ইঙ্গিতপূৰ্ণ তাৎপৰ্য্য আছে।

খোদা তাআ'লাই বহু বিচিত্ৰ উপায়েৰে তেওঁৰ নিষ্ঠাবান ভক্ত সকলৰ পৰীক্ষা লয়। এই পৰীক্ষাত উত্তীৰ্ণ হবলৈ প্ৰবৃত্তিৰ প্ৰলোভনে ভৰা পিছল বাট এৰি ভক্তই নিবৃত্তি মাৰ্গৰ আশ্ৰয় লয়। আহাৰ, তেওঁলোকৰ বাবে (সাধকসকলৰ বাবে) অতি সাধাৰণ, নগণ্য বস্তু। কিন্তু এই সাধাৰণ বস্তুৰ বাবেই পৃথিবীৰ মানুহে ন্যায়-অন্যায় বিবেচনা নকৰি হিতাহিত জ্ঞান হেৰুৱাই কি যে নকৰে!

তুকুৰি দিন-ৰাতি পাৰ হৈ গ'ল। তেনেতে একছল্লিশ দিনৰ পুৱা হজৰত ৰবণীৰ চাহেবৰ শোৱাপাটীৰ কাষত কোনোবাই খোৱাবস্তু অলপ থৈ গ'ল। তুকুৰিদিনীয়া অনশনৰ পাছত খোৱাবস্তু দেখি তেওঁৰ যেন ভোক দুগুণে জ্বলি উঠিল। ইয়াৰ আগতেও বহুদিন মৰুভূমিত, হাবিয়ে-বননিয়ে তেওঁ দীঘলীয়া দিন অনাহাৰে, কেতিয়াবা আনকি পানী এটুপি পৰ্য্যন্ত নোখোৱাকৈ নিৰম্বু উপবাসতো কটাইছে,

কিন্তু এইদৰে আহাৰ দেখি ; ভোক দুগুণে বাঢ়ি উঠাতো নাই ? তেন্তে নিবৃত্তি মাৰ্গলাভৰ যোগ্যতা তেওঁ এতিয়াও লাভ কৰিব পৰা নাই নেকি ?

ইফালে তেওঁৰ মনত কোনোবাই যেন ভাবৰ হেন্দোলনি তুলিলে—"কি অন্যায় তোমাৰ প্ৰতিজ্ঞা ! কথা নাই, বতৰা নাই,—কাকো নোকোৱাকৈ ? কোনেও নজনাকৈ এই অসম্ভৱ প্ৰতিজ্ঞা কৰি বহিছা ? কোনে তোমাৰ এই জেদ পূৰাব ? আকাশৰ পৰা কোনোবা নামি আহি, তোমাৰ মুখৰ আগত গৰাহ তুলি ধৰিবহিনে ? ই বলিয়াৰহে বলিয়ালি ! বৰং এই অন্যায় প্ৰতিজ্ঞাৰ বাবে তুমি অনুতাপ কৰি অনশন ভাঙি পেলোৱাহে যুগুত। অনৰ্থক এইদৰে আত্মাক পীড়ন কৰা অনুচিত।" ইত্যাদি।

আনফালে আকৌ বিবেকে বাৰে বাৰে সঁকিয়াই কয়—'ই তোমাক বিভ্ৰান্তকাৰী—প্ৰবৃত্তিৰ ছলনা। সাধনাৰ প্ৰতিটো স্তৰতে ৰিপু—প্ৰবৃত্তিসমূহে এই দৰে সদায় তোমাক প্ৰবঞ্চনা কৰাৰ চেষ্টাত থাকিব। প্ৰবৃত্তিক শাসন কৰাৰ এয়ে সুন্দৰ সুযোগ ! সাধক হৈ—ৰিপুৰ এই ছলনাজালত নপৰিবা। এবাৰ যদি কেনেবাকৈ এই জালত ধৰা দিয়া, বাৰে বাৰে তোমাৰ পৰাজয় নিশ্চিত।"

এই অন্তৰ্দ্বন্দ্বৰ শেহত বিবেকেই জয়লাভ কৰিলে। শোৱা-পাটীৰ ওচৰত আহাৰ যিদৰে পৰি আছিল, তেনেদৰেই পৰি ৰ'ল। দিনৰ দিনটো যোৱাৰ পিছত এক পৰম বিজ্ঞ শাস্ত্ৰবিশাৰদ সাধক পুৰুষ সেইবাটে গাওঁতে হজৰত বৰপীৰ চাহেবৰ ওচৰলৈ গ'ল। অতি চেনেহেৰে নানা প্ৰশ্ন কৰি তেওঁৰ অদ্ভুত প্ৰতিজ্ঞাৰ কথাও জানিব পাৰিলে। এই প্ৰতিজ্ঞাৰ গূঢ় তাৎপৰ্য্য হৃদয়ঙ্গম কৰা তেওঁৰ দৰে এজন সাধক, বিজ্ঞ পুৰুষৰ বাবে অতি সহজ কথা। তথাপি তেওঁ সুধিলে—"এই আহাৰ আপোনাৰ সন্মুখত

থকা বাবে আপুনি প্ৰতিজ্ঞা পালনত কিবা বাধা পাইছেনে ?" হজৰত ৰহপীৰ চাহেবে উত্তৰ দিলে—"হয়, মই ইন্দ্ৰিয় প্ৰবোচনাৰ দ্বাৰা কিছু পৰিমাণে প্ৰলুব্ধ হৈছোঁ। অৱশ্যে এতিয়াও মোৰ বিবেকেই জয়ী হৈ আছে আৰু মই যি অন্তৰ্দ্বন্দ্বৰ সন্মুখীন হৈছোঁ, তাত মোৰ পৰাজয় ঘটা নাই।"

যিজন বিজ্ঞ ব্যক্তি মহান সাধক এইদৰে হজৰত ৰহপীৰ চাহেবৰ সান্নিধ্যলৈ আহিছিল—তেওঁৰ নাম হজৰত আবু চৈয়দ মোকাৰৰমী (ৰাঃ)। এইজনা বিশিষ্টলোক সেইকালৰ বাগদাদৰ এজন গণ্যমান্য ব্যক্তি আছিল। তেওঁ হজৰত ৰহপীৰ চাহেবৰ সংস্পৰ্শলৈ আহিছিল ৫২০—২১ হিজৰীত। হজৰত আবু চৈয়দ মোকাৰৰমীয়ে তেওঁৰ বাগদাদৰ ঘৰত হজৰত ৰহপীৰ চাহেবক আহাৰৰ বাবে দাৱাত (নিমন্ত্ৰণ) জনালে। কিন্তু হজৰত ৰহপীৰ চাহেবে তেতিয়ালৈকে সেয়া খোদাৰ নিৰ্দ্দেশ হয়নে, নহয় সেই সম্বন্ধে সঠিককৈ নজনা হেতুকে দাৱাত গ্ৰহণ সম্বন্ধে একো খাটাংকৈ নজনালে। সেইদিনা গভীৰ নিশা। হজৰত ৰহপীৰ চাহেবে সপোনত দেখিলে হজৰত খিজিৰ (আঃ)ক। হজৰত খিজিৰ (আঃ)এ যেন তেওঁৰ মূৰ-শিতানত থিয় হৈ কৈছে—"হে গওচল আজম, তুমি হজৰত আবু চৈয়দ মোকাৰৰমী (ৰাঃ)ৰ দাৱাত গ্ৰহণ কৰা।"

আনহাতে আকৌ হজৰত মোকাৰৰমী (ৰাঃ) যদিও হজৰত গওচল আজমৰ পৰা দাৱাত কবুল (নিমন্ত্ৰণ গ্ৰহণ) সম্বন্ধে মৌখিক কোনো-প্ৰকাৰ স্বীকৃতি নাপালে, তথাপিও তেওঁ ধৰি লৈছিল যে অৱশেহত তেওঁ আহিব। হজৰত ৰহপীৰ চাহেবে স্বপ্নাদেশ পাই প্ৰফুল্ল মনে বাগদাদলৈ গ'ল হজৰত আবু চৈয়দ মোকাৰৰমী (ৰাঃ)ৰ দাৱাত গ্ৰহণ কৰিবৰ উদ্দেশ্যে। গৈ পদুলিমূৰত গৃহস্থক বৈ থকা দেখিবলৈ পালে। হজৰত আবু চৈয়দ মোকাৰৰমীয়ে আথেবেথে আঁকোৱালি লৈ হজৰত ৰহপীৰ চাহেবক নি বহুৱালে।

ভূমীয়াকৈ আহ্বান সজোৰাই আছিল। যতনেৰে বহুৱাই হজৰত আবু চৈয়দ মোকাবৰমীয়ে হজৰত ৰৰপীৰ চাহেবক মুখত তুলি দিলে। পৰম পৰিতৃপ্তিৰে আহাৰ কৰি সাধকে স্ৰষ্টা, দাতা, জাতা, মহান খোদা তাআ'লাৰ ওচৰত শোকৰিয়া (কৃতজ্ঞতা) জ্ঞাপন কৰিলে।

এই দুই মহান সাধকৰ এই অপূৰ্ব্ব মিলনে যেন সোণত সুৱগা চৰালে। দুয়ো হ'ল দুয়োৰে পৰিপূৰক। হজৰত ৰৰপীৰ চাহেবৰ অন্তৰত বহু চিন্তা আৰু ঐশীপ্ৰেমলাভৰ বাবে ব্যাকুলতাই হেন্দোলনি তুলি আছিল। আনহাতে হজৰত আবু চৈয়দ মোকাবৰমী চাহেব (ৰাঃ)ৰ অন্তৰত আছিল এক শান্ত, সমাহিত ভাব। এই মিলনৰ পাছৰ পৰা হজৰত ৰৰপীৰ চাহেবৰ চিত্তৰ বিকলতা আঁতৰি গ'ল আৰু আঁতৰি গ'ল—মানুহৰ মাজৰ পৰা আঁতৰি ফুৰাৰ বাসনা। জনসমাগম পূৰ্ণ, কোলাহলময় লোকালয়েই হৈ পৰিল তেওঁৰ প্ৰিয় কৰ্ম্মভূমি। অস্থিৰতাই ব্যাকুল কৰি তেওঁক হাবিয়ে-বননিয়ে, পৰ্ব্বতে-কন্দৰে, মৰুৰ মাজে মাজে লৈ ফুৰিছিল। এইবাৰ তাৰ পৰিবৰ্ত্তে তেওঁ পালে এক অনিৰ্ব্বচনীয় জ্ঞান আৰু সাধনাৰ সৌম্য, শান্ত ভাব। সুবিজ্ঞ পণ্ডিত, হজৰত ৰৰপীৰ চাহেবৰ দৰে এজন সাধকক হেৰুৱাই ব্যথিত হৈ পৰা হেজাৰ-বিজাৰ লোকৰ (জনসাধাৰণ) মাজত তেওঁ পুনৰ দেখা দিলে—মাথোন এজন ফেকাশাস্ত্ৰবিদ্ হিচাবেই নহয়—এজন একনিষ্ঠ সাধক স্বৰূপে।

হজৰত আবু চৈয়দ মোকাবৰমী চাহেব (ৰাঃ)ৰ সঁতে হজৰত ৰৰপীৰ চাহেবে পৰস্পৰে পৰস্পৰৰ ওচৰত মুৰীদ হৈ (দীক্ষাগ্ৰহণ কৰি) ইটিয়ে সিটিক একোটি পবিত্ৰ খেৰ্কা (চোলা) পিন্ধাই দিলে। ইয়াৰ পিছৰ পৰা দুয়োৰে মৰত্‌বা (মাহাত্ম্য) বহুগুণে বৃদ্ধি হ'ল।

আচৰিত ঘটনা

হজৰত ৰবপীৰ চাহেবক হজৰত মহীউদ্দিন নামেৰেও জনা যায়। হজৰত আবু চৈয়দ মোকাৰৰমীৰ স'তে সাক্ষাৎ হোৱাৰ পিছত হজৰত ৰবপীৰ চাহেবে বাগ্দাদতে স্থায়ীভাবে বাস কৰিবলৈ পাতিলে। এই সময়তে এদিন শুকুৰবাৰে দিনৰ বেলিকা তেওঁ বজ্জুৰৰ পৰা বাগ্দাদমুৱা হৈ আহি আছিল। গুদা ভৰি। তাতে দীঘলীয়া বাটৰ কষ্ট। তেওঁৰ শৰীৰ দুৰ্ব্বল, অৱশ হৈ পৰিছিল। বাগ্দাদ পাওঁ পাওঁ হওঁতে তেওঁ বাটৰ দাঁতিতে এজন অতি দুৰ্ব্বল, ক্ষীণকায় মানুহ পৰিথকা দেখিলে। মানুহজনৰ অৱস্থা দেখি হজৰত ৰবপীৰ চাহেবৰ কোমল অন্তৰত দয়া উপজিল। তেওঁ নিজৰ দুখ-ভাগৰৰ কথা সমূলি পাহৰি গৈ মানুহজনৰ কাষ চাপিল। মানুহজনে হজৰত ৰবপীৰ চাহেবক দেখি চালাম (সম্ভাষণ) জনালে—"আচ্চালামু আলৈইকুম!" (আপোনাৰ ওপৰত বিশ্বপালকৰ করুণা বৰষক!) হজৰতে যথাবিধি মানুহজনৰ সম্ভাষণৰ প্ৰত্যুত্তৰ দিলে। তেনেতে সেই অপৰিচিত ব্যক্তিয়ে মাত লগালে, "হে হজৰত গাওচল আজম, মোক হাতত ধৰি টানি তোলা।" হজৰত ৰবপীৰ চাহেবে আথেবেথে মানুহজনক দাঙি তুলিলে। মানুহজন ক্ৰমে সুস্থ হৈ পৰিল। চাওঁতে চাওঁতে সেই ক্ষীণকায় ক্ষীয়া মানুহজন এজন বিৰাটাকাৰ দীঘল পুৰুষত পৰিণত হ'ল। চকুৰ আগতে শীৰ্ণকায় মানুহজন পৰিপুষ্ট শৰীৰৰ নিখুঁত, সবল, সুদৰ্শন এজন ব্যক্তিলৈ ৰূপান্তৰ হোৱা এই দৃশ্য দেখি হজৰত ৰবপীৰ চাহেব অতি আচৰিত হ'ল আৰু ভাবিবলৈ ধৰিলে—এই ঘটনাৰ কাৰণ কি?

মানুহজনে কিন্তু শান্ত-কোমল মাতেৰে সুধিলে—"হে হজৰত গাওচল আজম, তুমি মোক চিনি পাইছানে?" হজৰতে বিনীতভাৱে

উত্তৰ দিলে—“হুজুৰ, (মহাশয়) মই আপোনাক দেখা মনত নপৰে।” মানুহজনে তেতিয়া সকলো বিবৰি কলে—“মই ইছলাম। নবী কৰিম হজৰত মোহাম্মদ মোস্তফা চাল্লাল্লাহু আলায়হে ৱাচ্চালাম প্ৰচাৰিত দীন ইলাহী ময়েই। মই ৰুগীয়া, পঙ্গু হৈ পৰিছোঁ। চোৱাঁ, তোমাৰ ওপৰত এটি গুৰুভাৰ পৰিছে। মোক পুনৰ্বাৰ সঞ্জীবিত কৰি তুলিবা তুমিয়েই। মোৰ জীৱনত নতুন প্ৰাণৰ সঞ্চাৰ কৰিবা তুমি।” এইকথা কৈ মানুহজন অদৃশ্য হ’ল। এই ঘটনাৰ আগলৈকে হজৰত বৰপীৰ চাহেবৰ ধ্যান-ধাৰণা, সাধনা-আৰাধনাত ইছলামৰ বিশালতা, বিৰাটত্বই ধৰা দিয়া নাছিল। পঙ্গুপ্ৰায় ইছলামক পুনৰ সঞ্জীবিত কৰিব পাৰিলে ই যে পুনৰ বিশ্বজয়ী পূৰ্ব্বৰ ৰূপত প্ৰকাশিত হব,—ফিৰিস্তা (স্বৰ্গীয়দূত)ৰ সহায়ত খোদা তাআ’লাই এই কথাৰ ইঙ্গিত দিছিল।

সৎকৰ্ম্মশীল ব্যক্তি (চালেহীন) সকলৰ গধুৰ দায়িত্বৰ আৰু সেই সম্পৰ্কে সঠিক সত্য অনুধাবনৰ বাবে কৰুণাময় খোদাই মানুহৰ সম্মুখত যুগে যুগে এইদৰে নানা দৃষ্টান্তৰ অৱতাৰণা কৰে। মাথোন সাধকৰ জীৱনতে নহয়—গৃহস্থী সাধাৰণ সজ্জন ব্যক্তিৰ জীৱনতো দৈনন্দিন ঘটনাৰ ভিতৰেদি এনে দৃষ্টান্তৰ অৱতাৰণা হয়। সাধক, বিজ্ঞ ব্যক্তি সকলে তেওঁলোকৰ গভীৰ অন্তৰ্দৃষ্টিৰে সূক্ষ্মাতিসূক্ষ্মভাৱে এনেবোৰ ঘটনাৱলী ফঁহিয়াই চাই তাৰ গূঢ়াৰ্থ হৃদয়ঙ্গম কৰে আৰু সেইদৰে জীৱনৰ সুকঠোৰ দায়িত্বসমূহ পালন কৰি মানৱজীৱন সাৰ্থক কৰে। জড়বাদী আপামৰ জন-সাধাৰণে চৰ্ম্মচক্ষুৰে এনে গূঢ়াৰ্থ বা তাৰ ইঙ্গিতপূৰ্ণ তাৎপৰ্য্য সহজে হৃদয়ঙ্গম কৰিব নোৱাৰে।

সেয়ে লক্ষ্য কৰিলে দেখা যায় যে প্ৰত্যেক মহাপুৰুষৰ জীৱনধাৰাই যেতিয়া নতুন গতি লয়, বিশাল কৰ্ম্মক্ষেত্ৰৰ ফালে ধাবিত হয়, তাৰ পূৰ্ব্বে বহু ইঙ্গিতপূৰ্ণ ঘটনাৱলী সংঘটিত হয়। এনে ঘটনাক বিজ্ঞ ব্যক্তি—সাধকসকলে গৌণ হিচাবে লয় আৰু ইয়াক বিধাতাৰ নিৰ্দ্দেশ হিচাবে গ্ৰহণ কৰে। আনহাতে, জড়বাদী জনসাধাৰণে এনে ঘটনাক মুখ্য কাৰণ বুলিও সময়ে সময়ে গুৰুত্ব দিয়ে।

ইছলামৰ বিবাটত্ব সম্পৰ্কে সম্যকজ্ঞান লাভ হোৱাৰ পিছতহে হজৰত ৰবপীৰ চাহেবে ভালদৰে উপলব্ধি কৰিব পাৰিলে বাৰে বাৰে বাগ্দাদ নগৰী এৰি যোৱাত বাধা পোৱাৰ কাৰণ। মানুহজন অদৃশ্য হোৱাৰ পাছত হজৰত ৰবপীৰ চাহেবে পলম নকৰি পোনে পোনে জামে মছজিদ অভিমুখে আগবাঢ়িল। তেওঁৰ মনত দাপোনত ইছলামৰ জীৰ্ণ-শীৰ্ণ অৱস্থা বাৰে বাৰে প্ৰতিফলিত হবলৈ ধৰিলে। লগতে তেওঁৰ চিত্তত বাৰে বাৰে জিলিকি উঠিবলৈ ধৰিলে—তেওঁক পুনৰ সঞ্জীৱিত কৰি তোলাৰ আদেশ দিয়া ইছলামৰ বিশাল, মনোহৰ, অনুপম সেই প্ৰতিচ্ছবি।

কি আচৰিত! হজৰত ৰবপীৰ চাহেব মছজিদত সোমোৱাৰ লগে লগে কোনোবা এজন আগবাঢ়ি আহিল। হজৰত ৰবপীৰ চাহেবক আথেবেথে এযুৰি খৰম উপহাৰ দি সসম্ভ্ৰমে সম্বোধন কৰিলে—'ইয়া মহীউদ্দিন!" (হে ধৰ্ম্মৰ পুনৰুত্থানকাৰী!) সিদিনাৰ শুকুৰবাৰৰ জুম্মা নামাজ উপলক্ষে অলেখ মানুহ মছজিদত সমবেত হৈছিল। নামাজ অন্তত বহু মানুহ ওলাই আহি হজৰতৰ হাতত চুমা খাই সম্ভাষণ জনালে—"ইয়া মহীউদ্দীন!" "ইয়া মহীউদ্দীন।" (হে ধৰ্ম্মৰ পুনৰুত্থানকাৰী!)

আদৰ্শৰ ৰূপায়ন

হজৰত আবু চৈয়দ মোকাৰৰমী (ৰাঃ)আছিল একাধাৰে এজন বিখ্যাত পণ্ডিত, শিক্ষাবিদ আৰু সাধক। তেওঁ নিজে নিজৰ অৰ্থব্যয় কৰি ঘৰৰ সন্মুখত এখনি মাদ্ৰাছা নিজে পৰিচালনা কৰিছিল। তাত নিজে অধ্যাপনাও কৰিছিল তেওঁ। হজৰত ৰবপীৰ চাহেবৰ গভীৰ শাস্ত্ৰজ্ঞান আৰু তীক্ষ্ণ স্মৃতিৰ পৰিচয় পাই তেওঁ মুগ্ধ হৈছিল। হয়তো তেওঁ হজৰত ৰবপীৰ চাহেবৰ পৰৱৰ্ত্তী জীৱনৰ স্বৰূপ সম্বন্ধেও নজনাকৈ থকা নাছিল। সেয়ে, হজৰত ৰবপীৰ চাহেবৰ হাততে তেওঁ নিজৰ

মাদ্ৰাছাৰ (ইচলামী পদ্ধতিৰে স্থাপিত শিক্ষানুষ্ঠান) অধ্যাপনা আৰু পৰিচালনাৰ কঠোৰ আৰু কঠিন দায়িত্ব দিছিল। এই দায়িত্বভাৰ গ্ৰহণ কৰি হুজৰত বৰপীৰ চাহেৱে জনশিক্ষাৰ দৰে মহান ব্ৰতত ব্ৰতী হ'ল। সৰুৰে পৰা কল্পনা কৰি থকা আদৰ্শ জীৱনৰ সপোন যাৰ বাবে— যাত্ৰাপথত তেওঁ নেওচিব লগীয়া হৈছিল অলেখ বাধা-বিঘিনি, সেই সপোন যেন এইবাৰহে বাস্তৱত ৰূপায়িত হবৰ হ'ল।

হুজৰত বৰপীৰ চাহেৱে মাদ্ৰাছাৰ অধ্যাপনা আৰু পৰিচালনাৰ দায়িত্ব গ্ৰহণ কৰাৰ বতৰা সোনকালে বিয়পি পৰিল। দূৰ সুদূৰৰ পৰাও নানা বিষয়ৰ তত্ত্বলাভৰ আশাত ছাত্ৰ, শিক্ষাৰ্থী, জ্ঞান-পিপাসুৰ দল আহিবলৈ ধৰিলে। অধ্যাপনাৰ জৰিয়তে তেওঁৰ অসাধাৰণ পাণ্ডিত্য, আৰু চৰিত্ৰৰ মাধুৰ্য্য ক্ৰমে জনাজাত হৈ পৰিছিল। এনে অৱস্থাত হুজৰত বৰপীৰ চাহেবে কিন্তু সমবেত জনমণ্ডলীৰ প্ৰতি তেওঁৰ কৰ্ত্তব্য যথাযথভাবে সম্পাদন কৰিব পৰা নাই বুলি আক্ষেপ কৰি আছিল। কিয়নো প্ৰথমাৱস্থাত জনমণ্ডলীৰ প্ৰশ্নৰ উত্তৰৰ বাহিৰে অইন একোকে তেওঁ কব নোৱাৰিছিল। বাগ্মিতাৰ অভাৱত তেওঁৰ অন্তৰত তোলপাৰ লগাই থকা ভাব সমূহো ব্যক্ত কৰিব নোৱাৰিছিল। তেওঁৰ দুখ লাগিছিল এই প্ৰকাশৰ অক্ষমতাৰ বাবে। প্ৰতিটো কাৰ্য্য আৰম্ভ হোৱা আগতে পোৱা অদৃশ্য নিৰ্দ্দেশদাতাৰ ইঙ্গিতৰ বাবে বাট চাই চাই তেওঁ অধীৰ হৈ পৰিছিল। কৰ্ত্তব্যৰ বিৰাট ক্ষেত্ৰ পৰি থাকিলেও, নিৰ্দ্দিষ্ট কৰ্ত্তব্যৰ নিৰ্দ্দেশ পালেও, সেই গধুৰ কৰ্ত্তব্য যেন তেওঁ সম্পাদন কৰিব পৰা নাই। নিজৰ ওপৰত ন্যস্ত কৰ্ত্তব্যৰ যথাযথ সম্পাদনৰ বাবে শক্তি আৰু সহায় প্ৰাৰ্থনা কৰি তেওঁ পৰম করুণাময়ৰ ওচৰত স্তুতি নতি জনাইছিল। কি কাৰণেনো তেওঁ খোদাৰ এইকেৰা অনুগ্ৰহ লাভৰ পৰা বঞ্চিত হৈ আছে, তাক ভাবি তেওঁ বিমোৰত পৰিছিল। অথচ কিনো কৰিব তাকে ভাবি বিবুধিত পৰিছিল।

একমাত্ৰ সান্ত্বনা আছিল—অগতিৰ গতি, অসহায়ৰ সহায় সেই কৰুণাময়ৰ ওচৰত কৰা কাতৰ-প্ৰাৰ্থনাৰ সুফল লাভৰ বাবে থকা আন্তৰিক বাঞ্ছা আৰু অধীৰ প্ৰতীক্ষা।

সেয়েহে তেওঁ সেই মহান প্ৰতিপালক শান্তিদাতাৰ ওচৰতে আত্মসমৰ্পণ কৰিলে। তেওঁ ভাবিছিল যে তেওঁৰ হতুৱাই বিশ্বৰ যি হিত-সাধন সম্ভৱ, সেইকথা কৰুণাময় সৃষ্টিকৰ্তাৰ বাহিৰে আন কোনেও নেজানে। খোদা তাআ'লাই তেওঁৰ বান্দা (দাসৰ) হতুৱাই কিদৰে দায়িত্ব সম্পাদন কৰিব লাগে, তাৰ নিৰ্দ্দেশ হয়তো নিজেই দিব!

সাধাৰণতে জোহৰৰ নামাজৰ (দুপৰীয়াৰ প্ৰাৰ্থনা) পিছত হজৰত বৰপীৰ চাহেবে নিতৌ কিছুসময়ৰ বাবে জিৰণি লৈছিল। মনৰ অশান্ত অৱস্থা, সমবেত জনমণ্ডলীক স্বেচ্ছাপ্ৰণোদিতভাবে একো বিধি-নিৰ্দ্দেশ বা তত্ত্ববিষয়ৰ আলোচনাৰে তৃপ্ত কৰিব নোৱাৰাৰ অক্ষমতা আদিয়ে হজৰত বৰপীৰ চাহেবৰ মন ভাবাক্ৰান্ত কৰি তুলিছিল। এনে অৱস্থাতে এদিন দুপৰীয়া জিৰণি পৰত তেওঁ সপোন দেখিলে—হজৰত ৰছুল কৰিম (চঃ) যেন তেওঁৰ শিতানত উপস্থিত হৈ তেওঁক কৈছে, "হে হজৰত গওচল আজম, দূৰ-দূৰান্তৰৰ পৰা অহা ধৰ্ম্মভীৰু, তত্ত্বপিপাসুলোক সকলক তুমি ধৰ্ম্ম উপদেশ দিয়া। কিন্তু তোমাৰ কৰ্তব্য যে আধৰুৱা হৈয়ে আছে।" হজৰত বৰপীৰ চাহেবে নিবেদন কৰিলে—"ইয়া নবী, মইনো বাগদাদৰ বিদ্বানমণ্ডলীৰ আগত কেনেকৈ মুখ খুলো? মই যে আজমীৰী, সঙ্কোচ আৰু দুৰ্ব্বলতাৰ বন্ধনে মোক যেন নিশকতীয়া কৰি ৰাখিছে। মই যে উপায় বিচাৰি পোৱা নাই।" হজৰত বৰপীৰ চাহেবৰ এই উত্তৰ শুনি হজৰত ৰছুল কৰিমে (চঃ) মৰমেৰে তেওঁৰ মুখত একেবাহে সাতবাৰ থু থুৱাই অদৃশ্য হ'ল।

হঠাতে এনে এটি সপোন দেখি হজৰত বৰপীৰ চাহেব আচৰিত হ'ল। কিন্তু কি আচৰিত—তেতিয়াৰে পৰা তেওঁৰ কৰ্ত্তব্যপথৰ

অন্তবায় সমূহ লাহে লাহে কমি আছিল। সেইদিনাই আবেলি আছবৰ নামাজৰ শেষত তেওঁৰ বক্তৃতা শুনিবলৈ সমবেত হোৱা বিশাল জনতালৈ চাই তেওঁ ভাবিলে—এওঁলোকে বৰ হেঁপাহেৰে ইয়াত গোট খাইছেহি। তুষ্ট নহ'লে এওঁলোক ইয়াৰ পৰা আঁতৰ হোৱাটো ভাওৰ কথা। সমাগত জনতাৰ মনোভাৱ বুজিব পাৰি হজৰত বৰপীৰ চাহেবে সাহস সঞ্চয় কৰিলে। আগৰ দুৰ্ব্বলতা, সঙ্কোচে বাৰে বাৰে আগুৰি ধৰিলেহি যদিও তেওঁ সাহস সঞ্চয় কৰি নিজৰ বক্তব্য জুকিয়াই কবলৈ চেষ্টা কৰিলে। হজৰত নবী কৰিম (চঃ) ৰ আদেশ আৰু আনহাতে নিজৰ অপাৰগ অৱস্থা এই দুয়োৰে মাজত উভয় সঙ্কটত পৰি হজৰত বৰপীৰ চাহেব বিব্ৰত হৈ পৰিল। ক্ষন্তেকলৈ তেওঁ নিবিষ্ট মনে চিন্তাত সমাহিত হ'ল। এই সমাহিত অৱস্থাত তেওঁ ধ্যানলোক পালে আৰু দেখিলে এক অলৌকিক কাণ্ড। তেওঁৰ চকুৰ আগত যেন সুবিখ্যাত সাধক, পণ্ডিত প্ৰবৰ হজৰত আলী কৰমউল্লাহ অজহুক দেখিবলৈ পালে। এই সুপণ্ডিত গৰাকীয়ে হজৰত বৰপীৰ চাহেবক অভয় দি হজৰত নবী কৰিমৰ (চঃ) অনুকৰণতে হজৰত বৰপীৰ চাহেবৰ মুখত ছ'বাৰ থু থুৱাই দিলে। দুগাৰ একেদৃশ্য দেখি হজৰত বৰপীৰ চাহেবে হজৰত আলী কৰমউল্লাহক সুধিলে "আপুনি যে ছবাৰ দিলে?" তেতিয়া তেওঁ উত্তৰ পালে— "হজৰত নবী কৰিমৰ (চঃ) সম্মানাৰ্থেই এবাৰ কমকৈ দিয়া হ'ল।"

এই দুটি আচৰিত ঘটনাৰ পিছতে হজৰত বৰপীৰ চাহেবে তেওঁৰ আকাঙ্ক্ষিত বাগ্মিতা লাভ কৰিলে। হৃদয়ত শক্তি, সাহস, উদ্যম বাঢ়িল। অভূতপূৰ্ব্ব বাগ্মিতাই তেওঁক সুন্দৰভাবে সিদিনাৰ জন-সমাবেশত চৰিয়ত (ইছলামী বিধি বিধান) তৰিকত (খোদাপ্ৰাপ্তি-পথ) মাৰেফাত (গুপ্ত বিষয়ক জ্ঞান) আৰু হকিকত (মহিমা) আদি বিভিন্ন বিষয়ৰ সাৰগৰ্ভ উপদেশ দিয়াত সহায় কৰিলে। ভাব, ভাষা আৰু বক্তৃতাৰ সৌন্দৰ্য্যই সেই অমৃতময় বাণীৰ মূল্য দুগুণে বঢ়াইছিল। সমবেত জনমণ্ডলীয়ে আধ্যাত্মিক ক্ষুধা এইদৰেই উপশম

কৰিলে—বহুজনৰ উপহাসৰ পিছত। হেৰোৱা বতন পুনৰুদ্ধাৰ কৰাৰ পাছত যেনে হয়—সেই আকুল, অধীৰ আগ্ৰহেৰে বাগ্দাদ বাসীয়ে হজৰত ৰবপীৰ চাহেবক আঁকোৱালি ললে। বাহ্যিক দৃষ্টিত উন্মাদ বা বিকৃত মস্তিষ্ক বুলি বিখ্যাত আৰু একনিষ্ঠ সাধকক হেৰুওৱাৰ আশঙ্কাত যি সকল ব্যথিত হৈ পৰিছিল, বহু বছৰ পিছত সেইজনকে পুনৰ জ্ঞানী, সৌম্য, শান্ত সাধকৰ ৰূপত পাই সকলোৱে পৰম আনন্দ হ'ল।

সঞ্জীৱনী

সেইকালত বাগ্দাদ আছিল এখন অসাধাৰণ ঠাই। ধনী-দুখীয়া, ঐশ্বৰ্য্য আৰু দাৰিদ্ৰ্যই তাত লুকা-ভাকু খেলিছিল। জ্ঞান-বিজ্ঞান, শিক্ষা-দীক্ষা, সভ্যতা-সংস্কৃতিৰ জাক-জমকতাপূৰ্ণ আবেষ্টনীৰ পাছফালে —খাবলৈ এটুকুৰা কটি, পিন্ধিবলৈ এডুখৰি কাপোৰৰ বাবে হাঁহাকাৰো চকুত পৰিছিল। মছজিদে মছজিদে—আল্লাহ তাআলাৰ কৰুণা ভিখাৰীদলে নিষ্ঠাৰে সাধনাত ব্যস্ত আছিল—আনহাতে আকৌ দীনতা, হীনতা আৰু কুৰুচিযুক্ত পাশবিকতাৰ কাৰ্য্য-কলাপো চলিছিল। বাগ্দাদ নগৰীৰ এনে অৱস্থাই সমগ্ৰ মুছলিম জাহানতে আশা-নিৰাশাৰ হেন্দোলনি জগাই আছিল। এনেকুৱাতে যেনিবা হজৰত ৰবপীৰ চাহেবৰ নতুন কৰ্ম্মক্ষেত্ৰত পৰিণত হ'ল এই মহানগৰী! সোনকালেই মুছলিম জাহানত তেওঁৰ প্ৰতিভাৰ যশ গৌৰৱ চৌদিশে বিয়পি পৰিল। তেওঁৰ অমূল্য বক্তৃতাৰাজি শুনিবলৈ ক্ৰমেই শ্ৰোতামণ্ডলীৰ সংখ্যা বাঢ়িবলৈ ধৰিলে।

ধৰ্ম্ম পিপাসু, তত্ব পিপাসু, শাস্ত্ৰমহিমা শ্ৰবণকাৰী এইদল লোকৰ সংখ্যা এইদৰে বাঢ়িবলৈ ধৰিলে যে, বহিবলৈ ক্ৰমে ঠাইৰ নাটনিয়ে

দেখা দিলে। মাদ্ৰাছাৰ আগকালৰ মুকলি ঠাইতো ক্ৰমে লোকাৰণ্য হ'লগৈ। বহা ঠাইৰ অভাৱত ছাত্ৰসকলৰ বহা ঠাইয়ে ক্ৰমে ৰাজপথ চুলেগৈ। তথাপিও ধৰ্ম্মভীৰু, জ্ঞানপিপাসু লোকসকলৰ সংখ্যা একেলেথে বাঢ়িবলৈ ধৰিলে যে, ক্ৰমে অতিৰিক্তভাৱে এটি বক্তৃতামঞ্চ সাজিবলগীয়া হ'ল। মৌ লোভী আকুল মৌ-মাখিৰ দৰে শ্ৰোতাসকলৰ সংখ্যা দিনকদিনে বাঢ়িছে গ'ল। অৱশেষত বাগদাদৰ বৃহত্তম ঈদগাহত এটি বক্তৃতামঞ্চ নিৰ্ম্মাণ কৰা হ'ল। ইয়াৰ আগতে সৰু ঈদগাহত সজোৱা বক্তৃতামঞ্চই নোজোৰা হোৱাত এই ব্যৱস্থা লোৱা হ'ল। দূৰ-দূৰণিৰ পৰা অহা লোকসকলৰ বাবে কাষতে এটি অতিথিশালাও নিৰ্ম্মাণ কৰা হ'ল।

প্ৰকৃত সত্যপথ লাভৰ সন্ধানত হাবাথুৰি খাইফুৰা লোকদলে ইছলামৰ সুশীতল ছাঁত জিৰণি লাভ কৰিলে। ইছলামৰ চিৰন্তন সত্য, সনাতন মহিমাৰ কথা পাহৰি বা পথভ্ৰষ্ট হৈ বিপথে যোৱা অথবা গতানুগতিক ৰীতি অনুসৰণকাৰী দলে হজৰত বৰপীৰ চাহেবৰ হিতোপদেশ আৰু সাৰগৰ্ভ ধৰ্ম্মবাণী শুনি আত্মশোধন কৰিবলৈ প্ৰেৰণা লাভ কৰিছিল। পয়গম্বৰ (প্ৰেৰিত মহাপুৰুষ) সকলৰ আত্মাসমূহেও এই মজলিছত উপস্থিত থাকি ইয়াৰ গৌৰৱ বৃদ্ধি কৰিছিল বুলি জনা যায়।

প্ৰথমাৱস্থাত হজৰত বৰপীৰ চাহেবে প্ৰত্যেক সপ্তাহত এদিনকৈ ধৰ্ম্মোপদেশ দিছিল। কিন্তু ক্ৰমে ক্ৰমে যেতিয়া মুছলমানৰ বাহিৰেও ইহুদী, খৃষ্টান আৰু আনকি পৌত্তলিক সকলো আহি মজলিছত যোগদান কৰা হ'ল—তেতিয়া হজৰত বৰপীৰ চাহেবে সপ্তাহত এদিনৰ পৰিবৰ্ত্তে তিনিদিনকৈ বক্তৃতাদান কৰিবলৈ ধৰিলে। শুকুৰবাৰে পুৱা, মঙ্গলবাৰে নিশা মাদ্ৰাছাৰ সম্মুখত, বুধবাৰে পুৱা বিৰাট ঈদগাহত তেওঁ সমবেত বিশাল জনসমুদ্ৰৰ আগত ইছলামৰ শিক্ষা, সৌন্দৰ্য্যৰ উপৰিও ইছলামৰ অপাৰ মহিমা আৰু 'তাচ্ছাৱাফ' (চুফী মতবাদ) সম্বন্ধেও বক্তৃতা দিবলৈ ধৰিলে। তেওঁৰ বক্তৃতা

আছিল সাৰগৰ্ভ। সকলো শ্ৰেণীৰ শ্ৰোতা—আমীৰ, উজীৰ, দুখীয়া প্ৰজা, ৰাজকৰ্ম্মচাৰী, সাধু, সন্ত সকলোৰে বাবে সময়োপযোগী বুলি বিবেচিত হোৱাত এই বক্তৃতাবাজি শুনিবলৈ দলে দলে লোকৰ আগম হৈছিল। কথিত আছে—বহু অশৰীৰী আত্মাৰ উপৰিও জিন (অপদেৱতা) আৰু ফিৰিস্তাও (দেবদূত) হেনো তেওঁৰ এই উপদেশাৱলী শুনিবলৈ সমবেত হৈছিলহি। বাগদাদবাসীৰে নহয়—সমগ্ৰ মুছলিম জাহানৰ অৰ্দ্ধমৃত বা সুপ্ত আধ্যাত্মিক শক্তিক এইদৰে হজৰত বৰপীৰ চাহেবৰ আবিৰ্ভাৱে সঞ্জীৱনী দান কৰিলে।

দণ্ডবিধান

এবাৰ বাগদাদৰ জনসাধাৰণে হজৰত বৰপীৰ চাহেবৰ এক অভূতপূৰ্ব্ব দণ্ডবিধানত বিস্মিত আৰু হতবাক হৈছিল। এইজন মহান সাধক দৃঢ়মনা, তেজস্বী আৰু অসাধাৰণ ব্যক্তিত্ব সম্পন্ন আছিল। ন্যায়-নীতিৰ পৰা পিছলি অহা দেখিলে আনকি সেইকালৰ খলিফা—যি এখন বিৰাট সাম্ৰাজ্যৰ একচ্ছত্ৰী অধিপতি, তেওঁৰ বিপক্ষেও স্পষ্টভাৱে কবলৈ তেওঁ অলপো পিছ হুঁহকি নাহিছিল।

বাগদাদৰ সেই সময়ৰ খলিফাই এবাৰ আবুল ওফা এহিয়া নামৰ এজনক সুপ্ৰিম আদালতত প্ৰধান বিচাৰক (কাজী) হিচাবে নিযুক্ত কৰিলে। মানুহজন দুৰ্নীতিপৰায়ণ আৰু অত্যাচাৰী বুলি জনাজাত আছিল। ন্যায়-নীতি পৰায়ণতা আৰু সুবিচাৰৰ গৰাকী খলিফাৰ এনে ভুল নিৰ্ব্বাচনত হজৰত বৰপীৰ চাহেব ব্যথিত হৈ পৰিছিল। তেওঁ এদিন জনমণ্ডলীক ওচৰতে থকা এডাল খেজুৰ গছলৈ আঙুলিয়াই দি কলে, "খলিফা, প্ৰকৃততে এনেকুৱা এডাল গছ বিশেষ। জনহিতকৰ কাৰ্য্যৰ বাবে যেতিয়ালৈকে গছডাল উপযুক্ত হৈ থাকিব, তেতিয়ালৈকেহে গছৰ সাৰ্থকতা। পাত, ফল, ফুল থকালৈকে

গছৰ জীয়াই থকাৰ সাৰ্থকতা। তাৰ পিছত কলাবলৈ খৰি হিচাবে —অগ্নিৰ ইন্ধন হিচাবেহে তাক ব্যৱহাৰ কৰা হয়। খলিফানো কি? ন্যায়-নীতিৰ অনুশীলন পাহৰি খলিফাই যদি স্বেচ্ছাচাৰী হৈ জনকল্যাণৰ প্ৰতি পিঠি দিয়ে, তেন্তে খলিফাৰ অৱস্থাও এনেকুৱা খৰিৰ দৰেই হোৱা উচিত। অত্যাচাৰ, অনাচাৰৰ প্ৰতিবিধান কোনে কৰিব যদি খলিফাই নিজ কৰ্ত্তব্যৰ প্ৰতি বিমুখতা দেখুৱায়?"

এনে তেজস্বী উক্তি কৰা সেইকালৰ বাগদাদৰ সাধাৰণ মানুহৰ পক্ষে সম্ভৱ নাছিল।

মুছলিম সাম্ৰাজ্যৰ একচ্ছত্ৰী অধিকাৰী খলিফাৰ বিপক্ষে সেই কালত এনে ঘোষণা প্ৰকাশ্য বিদ্ৰোহ স্বৰূপ আছিল। খলিফাৰ বিৰুদ্ধে সমগ্ৰ বাগদাদত এক তুমুল উত্তেজনাৰ সৃষ্টি হ'ল। হজৰত বৰপীৰ চাহেবে দিয়া ভাষণৰ ফলত জনসাধাৰণৰ মাজত দেখা দিয়া প্ৰতিক্ৰিয়ালৈ লক্ষ্য কৰি খলিফা আতঙ্কিত হৈ পৰিল, আৰু নিজৰ নিৰাপত্তাৰ বাবে মন্ত্ৰী এবনে হাবিবাক হজৰত বৰপীৰ চাহেবৰ ওচৰলৈ পঠিয়াই দিলে। খলিফাই মন্ত্ৰীৰ জৰিয়তে তেওঁৰ সশ্ৰদ্ধ ভক্তি নিবেদন কৰি জনাইছিল যে এই বিলাক তুচ্ছ ঘটনাত হজৰত বৰপীৰ চাহেবৰ দৰে মহান ব্যক্তিয়ে হস্তক্ষেপ কৰাটো নুশুৱায়। প্ৰত্যক্ষ ভাবে খলিফাৰ এই কাকুতিত তোষামোদৰ লগতে কিঞ্চিৎ হলেও ভীতিপ্ৰদৰ্শনৰ ইঙ্গিত আছিল। প্ৰকৃততে খলিফাই তেতিয়ালৈকে হজৰত বৰপীৰ চাহেবৰ সম্বন্ধে সম্যক ধাৰণা কৰিব পৰা নাছিল।

মন্ত্ৰী গৈ হজৰত বৰপীৰ চাহেবৰ লগত সাক্ষাৎ কৰিলে আৰু বিনীতভাবে খলিফাৰ বক্তব্য নিবেদন কৰিলে। কিন্তু তেওঁ দেখি আচৰিত হ'ল যে হজৰত বৰপীৰ চাহেবে অকণো কুণ্ঠাবোধ নকৰি খলিফাৰ ভুল নিৰ্ব্বাচন আৰু স্বেচ্ছাচাৰিতাৰ প্ৰতিবিধান বিচাৰিলে। আনকি তেওঁ এনে অত্যাচাৰী, অবিবেচক খলিফাৰ শিৰশ্চেদ হোৱাই বাঞ্ছনীয় বুলি কবলৈকো কুণ্ঠিত নহল। খলিফাৰ

প্ৰতিনিধি স্বৰূপ মন্ত্ৰীয়ে এই মহান সাধকৰ অপূৰ্ব্ব তেজস্বিতা আৰু ব্যক্তিত্বৰ ওচৰত মুৰ দোঁৱাবলৈ বাধ্য হ'ল। ৰবপীৰ চাহেবৰ বিৰোধিতা কৰি প্ৰকাশ্যে এৰো কৰবলৈকো তেওঁৰ সাহ নাছিল। উভতি গৈ মন্ত্ৰীয়ে খলিফাৰ আগত সকলো কথা আনু-ক্ৰমিক ভাবে বৰ্ণনা কৰি গ'ল। পাৰিষদ মণ্ডলীৰ স'তে পৰামৰ্শ কৰি ক্ৰোধান্বিত খলিফাই বুজিলে যে যুগৰ শ্ৰেষ্ঠ সাধক এই মহান পুৰুষজনৰ বিৰুদ্ধে কোনো ব্যৱস্থাগ্ৰহণেই সম্ভৱ নহয়। তেনে কামলৈ আগবাঢ়িলেই সমগ্ৰ মুছলিম জাহানে হয়তো বিদ্ৰোহ ঘোষণা কৰিব। উপায়ান্তৰ হৈ চিন্তিত খলিফাই নিজৰ মান-মৰ্য্যাদা আৰু খলিফাৰ আসনখনি ৰক্ষা কৰিবলৈ নিজেই গৈ হজৰত ৰবপীৰ চাহেবৰ ওচৰ পালেগৈ। হজৰত ৰবপীৰ চাহেবে আদৰ-সমাদৰ কৰি খলিফাক বহুৱালে আৰু খলিফা পদৰ অৰ্থ, তেওঁৰ দায়িত্ব, কৰ্ত্তব্য, খোদা-ৰছুলৰ বিধি, নিষেধ, আজ্ঞা, আদেশ সম্বন্ধে বহুলভাবে আলোচনা কৰি খলিফাক নিজ কৰ্ত্তব্য সুস্থভাবে সম্পন্ন কৰিবলৈ আদেশ দিলে। তেওঁ মন্ত্ৰীৰ আগত কোৱাৰ দৰেই খলিফাকো ক'লে,—"খলিফা জনসাধাৰণৰ দাস আৰু তেওঁ নিজেও আন সকলোৰে (জনসাধাৰণৰ দৰে) দৰে সৃষ্টিকৰ্ত্তা খোদাৰ দাস।" এই আলোচনাত খলিফাই হজৰত ৰবপীৰ চাহাবৰ গভীৰ জ্ঞানৰ পৰিচয় পালে আৰু আত্ম উপলব্ধিৰ বাবেও সমল যোগাৰ কৰিলে। নিজৰ স্বৈৰাচাৰ আৰু ভুল আচৰণৰ বাবে অনুতাপ কৰি খলিফাই চকুলো টুকিলে। খলিফাৰ এনে নম্ৰ আচৰণত আৰু আত্ম-উপলব্ধিৰ পৰিচয় পাই হজৰত ৰবপীৰ চাহেবে খলিফাৰ মূৰত হাতফুৰাই ক'লে—"মই মোৰ কৰ্ত্তব্য কৰিছোঁ, আপুনিও নিজ কৰ্ত্তব্য চম্ভালি লওক। মই যিজন অত্যাচাৰী, মদগৰ্ব্বী খলিফাৰ শিৰশ্ছেদ কৰিবলৈ বিচাৰিছিলোঁ, তেওঁৰ শিৰশ্ছেদ কৰা হ'ল। তেওঁৰ থলত এতিয়া আপুনি ৰাজ্যভাৰ (শাসনভাৰ) গ্ৰহণ কৰক। কিন্তু কেতিয়াও পাহৰি নেযাব যে আপুনি খলিফা

অৰ্থাৎ জনকল্যাণৰ হকে খোদা আৰু ৰছুলৰ প্ৰতিনিধি। শক্তিকে নিজ কৰ্তব্য সম্পাদনত যেন খোদা আৰু ৰছুলৰ অমৰ্য্যাদা নকৰে, সততে তালৈ লক্ষ্য ৰাখি চলিব।"

হজৰত ৰবপীৰ চাহেবৰ সাৰগৰ্ভ উপদেশ, সতৰ্কবাণীৰ বিষয়ে উপলব্ধি কৰিব পাৰি এইবাৰহে খলিফাই নিজৰ ভুল বুজিব পাৰিলে। হজৰত ৰবপীৰ চাহেব ন্যায়-নীতি অতি কঠোৰভাবে পালন কৰিছিল আৰু লোককো অনুশীলন কৰিবলৈ আজ্ঞা দিছিল। সকলো প্ৰকাৰৰ অনাচাৰ, দুৰ্নীতিৰ বিৰুদ্ধে তেওঁৰ অভিযান চলিছিল। হজৰত ৰবপীৰ চাহাবৰ সাহস, স্পষ্টবাদিতা আৰু ৰাজনীতিজ্ঞানৰ উপৰিও গভীৰ অন্তৰ্দৃষ্টিৰ পৰিচয় পাই তেওঁৰ প্ৰতি শ্ৰদ্ধাবনত হৈ খলিফাই কাজী পদৰ পৰা সেই অত্যাচাৰী জালিম কাজীজনক পদচ্যুত কৰিলে। হজৰত ৰবপীৰ চাহেবে খলিফাক হিয়া উবুৰিয়াই দোৱা (আশীৰ্ব্বাদ) কৰিলে।

গভীৰ অন্তৰ্দৃষ্টি

এদিন এজন বিখ্যাত সাধক হজৰত আবুল হাচান চা'দ হজৰত ৰবপীৰ চাহেবৰ ওচৰলৈ আহিল। তেওঁ আহি পোৱাৰ আগতে হজৰত ৰবপীৰ চাহেবৰ ভাষণ আৰম্ভ হৈছিল। আহি পোৱাত পলম হোৱাৰ বাবে হজৰত আবুল হাচানে হেঁপাহ কৰা মতে সম্মুখৰ শাৰীত আসন নাপালে। হজৰত ৰবপীৰ চাহেবৰ অমৃতময়, বহু-মূলীয়া আলোচনা আৰু উপদেশাৱলী শুনিবলৈ হেঁপাহ কৰা অসংখ্য লোকে ইতিমধ্যে সম্মুখৰ শাৰীবোৰ পূৰাই পেলাইছিল। সেয়ে হজৰত আবুল হাচানে হেজাৰ হেজাৰ মানুহৰ পাছত বহিবলগীয়া হ'ল। সেই সময়ত আলোচনা হৈ আছিল—এবাদৎ (উপাসনা) সম্পৰ্কে। সাধক হজৰত আবুল হাচানৰ বৰ হেঁপাহ আছিল সিদিনা

তেওঁ হজৰত বৰপীৰ চাহেবক মাৰেফাৎ (গুপ্ত বিষয়ক জ্ঞান : নিগূঢ় তত্ত্বজ্ঞান) সম্বন্ধে আলোচনা কৰিবলৈ অনুৰোধ জনাব। পলমকৈ আহি পোৱাৰ বাবে তেওঁৰ মনত গভীৰ দুখ আৰু ক্ষোভ জন্মিল। কিন্তু কি আচৰিত কথা—ভক্তৰ নীৰৱ আকুতি তেওঁ শুনিবলৈ পালে আৰু হঠাতে বক্তৃতাৰ মোৰ সলাই মাৰেফাৎ (গুপ্ত বিষয়ক জ্ঞান) প্ৰসঙ্গৰ আলোচনাৰ অৱতাৰণা কৰিলে। হজৰত আবুল হাচানৰ উপস্থিতিৰ কথাও হজৰত বৰপীৰ চাহেবে গম পাইছিল। এই ঘটনা দেখি হজৰত আবুল হাচানে তেওঁৰ অন্তৰৰ আকুল আবেদনৰ এনে প্ৰতিক্ৰিয়া দেখি বিস্ময় আৰু আনন্দত অভিভূত হৈ পৰিল। তেওঁৰ ভাব হ'ল—'পাৰ্থিব আকাঙ্ক্ষা' (শওক) সম্বন্ধেও যদি অলপ আলোচনা কৰিলেহেঁতেন!! ক্ষন্তেক পিছতে—অপূৰ্ব্ব দক্ষতাৰে এই সম্পৰ্কে কৰা মনোগ্ৰাহী আলোচনা শুনি হজৰত আবুল হাচান বিস্মিত হ'ল। তেওঁৰ দৃঢ়বিশ্বাস জন্মিল যে হজৰত বৰপীৰ চাহেবে তেওঁৰ মনৰ অভিলাষ জানিব পাৰিয়েই এইদৰে বিষয়ান্তৰলৈ গৈছে। সেয়ে তেওঁ এই প্ৰত্যয়ৰ পৰখ কৰি চাবলৈকে অন্য অন্য বিষয়লৈ মনোনিবেশ কৰিবলৈ ধৰিলে। লগে লগে হজৰত বৰপীৰ চাহেবেও একাদিক্ৰমে ভক্তৰ মনোবাসনা পূৰণাৰ্থে সেই বিষয়সমূহ সম্পৰ্কে আলোচনা শেষ কৰি সৰ্ব্বশেহত ফানা (ধ্বংস), বাকা (স্থায়িত্ব), হুজুৰী (উপস্থিতি) আৰু গায়েবাত (পৰকাল বা অদৃশ্যমানতা) সম্বন্ধে আলোচনা কৰি নিজৰ সাৰগৰ্ভ বক্তৃতাৰ সামৰণি মাৰিলে। সামৰণিত হজৰত বৰপীৰ চাহেবে তেওঁৰ প্ৰিয়ভক্ত, সাধকপ্ৰবৰ আবুল হাচানক সম্বোধন কৰি ক'লে—"আবুল হাচান, আপোনাৰ বাবে ইয়াতকৈ আৰু বেছি একোৰে আৱশ্যক নাই।" এইকথা শুনাৰ পিছত বিস্ময় আৰু আনন্দত অধীৰ হৈ থকা আবুল হাচানে বলিয়াৰ দৰে আৰ্ত্তনাদ কৰি চেতন হেৰুৱাই পেলাইছিল।

তেওঁৰ সাৰগৰ্ভ, বহুমূলীয়া বক্তৃতা শুনিবলৈ দূৰ দূৰান্তৰৰ পৰা অহা ভক্তসকলৰ মনৰ অভিলাষ এইদৰেই পূৰণ হৈছিল। কোনো

নিৰাশ হৈ উভতি যাবলগীয়া হোৱা নাছিল। আগধৰি তেওঁক জনাই যোৱাত অসুবিধা হলেও আত্মাৰ বিশেষ শক্তিৰ বলত তেওঁ ভক্তসকলৰ মনোবাসনা বুজি পাইছিল। পীৰ, ফকিৰ আদি আধ্যাত্মজগতত বিচৰণশীল অসাধাৰণ লোকসকলৰ একোখন স্বতন্ত্ৰ জগত আছে। তেওঁবিলাকৰ ৰীতি-নীতিও সাধাৰণ মানুহতকৈ বেলেগ। সাধাৰণ চকুৰে চাবলৈ গলে সাধাৰণ মানুহৰ বাবে সেই ৰীতি-নীতি সমূহ বোধগম্য নহয় যদিও—এই ৰীতিসমূহৰ প্ৰভাৱ পাৰ্থিৱ নানা ঘটনাৱলীৰ ওপৰত প্ৰতিফলিত হয়। আত্মাৰ অপৰিসীম শক্তিয়ে এই পীৰ-ফকিৰ সকলক স্বতন্ত্ৰ ব্যক্তিত্ব দান কৰে। খোদাৰ সৃষ্টি এই বিশাল পৃথিৱীত এই অসাধাৰণ মানবসকল যেন সদা-সতৰ্ক, সজাগ ৰখীয়া, বিশেষকৈ হজৰত ৱৰপীৰ চাহেবৰ এই অসাধাৰণ আত্মিক শক্তি (ৰুহানী শক্তি)ৰ বহু দৃষ্টান্ত আছে। তেওঁৰ বহুমূলীয়া বক্তৃতামালা আৰু প্ৰতিদিনৰ কাৰ্য্যাৱলীয়ে তেওঁৰ এই শক্তিৰ পৰিচায়ক।

হয়তো বহুতে এই ঘটনাসমূহ মানবশক্তিৰ অতীত বুলিও ভাবিব পাৰে। কিন্তু আধুনিক বৈজ্ঞানিক গবেষণাসমূহে জানো প্ৰমাণ নকৰে যে মানববুদ্ধিৰ অগম্য বুলি বিবেচিত হোৱা বহু দুঃসাধ্য কথাকাণ্ডও সময়ত সুগম হৈ পৰিছে। মনোবিজ্ঞানৰ বহুল চৰ্চ্চা আদিয়ে প্ৰমাণ কৰি দেখুৱাইছে যে মানুহে মনৰ একাগ্ৰীকৰণৰ দ্বাৰা বহু দূৰৰ বস্তু প্ৰত্যক্ষ কৰিব পাৰে। দূৰৰ কথা শুনিব পাৰে, অন্যৰ হৃদয়ৰ কথা কব পাৰে। অইনৰ ভাবধাৰা অনুসৰণ কৰাই মাথোন নহয়, নিজৰ হৃদয়ত তাৰ প্ৰতিফলন কৰিব পাৰে। ভাবৰ এই পঠন, প্ৰতিফলনৰ দ্বাৰা দূৰৰ বহুবিষয় স্বপ্নাভিভূত হৈ প্ৰত্যক্ষ কৰাৰ কথাও জানিব পৰা গৈছে। Clairvoyance নামৰ এই প্ৰক্ৰিয়া বহুলভাবে ব্যৱহৃত হোৱা নাই যদিও অনুৰাগী, অনুসন্ধিৎসু লোকসকলে এই প্ৰক্ৰিয়াৰ প্ৰয়োগ কৰে। অৱশ্যে এই সাধনা কঠোৰ আৰু প্ৰতিক্ৰিয়াও অস্থায়ী।

পীৰ-ফকিৰ, সাধকসকলে কিন্তু পৰম করুণাময় খোদাৰ নামত পৰিপূৰ্ণভাবে আত্মসমৰ্পণ কৰি উপাসনা আৰাধনাৰ দ্বাৰা আত্মশুদ্ধি কৰি স্থায়ীভাবে সেই শক্তি আহৰণ কৰিব পাৰে। এই সাধকসকলৰ অন্তৰত নানাবিধ শক্তি আৰু অসাধাৰণ ঘটনাৰ খেল চলি থাকে। মনোবিজ্ঞানী আৰু সাধক, মহাপুৰুষ সকলৰ মাজত সেয়েহে আকাশ পাতাল প্ৰভেদ! হজৰত বৰপীৰ চাহাবৰ গভীৰ অন্তৰ্দৃষ্টি আৰু অসাধাৰণ বলিষ্ঠ কণ্ঠ এই ধৰণৰ অসাধাৰণ শক্তিৰ পৰিচায়ক।

প্ৰতিদিনে হজৰত বৰপীৰ চাহেবৰ বক্তৃতা শুনিবলৈ মানুহৰ সংখ্যা ক্ৰমান্বয়ে বাঢ়ি আহিছিল। প্ৰতি সপ্তাহত তিনিদিনকৈ বক্তৃতা দিয়াৰ ব্যৱস্থা থকা স্বত্বেও কোনোদিনেই শ্ৰোতাৰ সংখ্যা নকমি বৰং একোদিনা একোঠাইত সত্তৰ আশীহেজাৰ মানুহ গোট খাইছিল। সেই যুগত যান-বাহনৰ সুচল নাছিল। ৰেল, উৰাজাহাজ নিলগৰে কথা,—মটৰ, জাহাজৰ প্ৰচলনো তেনেকৈ নাছিল বুলিলেই হয়। তথাপিও দূৰক ওচৰ কৰিবলৈ এক অদ্ভুত মনোবলেৰে দূৰ-দূৰণিৰ পৰা মানুহ আহিছিল তেওঁৰ বহুমূলীয়া উপদেশাৱলী শুনিবলৈ। যান-বাহন বুলিবলৈ আছিল মাথোন ঘোঁৰা, উট, গাধ। নতুবা খোজ কাঢ়িয়েই দূৰত্ব অতিক্ৰম কৰিব লাগিছিল। দুৰ্গম পথৰ কষ্ট হেলাৰঙে নেওচি দলে দলে বহু আশাৰে লোকসকল আহিছিল। সাধাৰণ মানুহেই নহয়— বহু সাধক, পীৰ-অলী-আল্লাহো আহিছিল তেওঁৰ বক্তৃতা শুনিবলৈ। কিন্তু হেঁপাহ থকা সত্ত্বেও যিসকল জ্ঞান-পিপাসু ভক্তই তেওঁৰ বক্তৃতা সভাত যোগ দিবহি নোৱাৰিলে, তেওঁলোকৰ মনোবাঞ্ছাও পূৰ্ণ হৈছিল এক অদ্ভুত অভূতপূৰ্ব উপায়ে।

বহু গুণী, জ্ঞানী সাধকে দূৰৰ পৰাই নিজ সাধনাৰ বলেৰে তেওঁৰ অমূল্যবাণী শুনিছিল। উভয় পক্ষৰ আত্মিক শক্তিৰ যোগাযোগ থকাৰ বাবেই এনে অসম্ভৱো সম্ভৱ হৈ উঠিছিল। তত্ত্বপিপাসু আগ্ৰহশীল শ্ৰোতাসকলৰ হেঁপাহ এই দৰেই পূৰণ হৈছিল। আজি বিজ্ঞানৰ ক্ৰমোন্নতিৰ যুগত জড়-জাগতিক শক্তিৰ সাহায্যত যি শক্তিৰ বিকাশ

সম্ভৱপৰ হৈছে, আধ্যাত্মবাদী সকলে তাতোকৈ অধিক শক্তিৰ প্ৰকাশ সম্ভবপৰ বুলি কাহানিবাই প্ৰমাণ কৰি থৈ গৈছে। বায়ু জগতত ভাহি থকা শব্দ তৰংগ, যন্ত্ৰৰ সহায়ত ধৰি যি বিষয়সমূহ আজি মানুহে নিজ আয়ত্বাধীন কৰিছে, উচ্চস্তৰৰ আধ্যাত্মিক শক্তিৰ বলত, সাধক সকলে সেয়া সম্ভবপৰ বুলি প্ৰমাণ কৰিছে। বৰং জড় জাগতিক শক্তিৰ সাহায্যত চলা ক্ষমতা ক্ষণস্থায়ী আৰু পৰ সাহায্যৰ ওপৰত নিৰ্ভৰশীল। সেয়ে, সাধাৰণভাবে চাবলৈ গলে এনে কাৰ্য্য বিস্ময়কৰ যেন লাগিলেও প্ৰকৃততে ই অসম্ভৱ বা অবাস্তৱ নহয়।

সৃষ্টিকৰ্ত্তা পৰম করুণাময় আল্লাহ তাআ'লাৰ অনুগ্ৰহ আৰু শক্তিৰে যিসকলে নিজক কৃতাৰ্থ কৰিবলৈ সক্ষম হৈছে, সেই সকলৰ বাবে এনে আৰু বহুতো বিস্ময়কৰ কথাও সম্ভবপৰ। হজৰত বৰপীৰ চাহেবৰ কণ্ঠ আছিল ওজস্বী। গুৰু-গম্ভীৰ কণ্ঠেৰে উচ্চাৰণ কৰা প্ৰতিটো শব্দই শ্ৰোতাক অভিভূত কৰি তুলিছিল। আত্মাৰ শক্তি অবিনশ্বৰ। এই সক্ৰিয় শক্তিৰ বলতে সাধাৰণ মানুহৰ ধাৰণাৰ অতীত কাৰ্য্যসমূহ সম্ভৱপৰ হৈছিল।

দলে দলে তেওঁৰ গুণমুগ্ধ ভক্তসকল আহিছিল বক্তৃতা শুনি জ্ঞানৰ পিয়াহ পূৰাবলৈ। এই সকলৰে অন্যতম আছিল হজৰত আদী ইবনে মুছাফিৰ। বিশেষ আতুকালত যেতিয়া তেওঁ মজলিছত যোগদান কৰিবলৈ অক্ষম হৈছিল, তেতিয়াও বহু দূৰত থাকি শ শ মাইল আঁতৰৰ পৰা হজৰত বৰপীৰ চাহেবৰ বক্তৃতা শুনিবলৈ পাইছিল। ভক্তসকল, বন্ধু-বান্ধবক লগত লৈ 'আলেপ্পো' নামৰ পৰ্ব্বতৰ ওপৰত আটায়ে বহি লৈছিল গৈ। তাত হজৰত আদী ইবনে মুছাফিৰে এটি বৃত্ত আঁকি লৈছিল। দল-বল সমন্বিতে আটায়ে বৃত্তৰ মাজত বহি লৈছিল। সেই ঠাইত বহি হজৰত বৰপীৰ চাহেবৰ বক্তৃতাৰ প্ৰত্যেক বৰ্ণই তেওঁলোকে স্পষ্টভাবে শুনিছিল।

এই সাৰগৰ্ভ বক্তৃতাসমূহ লিখি ৰখাৰো ব্যৱস্থা আছিল। হজৰত মোহাম্মদ (দঃ)ৰ সময়ৰ পৰা পবিত্ৰ কোৰাণৰ প্ৰত্যেকটি আয়াত

(বাক্যাংশ) লিখি ৰখাৰ নিয়ম চলি আহিছে। লিখি ৰখাৰ উপৰিও এদল লোকে এই আয়াত সমূহ মুখস্থ কৰি ৰাখিছিল। সেয়ে ইছলামৰ পবিত্ৰ গ্ৰন্থ কোৰাণ আৰু হজৰত মোহাম্মদ (দঃ) ৰ প্ৰত্যেকটি বাণী [হাদিছ] সমূহ আজিও অকণো বিকৃত নোহোৱাকৈ সংৰক্ষণ কৰা হৈছে। হজৰত ৰৰপীৰ চাহেব আৰু অন্যান্য সাধকসকলৰ বহুমূলীয়া বাক্যাৱলীও এইদৰে লিখি ৰখা ব্যৱস্থা কৰা হৈছিল। আজিকোপতি এই নিয়ম চলি আহিছে।

বক্তৃতা সমূহ, লিখি ৰখাৰ পিছত বিভিন্ন লিপিকাৰৰ লিপিসমূহ মিলাই চোৱা হৈছিল। ক'ৰবাত কিবা ভুল-চুক হৈ গ'লে হজৰত গওচল আজম ৰৰপীৰ চাহেবে নিজেই শুধৰাই দিছিল। মজলিছত উপস্থিত থাকি বাণীসমূহ লিখি ৰখাজনৰ লিখাৰ লগত সুদূৰ 'আলেপ্পো' পৰ্ব্বতৰ ওপৰত বহি লিখাজনৰ লিখাৰ অলপো অমিল নহৈছিল। বৰং মজলিছত উপস্থিত থকা লিপিকাৰৰ লিখাত কিবা হীনডেঢ়ি, ত্ৰুটি-বিচ্যুতি ঘটিলেও হজৰত আদী বীন্ মুছাফিৰৰ লিখাত একো ত্ৰুটি নৰৈছিল। আনকি বক্তৃতাৰ তাৰিখ, সময়, আৰু ঠাই পৰ্য্যন্ত উল্লেখ কৰা আছিল, সম্পূৰ্ণ নিৰ্ভুলভাৱে।

হজৰত আবুছৈয়দ মোকৰৰমীৰ পৰা পৰিচালনা কৰিবলৈ লোৱা মাদ্ৰাছাৰ আকাৰ দিনেক দিনে বাঢ়ি আহিল। দূৰ-দূৰান্তৰৰ পৰা অহা জ্ঞান-পিপাসু ছাত্ৰৰ দলে তেওঁৰ ওচৰ চাপিছিল—হজৰত ৰৰপীৰ চাহাবৰ অতলস্পৰ্শী জ্ঞান-সমুদ্ৰৰ পৰা অমূল্য ৰত্ন আহৰণৰ বাবে। তেওঁৰ সৌভাগ্যশালী ছাত্ৰসকলে পাছৰ জীৱনত আপোন আপোন কৰ্ত্তব্য পথ বাছি লৈ সাংসাৰিক বিভিন্ন ক্ষেত্ৰ যেনে—শিল্প-বাণিজ্য, শিক্ষাকেন্দ্ৰ স্থাপনা, পৰিচালনা কৰাৰ উপৰিও আধ্যাত্মিক জগততো নিজ নিজ অৱদান আগবঢ়াই থৈ গৈছে।

মাথোন ছাত্ৰই নহয়—বিভিন্ন বিশ্ববিদ্যালয়ৰ পৰা উচ্চ শিক্ষা গ্ৰহণ কৰা ভালেমান পণ্ডিত, সাধু-সন্তয়ো এই মাদ্ৰাছালৈ আহি জ্ঞান আহৰণ কৰিছিল। মাথোন, চকুৰ দেখাৰে নয়ন-মন সাৰ্থক কৰি

জীৱন ধন্য কৰিবলৈকো বহুলোক আহিছিল। সেই দৰেই এখন মাখোন চকুৰে মাদ্ৰাছা দেখাৰ পিছতে তেওঁলোকৰ অধিকাংশই জ্ঞান-লাভৰ বাবে এই ঠাইতে ৰৈ গৈছিল। এই সকলৰ ভিতৰত সঙ্গতি সম্পন্ন সকলে ওস্তাদ হজৰত বৰপীৰ চাহেবৰ বাবে বহুমূলীয়া নানাবিধ উপঢৌকন লৈ আহিছিল। হজৰত বৰপীৰ চাহেবে সেই উপঢৌকন সমূহৰ পৰা অতি সামান্য অংশ নিজৰ বাবে ৰাখি বাকীখিনি দুখীয়া নিচলাক বিলাই দিছিল। ছাত্ৰসকলক বিনা মূলীয়াকৈ শিক্ষা দিয়া হৈছিল আৰু তেওঁলোকৰ সম্পূৰ্ণ ব্যয়ভাৰ হজৰত বৰপীৰ চাহেবে নিজে বহন কৰিছিল। যি সকল সাধু-সন্ত, পীৰ-ফকিৰে মাখোন তেওঁৰ সান্নিধ্য লাভৰ সুযোগ সুবিধাৰ বাবেই তেওঁৰ ওচৰত বিনীতভাবে উপস্থিত হৈছিলহি, সেই সকলৰ বাবে আৱশ্যকীয় ব্যয়ভাৰো হজৰত বৰপীৰ চাহেবেই বহন কৰিছিল।

লোক সমাজত আত্মপ্ৰকাশৰ পাছত দীঘলীয়া একুৰি তেৰ বছৰ কাল হজৰত বৰপীৰ চাহেবে মানুহক পৰম শান্তিদাতা সৃষ্টিকৰ্ত্তাৰ বাটলৈ আহ্বান কৰি গৈছে। হজৰত আবুছৈয়দ মোকৰৰমী চাহেবৰ পৰা পৰিচালনা কৰিবলৈ লোৱা মাদ্ৰাছাৰ ছাত্ৰসকলক নিয়মিত ভাবে পাঠ দিয়া তেওঁৰ বহু ব্যস্ততাপূৰ্ণ কাৰ্য্যসূচীৰ অন্যতম আছিল। ইছলামী শাস্ত্ৰৰ বহুতো গবেষণামূলক গ্ৰন্থত বহু জটিল প্ৰশ্নৰ সমাধান তেওঁ কৰি থৈ গৈছে। তেওঁনো এই ব্যস্ততাপূৰ্ণ গধুৰ কাৰ্য্যভাৰ লৈয়ো তত্বজ্ঞানৰ অন্বেষণ কেনেকৈ কৰিছিল আৰু গবেষণামূলক জটিল প্ৰশ্নৰ সমাধানতো আত্মনিয়োগ কৰিছিল, ভাবিলে বিস্ময় মানিব লাগে। মহান সাধকৰ বিশেষ শক্তিৰ বাবেহে এনে সুকঠিন আৰু সুমহান কৰ্ত্তব্য তেওঁ সম্পন্ন কৰিবলৈ সক্ষম হৈছিল। তেওঁৰ ছাত্ৰ সকলৰ ভিতৰত পাঁচজনে বিশেষ খ্যাতি অৰ্জ্জন কৰিবলৈ সক্ষম হৈছিল। তেওঁলোক যেন পঞ্চৰত্নহে! এইখিনিতে এই কথা উন্মুকিয়াই থব পাৰি যে, হজৰত বৰপীৰ চাহেবৰ সান্নিধ্য লৈ অহা তত্বজ্ঞান-পিপাসু লোকসকল চুম্বকৰ দ্বাৰা আকৰ্ষিত লোৰ দৰে আছিল।

সময় বিশেষে তেওঁৰ প্ৰতি বিৰূপভাব লৈ তেওঁক সমালোচনা কৰিবলৈ অহা জনো তেওঁৰ প্ৰতি গুণমুগ্ধ হৈ অৱশেষত তেওঁৰ ওচৰত 'মুৰীদ' (দীক্ষা গ্ৰহণ) হৈছিল।

পঞ্চৰত্ন

হজৰত বৰপীৰ চাহেবৰ প্ৰিয়ছাত্ৰ পাঁচজন হ'ল—

(১) বিখ্যাত ব্যাকৰণ শাস্ত্ৰবিদ আবু মহম্মদ আল খোচ্ আৱ,

(২) ছুফী ছেক আকুল হাচেন,

(৩) কুতুব (সন্ত) হজৰত ছেক আলী বীন হিতি,

(৪) আওতাদ (সন্তসম্বন্ধী) হজৰত ছেখ বাকী বীন বাতু,

(৫) শিক্ষাবিদ ছেখ চাহাবুদ্দিন চোৰৱাৰ্দ্দী।

এই পাঁচ গৰাকী প্ৰিয় শিষ্য আৰু ছাত্ৰই হজৰত বৰপীৰ চাহাবৰ সুগভীৰ জ্ঞান-সাধনাত মুগ্ধ হৈ জীৱন ধন্য কৰিছিল। হজৰত গওচল আজমৰ জ্ঞানৰ গভীৰতা আৰু পাণ্ডিত্য সম্বন্ধে বহু জনশ্ৰুতি আছে। তাৰ ভিতৰত দুটি এটি লক্ষ্য কৰিলেই তেওঁৰ অসাধাৰণ পাণ্ডিত্যৰ পৰিচয় পোৱা যায়। মাথোন পুথিগত বিদ্যাৰ সহায়তেই সদায় সমস্যা সমাধান নহয়—মেধাশক্তিৰো আৱশ্যক আৰু এই মেধা আহৰণ কৰিব পৰা হয় বিদ্যাৰ অনুশীলনৰ পৰা। দৈনন্দিন জীৱনত সমাধান কৰা সমস্যাৱলীৰ পৰা তেওঁৰ অসাধাৰণ ধীশক্তিৰ পৰিচয় পোৱা যায়।

ছেখ জামালুদ্দিন বীন জওজী নামৰ এজন বিখ্যাত পণ্ডিত আছিল। ইছলামী শাস্ত্ৰত তেওঁৰ গভীৰজ্ঞান। কিন্তু ছুফী মতবাদৰ তেওঁ ঘোৰ বিৰোধী। অলী আল্লাহ (পীৰ ফকিৰ, সাধু-সন্ত) সকলৰ প্ৰতি তেওঁ সদায় বিদ্ৰূপবাণ এৰিছিল। অন্তৰ কথাই নকওঁ—হজৰত বৰপীৰ চাহেবৰ বিপক্ষেও তেওঁ নিন্দা প্ৰচাৰ, ভ্ৰূকুটি কটাক্ষত পিছ পৰা নাছিল।

এদিন ঘটনাক্ৰমে এই পণ্ডিত প্ৰবৰো হজৰত বৰপীৰ চাহেবৰ মজলিছত অপ্ৰস্তুত হবলগীয়া হৈছিল। সচৰাচৰ দিয়াৰ দৰে সিদিনাও হজৰত বৰপীৰ চাহেবে তেওঁৰ ছাত্ৰসকলৰ আগত পবিত্ৰ কোৰাণৰ তফছীৰ (অৰ্থ, টীকা, ভাষ্য) ব্যাখ্যা কৰি আছিল। প্ৰতিটি আয়াত (বাক্যাংশ) আবৃত্তি কৰি তেওঁ লগে লগে তাৰ ব্যাখ্যা কৰি গৈছিল। লগে লগে উল্লেখ কৰি গৈছিল—বিভিন্ন ভাষ্যকাৰৰ নাম। সিদিনাৰ মজলিছত ছেখ জামালুদ্দিন বীন জওজীও তেওঁৰ এজন শিষ্যৰে সৈতে উপস্থিত আছিল। হজৰত বৰপীৰ চাহেবৰ মুখত এনে উচ্চস্তৰৰ ব্যাখ্যা শুনি তেওঁ বিস্মিত, অভিভূত হৈ পৰিছিল। এবাৰ ছেখ জওজীৰ গুণমুগ্ধ শিষ্যজনে ছেখ জওজী চাহেবক এটি আয়াতৰ (বাক্য) বিষয়ে সুধিলে—"আপুনি এই বিষয়ে কি কয়? এই বাক্যৰ কেই প্ৰকাৰ ব্যাখ্যাৰ বিষয়ে আপুনি জানে?" প্ৰিয় শিষ্যৰ এনে প্ৰশ্নই ছেখ জওজীক বিপন্ন অৱস্থাত পেলালে। বৰ কষ্টেৰে তেওঁ মাথোন এঘাৰ প্ৰকাৰ ব্যাখ্যাহে সুঁৱৰিব পাৰিলে। কিন্তু সেই একে আয়াতৰে হজৰত বৰপীৰ চাহেবে চুকুৰি (চল্লিশ) বিভিন্ন প্ৰকাৰ ব্যাখ্যা আৰু লগতে ভাষ্যকাৰসকলৰ নামো অবলীলাক্ৰমে আওৰাই গ'ল। অৱশেহত তেওঁ শিষ্যসকলক ক'লে—"সাম্প্ৰতিক ভাবে তোমালোকৰ বাবে এয়ে যথেষ্ট।" এই কথা শুনি ছেক জওজী উন্মাদ প্ৰায় হৈ পৰিল। তেওঁ নিজৰ পৰিধেয় বস্ত্ৰ ফালিছিৰি একো নাই কৰি পেলালে। ছেখ জওজীয়ে ইয়াৰ আগতে হজৰত বৰপীৰ চাহেবৰ বিপক্ষে অপপ্ৰচাৰত জিভা আৰু কলম উভয় অস্ত্ৰকে প্ৰয়োগ কৰিছিল। মজলিছত উপস্থিত থকা তত্ত্বপিপাসু আৰু ছাত্ৰসকলে ছেখ জওজীৰ পূৰ্ব্বৰ ছুফীমত বিৰোধিতা আৰু অলী আল্লাহৰ প্ৰতি বিৰূপ মনোভাবৰ কথা জানিছিল। সেয়ে তেওঁৰ এনে উন্মাদাৱস্থাৰ হেতু তেওঁলোকে বুজিব পাৰি সন্তুষ্ট হৈ উঠিছিল।

ব্যাকৰণ শাস্ত্ৰবিদ আবু মহম্মদ আল খোচ্‌আবে বিভিন্ন বিশ্ববিদ্যালয়ৰ পৰা শিক্ষালাভৰ পিছত ব্যাকৰণশাস্ত্ৰত বিশেষ বুৎপত্তি

লাভৰ বাবে হজৰত ৰৰপীৰ চাহেবৰ ওচৰ চাপেহি আৰু কম সময়ৰ ভিতৰতেই ব্যাকৰণ শাস্ত্ৰত পাণ্ডিত্য লাভ কৰিবলৈ সমৰ্থ হয়।

ছুফী ছেখ আবুল হাচান আছিল এক বিখ্যাত অলী (সাধু, সন্ত) মেধাবী ছাত্ৰ হিচাবে সেইকালৰ ছাত্ৰমণ্ডলীৰ মাজত তেওঁ বিশেষভাবে পৰিচিত আছিল। অন্যান্য বিখ্যাত শিক্ষাকেন্দ্ৰত শিক্ষালাভ কৰি তেওঁ হজৰত ৰৰপীৰ চাহেবৰ অধীনত এবছৰ কাল শিক্ষা লয়। হজৰত ৰৰপীৰ চাহাবৰ ওচৰত তেওঁ অসাধাৰণ প্ৰতিভাৰ পৰিচয় দিবলৈ সমৰ্থ হয়। সাধাৰণ ছাত্ৰই কুৰিবছৰত আহৰণ কৰিব পৰা জ্ঞান তেওঁ এবছৰতে লাভ কৰিবলৈ সমৰ্থ হয়। পাণ্ডিত্য আৰু আধ্যাত্মিক শক্তিৰ আকৰ্ষণত হজৰত ৰৰপীৰ চাহেবে সকলো ছাত্ৰকে আকৰ্ষিত কৰিছিল।

আৰু এক সাধক আহিছিল। তেওঁ শিক্ষা সম্পন্ন কৰি নিজ ঠাইলৈ উভতি নগৈ মাদ্ৰাছাৰ সৰা-মোছা কামত আত্মনিয়োগ কৰিলে। সৃষ্টি-কৰ্ত্তা আল্লাৰ প্ৰেম আৰু শিক্ষাগুৰু হজৰত ৰৰপীৰ চাহেবৰ দোৱা (আশীৰ্ব্বাদ) লাভৰ বাবে তেওঁ এনে কামলৈ পিছ হুঁহুঁকা নাছিল। তেওঁৰ নাম—ছেখ আলী বীন হিতি।

হজৰত ছেখ বাকী বীন বাতু নামৰ আন এজন শিষ্য সম্বন্ধে এটি অদ্ভুত ঘটনা ইতিহাসত পোৱা যায়। হজৰত ৰৰপীৰ চাহাবৰ সান্নিধ্য-লৈ অহাৰ পিছত তেওঁ মাদ্ৰাছাৰ সৰা-মোছাৰ কাম কৰিছিল। তেওঁ হজৰতৰ শিক্ষা আৰু দোৱাৰ বৰকতত (গুণত, যত্নত) বৰ ডাঙৰ ফজিলত (মাহাত্ম্য)ৰ গৰাকী হৈছিল। তেওঁৰ ৰুহাণীশক্তি (আত্মিক) এনে পৰ্য্যায়লৈ উঠিছিল যে আল্লাৰ দৰবাৰত প্ৰাৰ্থনা জনালে হেনো মৃত ব্যক্তিজনেও খন্তেকৰ বাবে জীৱন লাভ কৰি কথা কবলৈ সক্ষম হৈছিল।

এইজনা সাধকৰ জীৱনীৰ অদ্ভুত ঘটনাৰ প্ৰসঙ্গত বুৰঞ্জীৰ পৰা জনা যায় যে এবাৰ এজন বিখ্যাত ফেকাহ শাস্ত্ৰবিদে লগত আৰু দুজন শিষ্যৰ সৈতে হজৰত ৰৰপীৰ চাহেবৰ যশ-গৌৰৱ (বিদ্যা আৰু

পাণ্ডিত্যৰ) কথা শুনি তেওঁৰ সান্নিধ্যলৈ আহে। হজৰত ছেখ বাকী বীন ৰাতু চাহাবৰ ইমামতিত (পৌৰোহিত্য) তেওঁলোকে ইছাৰ নামাজ (নিশাৰ প্ৰাৰ্থনা) পঢ়ি অঁতালে। হজৰত ছেখ চাহাবৰ কেৰাত (পবিত্ৰ কোৰাণৰ অংশ বিশেষ) পাঠ শুনি তেওঁলোকৰ অন্তৰত গভীৰ অশ্ৰদ্ধাৰ ভাব জাগিছিল। কিন্তু তেওঁলোকে হজৰত ছেখ চাহাবৰ সৌজন্যতে তেওঁৰে আশ্ৰয়ত নিশাটো কটাবলগীয়া হৈছিল। পুৱাতে উঠি গা ধোৱা ঘৰত সোমাই, গা-পা ধুই ওলাই আহি দেখে যে প্ৰকাণ্ড বাঘ এটাই তেওঁলোকৰ পিন্ধা কাপোৰ কানি টনা-আজোৰা লগাইছে। এনে ভয়াবহ দৃশ্য দেখি তেওঁলোকে প্ৰাণপণে চিঞৰিবলৈ ধৰিলে। চিঞৰ শুনি ছেখ চাহাব বাহিৰলৈ আহিল। ঘটনা দেখি তেওঁ আচৰিত হ'ল। ছেখ চাহাবক দেখিয়েই বাঘ শান্ত হ'ল আৰু পোহনীয়া কুকুৰৰ দৰে লেও সেও হৈ পৰিল। বাঘক সম্বোধন কৰি হজৰত ছেখ চাহাবে কঠোৰভাবে কলে,— "তুমি কিয় তেওঁলোকক বিৰক্ত কৰিছা? তেওঁলোকে মোৰ সম্বন্ধে যি ধাৰণাই নকৰক লাগিলে—তেওঁলোক আৰু মোৰ মাজৰ পাৰ্থক্য হ'ল ইমানেই যে মই যেতিয়া খোদাৰ ওচৰলৈ উভতি যাবলৈ অন্তৰ বিশুদ্ধ আৰু নিৰ্ম্মল কৰিছিলোঁ, তেতিয়া তেওঁলোকে মাথোন জিভা ইলুটি, সিলুটি কৰিছিল। তাৰ বাহিৰে আমাৰ মাজত পাৰ্থক্য একো নাই।"

ফকীহ (ফেকাশাস্ত্ৰবিদ) কেজনৰ মুখ ক'লা পৰি গ'ল। ছেখ বাকী বীন বাতু চাহাবৰ অসাধাৰণ আত্মিক শক্তিৰ পৰিচয় পাই তেওঁলোক বিস্ময়-বিমূঢ় হৈ পৰিল। নিজৰ অসদ্ মনোভাৱৰ বাবে লজ্জিত আৰু অনুতপ্ত হৈ তেওঁলোকে ছেখ চাহাবৰ ওচৰত ক্ষমা-প্ৰাৰ্থনা কৰিলে।

ছুফী মতবাদ সম্বন্ধে বহু বিখ্যাত গ্ৰন্থ আছে। সেই সমূহৰ ভিতৰত হজৰত বৰপীৰ চাহাবৰ অন্যতম প্ৰিয় আৰু যোগ্য শিষ্য ছেখ চাহাবুদ্দিন চোহৰাৱাৰ্দ্দী ৰচিত—'আৱাৰি ফুল-মা-আৰিফ' নামৰ

গ্ৰন্থখনিও বিশেষ উল্লেখযোগ্য। এইজনা সাধকে প্ৰথমাৱস্থাত বহু বিশ্ববিদ্যালয়ত শিক্ষা লাভ কৰাৰ পিছতহে হজৰত বৰপীৰ চাহেবৰ শিষ্যত্ব গ্ৰহণ কৰে। সকৰে পৰা তেওঁ অসাধাৰণ কষ্টসহিষ্ণু আছিল। অধ্যৱসায়ৰ ক্ষেত্ৰত তেওঁৰ দৃঢ়তা আছিল অতুলনীয়। বিভিন্ন দেশৰ বিখ্যাত পণ্ডিতসকলৰ গভীৰ পাণ্ডিত্যপূৰ্ণ ৰচনা পাঠ আৰু সেই সম্পৰ্কীয় আলোচনাতেই তেওঁ অধিক সময় ব্যয় কৰিছিল। ইয়াৰ পৰা তেওঁৰ আধ্যাত্মিক জ্ঞান বৃদ্ধি হৈছিল যদিও ধৰ্মসম্বন্ধে চিত্তচাঞ্চল্য ঘটিছিল। বিভিন্ন মতবাদৰ চাকনৈয়াত পৰি ধৰ্মসম্বন্ধে তেওঁ স্থিৰ এটি মতবাদ গ্ৰহণ কৰিব পৰা নাছিল। সেয়ে এদিন দদায়েক এজনে তেওঁক হজৰত বৰপীৰ চাহেবৰ ওচৰলৈ লৈ গ'ল আৰু সকলো বিবৰি ক'লেগৈ। প্ৰশান্ত ভাবে হজৰত বৰপীৰ চাহেবে সুধিলে—"কি কি বিষয়ৰ আৰু কোন কোন গ্ৰন্থকাৰৰ কি কি গ্ৰন্থ আপুনি অধ্যয়ন কৰিছে?" উত্তৰত—বিনীতভাবে হজৰত ছেখ চাহাবুদ্দিনে নানা বিষয়ৰ গ্ৰন্থৰ নাম উল্লেখ কৰিলে। হজৰত বৰপীৰ চাহেবে তেতিয়া নিজৰ পবিত্ৰ হাতডুখনি ছেখ চাহাবুদ্দিনৰ বুকুত থলে। তেতিয়াৰ পৰা ছেখ চাহাবুদ্দিনৰ বহু সাধনা-লব্ধ জ্ঞান ৰাশিয়ে নতুন ৰূপ লৈ তেওঁৰ চিত্তত প্ৰতিফলিত হ'ল। নতুন আধ্যাত্মিক সত্যৰ জেউতিয়ে তেওঁৰ হৃদয়-পটত নতুন পোহৰ ৰেঙনি সিঁচিলে। তেওঁৰ জীৱনৰ গতিয়ে তেতিয়াৰে পৰা মোৰ সলালে। পিছলৈ তেওঁ 'ছুফীসকলৰ ইমাম' আখ্যাও-লাভ কৰিবলৈ সমৰ্থ হৈছিল।

সঙ্কট পৰিস্থিতিৰ মাজত হজৰত বৰপীৰ চাহাবৰ সমস্যা সমাধানৰ দৃষ্টান্ত

সময়ে সময়ে হজৰত বৰপীৰ চাহাব একো একোটি জটিল পৰিস্থিতিৰ সন্মুখীন হবলগীয়া হৈছিল। বিখ্যাত জ্ঞানী-আলিম-ওলেমা (জ্ঞানী, শাস্ত্ৰজ্ঞ) সকলে জটিল সমস্যা একোপধ্যে সমাধান কৰিব নোৱাৰি

হজৰত ৰবী'ৰ চাহাবৰ ওচৰ চাপিছিল। সমস্যা বিমানেই জটিল নহওক লাগিলে—যিকোনো বিষয়ৰ মীমাংসাৰ বাবে তেওঁৰ দৰবাৰত (কামত, ওচৰত) প্ৰশ্ন তোলা হলে তেওঁ প্ৰথমেই তাক মনোযোগেৰে শুনিছিল আৰু তাৰ পিছত উত্তৰ দিছিল লিখিত ভাবে।

সাধাৰণৰ মনত এই ধৰণৰ জটিল সমস্যাসমূহৰ অবতাৰণা আকস্মিক যেন লাগিলেও প্ৰকৃততে ইয়াৰ অন্তৰালত আছিল পৰম কৰুণাময় খোদাৰ মহান উদ্দেশ্যসাধনৰ ইঙ্গিত। এই ঘটনাসমূহৰ আলমত জগতৰ সম্মুখত শিক্ষা আৰু আদৰ্শৰ দুৱাৰ মুকলি হৈছিল বুলিহে ধৰিব লাগে। তেওঁ আছিল অতিশয় তীক্ষ্ণ বুদ্ধিসম্পন্ন। ছাত্ৰাৱস্থাৰে পৰা মেধাৰ পৰিচয় দিয়াৰ কথা আমি প্ৰসঙ্গক্ৰমে উল্লেখ কৰিছোঁ। ব্যৱহাৰ শাস্ত্ৰ সম্বন্ধেও আছিল তেওঁৰ সুগভীৰ জ্ঞান। হেজাৰ-বিজাৰ এই ধৰণৰ সুক্ষ্ম-বিচাৰত তেওঁ ভাগ লব লগীয়া হৈছিল। বহু জটিল প্ৰশ্নৰ মীমাংসা সাধন কৰি বিপদ্‌গ্ৰস্ত জনসাধাৰণৰ উপকাৰ কৰাৰ উপৰিও তেওঁৰ মীমাংসাৰ সেই সুত্ৰ সমূহ আজিও দৃষ্টান্ত মূলক হিচাবে ব্যৱহৃত হৈছে।

এই প্ৰসঙ্গতে তেওঁ সমাধান কৰা দুটি সমস্যাজড়িত ঘটনাৰ উল্লেখ কৰিব পাৰি। দুজন গৃহস্থীৰ সমস্যা। এবাৰৰ ঘটনা—হজৰত ৰবী'ৰ চাহেবৰে এজন সহচৰে হঠাৎ প্ৰতিজ্ঞা কৰি পেলালে যে তেওঁ যদি হজৰত বায়েজীদ বোস্তমীতকৈ বেছি 'নেকী' (পুণ্য) আৰ্জিব নোৱাৰে, তেন্তে তেওঁৰ যেন পত্নীৰ লগত 'তালাক' (বিচ্ছেদ) হয়। হঠাৎ তেওঁ খামখেয়ালীভাবে এই প্ৰতিজ্ঞা কৰিলে হয়, পিছ মুহূৰ্ত্ততে তেওঁৰ মূৰত চৰগ ভাগি পৰিল। কি উপায়েনো তেওঁ এতিয়া এই প্ৰতিজ্ঞা পালন কৰে? হজৰত বায়েজীদ্ বোস্তমীতকৈ অধিক পুণ্য আৰ্জ্জন কৰাৰ উপায়েই বা কি, তাকে ভাবি-চিন্তি তেওঁ বিমোৰত পৰিল। অথচ অন্যথা হলেও তেওঁ কৰা অঙ্গীকাৰ মতে তেওঁৰ পত্নীৰ সৈতে বিচ্ছেদ ঘটিব। কিন্তু কি বিপদ! এই পুণ্যৰ বিচাৰো যে সহজ সাধ্য নহয়! ধন-সোণ, মণিমুক্তা নহয় যে ওজন

কৰিলেই সকলো সমস্যাৰ সমাধান হ'ব। অৱশেষত নিৰুপায় হৈ তেওঁ সৃষ্টিকৰ্ত্তা পৰম কৰুণাময় খোদাৰ ওচৰতে আত্মসমৰ্পণ কৰিলে। সমস্যা-সমাধানৰ কোনো উপায় বিচাৰি নাপাই তেওঁ হজৰত ৰবপীৰ চাহাবৰ ওচৰত সমস্যা নিবেদন কৰিলেগৈ। হজৰত ৰবপীৰ চাহাবে মনোযোগেৰে বিষয়টি শুনি দেখিলে যে ঘটনাটি অলপ অসাধাৰণ আৰু লগতে আকস্মিকো। কিন্তু খামখেয়ালীকৈ হলেও কিবা অঙ্গীকাৰ কৰিলে, (বিশেষকৈ ইছলামী চৰিয়তৰ লগত জড়িত সম্পৰ্কীয়) চৰিয়তে (ইছলামী ব্যৱহাৰ বিধি) কাকো অব্যাহতি নিদিয়ে। বৰং সকলো ধৰণৰ খামখেয়ালী প্ৰবৃত্তিক সুসংযত আৰু বিধিবদ্ধ কৰাৰ কঠিন আৰু কঠোৰ ব্যৱস্থা চৰিয়তেই লৈছে। গতিকে সকলোৱে নিশ্চিন্ত ভাবে ধৰি ললে যে এই নিৰ্ব্বোধ মানুহজনৰ কপালত আছে—কঠোৰ দণ্ডভোগৰ বিধান!

হজৰত ৰবপীৰ চাহাবৰ ওচৰত এই বিচাৰৰ ভাৰ উত্থাপন কৰাৰ আগতে সমস্যাটি লৈ বহু বিজ্ঞ আলিমে আলোচনা-সমালোচনা কৰিছিল, কিন্তু সমাধান কোনেও কৰিব পৰা নাছিল। হজৰত ৰবপীৰ চাহাবে তেওঁৰ অনুচৰ জনক অভয় দি ক'লে—"আপুনি স্থিৰ হওক, পত্নীৰ সৈতে বিচ্ছেদ আপোনাৰ নহয়। কিয়নো—আপুনি নিজে এজন অলী-আল্লাহ (সাধুসন্ত) শ্ৰেণীৰ মানুহ। সাধুতা আচৰণৰ উপৰিও আপুনি ইছলামী ব্যৱহাৰ শাস্ত্ৰত এজন সুপণ্ডিত ব্যক্তি (ফকীহ)। হজৰত বায়েজীদ বোষ্টমীতকৈ এই বিষয়ত আপুনি শ্ৰেষ্ঠ। তদুপৰি আপুনি গৃহস্থী। এজন বিবাহিত মানুহ। আপোনাৰ সতি-সন্তান আছে। আপুনি সিঁহতক লালন-পালন কৰিছে। এয়া জানো নেকী (পুণ্য)ৰ কাম নহয়? হজৰত বায়েজীদ বোষ্টমী যে গৃহস্থীও নহয়। গতিকে ভাবি চ'ক কোনে অধিক পুণ্যবান হোৱাৰ ভাগ্য আৰ্জ্জিছে? সমস্যাৰ সমাধান হ'ল। বিস্ময় শ্ৰদ্ধাত ওলেমা (শাস্ত্ৰজ্ঞ) সকল নতমুখ, হতবাক হৈ ৰ'ল।

আৰু এবাৰ—ইৰাক নগৰৰ এজন ভদ্ৰলোকে হঠাৎ মুখেৰে

উচ্চাৰণ কৰি পেলালে এইবুলি যে "যদি মই এক অভিনৱ উপায়েৰে আল্লাৰ বান্দেগী (উপাসনা) কৰিব নোৱাৰোঁ, তেন্তে যেন মোৰ পত্নীৰ লৈতে মোৰ বিবাহ-বিচ্ছেদ ঘটে।" হঠাৎ এনে কঠোৰ অঙ্গীকাৰ কৰি মানুহজনৰ অৱস্থা পুতৌলগা হ'ল। প্ৰতিজ্ঞা পালনৰ কোনো উপায় নিজে উলিয়াব নোৱাৰি বিখ্যাত পণ্ডিতসকলৰ কাষ চাপিলেগৈ। তেওঁলোকেও কোনো উপায় দিব নোৱাৰিলে। অৱশেষত সকলো মিলি হজৰত ৰবপীৰ চাহেবৰ ওচৰ পালেগৈ। মানুহজনে আল্লাৰ বন্দেগী কৰিব—এক অভূতপূৰ্ব্ব উপায়ে; যি উপায়ে কোনো মুছলমান লোকে আজিলৈকে খোদাৰ আৰাধনা কৰা নাই। এই সমস্যাৰ মীমাংসা সঁচাকৈয়ে জটিল। হজৰত ৰবপীৰ চাহাবে পোনতে ওলেমা (ইছলামী শাস্ত্ৰত সুপণ্ডিত) সকলৰ বিবৃতি পাঠ কৰি ললে আৰু তাৰ পিছত প্ৰতিজ্ঞাকাৰী মানুহজনৰ নিজ মুখত তেওঁৰ প্ৰতিজ্ঞাৰ বিষয়ে শুনিলে। তাৰ পিছত কিঞ্চিৎপৰ চিন্তা কৰি এইদৰে উত্তৰ দিলে—"এটি উপায় আছে—অভিনৱ ধৰণে আল্লাৰ বন্দেগী কৰিবলৈ। সেয়া হ'ল—এই মানুহজন পবিত্ৰ মক্কাছৰীফলৈ যাব আৰু কোনো এসময়ত 'কাবা ছৰিফ'ৰ পৰা সকলো মানুহ আঁতৰিলে—সেই শূন্য কা'বা গৃহৰ চাৰিওফালে সাতবাৰ প্ৰদক্ষিণ কৰিব। ইয়াৰ আগতে এইদৰে আৰু কোনেও 'কা'বা ছৰিফ' প্ৰদক্ষিণ কৰা নাই। গতিকে—এয়ে হ'ব এওঁৰ কাৰণে এবাদতৰ (উপাসনা) অভিনৱ পন্থা।"

পণ্ডিতসকলে হজৰত ৰবপীৰ চাহাবৰ এই ব্যৱস্থাতকৈ অন্য কোনো সুচিন্তিত উপায় উলিয়াব নোৱাৰাত আটায়ে তেওঁৰ এই ব্যৱস্থা বংমনে গ্ৰহণ কৰিলে। এই দুয়োটি ঘটনাৰ লগতে জড়িত আছে—ইছলামৰ দুটি নিৰ্দ্দেশ। প্ৰকাৰান্তৰে এনে ধৰণৰ ঘটনাৰ আলমতে এনে নিৰ্দ্দেশ বিশ্ববাসীৰ ওচৰত উত্থাপন কৰা হৈছিল। 'ইছলাম' সন্ন্যাস অৱলম্বনৰ পক্ষপাতী নহয়। আনহাতে—সাংসাৰিক জীৱন-যাপন কৰি মাথোন পাৰ্থিব সুখ-সম্ভোগত লিপ্ত হৈ মানৱ-জীৱনৰ প্ৰকৃত উদ্দেশ্য পাহৰি যোৱাটোও ইছলামে সমৰ্থন নকৰে।

প্ৰকৃত মুছলিমৰ ঘৰ-সংসাৰ, গৃহস্থালীও আল্লাৰ উদ্দেশ্যেই। সততা, নিষ্ঠা আৰু পবিত্ৰভাৱে কৰা প্ৰতিটো কামৰ বাবে নেকী (পুণ্য) নিৰ্দ্দিষ্ট আছে। এইবাবেই বিদ্যা আৰু জ্ঞানৰ অনুশীলন দুয়োৰে আৱশ্যকতা আছে। এই বাবেই—একাধাৰে গৃহস্থী, সুপণ্ডিত আৰু ধৰ্ম্মানুশীলন (চৰ্চ্চা) কৰোঁতা সকলেই খোদাৰ ওচৰত বিশেষ প্ৰিয়-পাত্ৰ। সৎ-উদ্দেশ্য আগত লৈ সততাৰে কৰা প্ৰত্যেক কৰ্ম্মই খোদাৰ উদ্দেশ্যে কৰা হয় আৰু সেই সকলো কামেই পুণ্যৰ কাম। সেইবাবেই উদ্দেশ্যত সততা থাকিলে ছহিদৰ তেজ আৰু পণ্ডিতৰ চিঁয়াহী উভয়কে সম মূল্যৰ বুলি অভিহিত কৰা হৈছে।

প্ৰতিদিনৰ ব্যস্ততা

নিৰৱচ্ছিন্ন সাধনাৰ পিছত লোক সমাজত আত্মপ্ৰকাশ কৰাৰ লগে লগে হজৰত ৰৰপীৰ চাহেবে তেওঁৰ অমূল্য সময় বহু বিষয়ৰ নেক কামত (পুণ্য কাৰ্য্যত) বিভক্ত কৰি লৈছিল। এটি মুহূৰ্ত্তৰ অপচয়ো তেওঁ হবলৈ নিদিছিল। সেয়েতো মানব-জাতিৰ সেৱা আৰু শিক্ষাৰ বাবে ওৰেও জীৱনটো উছৰ্গা কৰিবলৈ তেওঁ সাজু আছিল। প্ৰতি সপ্তাহত তেওঁ তিনিদিন লোক সমাজত ভাষণ দিছিল। প্ৰতি-দিনে ৰাতিপুৱা আৰু আবেলি পবিত্ৰ কোৰাণৰ 'তফ্‌চিৰ' (ভাবাৰ্থ) হাদিছ (ইছলামী নীতি) আৰু 'অছুল' (ইছলামৰ মূলনীতি) আদি শিক্ষা দিছিল। দুপৰীয়া জোহৰৰ নামাজৰ পিছত অলপ সময় কোৰাণ ছৰিফৰ তৰ্জ্জমা (অনুবাদ) শিক্ষা দিছিল। ইছলামী ব্যৱহাৰ শাস্ত্ৰ আৰু ইছলামী বিধি সম্বন্ধীয় নানা প্ৰকাৰ জটিল প্ৰশ্নৰ মীমাংসা কৰি লিখিত উত্তৰ দিছিল। এই সমস্যাসমূহ মাথোঁন ইৰাকৰে

নহয়—সমগ্র মুছলিম জাহানবে সমস্যা আছিল। বিশ্বৰ ইছলামী সুধী সমাজে তেওঁৰ পৰা জটিল সমস্যাৱলীৰ সুমীমাংসা সম্বলিত সমাধান বিচাৰিছিল আৰু তেওঁৰ মীমাংসাকে আটায়ে চূড়ান্ত বুলি গ্ৰহণ কৰিছিল।

বছৰৰ নিষিদ্ধ দিনকেইটিৰ বাহিৰে সদায় তেওঁ ৰোজা (উপবাস-ব্ৰত পালন) ধৰিছিল। সেইবাবেই সদায় গধূলি মগৰীবৰ নামাজ (সান্ধ্য-উপাসনা)ৰ পিছতে তেওঁৰ আহাৰৰ আয়োজন হৈছিল। আহাৰ কৰিবলৈ বহাৰ আগতে তেওঁ বাহিৰলৈ ওলাই আহি তিনিবাৰ জোৰেৰে চিঞঁৰি আহ্বান জনাইছিল—“যদি কোনোবা ভুকীয়া, লঘোণীয়া আছে, আহাৰৰ বাবে তেওঁলোক আহক, ইয়াতে খোৱা-বোৱা কৰি নিশাটোও কটাব পাৰিব।” তেওঁ নিজেই এইদৰে ভুকীয়াক আহ্বান জনোৱাৰ উপৰিও তেওঁৰ খাদেম (সেৱক, শুশ্ৰূষাকাৰী) হজৰত মোজাফফৰ চাহাবক বাহিৰত কোনোবা লঘোনে ৰ'ল নেকি খবৰ লবলৈ পঠিয়াই দিছিল। হজৰত বৰপীৰ চাহাবৰ আহ্বানত কোনোবাই সঁহাৰি দিলে বা লঘোণীয়া সকল আহি পালে—সেই সকলোকে লৈ তেওঁ আহাৰত বহিছিল। আহাৰ খোৱাৰ পিছত ইচ্ছুক যি সকল, তেওঁলোকে আৱশ্যক বুজি নিশাটো তাতে কটাইছিল। ইছাৰ নামাজ (নিশাৰ প্ৰাৰ্থনা)ৰ অন্ততহে তেওঁ জিৰণি লৈছিল।

আহাৰৰ পবিত্ৰতা ৰক্ষা কৰি চলা সাধকসকলৰ অন্যতম উপাসনা স্বৰূপে গণ্য কৰা হয়। হজৰত বৰপীৰ চাহাবে নিজৰ অৰ্থেৰে নিজৰ মাটি এডৰাত উৎপন্ন হোৱা শস্যজাত আহাৰহে ভোজন কৰিছিল। খোৱা-বোৱা বিষয়ত তেওঁ সৃষ্টিকৰ্ত্তা, পালনকৰ্ত্তা, সংহাৰকৰ্ত্তা, একমাত্ৰ আল্লাহ তাআ'লাৰ বাহিৰে আন কাৰো ওপৰত ভৰষা নকৰিছিল। এই শস্যৰ পৰা ৰুটি তৈয়াৰ কৰি দিয়াৰ ভাৰ আছিল—তেওঁৰে এজন অন্তৰঙ্গ বন্ধুৰ ওপৰত। নিতৌ সন্ধিয়া হজৰত বৰপীৰ চাহাবলৈ চাৰি পাঁচখনমান ৰুটি কৰি বন্ধুৱে তেওঁলৈ পঠিয়াই দিয়ে, তাকে

সাধকে টুকুৰাটুকুৰ কৰি কাটি তুৰীয়া নিচলাৰ মাজত বিলাই দি বাকী অলপ নিজৰ বাবে ৰাখে। আলহী, অতিথি আৰু ভুকীয়ালঘোণীয়াৰ বাবেও সুব্যৱস্থা ৰাখিছিল।

কৰ্ম্মময় মানৱজীৱনৰ এটি ক্ষণো মহাপুৰুষ, সাধু-সন্তসকলে অপচয় নকৰে। হজৰত ৰবীৰ চাহেবে বাগদাদ নগৰীতে স্থায়ীভাবে বসবাস কৰাৰ সংকল্প লৈ সিদিনাৰ পৰাই অতি সতৰ্কতাৰে এটি মুহূৰ্তও অপচয় নকৰাকৈ কৰ্ম্মময় জীৱনৰ সুউচ্চ আদৰ্শ জগতবাসীলৈ থৈ গৈছে।

সিদ্ধিলাভ

নফল এবাদতত (ওপৰঞ্চি প্ৰাৰ্থনা ঃ উপাসনা) বিভোৰ হৈ ধ্যান-ধাৰণাৰ মাজেদিয়ে হজৰত ৰবীৰ চাহেবে নিশাটো কটাইছিল। ৰাতিৰ এক তৃতীয়াংশ পাৰ হৈ যোৱাৰ পিছত তেওঁ থিয় হৈ পবিত্ৰ কোৰাণ পাঠ কৰিছিল। তাৰ পিছত ছিজ্দাত (নত মস্তক হৈ মূৰ মাটিত থোৱা ঃ প্ৰাৰ্থনাৰ অঙ্গবিশেষ) বহুপৰ থাকি অৱশেষত মোনাজাত (প্ৰাৰ্থনান্তত হাতযুৰি প্ৰাৰ্থনাৰ সামৰণি মৰা) কৰিছিল। এই শেহৰ প্ৰাৰ্থনা সামৰণিত তেওঁৰ চৌদিশে উজ্জ্বল পোহৰ ৰাশি দেখা গৈছিল। এনে ধৰণৰ আৰু ভালেমান আচৰিত ঘটনা তেওঁৰ সান্নিধ্যত থকা সাধকশ্ৰেণীৰ লোকসকলে উল্লেখ কৰিছে। উপাসনাত মগ্ন হৈ থকা অৱস্থাত তেওঁৰ মাজত বহু অভাৱনীয় আৰু অলৌকিক ঘটনা প্ৰকাশ পাইছিল। বহু সময়ত তেওঁক হয়তো বাহ্যদৃষ্টিৰে দেখাই পোৱা নগৈছিল। সাধাৰণ মানুহৰ চৰ্ম্ম চক্ষুৰ অন্তৰালত থাকি তেওঁ উপাসনাত মগ্ন হৈ আছিল। সময়ে সময়ে তেওঁক অতি সূক্ষ্ম আৰু সময়ে সময়ে স্থূলদেহ ধাৰণ কৰা দেখা গৈছিল। এই অঘটন কিয় আৰু কেনেকৈ ঘটিছিল, সি সাধাৰণ লোকৰ বোধগম্য নহয়। হয়তো

উচ্চস্তৰৰ মার্গলাভ কৰোঁতা সকলে এনে ঘটনাৰ কিবা তাৎপর্য্য জানিবও পাৰে।

শুনা যায়—উপাসনা অন্তত সামৰণিৰ প্রার্থনাত (মোনাজাত) মগ্ন হৈ থাকোঁতে তেওঁৰ চৌদিশে জ্যোতি ৰাশিয়ে বিকীৰণ কৰিছিল আৰু চৌদিশৰ পৰা সম্ভাষণ জ্ঞাপক "আচ্চালামু আলেইকুম", "আচ্চালামু আলেইকুম" ধ্বনি শুনা গৈছিল। এই দৰেই অসীম নিষ্ঠাপূর্ণ উপাসনাৰ মাজেদি তেওঁ নিশা কটাইছিল। মানৱতাৰ সেৱাত নিজক উছর্গা কৰিবলৈ এনেকুৱাই আছিল তেওঁৰ কঠোৰ আৰু কঠিন সাধনা।

হৃদয়ৰ পৰিচয়

হজৰত বৰপীৰ চাহেবৰ অন্তঃকৰণ আছিল কোমলতা, দয়া, দাক্ষিণ্যেৰে ভৰপূৰ। নিজৰ সুখ-সম্ভোগক সদায় তেওঁ নেওচা দিছিল। লোকৰ বাবে, মানৱতাৰ সেৱাৰ বাবে সৃষ্টিকর্ত্তা, পৰম কৰুণাময়ৰ ৰহমতৰ (করুণা, দয়া) প্রতীক স্বৰূপে তেওঁ পৃথিৱীলৈ আহিছিল। যিসকল শিষ্যই (মুৰিদান) তেওঁৰ বহুমূলীয়া উপদেশাৱলী শুনি নির্দ্দেশিত সত্য আৰু সৰল পথৰ অনুসৰণ কৰিছিল—সেই সকল শিষ্যৰ প্রতি তেওঁৰ গভীৰ প্রেম আৰু স্নেহ আছিল। শিষ্য সকলক এৰি অকলে তেওঁ স্বর্গসুখ ভোগবো বাঞ্ছা নকৰিছিল। তেওঁ কৈছিল—যে তেওঁৰ তৰিকাত (অনুগমন : অনুসৰণ) যি সকল তেওঁৰ শিষ্যৰ শিষ্য সেই সকলকো তেওঁ নিজৰে শিষ্য বুলি ধৰিব। তেওঁলোকৰ ভুল-চুক, দোষ-ক্রটি যেতিয়ালৈকে পৰম ক্ষমাময় খোদাই ক্ষমা নকৰে, তেতিয়ালৈকে তেওঁ অকলে স্বর্গসুখ লাভবো বাঞ্ছা নকৰে। শেষ বিচাৰৰ দিনা, যেতিয়া প্রত্যেকে নিজ নিজ পৰিণতিৰ

কথা মাথোন ভাবি অস্থিৰ হৈ উঠিব, সেইদিনাও নিজৰ নিজস্বতকৈ শিষ্যসকলৰ প্ৰতি শোকাকুল হৈ তেওঁলোকৰ সৌভাগ্যবাঞ্ছা কৰোঁতা জন কম ডাঙৰ সাধক জানো ? তেওঁৰ নিজৰ উক্তি কেনে দৃঢ়তা আৰু প্ৰত্যয় ব্যঞ্জক !

তেওঁৰ শিষ্যত্ব গ্ৰহণ নকৰা লোক সকললৈকো তেওঁৰ দয়া আৰু কৰুণা জাগিছিল। 'ছুফী' মতে—'সাধক' (অলী আল্লাহ) শ্ৰেণীভুক্ত হোৱাৰ পিছত নফল এবাদৎ (ওপৰঞ্চি উপাসনা : যি কৰিলে পুণ্য, নকৰিলে পাপ নাই) আৱশ্যক নাই ; কিয়নো, পীৰ-ফকিৰসকলৰ মন-প্ৰাণ আল্লাৰ বাহিৰে আন একোলৈকে আকৃষ্ট নহয়। সকলো সময়তে তেওঁলোকৰ প্ৰাণ-মন নিবিষ্ট থাকে আল্লাৰ ওপৰতে। তথাপিও—পীড়িত মানৱতাৰ কল্যাণৰ হকে—মুক্তিকামী মানৱৰ কাতৰতা উপলব্ধি কৰি তেওঁ সদায় উপাসনা আৰাধনাত মগ্ন আছিল। ওৰে নিশা জাগি নামাজ আৰু কোৰাণ পাঠত তেওঁ বিভোৰ হৈ আছিল। শিষ্যসকলকো উপাসনা, আৰাধনাত মগ্ন থাকিবলৈ উপদেশ দিছিল। দিন আৰু নিশাৰ ভিতৰত মাত্ৰ ক্ষন্তেক পৰহে টোপনি গৈছিল বা আৰাম কৰিছিল। জোহুৰৰ নামাজ (দুপৰীয়াৰ প্ৰাৰ্থনা)ৰ পিছত তেওঁ ক্ষন্তেক জিৰণি লৈছিল।

তেওঁৰ ৰুহানী (আত্মিক) শক্তি আছিল অতি প্ৰখৰ। এই বাবেই বহুযোজনৰ আঁতৰত থাকিও বিপদ-আপদত পৰি আল্লাহৰৱাস্তে তেওঁক কোনোবাই সুঁৱৰিলে তেওঁ সেইজনৰ দুখ বা পীড়নৰ নিবাৰণৰ বাবে চিন্তিত আৰু ব্যথিত হৈ পৰিছিল। বাৰে বাৰে তেওঁ শৰণাৰ্থী, বিপদগ্ৰস্তৰ বিপদ, দুখ-কষ্ট দূৰীভূত কৰিবৰ বাবে খোদাৰ ওচৰত প্ৰাৰ্থনা কৰিছিল আৰু অৱশেষত সেই প্ৰাৰ্থনা সৃষ্টিকৰ্ত্তাৰ মনোনীত হৈছে বুলি অনুভৱ কৰাৰ পিছতহে প্ৰাৰ্থনাৰ পৰা বিৰত হৈছিল।

সকাতৰ প্ৰাৰ্থনা

মুৰিদ নোহোৱা বিপদগ্ৰস্ত লোক সকললৈকো সততে তেওঁৰ দয়ালু অন্তৰে কান্দিছিল। আৰ্ত্তৰ পীড়ন বা সকাতৰ ক্ৰন্দন ধ্বনিয়ে তেওঁক বিচলিত কৰি তুলিছিল। এবাৰ এটি ঘটনা ঘটিছিল। এদল বাটৰুৱাই বাটেৰে গৈ থাকোঁতে কবৰস্থান এখন পাৰ হৈ গ'ল। কবৰস্থান পাৰ হবলৈ ধৰোঁতেই হঠাৎ তেওঁলোকে আচৰিত হৈ থমক খাই ৰৈ গ'ল। এটা পুৰণি কবৰৰ ভিতৰৰ পৰা কোনোবাই যেন কাতৰ, কৰুণকণ্ঠে আৰ্ত্তনাদ কৰিছে। বাটৰুৱাদল উভতি গৈ থিতাতে এই সংবাদ হজৰত ৰৰপীৰ চাহাবক দিলেগৈ। কিন্তু সেই কবৰটো কাৰ? তাত সমাধিস্থ হোৱা মানুহজননো কোন? সেই সম্পৰ্কে আঁতি-গুৰি বিচাৰাত বাটৰুৱাদল বা আন কোনোৱে তাৰ সদুত্তৰ দিব নোৱাৰিলে। তেতিয়া—হজৰত ৰৰপীৰ চাহেবে সেই মৃতব্যক্তি তেওঁৰ মুৰিদ বা তেওঁৰ কোনোবা মুৰিদৰ মুৰিদ নে সেই সম্পৰ্কে বিচাৰ খবৰ কৰিলে। এই সম্পৰ্কেও কোনো সঠিক সংবাদ পোৱা নগ'ল। সেই মানুহজন কেতিয়াবা—কোনোবা সময়ত হজৰত ৰৰপীৰ চাহাবৰ ওচৰলৈ আহিছিল নে সেই বিষয়েও অনুসন্ধান কৰিলে; কিন্তু কোনেও নেজানে সেই মৃতব্যক্তি কোন, কি তেওঁৰ পৰিচয়, কোনেও একো বাতৰি দিব নোৱাৰাত তেওঁ মোৰাকেবা (ধ্যানত) ৰহিল আৰু সেই ব্যক্তিৰ বিষয়ে সবিশেষ অবগত হ'ল। মৃতব্যক্তিৰ ৰূহৰ মাগফেৰাত (আত্মাৰ মুক্তি) কামনা কৰি তেওঁ খোদাৰ ওচৰত হাতযুৰি কাতৰভাবে প্ৰাৰ্থনা কৰিলে। তেতিয়াৰে পৰা সেই কবৰস্থানৰ কাষেদি কত মানুহ পাৰ হৈ যায়—কোনেও আৰু সেই কাতৰ আৰ্তনাদ ধ্বনি শুনা নাই। সেই কবৰস্থান খনিৰ নাম আছিল—'বাৱেল আজেজ।'

এনেকৈয়ে আৰু এদিন কবৰস্থানত বেহেলা বজাই থকা এজন বুঢ়া বাদ্যযন্ত্ৰীক তেওঁ ভ্ৰান্ত পথ, ভ্ৰান্ত আদৰ্শৰ মোহজালৰ পৰা উদ্ধাৰ কৰি আনি পৰম কৰুণাময়ৰ জ্যোতিৰ্ম্ময় পথৰ সন্ধান দিছিল। ঘটনাটো ঘটিছিল এনেকৈ—যথাৰীতি ধৰ্ম্মালোচনাৰ সভাত ভাষণ দিয়াৰ সময়ত হঠাতে হজৰত ৰবৰ্ণীৰ চাহাবে উপস্থিত শ্ৰোতামণ্ডলীক সম্বোধন কৰি সুধিলে— "আপোনালোকৰ কোনোবাই মোৰ হাতত এশ দিনাৰ (সেইকালৰ প্ৰচলিত মুদ্ৰা) দিব পাৰিবানে?" এই আহ্বান শুনাৰ লগে লগে উপস্থিত জনমণ্ডলীৰ মাজৰ পৰা কেবাজনেও এশ দিনাৰ হজৰত ৰবৰ্ণীৰ চাহাবৰ হাতত দিবলৈ হেতা ওপৰা লগালে। কিন্তু সাধকপ্ৰবৰ হজৰত গওচল আজমে তাৰে ভিতৰৰ মাথোন এজনৰ হাতৰ পৰা উল্লেখিত এশ দিনাৰ লৈ তেওঁৰ খাদেম (অনুচৰ) হজৰত আব্দুৰ ৰেজাক ওচৰৰ এখন কবৰস্থানলৈ পঠিয়ালে। খাদেমক কৈ পঠিয়ালে যে তাত এজন বুঢ়া আছে—এই ধনখিনি তেওঁৰ হাতত দি তেওঁক যেন লগতে লৈ অহা হয়। ৰবৰ্ণীৰ চাহাবৰ আজ্ঞা অনুসৰি খাদেম আব্দুৰ ৰেজা সেই কবৰস্থান পালেগৈ। গৈ পায়েই দেখিলে—সেই বেহেলাবাদক বুঢ়াজনে হঠাতে চিঞৰ মাৰি মূৰ্চ্ছা গ'ল। কি কাৰণেনো হঠাৎ বুঢ়াজনে চিঞৰি উঠিছিল আৰু মূৰ্চ্ছা যোৱাৰ কাৰণেই বা কি খাদেম আব্দুৰ ৰেজাই একো নেজানিলে। তেওঁ, বুঢ়াজনে মূৰ্চ্ছাৰ পিছত জ্ঞান পোৱাৰ লগে লগে হজৰত ৰবৰ্ণীৰ চাহাবে দি পঠিওৱা এশ দিনাৰ বুঢ়াজনৰ হাতত দি তেওঁক ৰবৰ্ণীৰ চাহাবৰ ওচৰলৈ মাতিলে। বুঢ়া বাদ্যকাৰ জনে দ্বিৰুক্তি নকৰি লগে লগে আহিল। ৰবৰ্ণীৰ চাহেৱে তেতিয়া তেওঁক ক'লে— "তোমাৰ সকলো ইতিহাস খুলি কোৱা।"

বুঢ়াজনে সকলো বিৱৰি কবলৈ ধৰিলে। তেওঁ ক'লে যে—যৌৱন-কালত তেওঁ এজন প্ৰথম শ্ৰেণীৰ গায়ক আছিল। সঙ্গীত যে তেওঁৰ মাথোন মনোৰঞ্জনৰ আহিলা আছিল, তেনে নহয়—সেয়ে তেওঁৰ জীৱিকাৰো আলম আছিল। মানুহে অতি সমাদৰেৰে তেওঁৰ

সঙ্গীত শুনিছিল, আদৰ কৰিছিল ; আৰু সঙ্গীতৰ যহুতে তেওঁৰ দিনো কাটিছিল সুখ, স্বাচ্ছন্দ্য, আমোদ-প্ৰমোদৰ মাজেদি ! কিন্তু বাদ্য-যন্ত্ৰীজন বুঢ়া হৈ অহাৰ লগে লগে তেওঁৰ সঙ্গীতৰ প্ৰতি মানুহে হেঁপাহ আগ্ৰহ নেদেখুওৱা হৈ আছিল। তেওঁ পালে মাথোন অৱহেলা। তেওঁৰ সঙ্গীতৰ প্ৰতি মানুহৰ বিৰাগে তেওঁক ব্যথিত কৰি তুলিছিল। অথচ বুঢ়াজনৰ নিজৰ সঙ্গীত প্ৰীতি নুটুটি বৰং বাঢ়িছিলহে। অতদিনৰ একনিষ্ঠ সাধনাৰ ফল তেওঁৰ সঙ্গীত চৰ্চ্চা বিসৰ্জ্জন দিবলৈকো তেওঁৰ প্ৰাণে নসহিছিল। সেয়ে—নিজৰ মনোবেদনা পাতলাবৰ উদ্দেশ্যে তেওঁ মৃতব্যক্তি সকলৰ ওচৰত কবৰ স্থানতে সঙ্গীতৰ চৰ্চ্চা কৰিবলৈ ধৰিলে। তেওঁৰ ধাৰণা আছিল—জীৱিত কালত এই ব্যক্তি সকলেই তেওঁৰ সঙ্গীতৰ সমাদৰ কৰিছিল যেতিয়া, এতিয়া মৃত যদিও তেওঁলোকৰ ওচৰত সঙ্গীত পৰিবেশন কৰিলে তেওঁ-লোকেই তেওঁৰ সঙ্গীতৰ মূল্য বুজিব। সমাধিস্থ অৱস্থাৰ পৰাই সঙ্গীতৰ সমাদৰ কৰিব।

এনেকৈ গান গাই থাকোঁতে হঠাতে কোনোবা এটা কবৰৰ পৰা মূৰ তুলি কোনোবা এজনে যেন তেওঁক ক'লে—"কবৰস্থানত মৃত মানুহৰ মাজত বৃথাই এইদৰে আৰু কিমানদিন সঙ্গীত পৰিবেশন কৰিবা ? মানুহৰ মাজলৈ, লোকালয়লৈ গৈ গান নোগোৱা, পৃথিৱীৰ মানুহক তুমি সঙ্গীতেৰে মুগ্ধ কৰিব নোৱাৰা। মানুহৰ দুৱাৰ তোমাৰ বাবে ৰুদ্ধ হৈ গৈছে। এইবাৰ বিশ্বস্ৰষ্টা, বিশ্বপালক, সংহাৰ কৰ্ত্তা খোদাৰ ফালে তোমাৰ গতি ফিৰোৱা। যিখন দুৱাৰ তোমাৰ বাবে খোলা আছে—সেই দুৱাৰলৈ চোৱাঁ। মৃত্যুৰ আগলৈকে একমাত্ৰ সেইখন দুৱাৰহে তোমাৰ বাবে খোলা থাকিব !"

হঠাৎ এনে এটি সতৰ্কবাণী শুনি সঙ্গীতজ্ঞৰ হৃদয়ত এক অভুতপূৰ্ব্ব আলোড়ন সৃষ্টি হ'ল। সন্ত্ৰাসত তেওঁ যেন অভিভূত আৰু আচ্ছন্ন হৈ পৰিল। তাৰ পিছত তেওঁ মূৰ্চ্ছা গ'ল। জ্ঞান পাই উঠিয়েই হজৰত বৰপীৰ চাহাবে তেওঁৰ খাদেম (অনুচৰ) ৰ হাতত পঠিওৱা

এল হিনাৰ মুদ্ৰা পাই তেওঁ নিৰ্দেশ দিয়া মতেই হজৰত ৰবপীৰ চাহাবৰ ওচৰ পাইছিলহি। মূৰ্চ্ছাৰ পিছত জ্ঞান পোৱাৰ সময়তো হেনো তেওঁৰ কণ্ঠই গীতৰ কলি এটিহে আওৰাই আছিল।

এইখিনি কথা কৈ সঙ্গীতজ্ঞই প্ৰতিজ্ঞা কৰিলে—"আজিৰ পৰা মই আৰু সঙ্গীত চৰ্চাৰ নামেই নলওঁ। পাৰ্থিব আৰু অবাস্তৱ বিষয়ৰ মোহজালৰ পৰা মই মুক্তি বিচাৰিম।" এই কথা শুনাৰ পিছত হজৰত ৰবপীৰ চাহেবে সমবেত শ্ৰোতামণ্ডলীক সম্বোধন কৰি কৈছিল যে নিয়মিত প্ৰাৰ্থনা উপাসনা (এবাদৎ)ৰ বাবে মানুহৰ ভাগ্যৰ লিখনো বহু সময়ত সলনি হয়। একেবাৰে গুণাহৰ (পাপ কৰ্ম্ম) কামত লিপ্ত হৈ থাকিলে মানুহৰ উপাসনাৰ বাট বন্ধ হৈ যায়, আনহাতে অনবৰত নেকীকাম (সৎকৰ্ম, পুণ্যকাম)ৰ অনুশীলন কৰি থাকিলে—পুণ্যকামৰ বাবেই পৰম কৰুণাময়ে তেওঁলোকক শক্তি-সামৰ্থ্য আৰু সুবিধা দান কৰে। সদায় বিপথে চলা বা পাপ-পুণ্যৰ পাৰ্থক্য উপলব্ধি নকৰা জনৰ আগত সৃষ্টিকৰ্ত্তা খোদা আৰু তেওঁৰ ৰছুলৰ (প্ৰেৰিত পুৰুষ) কথা কোৱা নিৰৰ্থক। আনহাতে কিন্তু আন্তৰিকতাৰে সৈতে—একাগ্ৰতাৰে সৈতে প্ৰাৰ্থনা, উপাসনা কৰিলে ভাগ্যত থকা অৱধাৰিত দুঃখময়, দুৰ্ভাগ্যৰ যাতনাও সহনীয় হয় আৰু লঘুমাত্ৰাৰ হয়। বুঢ়া সঙ্গীতজ্ঞ জনে পাৰ্থিব এটি বিষয়ৰ সাধনাত নিজৰ সমগ্ৰ সত্ত্বা অৰ্পণ কৰি সেইকাৰ্য্যতে আজীৱন লিপ্ত থকা সত্ত্বেও কৰুণাময়ে তেওঁক পাছত প্ৰকৃত আৰু শাশ্বত সত্য পথৰ সন্ধান দেখুৱাই কৰুণা কৰিছিল। গতিকে সত্যক আশ্ৰয় কৰি কৰা আন্তৰিক প্ৰাৰ্থনাৰ ফল পাবলৈ মানুহে চেষ্টা কৰা যুগুত। সাধনা কৰিলে সিদ্ধিলাভৰ পুৰস্কাৰ দিওঁতে বিশ্বপালকে কাৰ্পণ্য নকৰে।

নিয়মিত উপাসনাৰ ফলত ভাগ্য লিখনৰ পৰিবৰ্ত্তন আৰু নিৰ্দ্দিষ্ট দুৰ্ভাগ্যৰ হ্ৰাস বৃদ্ধিৰ এটি সচাঁ কাহিনী—এদিন এজন শিষ্য অতিশয় ভীত, সন্ত্ৰস্ত হৈ হজৰত ৰবপীৰ চাহাবৰ ওচৰ পাইছিলগৈ। এই ভীতিৰ কাৰণ আছিল—একেনিশাতে সেই শিষ্যজনৰ একাদিক্ৰমে

সন্তৰবাৰ এহ্‌তেলাম (স্বপ্নদোষ) হৈছিল। এই ঘটনাৰ বাবে তেওঁৰ নিয়মিত এবাদৎ (উপাসনা) ৰ যথেষ্ট ক্ষতি হৈছিল। ভয়, শঙ্কা আৰু অনুশোচনাত দগ্ধ হৈ তেওঁ হজৰত বৰপীৰ চাহাবৰ আগত সকলো বিবৰি কলে। হজৰত গওচল আজমে তেতিয়া ধীৰ ভাবে উত্তৰ দিছিল—'ভয় নকৰিব। এই ঘটনাই আপোনাৰ ভাগ্য লিখনত থকা সত্তৰ বাৰ ব্যাভিচাৰৰ পাপৰ আশঙ্কা খণ্ডনহে কৰিছে। আপোনাৰ ভবিষ্যত জীৱনৰ পাপৰ আশঙ্কা থকাত সেই কথা জানিব পাৰি মই সেই জঘন্য পাপ যেন আপোনাৰ পৰা সংঘটিত নহয়—তাৰবাবে পৰম দয়ালু ক্ষমশীল খোদাৰ ওচৰত বাৰে বাৰে সকাতৰে প্ৰাৰ্থনা জনাইছিলোঁ। অৱশেহত সেই কৃপালু ক্ষমাময়ে মোৰ প্ৰাৰ্থনা কবুল (গ্ৰহণ) কৰিছে, আৰু আপুনিও সেই আসন্ন সঙ্কটৰ পৰা উদ্ধাৰ পাইছে। পৰম দয়ালু, প্ৰাৰ্থনা শ্ৰৱণকাৰী খোদা তা-আ'লাৰ অনুগ্ৰহত আপুনি ইমানতে ৰক্ষা পাইছে, নহলে হয়তো সঙ্কটময় পৰিৱেশত পৰি আত্মসম্বৰণ কৰিব নোৱাৰি আপুনি ব্যভিচাৰত লিপ্ত হবলগীয়া হ'লহেঁতেন!! ভাবি চ'ক কি জঘন্য মহাপাপৰ পৰা আপুনি উদ্ধাৰ পাইছে! আপুনি খোদাৰ ওচৰত শুক্‌ৰিয়া (কৃতজ্ঞতা) নিবেদন কৰক!

তেওঁৰ শিষ্যবৰ্গৰ প্ৰতি হজৰত বৰপীৰ চাহাবৰ অকৃত্ৰিম প্ৰেম আৰু অযাচিত অনুগ্ৰহৰ পৰিচয় এই ঘটনাৰ পৰাই পোৱা যায়! পৃথিৱীতে—যিজন সাধকে তেওঁৰ শিষ্যৰ—সৰ্বাঙ্গীন উন্নতিৰ বাবে এই দৰে যত্ন কৰিছিল—শেষ বিচাৰৰ দিনাও শিষ্যৰ মঙ্গল আৰু মুক্তিৰ বাবে খোদাক খাটিবলৈ তেওঁ যি প্ৰতিশ্ৰুতি দি গৈছে তাত জানো ভৰসা ৰাখিব নোৱাৰি?

হজৰত বৰপীৰ চাহেবে তেওঁ তেওঁৰ শিষ্যসকলক (মুৰিদ) খোদাৰ ওচৰত আন্তৰিক ভয়, ভক্তি আৰু ঐকান্তিক নিষ্ঠাৰে প্ৰাৰ্থনা জনাবলৈ কৈছিল, কিন্তু অলৌকিক শক্তিৰ অধিকাৰী হবলৈ কৰা চেষ্টাক, সাধাৰণ মানুহৰ অলৌকিকতাৰ প্ৰতি মোহান্ধতাক

গৰিহণা দিছিল। কিয়নো, এই ধৰণৰ শক্তি চৰ্চাৰ ফলত আংশিক সিদ্ধিলাভ হোৱাৰ পিছত সাধনাৰ সেয়ে চৰম আৰু পৰম পৰিণতি বুলি গ্ৰহণ কৰি বহুতে প্ৰকৃত সাধনাৰ পথ বা খোদাৰ ৰহম (অনুগ্ৰহ : করুণা) লাভৰ পথৰ পৰা পিছলি আহে। প্ৰকৃততে এই ধৰণৰ শক্তি আহৰণ এটি বিশেষ শক্তিৰ বিকাশ মাথোন। খোদা-প্ৰাপ্তিৰ লগত এনে শক্তিৰ অধিকাৰ লাভৰ কোনো সম্পৰ্ক নাই। বৰং এই ধৰণৰ শক্তি চৰ্চাই সাধাৰণ মানুহক প্ৰলুব্ধ কৰি বিভ্ৰান্ত কৰাবহে থল আছে। এইবাবেই তেওঁ এনে শক্তি চৰ্চাত উৎসাহ নিদিছিল।

এদিন আলোচনা সভাত বায়তুল মোকাদ্দছৰ পৰা শ, শ, মাইল আকাশী পথত অতিক্ৰম কৰি অহা এজন ব্যক্তিৰ কথা উল্লেখ কৰি হজৰত বৰপীৰ চাহেবে কৈছিল যে, এই অলৌকিক শক্তিৰ অধিকাৰ লাভ কৰি তেওঁ নিজকে সৌভাগ্যশালী বুলি ভাবিছে। কিন্তু এনে শক্তি প্ৰকৃততে মূল্যহীন। এই কথা শুনি আকাশীপথেৰে অহা ধৰ্ম্ম পিপাসু লোকজনে ভাবি বিস্ময় মানিলে—কিদৰেনো হজৰত গওচল আজমে তেওঁৰ আকাশীপথ ভ্ৰমণ আৰু মনৰ অহমিকাৰ কথা জানিলে? তাৰ পাছত তেওঁ তওবাহ (ক্ষমা প্ৰাৰ্থনা : অনুশোচনা প্ৰকাশ) কৰিলে আৰু এনে শক্তিৰ অসাৰতা উপলব্ধি কৰাৰ পাছত তেওঁক হজৰত গওচল আজমে মুৰিদ (শিষ্য) বুলি গ্ৰহণ কৰিলে।

পুত্ৰ-পৰিজন

হজৰত গওচল আজম বৰপীৰ চাহাবে সুদীৰ্ঘ চাৰিকুৰি এঘাৰ বছৰ হায়াত (আয়ুস) লাভ কৰিছিল। এই সুদীৰ্ঘ কালছোৱা শিক্ষা, দীক্ষা, ধ্যান-ধাৰণাৰ মাজেৰে অতিবাহিত কৰি সুকঠোৰ সাধনাত যিদৰে সিদ্ধিলাভ কৰিছিল সেইদৰে সংসাৰ ধৰ্ম্ম পালন কৰি গাৰ্হস্থ্য

জীৱনৰ দায়িত্বও নিয়াবিকৈ সম্পন্ন কৰিছিল। অৱশেষে সাধনাৰ পথত আত্মসমৰ্পণ কৰাৰ হেতুকে গাৰ্হস্থ্য জীৱন আৰম্ভ কৰাত তেওঁৰ কিছু পলম হৈছিল। হজৰত বৰণীৰ চাহাবে শিক্ষা জীৱন সমাপ্ত কৰাৰ পিছত পৰ্বতে-কন্দৰে, হাবিয়ে-বননিয়ে কঠোৰ তপস্যা সাধনাত ব্ৰতী হৈছিল। অৱশেষত সিদ্ধিলাভ কৰাৰ পিছত ৫২১ হিজৰী চনত তেওঁ বাগদাদ নগৰত স্থায়ীভাবে বসবাস কৰিবলৈ মন থিৰ কৰে। তেতিয়া তেওঁৰ বয়স আঠৈ কুৰিৰ ওপৰ। সেইসময়তে তেওঁ প্ৰথমবাৰ ভাৰ্য্যা গ্ৰহণ কৰে। ইয়াৰ পাছতো ক্ৰমে তেওঁ আৰু তিনিবাৰ ভাৰ্য্যা গ্ৰহণ কৰিছিল। চাৰিও গৰাকী পত্নীয়ে তেওঁক ভাল পাইছিল, শ্ৰদ্ধা ভক্তি কৰিছিল আৰু তেওঁলোকৰ মহৎ স্বামীৰ খেদমত (সেৱা-শুশ্ৰূষা) কৰিবলৈ পোৱা দুৰ্লভ মুহূৰ্ত্তৰ সদব্যৱহাৰ কৰিছিল। হজৰত বৰণীৰ চাহাবেও ধ্যান-ধাৰণা, জনসেৱাৰ দৰে কামত ব্যস্ত থাকিও পত্নী-পুত্ৰ আদি পৰিজনবৰ্গৰ প্ৰতি দায়িত্বপূৰ্ণ কৰ্ত্তব্য নিয়াবিকৈ সম্পন্ন কৰি গৈছে। পত্নীসকলৰ অসুখ-বিসুখত পৰিচৰ্য্যা কৰাৰ পৰা সময়ে সময়ে নিজে হাট বজাৰৰ পৰা তেওঁলোকৰ পছন্দৰ বস্তু-বেহানি কিনি আনি দিয়ালৈকে সকলো কৰ্ত্তব্য কৰ্মলৈ তেওঁৰ হেলা বা কুণ্ঠা নাছিল। ঘৰুৱা কাম কাজ, বজাৰ-চাৰ দায়িত্ব পৰ্য্যন্ত, পত্নীসকলৰ অসুখ-বিসুখত নিজেই লৈছিল। সাধক প্ৰৱৰৰ চৰিত্ৰৰ ইয়ো এটি বৈশিষ্ট্য স্বৰূপ। কিন্তু ইয়াক তেওঁৰ সংসাৰৰ প্ৰতি অতি আসক্তি বুলি আখ্যা দিব নোৱাৰি। কিয়নো—শ্ৰমৰ মৰ্য্যাদা আৰু কৰ্ত্তব্য পালন সম্বন্ধে তেওঁ অতি সহজ, সৰল ভাবে আৰু নিজ জীৱনত কঠোৰভাবে পালন কৰি প্ৰিয় পৰিজন তথা জনসাধাৰণক তেওঁ আদৰ্শ শিক্ষা দিছিল।

তেওঁ নিজে বছৰৰ নিষিদ্ধ দিনকেইটিৰ বাহিৰে সদায় ৰোজা (উপবাস পালন) ৰাখিছিল আৰু সন্ধিয়াৰ প্ৰাৰ্থনাৰ অন্তত হে দুখন ৰুটি আহাৰ কৰিছিল। তাকো ভুকীয়া লঘোণীয়াক ভগাই বটাই দিয়াৰ পাছতহে। পৰিয়ালবৰ্গক কিন্তু পেটপুৰাই আহাৰ দিয়াৰ ব্যৱস্থা কৰিছিল। তেওঁৰ

বিবাহিত জীৱনৰ সুদীৰ্ঘ চুকুৰি এবছৰ কালৰ ভিতৰত তেওঁ কেবাটিও পুণ্যাত্মা সন্তানৰ জনক হৈছিল। তেওঁৰ জীৱিত কালতে কেবাটিও সন্তানৰ পৰলোক ঘটে। বাকী সকলৰ কেবাজনেও সুপণ্ডিত হৈ নিজ নিজ ক্ষেত্ৰত যোগ্যতাৰ পৰিচয় দিছিল। হজৰত বৰপীৰ চাহাবে নিজ সন্তানৰ বিয়োগতো অতিশয় ধৈৰ্য্য ধাৰণ কৰি নিৰ্ব্বিকাৰ চিত্তে মৃতকৰ প্ৰতি কৰ্ত্তব্য সমূহ পালনত তৎপৰ হৈছিল। বিয়োগৰ বিচ্ছেদৰ দুখ-যাতনাত এদিনলৈকো ভাঙি নপৰিছিল। জানাজা পাঠ, দফন-কফন (ইছলামী চৰিয়ত অনুযায়ী কৰা সংকাৰ ব্যৱস্থা) সকলোতে নিজে আগভাগ লৈছিল। প্ৰিয়-পৰিজনৰ বিয়োগত তেওঁক চকুলো টোকা কোনেও দেখা নাছিল। জীৱিতাৱস্থাত সন্তান সকলৰ সুশিক্ষাৰ বাবে তেওঁ পূৰ্ণমাত্ৰাই যত্ন লৈছিল। নিজৰ তত্ত্বাবধানত অথবা সেইকালৰ সুশিক্ষিত পণ্ডিত ব্যক্তিৰ তত্ত্বাবধানত ৰাখি শিক্ষাৰ ব্যৱস্থা কৰিছিল। সাধক কুল শিৰোমণি হজৰত গওচল আজমৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ তেওঁৰ সুপণ্ডিত পুত্ৰসকলৰ কেবাগৰাকীয়েও নিজ শিক্ষাদীক্ষাৰ ক্ষেত্ৰত শীৰ্ষস্থান লাভ কৰিবলৈ সমৰ্থ হৈছিল। তেওঁলোকৰ কেবাজনেও বাগদাদ বা বাগদাদৰ বাহিৰলৈকো গৈ বসবাস কৰিছিল। পবিত্ৰ কোৰাণ, হাদিছ, তফছিৰ আৰু ফেকা (ইস্লামী ব্যৱহাৰ শাস্ত্ৰ) আদি শাস্ত্ৰ অধ্যয়ণৰ উপৰিও আত্মিক উপাসনাৰ শিক্ষা লাভৰ বাবে হজৰত বৰপীৰ চাহেবৰ ওফাতৰ (মৃত্যু) পিছত দূৰ দূৰান্তৰ পৰা বহু তত্ত্বজ্ঞান পিপাসু লোকে তেওঁলোকৰ ওচৰ চাপিছিল। তেওঁৰ বিদ্বান, সুশিক্ষিত, জ্ঞানী পুত্ৰসকলৰ ভিতৰত পুণ্যাত্মা আব্দুল ওহাব, হজৰত ছেখ ইছা, ছেখ আব্দুল ৰেজ্জাক, হজৰত ছেখ মুছাৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

হজৰত আব্দুল ওহাবৰ জন্ম হয় ৫২২ হিজৰীত। তেওঁ নিজ পিতৃ সুবিজ্ঞ হজৰত গওচল আজমৰ তত্ত্বাবধানত পবিত্ৰ কোৰাণ, হাদিছ আৰু ফেকাশাস্ত্ৰ অধ্যয়ন কৰে। তদুপৰি সেইকালৰ পীৰ-ফকিৰ, জ্ঞানী ওলেমা (ইচলামী শাস্ত্ৰত সুপণ্ডিত) সকলৰ ওচৰতো অধ্যয়ন

কৰিছিল। পিতৃ বিয়োগৰ পিছত মাদ্ৰাছাৰ অধ্যাপনাৰ ভাৰো তেৱেঁই গ্ৰহণ কৰে। আত্মিক উপাসনাৰ ক্ষেত্ৰতো তেওঁ বহুদূৰ সফলকাম হৈছিল। আনকি ইছলামী ব্যৱহাৰ শাস্ত্ৰত তেওঁৰ বুৎপত্তিত মোহিত হৈ খলিফা নচিৰদ্দিন চাহাবে হজৰত আব্দুল ওহাবৰ মীমাংসাকে চূড়ান্ত বুলি গ্ৰহণ কৰিছিল। দীন-দুখীৰ মাজত ৰাজকীয় সাহায্য বিতৰণৰ বেলিকাও তেওঁ খলিফাৰ সোঁহাত স্বৰূপ আছিল। ৫৯৩ হিজৰীত তেওঁৰ ইন্তেকাল হয়।

হজৰত বৰপীৰ চাহাবৰ দৰে সুযোগ্য পিতৃৰ তত্ত্বাৱধানত কোৰাণ, হাদিছ, ফেকাহ আদি শাস্ত্ৰ অধ্যয়ন কৰাৰ সৌভাগ্য হৈছিল হজৰত ছেখ ইছাৰো। এই গৰাকী পুণ্যাত্মাই ইছলামী আইন সম্বন্ধে বিশেষ বুৎপত্তি লাভ কৰিছিল। প্ৰথমে তেওঁ বাগদাদৰ পৰা দামেস্কলৈ গৈ তাতে বসবাস কৰিছিল। পিছত তেওঁ মিছৰ দেশলৈ যায়। ছুফী মতবাদ সম্পৰ্কে তেওঁ বহু মূল্যবান গ্ৰন্থ লিখি থৈ যায়। ৫০৩ হিজৰীত তেওঁৰ ইন্তেকাল হয়। মিছৰবাসীয়ে তেওঁক অতি শ্ৰদ্ধা ভক্তি কৰিছিল।

৫২৮ হিজৰীত জন্ম গ্ৰহণ আৰু এজন পুত্ৰেক চেখ আব্দুৰ ৰেজ্জাক আছিল—হাদিছ ছৰীফৰ এজন সুবিখ্যাত হাফিজ। পবিত্ৰ হাদিছ (পবিত্ৰ কোৰাণৰ লগত সঙ্গতি থকা হজৰত মোহাম্মদ (দঃ)ৰ আদেশ নিৰ্দ্দেশ সমূহ) সংগ্ৰহৰ মানসেৰে তেওঁ পৃথিবীৰ বহু ঠাই পৰিভ্ৰমণ কৰে। দানী, সত্যবাদী, পৰোপকাৰী আৰু জনসেৱাত আত্মনিয়োগ কাৰী এই গৰাকী পুণ্যাত্মাৰ আৰ্থিক সঙ্গতি সীমিত আছিল যদিও দান-দক্ষিণাত তেওঁ সদায় উদাৰ হৃদয়ৰ আছিল। উপযুক্ত পিতৃৰ উপযুক্ত পুত্ৰ স্বৰূপে—অজস্ৰ ছাত্ৰক মুক্তহস্তে অৰ্থ সাহায্য কৰাৰ উপৰিও তেওঁ নিৰ্জ্জনত আল্লাহৰ ধ্যান-ধাৰণাত সমাহিত হৈছিল। তেওঁৰ ইন্তেকাল হয় ৬০৩ হিজৰী চনত। এনেজন গুণী, সাধু ব্যক্তিৰ মৃত্যুত ঈদৰ দিনা ইবাকত সমবেত হোৱাৰ দৰেই অসংখ্য জনসমাৱেশ হৈছিল। পিতৃৰ দৰেই খ্যাতি সম্পন্ন আছিল এই গৰাকী পুণ্যাত্মা।

হজৰত হেখ মুছা নামৰ পুত্ৰ গৰাকীয়েও পিতৃৰ তত্ত্বাৱধানত পবিত্ৰ কোৰাণ, হাদিছ, ফেকা আদি নানা শাস্ত্ৰ অধ্যয়ন কৰি সমসাময়িক বহু বিখ্যাত গুলেমা, মনীষিৰ সান্নিধ্যত থাকি নানা শাস্ত্ৰৰ বিষয়ে জ্ঞান লাভ কৰে। তেওঁ বাগদাদৰ পৰা দামেস্কলৈ গৈ তাতে স্থায়ীভাৱে বসবাস কৰিবলৈ লয়। দামেস্কবাসীৰ প্ৰতি তেওঁৰ হেদায়ত (শুভকামনা) অপৰিসীম। দামেস্কতে তেওঁৰ ইন্তেকাল (মৃত্যু) হয় আৰু তাতে তেওঁৰ মাজাৰ ছৰিফ (সমাধি) আছে।

আশ্চৰ্য্য ঘটনাৱলী

সাধকসকলৰ জীৱনত নানাধৰণৰ অলৌকিক ঘটনাৰ সমাবেশ হয়। হজৰত বৰপীৰ চাহাবে সাধনাৰ অতি উচ্চ মাৰ্গত সিদ্ধিলাভ কৰিবলৈ সমৰ্থ হৈছিল। সাধকসকলে সৃষ্টিকৰ্ত্তা পৰমকৰুণাময় বিশ্বপালকৰ ইচ্ছাতেই আত্মসমৰ্পণ কৰে। নিজৰ ইচ্ছা-অনিচ্ছা, ৰুচি-অভিৰুচি ত্যাগ কৰি খোদাৰ নামত সেই সকলো বিসৰ্জ্জন দিব পৰাতেই সাধকৰ কঠোৰ সাধনাত সিদ্ধিলাভৰো পৰিচয়। সেইদৰেই দয়ালু খোদায়ো ভক্ত-সাধকৰ ইচ্ছাও অপূৰ্ণ নেৰাখে।

নিজৰ সকলো অহমিকা বিসৰ্জ্জন দি ভক্তসাধকে সাধনাৰ শেহত এনে এটি পৰ্য্যায়লৈ উঠে যে তেতিয়া খোদাৰ ইচ্ছাই তেওঁৰ ইচ্ছা, খোদাতেই মন-প্ৰাণ, কাৰ্য্য-কলাপ সকলো লয় পায়। আল্লাহৰ ইচ্ছা, অভিলাষে ভক্তৰ কাৰ্য্যকলাপ নিয়ন্ত্ৰণ কৰে। সাধকৰ প্ৰাৰ্থনা, ইচ্ছা-অভিলাষো খোদাৰ ইচ্ছাত অপূৰ্ণ নাথাকে। এইদৰেই সাধক-সকলে অলৌকিকত্ব লাভ কৰে। সাধকৰ ইচ্ছা-অভিলাষৰ সৈতে সৃষ্টিকৰ্ত্তা প্ৰভুৰ ইচ্ছাৰ এই সুমধুৰ সম্মিলনে সাধকৰ প্ৰতি কৰুণা প্ৰদৰ্শনৰ বাহিৰেও তেওঁৰ সৃষ্টিৰ শ্ৰেষ্ঠ জীৱ মানুহৰ মঙ্গল সাধনৰ ইচ্ছাকে ব্যক্ত কৰিছে।

আল্লাহৰ কৰুণাত হজৰত গওচল আজমে জীৱনত ভালেমান অত্যাশ্চৰ্য্য ঘটনাৰে তেওঁৰ শিষ্য (মুৰীদ) আৰু অনুগামী সকলক বাকা কৰিছিল। ল'ৰালিৰ শিক্ষা-জীৱনৰ পৰা তেওঁৰ এই অপূৰ্ব্ব ক্ষমতাৰ পৰিচয় পোৱা গৈছিল। সত্যবাদী হজৰত গওচল আজমৰ তেওঁৰ অকুণ্ঠ সত্যভাষণৰ দ্বাৰা নিৰ্ম্মম দস্যুদলক কন্তেকৰ ভিতৰতে দস্যুবৃত্তি ত্যাগ কৰি সৎপথ অৱলম্বন কৰাবলৈ সক্ষম হৈছিল। তেওঁৰ এই অপূৰ্ব্ব শক্তিৰ বলতে আৰু বহু ঘটনা সংঘটিত হৈছিল। অহং ভাবাপন্ন পণ্ডিতপ্ৰবৰে পাণ্ডিত্যৰ অহমিকা, যুক্তিৰ মেৰপাকৰ পৰা মুক্ত হৈ স্বৰ্গীয় ভাবৰ সুষমাৰে নিজৰ হৃদয় উদ্ভাসিত কৰিছিল। এই শক্তিৰ প্ৰভাৱতে ভক্তৰ নীৰৱ আবেদনত সঁহাৰি দি ভক্তক আধ্যাত্মিক শক্তিৰে শক্তিমান কৰি তুলিছিল। কবৰত কষ্ট ভুগি থকা জনক তেওঁ পুনৰ যাতনামুক্ত কৰিবলৈ প্ৰয়াস পাইছিল। দুৰ্গত বিপন্ন সঙ্গীতজ্ঞক প্ৰকৃত সত্যপথলৈ ফিৰাই আনিছিল। প্ৰজাপীড়ক, অত্যাচাৰী খলিফাৰ হৃদয়ৰ পৰিবৰ্ত্তন ঘটাইছিল। মুহূৰ্ত্তৰ ভিতৰতে আকাশচাৰী জনৰ ভ্ৰান্ত ধাৰণাৰ পৰিবৰ্ত্তন ঘটাইছিল। এনে ভালেমান ঘটনাৰ বিৱৰণী পোৱা যায় :

এবাৰ হেনো বাগদাদৰ লোকসকলে হজৰত গওচল আজমৰ সন্ধান নোপোৱা হৈছিল। বিচাৰি বিচাৰি টাইগ্ৰিচ নৈৰ পাৰলৈ যোৱা এদল লোকে তেনেতে দেখিলে—হজৰত বৰপীৰ চাহাবে টাইগ্ৰিচ নৈৰ কোবাল সোঁতৰ ওপৰেৰে বেগাই খোজকাঢ়ি আহিছে। তেওঁ-লোকে দেখি আচৰিত হৈছিল—নৈৰ মাছবোৰে সোঁতৰ ওপৰত ওপঙি থাকি হজৰতৰ ভৰিত চুমা খাইছিল। তেতিয়া সময় আছিল—দুপৰীয়া। জোহৰৰ নামাজৰ (দুপৰীয়াৰ প্ৰাৰ্থনা) সময় চমু চপাত দেখা গৈছিল—এখনি বহুমূলীয়া কাৰ্পেট হজৰতৰ সন্মুখত পতা গ'ল। বিৰাট কাৰ্পেটখনিৰ এটি প্ৰান্তই নৈৰ পাৰ চুইছিলহি। সেই কাৰ্পেটৰ ওপৰত হজৰত বৰপীৰ চাহাব নামাজত থিয় দিলে। লগত এদল দীৰ্ঘদেহী, বলিষ্ঠ, সবল, সুঠাম লোক। হজৰত বৰপীৰ চাহাবক

পিতাৰি খোজালৰ লগতে এই ঘটনাৰ প্ৰত্যক্ষদৰ্শী হজৰত জোহ্ৰেল খিল, আব্দুল্লাও এই জামাতৰ (দল) অন্তৰ্ভুক্ত হৈ তেওঁ। তেওঁলোকৰ লগতে নামাজ আদায় কৰিছিল। নামাজৰ শেহত দলবলে হজৰত গওছল আজম পুনৰ বাগদাদ নগৰীলৈ উভতি আহিছিল।

বাগদাদ নগৰীত আব্দুল মোজাফ্ফৰ নামৰ এজন সাউদ আছিল। এদিন তেওঁ সেইকালৰ এজন বিখ্যাত সাধক হজৰত ছেখ হাম্মাদ দাব্বাছ (ৰাঃ)ৰ ওচৰলৈ গৈ তেওঁৰ বাণিজ্যযাত্ৰাৰ প্ৰস্তুতিৰ কথা জনালে আৰু জানিবলৈ বিচাৰিলে—বাণিজ্যযাত্ৰা শুভ হবনে নহয়। হজৰত ছেখ হাম্মাদ দাব্বাছ এজন খোদাভক্ত বিখ্যাত সাধক আছিল। তেওঁেই হজৰত বৰপীৰ চাহাবৰো পীৰ আছিল। সাউদজনে চিৰিয়ালৈ বুলি ওলাইছিল আৰু লগত লৈছিল—সাতশ দিনাৰ (সেইকালৰ মোহৰ) মূল্যৰ বেপেৰুৱা বেহানি।

হজৰত হাম্মাদ চাহাবে সাউদ আবুল মোজাফ্ফৰক নিৰস্ত কৰিলে আৰু কলে যে এইবাৰ বাণিজৰ কালত বেপেৰুৱা বেহানি দস্যুদলে লুটি পুটি নিব আৰু সাউদৰো মৃত্যু অনিবাৰ্য্য। যাত্ৰাৰ সকলো প্ৰস্তুতিৰ পিছত এনে ভয়লগা কথা শুনি অৰ্থক্ষতিৰ বাবে গভীৰ নিৰাশা আৰু প্ৰাণহানিৰ আশঙ্কাত শঙ্কিত হৈ সাউদে হজৰত বৰপীৰ চাহাবক সকলো কথাৰ আঁতিগুৰি ভাঙি কলে। সকলো কথা শুনি হজৰত বৰপীৰ চাহাবে ক্ষন্তেক চিন্তা কৰি সাউদক বাণিজ্যযাত্ৰা কৰিবলৈ আজ্ঞা দিলে আৰু আশ্বাস দিলে যে খোদাৰ ৰহমতত যথেষ্ট লাভবান হৈয়ে তেওঁ উভতিব পাৰিব।

অৰ্থক্ষতিৰ আশঙ্কাত মুহ্যমান হৈ পৰা সাউদে হজৰত বৰপীৰ চাহাবৰ পৰা এনেদৰে অভয় লাভ কৰি চিৰিয়ালৈ গ'ল আৰু তিনিশ দিনাৰ লাভ কৰিবলৈকো সমৰ্থ হ'ল। শৌচাচাৰৰ বাবে বাহিৰলৈ যাওঁতে তেওঁ এহেজাৰ দিনাৰ থকা মোনাটিকে এঠাইত থৈ গৈছিল। শৌচাচাৰৰ পাছত যেতিয়া পুনৰ নিজৰ ঠাইলৈ উভতি আহিল—মোহৰবোৰ লৈগে থকা মোনাটি আনিবলৈ পাহৰি আহিল। নিশা

টোপনিতে তেওঁ সপোন দেখিলে—হঠাত এদল ডকাইতে অস্ত্ৰ-শস্ত্ৰ লৈ তেওঁৰ দলৰ সকলোকে হত্যা কৰিলে আৰু ধন—বিত্ত সকলো কাঢ়ি নিলে। আনকি তেওঁৰ ডিঙিতো বেপ নিদিয়াকৈ মাথাকিল। এনে ভয়লগা বিকট স্বপ্ন দেখি তেওঁ শিয়ঁৰি উঠিল আৰু ক্ষন্তেক পাছতে সাৰ পালে। সাৰ পোৱাৰ অলপ পিছতে তেওঁ বুজিব পাৰিলে যে ই মাথোন এটি ভয়াবহ দুঃস্বপ্নহে। কিন্তু আচৰিত হৈ লক্ষ্য কৰিলে যে ডিঙিৰ পৰা সঁচাকৈয়ে তেজ ওলাইছে। আচৰিত হৈ তেওঁ ঘৰৰ চুক-কোন সকলো পৰীক্ষা কৰি চালে। কিন্তু কি আচৰিত! দুৱাৰ বন্ধ। পালিপহৰীয়া, দলবল সকলো টোপনিত অচেতন। ঘৰত যে কোনোবা সোমাব, দুৱাৰো মৰা আছে কট-কটীয়াকৈ। এই বাৰহে তেওঁ স্থিৰ সিদ্ধান্তলৈ আহিবলৈ সক্ষম হ'ল যে সঁচাকৈয়ে তেওঁ স্বপ্নহে দেখিছিল! কিন্তু চিন্তা হ'ল—হেজাৰ দিনাৰৰ সৈতে মোনাটি বিচাৰি নোপোৱাত। তেওঁ মহা বিপদত পৰিল। এনেতে হঠাৎ তেওঁৰ মনত পৰিল যে শৌচাচাৰৰ বাবে যাওঁতে এঠাইত তেওঁ মোনাটি এৰি থৈ গৈছিল। তৎক্ষণাৎ তেওঁ সেই ঠাইলৈ গৈ মোনাটি বিচাৰি উলিয়ালে। নিশা নৌ পুৱাওঁতেই তেওঁ মোনাটি বিচাৰি পালে। এই আচৰিত স্বপ্ন দেখাৰ পিছত তেওঁ ততাতৈয়াকৈ বাগদাদলৈ উভতি আহিল। আহি কিন্তু তেওঁ বিপাঙত পৰিল। এই ঘটনাৰ কথা বিবৰি নোকোৱাকৈ তেওঁ শান্তি নাপায়। আনহাতে কব কাক তাকো থিৰ কৰিব নোৱাৰিলে। হজৰত ছেখ হাম্মাদ দাব্বাছ চাহাবে তেওঁক ছিৰিয়ালৈ বাণিজ্যযাত্ৰাৰ পৰা বিৰত কৰিছিল। এনেস্থলত তেওঁৰ নিষেধাজ্ঞা অমান্য কৰি গৈ পুনৰ উভতি অহাৰ কথা কিদৰে জনায়? হজৰত বৰপীৰ চাহাবৰ লগতে প্ৰথমে সাক্ষাৎ কৰা ভাল হব নেকি বুলি ভাবি দোধোৰ-মোধোৰ অৱস্থাত থাকোঁতেই হঠাৎ হজৰত হাম্মাদ দাব্বাছ (ৰাঃ) চাহাবৰ লগত তেওঁৰ দেখা হ'ল। হজৰত ছেখ চাহাবে—সাউদক দেখিয়েই ততাতৈয়াকৈ তেওঁক গৈ হজৰত বৰপীৰ চাহাবৰ লগত দেখা কৰিবলৈ আদেশ দিলে,

আৰু কলে যে সাউদৰ নিৰাপদ যাত্ৰাৰ বাবে হজৰত ৰৰপীৰ চাহাবে অহৰহ খোদাৰ ওচৰত প্ৰাৰ্থনা কৰিছিল। আল্লাই তেওঁৰ মোনাজাত (প্ৰাৰ্থনা) কবুল (গ্ৰহণ) কৰাৰ বাবেই সাউদে প্ৰাণ লৈ পুনৰ নিৰাপদে উভতি আহিব পাৰিছে।

হজৰত হাম্মাদ চাহাবৰ নিৰ্দেশ পালনত কন্তেকো পলম নকৰি সাউদ তত্তালিকে হজৰত ৰৰপীৰ চাহাবৰ ওচৰ চাপিলগৈ। প্ৰথমে দুজন বিখ্যাত সাধকে দুই ধৰণে ভৱিষ্যতৰ ইঙ্গিত দিয়াত সাউদে বাণিজ্য যাত্ৰাৰ শুভাশুভৰ বিষয়ে ভাবি বিমোৰত পৰিছিল; কিন্তু যোৱাৰ আগতে হজৰত ৰৰপীৰ চাহেবৰ অভয় বাণীয়ে তেওঁক যাত্ৰাৰ বাবে উদ্গণিও দিছিল। হজৰত ৰৰপীৰ চাহাবে সাউদক দেখি অতি আনন্দ পালে আৰু কলে যে সাউদৰ সম্পৰ্কে হজৰত ছেখ হাম্মাদ দাব্বাছ চাহাবে দিয়া ইঙ্গিতেই যথাৰ্থ আছিল। এই কথাৰ গম পাই তেওঁ খোদাৰ ওচৰত সন্তৱৰাৰ প্ৰাৰ্থনা জনাইছিল আৰু আল্লাই সেই প্ৰাৰ্থনা গ্ৰহণ কৰাৰ বাবে প্ৰাণ হানিৰ আশঙ্কা, মাথোন দুঃস্বপ্নলৈ পৰ্য্যবসিত হৈছিল। বিৰাট অৰ্থক্ষতিৰ সম্ভাৱনা সাময়িক বিস্মৃতিলৈ পৰিবৰ্ত্তিত হৈছিল।

হজৰত ৰৰপীৰ চাহাবৰ ওচৰলৈ সৰু-বৰ সকলো ধৰণৰ লোক আহিছিল। তেওঁৰ বহুমূলীয়া ধৰ্ম্মালোচনা শুনি অমূল্য উপদেশাৱলী শুনিবলৈকো হেঁপাহ, আগ্ৰহ প্ৰকাশ কৰিছিল। এবাৰ বাগদাদৰ খলিফা আল মোস্তাচিম বিল্লাহ নিজে ৰৰপীৰ চাহাবৰ ওচৰলৈ আহি শিক্ষাৰ্থীৰ ভঙ্গীত সবিনয়ে আলোচনা-সভাত আসন লৈছিলহি। খলিফাৰ প্ৰাৰ্থনামতে হজৰত ৰৰপীৰ চাহাবে উপদেশ দি আঁতোৱাৰ পিছত বিদায় লোৱাৰ আগ আগে খলিফাই লগত অনা উপঢৌকন মোহৰেৰে ভৰা দহোটি মোনা হজৰত ৰৰপীৰ চাহাবৰ আগত নিবেদন কৰিলে। হজৰত ৰৰপীৰ চাহাবে কিন্তু সেই মোহৰ গ্ৰহণ কৰিবলৈ অমান্তি হ'ল। খলিফাই অতি কাতৰতাৰে নিবেদন কৰাত হজৰত ৰৰপীৰ চাহাবে দুটি মোনা লগ লগাই নিজৰ হাতৰ তলুৱাত ললে।

আনখন হাতেৰে ইখন হাতৰ তলুৱাত জোৰেৰে চাপ দিয়াৰ লগে লগে টপ্‌টপ্‌কৈ কেঁচাতেজ পৰিবলৈ ধৰিলে। মজলিছত খোট খোৱা বিশাল জনতা—ভয়ত, বিস্ময়ত শিঁয়ৰি উঠিল। খলিফাই স্বয়ং বিস্ময় বিমূঢ় হৈ হজৰত বৰপীৰ চাহাবৰ মুখলৈ চাই থৰ লাগি ৰ'ল। বৰপীৰ চাহাবে তেতিয়া কলে যে, যি মোহৰ দৰিদ্ৰ জনসাধাৰণক নিষ্পেষণ কৰি অৰ্জ্জন কৰা হৈছে, সেই মোহৰ তেওঁ গ্ৰহণ কৰিব নোৱাৰে। সেই কেঁচা তেজে তেওঁক গ্ৰহণ কৰিবলৈ নকয়। হজৰত বৰপীৰ চাহাবৰ এই বাণী শুনি প্ৰবল প্ৰতাপী সেই বাগ্দাদাধিপতি খলিফাই আৰু তুনাই অনুৰোধ কৰিবলৈ সাহ নকৰিলে। তেওঁ ভয়ত, চিন্তাত, সংজ্ঞা হেৰুৱাই অচেতন হৈ পৰিল।

এই হেন এজন মহান সাধকৰ আলোচনা সভাত ধৰ্ম্মৰ বহুমূলীয়া তত্ত্ব নিৰ্দ্দেশ, উপদেশাৱলী শুনিবলৈ প্ৰতিদিনে যে, বহুলোকৰ সমাবেশ হব তাত বিচিত্ৰতা নাই। এবাৰ হেনো এনেদৰে এখন ধৰ্ম্মসভাত হজৰত বৰপীৰ চাহাবে তেওঁৰ ভাষণ দি থকা সময়তে হঠাত ধাৰাসাৰে বৰষুণ আৰম্ভ হ'ল। শ্ৰোতাসকল যথেষ্ট অসুবিধাত পৰিল। আলোচনা-সভা এৰি বা আধৰুৱা কথা শুনি যাবও নোৱাৰে, ইফালে বৰষুণৰ পৰা ৰক্ষা পৰিবৰো উপায় নাই। এনে অৱস্থাত— হজৰত গওচল আজমে পৰম করুণাময় সৰ্ব্বশক্তিমান বিশ্বপালকৰ ওচৰত হাত যুৰিলে। যি অসীম, অনন্ত মহিমাৰ আকৰ সৃষ্টিকৰ্ত্তাৰ মাহাত্ম্য, অমৃতময় কথা শুনিবলৈকে সেই মজলিছত শ্ৰোতামণ্ডলী সমবেত হৈছিল, সেইসকলক সেই মহিমাময় সৃষ্টিকৰ্ত্তাই জানো নিৰাশ কৰি পঠিয়াব? ভক্তৰ এনে কাতৰ উক্তিত এক আচৰিত ঘটনা ঘটিল। সমবেত শ্ৰোতামণ্ডলীৰ গাত বৰষুণৰ আচাৰ কণি এফোটাও নপৰিল; কিন্তু মজলিছৰ বেৰৰ চাৰিওফালে আগৰ-দৰেই ধাৰাসাৰ বৰষুণ দিয়েই থাকিল। হজৰত আদী ইবনে মুছাফিৰ নামৰ এজন প্ৰত্যক্ষদৰ্শীয়ে এই কথা লিখি থৈ গৈছে।

মাথোন এয়ে নহয়। আত্মিক (ৰুহানী) শক্তিৰ প্ৰভাৱত এবাৰ

হুজৰত ববপীৰ চাহাবে ডকাইতৰ দল এটি বিনাশ কৰে। আজমীৰৰ এদল সাউদে বণিজলৈ যাওঁতে বাটতে এদল দুৰ্দ্ধৰ্ষ আৰবদেশীয় ডকাইতৰ হাতত পৰিছিল। ডকাইত দলে অতৰ্কিতে আক্ৰমণ কৰাত বণিকৰ দলত থকা লোকসকল ছত্ৰভঙ্গ হৈ পৰে। সেইলোকৰ বয় বস্তু সকলো ডকাইতদলে লুটি নিয়াৰ উপৰিও কেবাজনকো প্ৰাণেও মাৰিলে। তাৰ পিছত ডকাইত দলে লুটিপুটি নিয়া ধন-সোণবোৰ কাষৰে হাবিয়নিত সোমাই ভাগ বাটোৱাৰা কৰিবলৈ লাগিল। সাউদৰ দলৰ যি কেইজনে ধন-বিত্ত সোপাকে হেৰুৱাই লঠঙা হৈ প্ৰাণটো লৈ বাঁচি থাকিবলৈ পালে, সেইলোক সংখ্যাতো তাকৰ আৰু শক্তিতো নিশকতীয়া। গতিকেই ডকাইতদলৰ ভাগ বাটোৱাৰা আঁতৰৰ পৰা লক্ষ্য কৰি থকাৰ বাহিৰে সেইলোকৰ কৰিব লগীয়া একো উপায় নাছিল। এনে বিপদকালত সাউদৰ দলৰ এজনৰ হুজৰত ববপীৰ চাহাবৰ কথা মনত পৰিল। সেই লগৰ কেজনক কৈ আক্ষেপ কৰিলে—'হায়!. এনে বিপদকালত পীৰানেপীৰ দস্তগীৰ হুজৰত গওচল আজমৰ সাহায্যলাভ যদি সম্ভৱ হ'লহেঁতেন!" এইদৰে কোৱামেলা কৰি থাকোঁতে হঠাৎ দুবাৰ প্ৰচণ্ড শব্দ হ'ল তাৰ পিছতে—সাউদৰ দলৰ জীৱিত মানুহ কেইজনক ডকাইত দলৰ কেজন মানে কলেহি যে ডকাইতৰ চৰ্দ্দাৰ দুজনৰ মূৰ ফাটি ধাৰাসাৰ তেজ বোৱাৰ ফলত দুয়োৰে হঠাৎ মৃত্যু হ'ল। বৰ আচৰিত কথা যে দুয়োৰে কাষত এপাত এপাতকৈ দুপাত খৰম পৰি আছে। এই কথা কৈ ভয় আৰু বিস্ময়ত থৰ মুগুতি হেৰুওৱা ডকাইতদলে লুটি নিয়া বয়-বস্তু সোপাকে পুনৰ সাউদৰ দলৰ মানুহ কেজনক চমজাই দিলে। দলপতি দুজনৰ আকস্মিক দুৰ্যোগ আৰু শোচনীয় মৃত্যুই দলৰ বাকী ডকাইতকেজনকো মৃত্যু নিশ্চিত বুলি ভাবিবলৈ বাধ্য কৰাইছিল। সেয়ে যাৰ বস্তু তাক ঘিৰাই দি তেওঁলোকে অব্যাহতি পাবলৈ বিচাৰিলে।

সাউদৰ দলে বুজি পালে, এই অঘটন কাৰ আত্মিক শক্তিৰ

প্ৰভাৱত সম্ভৱপৰ হ'ল। পৰম করুণাময় বিশ্ব পালক, অসীম মহিমাময় খোদাৰ মহিমা আৰু হজৰত ৰৰপীৰ চাহাবৰ মোনাজাত (প্ৰাৰ্থনা)ৰ বাবেহে এনে ঘটনা ঘটিবলৈ পালে বুলি খবম তুপাত শ্ৰদ্ধাৰে বুটলি আনি সাউদৰ দলে হজৰত গওচল আজমক ফিৰাই দিলেহি। সাউদ দলে বণিজলৈ বুলি যাত্ৰা কৰিছিল—ছফৰ মাহৰ তিনি তাৰিখে। তেওঁলোকে উভতি আহি খবম তুপাত হজৰত গওচল আজমক ফিৰাই দিছিলহি—পুনৰ তেনে এক ছফৰ মাহৰ তিনি তাৰিখ দেওবাৰে। ৫৫৫ হিজৰী চনৰ উপৰুক্ত তাৰিখত হজৰত ৰৰপীৰ চাহাবৰ মজলিছত উপস্থিত থকা এই ঘটনাৰ প্ৰত্যক্ষদৰ্শী চেখ ওমৰ ওছমান চৰিফাইণী আৰু চেখ আব্দুল হক হাৰেমী নামৰ তুজনৰ বিৱৰণত এই ঘটনাৰ উল্লেখ আছে।

জনসেৱাত কায়মনে নিজক উছৰ্গা কৰা এই মহান সাধকজনে—জনসাধাৰণৰ তুখ বিপদ, মনোকষ্টৰ কথা শুনি সেই কষ্ট, সেই ব্যথা উপশমৰ বাবে সৰ্ব্বশক্তিমান দয়ালু খোদাৰ ওচৰত কাতৰ ভাৱে প্ৰাৰ্থনা জনাইছিল আৰু বিশ্বপালকেও তেওঁৰ প্ৰকৃত ভক্ত সাধকৰ প্ৰাৰ্থনা পূৰণ নকৰাকৈ নেথাকিছিল। সেয়ে—সংসাৰৰ বিভিন্ন প্ৰকাৰ তুখ-যাতনাত পৰা বিপদগ্ৰস্ত লোকসকল বহু আশাৰে তেওঁৰ ওচৰ চাপিছিল আৰু তুখকষ্ট নিবেদন কৰিছিল।

সন্তানহীনতাৰ জ্বালা পোৱণি বুকুত লৈ এহাল দম্পতী' এবাৰ হজৰত গওচল আজমৰ ওচৰ চাপিলহি। তেওঁলোকৰ গভীৰ মৰ্ম্মব্যথা উপলব্ধি কৰি ৰৰপীৰ চাহাবে পৰম দাতা, কৃপালু খোদাৰ ওচৰত নত মস্তকে প্ৰাৰ্থনা (ছিজদা) কৰিলে। ভালেমান বেলিৰ পাছত মুৰ তুলি তেওঁ নিঃসন্তান দম্পতীক জনালে যে অসীম করুণাৰ আধাৰ খোদা তাআলাই—তেওঁলোকক এটি পুত্ৰ সন্তানৰ মুখ দেখুৱাব। যথাসময়ত এই দম্পতীয়ে এটি সন্তানৰ মুখ দেখিলে। কিন্তু সন্তানটি হজৰত ৰৰপীৰ চাহাবে কোৱাৰ দৰে পুত্ৰ নহয়—কন্যাহে। এইবাৰে পুনৰ নিজৰ মনোবেদনা নিবেদন কৰিবলৈ যাওঁতে

কন্যাটিৰ পিতৃয়ে হজৰত ৰৰপীৰ চাহেবৰ পৰা আশ্বাস পালে যে ঘৰলৈ উভতি গৈ তেওঁ দেখিব সঁচাকৈয়ে তেওঁৰ সন্তান কন্যা নহয়—পুত্ৰহে আৰু এই পুত্ৰ সন্তানটিয়ে পৃথিবীৰ 'ছেখ'সকলৰ মাজত শ্ৰেষ্ঠ সন্মানৰ অধিকাৰী হ'ব। এই নিঃসন্তান দম্পতী আছিল হজৰত চেখ চাহাবুদ্দিনৰ পিতৃ-মাতৃ। হজৰত গওচল আজমৰ নিৰ্দ্দেশমতেই বুঢ়া কালত লাভ কৰা এই দুৰ্লভ সন্তানটিৰ নাম থোৱা হৈছিল চাহাবুদ্দিন। এই ঘটনাৰ কথা 'তাজকেৰাতুল আউলিয়া' নামৰ গ্ৰন্থখনিত পোৱা যায়।

এনেকৈয়ে এবাৰ এজন পিতৃয়ে তেওঁৰ একমাত্ৰ অবিবাহিতা গাভৰু কন্যাক জিনে (অপদেৱতা) অপহৰণ কৰাৰ বিষয়ে হজৰত গওচল আজমৰ ওচৰত গোচৰ দিলেগৈ। হজৰত ৰৰপীৰ চাহাবে কন্যাৰ চিন্তাত ম্ৰিয়মান পিতৃৰ গভীৰ দুখৰ কাহিনী মনোযোগেৰে শুনিলে আৰু নিৰ্দ্দেশ দিলে এইদৰে যে ছোৱালীৰ পিতৃয়ে কাৰখ্ নামৰ চুবুৰীৰ ধ্বংসস্তূপলৈ গৈ নিশা তাতে মাটিৰ ওপৰত বৃত্ত এটা আঁকি তাৰে ভিতৰত বহি লৈ এটি বিশেষ দোৱা (প্ৰাৰ্থনাৰ অংশ বিশেষ) পাঠ কৰি থাকিব। লগতে ইয়াকো কৈ থলে যে মাজ নিশা সেই ঠাইলৈ বহু জীনৰ আগমন হ'ব, কিন্তু কোনেও তেওঁৰ একো অনিষ্ট কৰিব নোৱাৰে। গতিকে—জীনৰ ভয়লগা ৰূপ দেখি যেন তেওঁ আতঙ্কিত নহয়। ৰাতি পুৱাবৰ আগৰ গহীন নিশা ভাগত জীনৰ ৰজা ঘোঁৰাত উঠি লগত ভালেমান সৈন্য সামন্ত লৈ আহিব। সেই সময়তে তেওঁৰ ওচৰত সকলো কথা অকপটে নিবেদন কৰিব লাগিব।

হজৰত ৰৰপীৰ চাহাবৰ নিৰ্দ্দেশ অনুসৰি জীনৰাজৰ আগত সাধকজনৰ কথা কৈ অপহৃতা কন্যাৰ পিতৃয়ে জীয়েকৰ মুক্তিৰ প্ৰাৰ্থনা জনালে। হজৰত ৰৰপীৰ চাহাবৰ নাম শুনিয়েই জীনৰাজে সসম্মানে ঘোঁৰাৰ পৰা নামি গোচৰীয়া পিতৃৰ লগত মাটিতে আসন ললে। লগতে আদেশ দিলে অতি সোনকালে কন্যাটিৰ

সন্ধান লৈ তেওঁক পুনৰ পিতৃৰ হাতত শোধাই দিবলৈ। প্ৰথমে খাঁনসকলৰ কোনেও ছোৱালীটিৰ সন্ধান দিব নোৱাৰিলে—পিছত চীনদেশীয় খাঁন এজনে কন্যাটি লৈ আহি খাঁনৰাজৰ ওচৰত নিবেদন কৰিলেহি। কি কাৰণে এজন নিৰীহ মানুহৰ কন্যাটি অপহৰণ কৰা হৈছিল তাৰ কাৰণ সোধাত অপহৰণকাৰী খাঁনে উত্তৰ দিলে যে কন্যাটিৰ প্ৰতি তেওঁ অত্যন্ত অনুৰক্ত বাবেই অপহৰণ কৰি নিছিল। খাঁনে তেওঁৰ কৃত অপৰাধৰ বাবে ক্ষমা বিচাৰিছিল যদিও ৰজাই তেওঁক ক্ষমা নকৰি সকলোৰে সাক্ষাতত কন্যাটি পিতৃৰ হাতত অৰ্পণ কৰি দোষী খাঁনৰ শিৰশ্ছেদ কৰি গুৰুতৰ শাস্তি বিধান কৰিলে। এই ঘটনাৰ বিষয়ে জনা গৈছিল—অপহৃতা কন্যাটিৰ পিতৃ স্বয়ং ছৈয়দ আহম্মদ খাঁন আলীৰ লিখিত বিৱৰণীৰ পৰা। এওঁ আছিল বাগদাদৰ অধিবাসী।

এবাৰ তাতোকৈও এক সঙ্কট মুহূৰ্ত্তৰ সম্মুখীন হবলগীয়া হৈছিল—হজৰত গওঁচল আজম চাহাব। স্পেন দেশৰ ছেখ আলী ইব্নে আৰবী নিঃসন্তান আছিল। সন্তানহীনতাৰ গভীৰ দুখত দুখী এই মানুহজনক এদিন বলিয়া এটাই কৈছিল "আলী চাহেব, সন্তানৰ কাৰণে আপুনি ব্যাকুল হৈ পৰিছে। বংশৰক্ষাৰ বাবে যদি পুত্ৰ সন্তান কামনা কৰিছে, তেন্তে হজৰত বৰপীৰ চাহাবৰ ওচৰলৈ নাযায় কিয় ?" বাটৰ বলিয়াৰ মুখত হলেও হঠাৎ এনে এষাৰ আশাৰ বাণী শুনি ক্ষীণকৈ হলেও আলী চাহাবে এটি আশাৰ ৰেঙনি দেখিবলৈ পালে। সন্তান লাভৰ আকাঙ্ক্ষা গাঢ় হৈ পৰি তেওঁৰ অন্তৰ আন্দোলিত কৰিবলৈ ধৰিলে। ধৈৰ্য্য ধৰিব নোৱাৰি ততাতৈয়াকৈ তেওঁ হজৰত গওচল আজমৰ ওচৰলৈ গৈ তেওঁৰ মৰ্ম্মব্যথা নিবেদন কৰিলেগৈ। আলী চাহাবৰ প্ৰাৰ্থনা শুনি হজৰত বৰপীৰ চাহাবে কিছুপৰ পিছত কলে যে আল্লাহ পাক ৰাব্বিল আলামীনে তেওঁৰ বাবে কোনো সন্তান ৰখা নাই। এনে নিষ্ঠুৰ সত্য শুনাৰ পিছতো বলিয়াৰ কথা পাহৰিব নোৱাৰি আলী চাহাবে ধৈৰ্য্য ধৰি পুনৰ

নম্ৰভাৱে নিৱেদন কৰিলে "আপোনাৰ উক্তি যথাৰ্থ সত্য কিন্তু তথাপিও মই আপোনাৰ ওচৰলৈ আহিছোঁ। দূৰ দূৰান্তৰ পৰা, বৰ আশাৰে।"

দয়ালু আৰু পৰদুখ কাতৰ হজৰত বৰপীৰ চাহাবে এইবাৰ আলীচাহাবৰ বিনম্ৰ উক্তিত মুগ্ধ হ'ল। তেওঁ সান্ত্বনা দি আলী চাহাবক ক'লে যে সঁচাকৈয়ে যেতিয়া আল্লাহ্ তাআলাই তেওঁৰ কাৰণে সন্তান ৰখা নাই, এইক্ষেত্ৰত তেওঁ নিৰুপায়ত পৰিছে। লগতে আৰু ক'লে যে হজৰত গওচল আজমৰ ভাগ্যত আৰু এটি পুত্ৰ সন্তান আছে—যদি আলী চাহাবে ইচ্ছা কৰে—সেই সন্তানটিকে আলীচাহাবক দিবলৈ খোদাৰ ওচৰত তেওঁ প্ৰাৰ্থনা জনাব পাৰে। এনে অভাৱনীয় প্ৰস্তাব এটি শুনি ছেখ আলী চাহাব পুলকিত হৈ উঠিল। তেওঁ হজৰত গওচল আজমৰ প্ৰস্তাবত সন্মত হ'ল। হজৰত বৰপীৰ চাহাবে তেতিয়া এই মৰ্ম্মে খোদাৰ ওচৰত কাতৰ প্ৰাৰ্থনা জনালে। প্ৰাৰ্থনাৰ অন্তত তেওঁ ছেখ আলী চাহাবক সম্বিধান দিলে যে খোদাপাকে এই প্ৰাৰ্থনা কবুল কৰিছে। তাৰ পিছত ছেখ আলী চাহাবক তেওঁৰ নিজৰ পিঠিৰ স'তে বৰপীৰ চাহাবৰ পিঠিখন ঘঁহিবলৈ আজ্ঞা দিলে। ছেখ চাহাবে সেইদৰে নিৰ্দ্দেশ পালন কৰিলে। ছেখ চাহাবে স্বদেশলৈ, স্বগৃহলৈ বুলি বিদায়লোৱাৰ আগতে হজৰত বৰপীৰ চাহাবে তেওঁক কৈ পঠিয়ালে যে তেওঁৰ পুত্ৰ হব সমসাময়িক বিদ্বানমণ্ডলীৰ ভিতৰত এক শ্ৰেষ্ঠ সাধক। তেওঁৰ প্ৰতিভা, পাণ্ডিত্য আৰু যশৰাশি পৃথিবীৰ চৌদিশে বিয়পি পৰিব। তেওঁৰ নাম যেন ৰখা হয়—মহী উদ্দিন। যথাসময়ত ছেখ আলী ইব্‌নে আৰবীৰ এটি পুত্ৰ সন্তান জন্ম হ'ল আৰু হজৰত গওচল আজমৰ নিৰ্দ্দেশমতেই তেওঁৰ নাম ৰখা হল—ছেখ মহীউদ্দিন। এইজন বিজ্ঞ পণ্ডিতৰ যশ-প্ৰতিভা পৃথিবী বিয়পি গৈছিল। দাৰ্শনিক ইব্‌নে আৰবী নামেৰেও তেওঁ খ্যাতিমান হৈছিল আৰু এজন বিখ্যাত 'কুতুব' স্বৰূপে—আধ্যাত্মিক জগতত তেওঁ পৰিচিত হৈছিল 'ছেখ আকবৰ' উপাধিৰে।

সন্তানহীনতাৰ দুখ যিদৰে সুগভীৰ, সেইদৰে সন্তান বিয়োগৰ ব্যথাও অসহনীয়। হজৰত বৰপীৰ চাহাবৰ ওচৰলৈ বাগ্দাদৰ অ'বুল মোৱাসী মহম্মদ নামৰ এজন বিখ্যাত সাউদ প্ৰায়েই অহাযোৱা কৰিছিল। এওঁ হজৰত গওচল আজমৰ বিশেষ স্নেহ ভাজন আছিল। এইজন সাউদৰে এটি পুত্ৰ সন্তান এবাৰ অতি কালান্তক জ্বৰত পৰিল। আৰোগ্যৰ বাবে সকলো ধৰণৰ চিকিৎসা চলিল কিন্তু সেই সকলো চিকিৎসা অথলে গ'ল। মাক-বাপেক, আত্মীয়-স্বজন আটায়ে ল'ৰাটিৰ আশা এৰিলে। অৱশেহত শেষৰ সান্ত্বনা লবলৈ বুলি সাউদে হজৰত বৰপীৰ চাহাবৰ ওচৰ চাপি তেওঁৰ গভীৰ মৰ্ম্মব্যথা বিবৰি ক'লেগৈ। এনে বিপদৰ কথা শুনি হজৰত বৰপীৰ চাহাবো ব্যথিত হ'ল আৰু আশ্বাস দি ক'লে যে সাউদে ঘৰলৈ উভতি গৈ ৰোগীৰ কাণে কাণে কব—"জ্বৰ, তুমি মোৰ পুত্ৰৰ গাৰ পৰা এৰা দি অইন ক'ৰ-বালৈ গুচি যোৱাগৈ।" এই বুলি কলেই আল্লাৰ দয়াত ল'ৰাটিয়ে আৰোগ্য লাভ কৰিব। ভগ্নহৃদয় সাউদে অঠাই পানীত খেৰকুটা বিচাৰি পোৱাৰ দৰে পুনৰ আশাৰে বুকু বান্ধিলে আৰু ঘৰলৈ উভতি গৈ হজৰত বৰপীৰ চাহাবৰ নিৰ্দ্দেশ পালন কৰিলে। তাৰ পিছতে তেওঁৰ পুত্ৰটি আৰোগ্যৰ পথলৈ আহিল।

এইদৰেই—ব্যক্তি বিশেষৰে হ'ক বা দুৰ্দ্দশাগ্ৰস্ত জনসাধাৰণৰ সামূহিক দুখ বিপৰ্য্যয়ৰ কথাই হ'ক শুনিলে হজৰত গওচল আজমে ত'ৰ প্ৰতিবিধানৰ বাবে কৰুণাময় আল্লাৰ সাহায্য প্ৰাৰ্থনা কৰিছিল। বিশ্বপালক, পৰম দাতা, দয়ালু খোদাই তেওঁৰ প্ৰকৃত সাধক, ভক্ত-সকলৰ বাবে উত্তম পুৰস্কাৰ নিৰ্দ্ধাৰিত কৰাৰ হেতুকে হজৰত গওচল আজমৰ এনে প্ৰাৰ্থনা খোদাই মঞ্জুৰ কৰিছিল।

এবাৰ টাইগ্ৰিছ নৈৰ বলিয়া বানে বাগ্দাদৰ ভালেমান অঞ্চল বুৰাই—নৈৰ দাঁতিকাষৰীয়া অঞ্চলৰ অধিবাসী সকলক আতঙ্কিত কৰি তুলিছিল। এনে বিপদকালত হজৰত বৰপীৰ চাহাব নৈৰ পাৰলৈ গ'ল আৰু স্বাভাৱিক অৱস্থাত জোৰাৰে চৌৰাই থৈ যোৱা সীমাত

হাতত থকা নিজৰ লাখুটি (লাঠি) ডাল পুতিলে আৰু ক'লে— "খোদাৰ ইচ্ছাত ইয়ালৈকে পিছুৱাই অ'হা, ইয়াতকৈ বেছিদূৰ আগবাঢ়ি জনসাধাৰণক বিপৰ্য্যস্ত নকৰিবা"। কি আচৰিত কথা— সাধকপ্ৰবৰে এইদৰে দিয়া ইঙ্গিতৰ পিছতে—নৈৰ সোঁত স্বাভাৱিক পৰ্য্যায়লৈ আহিল।

কালান্তক ৰোগত আক্ৰান্ত হোৱা, আসন্ন মৃত্যুৰ হাতৰ পৰা পুত্ৰ সন্তান পুনৰ ফিৰাই পোৱা এজন পিতৃ সাউদ আবুল মোৱালী মহম্মদ বিন্ আহমদ চাহাবৰ কথা আমি প্ৰসঙ্গান্তৰত উল্লেখ কৰি আহিছোঁ। এওঁ হজৰত ৰবপীৰ চাহাবৰ গুণগ্ৰাহী ভক্ত আছিল। সু্যোগ পালেই তেওঁ ৰবপীৰ চাহাবৰ ধৰ্ম্মালোচনা শুনিছিলহি। এদিন তেওঁক হজৰত ৰবপীৰ চাহাবে আৰু এটি ভীষণ বিপদৰ পৰা ৰক্ষা কৰে। ঘটনাটো ঘটিছিল এনেদৰে—

হজৰত ৰবপীৰ চাহাবৰ মজলিছত সিদিনাও শ্ৰোতা সকলৰ অসম্ভৱ ভীড়। এঠাইত বহি আলোচনা শুনি আছিল সাউদ আবুল মোৱালীয়ে। এনেতে তেওঁৰ শৌচাচাৰৰ আৱশ্যক হ'ল। ভীড়ৰ মাজেৰে বিৰদি ওলাই আহিবলৈকে বাটপোৱা টান। নিৰুপায় হৈ— সাউদে দূৰত ভাষণ দি থকা হজৰত ৰবপীৰ চাহাবৰ মুখলৈ চালে আৰু নীৰৱে তেওঁৰ সাহায্য লাভৰ বাবে কাতৰ আবেদন জনালে। ক্ষন্তেক পিছতে তেওঁ এটি আচৰিত ঘটনা দেখিবলৈ পালে। তেওঁ দেখিলে হজৰত ৰবপীৰ চাহাব যেন বক্তৃতা মঞ্চৰ পৰা নামি আহিল। কিন্তু সাইলাখ একে গঢ়-পিতৰ মানুহ এজনে বক্তৃতা মঞ্চত ভাষণ দিয়েই থাকিল। ৰবপীৰ চাহাবে (বক্তৃতা মঞ্চৰপৰা নামি অহা) সাউদৰ মূৰত এটি শিৰস্ত্ৰাণ পিন্ধাই দিলেহি। লগে লগে আবুল মোৱালী চাহাবে চকুৰ আগত দেখিবলৈ পালে—এখনি আহল বহল মুকলি পথাৰ। কাষতে এখনি বোঁৱতী নৈ। নৈৰ পাৰত এজোপা গছৰ ডালত সাউদৰ চাবিকোছা ওলোমাই থৈ নিজৰ আৱশ্যকীয় শৌচাচাৰ সম্পন্ন কৰিবলৈ হজৰত ৰবপীৰ চাহাবে তেওঁক ইঙ্গিত দিলে। তত্তাতৈয়াকৈ নিৰ্দেশ

পালন কৰি সাউদে পুনৰ ৰৰপীৰ চাহাবৰ ওচৰ চাপিল। হুজৰত গওচল আজমে এইবাৰ সাউদৰ মূৰৰ পৰা শিৰস্ত্ৰাণটি খুলি লোৱাৰ লগে লগে তেওঁ দেখিলে যে পুনৰ তেওঁ ধৰ্ম্মালোচনা শুনি ৰৰপীৰ চাহাবৰ মজলিছতে বহি আছে।

এই অত্যাশ্চৰ্য্য ঘটনা সাধনাৰ অতি উচ্চ মাৰ্গত সিদ্ধি লাভ কৰোঁতাসকলৰ বাহিৰে আন কোনোৱে নেদেখিলে। সাউদ আবুল মোৱালীচাহাবে এই বিস্ময়কৰ ঘটনাৰ কথা কাৰোবাক কব নে নকব ভাবি দো'ধাৰ মোধে'ৰত পৰি থাকোঁতেই ক্ষন্তেকতে তেওঁ একেবাৰে পাহৰি গ'ল। একেসময়তে—এজন মানুহে বক্তৃতামঞ্চত ভাষণ দি থাকি তেওঁক নৈৰ পাৰলৈ লৈ যোৱাটো কেনেকৈনো সম্ভৱপৰ হব পাৰে, ত'কে ভাবি তেওঁ বিমোৰত পৰিছিল। ঘটনাটি দিঠক নে সপোন ভাবি তেওঁ অস্থিৰহৈ পৰিছিল। তেনেতে বিস্মৃতিয়ে তেওঁক শান্ত কৰিলে। এই ঘটনাৰ ভালেমান দিন পিছত এবাৰ সাউদ আবুল মোৱালী চাহাব পাৰস্য (ইৰাণ) দেশলৈ যাবলগীয়া হৈছিল। সাউদৰ ব্যৱসায়েই আছিল—বণিজৰ বেহানি লৈ দূৰ-দূৰান্তৰৰ দেশলৈ বেপাৰ কৰিবলৈ যোৱা। গৈ থাকোঁতে—নৈ এখনৰ পাৰ পালেগৈ। জিৰণিৰ উপযুক্ত ঠাই দেখি দলে বলে গৈ সেই ঠাইতে কোঠ মাৰিলে। জিৰণিৰ কালত বাহিৰলৈ যোৱাৰ আৱশ্যক হোৱাত তেওঁ নৈৰ দাঁতিৰ মুকলি ঠাইলৈ গ'ল। তাৰ কাষতে—এজোপা গছৰ ডালত তেওঁৰেই হেৰোৱা চাবি একোছা ওলমি থকা দেখিবলৈ পালে। কিছুদিন আগতে এই ঠাইলৈকে তেওঁ শৌচাচাৰৰ বাবে আহি গছৰ ডালত ওলোমাই থোৱা চাবিকোছা পাহৰি এৰি থৈ গৈছিল। চাবিকোছা দেখি তেওঁৰ সকলো কথা মনত পৰিল আৰু হেৰোৱা বস্তু পুনৰ পোৱাৰ বাবে খোদাৰ ওচৰত কৃতজ্ঞতা নিবেদন কৰিলে। স্বদেশ বাগদাদলৈ উভতি আহি সাউদে এই আচৰিত ঘটনাৰ বিষয়ে হুজৰত ৰৰপীৰ চাহাবক বিবৰি কলে। ৰৰপীৰ চাহাবে সাউদৰ মুখৰ পৰা কোনো কথা শুনাৰ আগতেই ঘটনাৰ আদ্যোপান্ত নিজেই

বিবৰি ক'লে আৰু সাউদক নির্দ্দেশ দিলে যে—বৰপীৰ চাহাবৰ জীৱিতকালত যেন এই ঘটনাৰ কথা সদৰী কৰা নহয়।

হজৰত গওচল আজমৰ ইচ্ছাশক্তিৰ গভীৰতা আৰু মাহাত্ম্য সম্পর্কে সেইকালৰ এজন জ্ঞানী পণ্ডিত ছেখ মুজাফ্‌ফৰ বিন্ মনছুৰৰ বিবৰণীৰ পৰা জনা যায়। ডেকা কালত ছেখ্ মুজাফ্‌ফৰ চাহাব এদিন হজৰত বৰপীৰ চাহাবৰ মজলিছলৈ গৈছিল বহুমূলীয়া ধর্ম্মালোচনা শুনিবৰ মানসেৰে। লগত আৰু বহুতো মানুহ গৈছিল। ছেখ্ মুজাফ্‌ফৰ দর্শন আৰু অধ্যাত্মবাদৰ মেধাবী ছাত্র আছিল। ধর্ম্মালোচনা শুনিবলৈ যোৱাৰ সময়তো তেওঁৰ লগত সেই বিষয়ৰ এখন বিখ্যাত কিতাপ আছিল। হজৰত বৰপীৰ চাহাবে ছেখ মুজাফ্‌ফৰক সেই কিতাপখন লগত ৰখাৰ উপযুক্ত নহয় বুলি উঠিগৈ কিতাপখন ধুই আনিবলৈ নির্দ্দেশ দিলে। নিজৰ প্রিয় বিষয়ৰ সেই বহুমূলীয়া গ্রন্থখনি ধুই পেলাবলৈ ছেখ মুজাফ্‌ফৰৰ সত্ যোৱা নাছিল। অথচ হজৰত গওচল আজমৰ নির্দ্দেশ অমান্য কৰাৰ সাহসো হোৱা নাছিল। অৱশেহত ছেখ মুজাফ্‌ফৰে মনে মনে পাতিলে যে উঠি গৈ সেই বহুমূলীয়া গ্রন্থখনি আন ক'ৰবাত থৈ আহিব। এই অভিপ্রায়েৰে তেওঁ মছলিছৰ পৰা উঠিল। কিন্তু কি আচৰিত—উঠিবলৈ চেষ্টা কৰি তেওঁ বাৰে বাৰে ব্যর্থ হ'ল। গা দাঙিবই নোৱাৰিলে। কেনেবাকৈ যেন মাটিৰ লগত শিপাহে গজিল তেনে অৱস্থা হ'ল। হজৰত বৰপীৰ চাহাবে তেতিয়া কিতাপখন নিজে চাবলৈ বিচাৰিলে।

কিতাপখন তেওঁৰ হাতত দিবলৈ উঠি ছেখ মুজফ্‌ফৰ চাহাবে দেখিলে যে কিতাপখনিৰ এটি বর্ণও স্পষ্ট হৈ থকা নাই। গোটেই কিতাপখন উকা কাগজৰ সমষ্টি যেন হৈ পৰিছে। ছেখ মুজফ্‌ফৰ হতভম্ব হৈ পৰিল। তাৰ পিছত বৰপীৰ চাহাবে—কিতাপখন নিজৰ হাতলৈ নি পবিত্র দুখনি হাত ফুৰাই দি কলে—"এইবাৰ মেলি চ'ক। আপোনাৰ অধ্যাত্মবাদ আৰু দর্শনৰ কিতাপখনি হজৰত

হৈ'লে স্বাবীয়ে লিখা 'কাজায়েলে কোৰাণ' লৈ ৰূপান্তৰিত হৈছে।" ছেখ মুজাফফৰে যেতিয়া চাই দেখিলে—সঁচাকৈয়ে সেইখনি এখনি হাতেলিখা "ফাজায়েলে কোৰাণ" নামৰ বিখ্যাত গ্ৰন্থ। বিস্ময়কৰ এই ঘটনাৰ পিছতে—তাতোকৈও বিস্ময়কৰ আৰু এক ঘটনাই ছেখ মুজাফ্‌ফৰক তধা লগাইছিল। অধ্যাত্মবাদ সম্পৰ্কীয় কিতাপখন আগৰ পৰা গুৰিলৈকে মছা গ'ল যদিও তাৰ ভালেমান অংশ ছেখ মুজাফ্‌ফৰৰ মুখস্থ আছিল। আত্মিক শক্তিৰে হজৰত বৰপীৰ চাহাবে এই কথাৰ সন্ধেদ পাই ছেখ মুজফ্‌ফৰক সুধিলে—"আপুনি বাৰু এই বিষয়ে খোদাৰ ওচৰত ক্ষমাপ্ৰাৰ্থনা কৰিবলৈ সন্মত আছেনে? তৌবাহ (অনুশোচনা প্ৰকাশ) কৰিবলৈ সন্মত আছেনে?" সেইবাৰ ছেখ মুজাফ্‌ফৰে অস্বীকাৰ কৰিব নোৱাৰিলে। হজৰত বৰপীৰ চাহাবৰ নিৰ্দ্দেশ অনুযায়ী তেওঁ থিয় হ'ল আৰু—লগে লগে লক্ষ্য কৰি আচৰিত হ'ল যে সেই গ্ৰন্থৰ এটি বৰ্ণও তেওঁৰ মনত নাই। বিস্মৃতিয়ে তেওঁৰ পূৰ্ব্বৰ কণ্ঠস্থ থকা সকলো কথাকে মোহাৰি পেলাইছে।

বৰপীৰ্ চাহাবৰ দোৱাৰ বৰকত (আশীৰ্ব্বাদৰ গুণ) ৰ কথা হজৰত ছৈয়দ খিজিৰ আল হোচেইনীৰ এটি বিবৰণ আছে। এদিন হজৰত গওছল আজমে অসুখত ভুগি থকা হজৰত ছেখ আবুল হাচান (ৰাঃ) ৰ খবৰ কৰিবলৈ গৈছিল। তেওঁৰ এটি পোহনীয়া ভাটৌ চৰাই আছিল। এযোৰ পাৰ তেওঁ বৰ হেঁপাহেৰে পুহিছিল। ছমাহলৈকে পাৰই কণী নপৰা দেখি আৰু পোহনীয়া ভাটৌ চৰাইটিৰ সুললিত গীত বন্ধ হোৱা দেখি আবুল হাচান (ৰাঃ) ৰ মনত বৰ দুখ আছিল।

বৰপীৰ চাহাবৰ আগত এই দুখৰ কথা জনোৱাত তেওঁ চৰাই-কেইটিক মৰমেৰে আদেশ দিলে—"গৰাকীৰ মনত সন্তোষ দিবলৈ তোমালোক নিজ কৰ্ত্তব্যৰ প্ৰতি সজাগ হোৱা।" এইদৰে কোৱাৰ পাছতে—তেওঁৰ সন্মুখতে পাৰই কণী পাৰিলে আৰু পোহনীয়া ভাটৌ

চৰাইটিয়ে সুমধুৰ গীত জুৰিলে। বাগদাদ নগৰৰ লোকেৰে সেই ঠাই লোকাৰণ্য হৈ পৰিল এই আচৰিত ঘটনা চাবলৈ।

উপযুক্ত শিষ্য পালে হজৰত বৰপীৰ চাহাবে নিজৰ আত্মিক শক্তিৰে শিষ্যৰ আধ্যাত্মিক উন্নতি অধিক উৎকৰ্ষ সাধনৰ বাবেও সচেষ্ট আছিল। এই সম্পৰ্কে পীৰ হজৰত আবুল হাচান আলী ইব্‌নে হিতিৰ মুৰিদ (শিষ্য) হজৰত আবু হাফচ ওমৰ বিন্ মোহাম্মদে দিয়া বিবৰণীৰ পৰা জনা যায় : ৫৫০ হিজৰীত হজৰত আবুল হাচান আলী ইব্‌নে হিতিয়ে হজৰত আবু হাফচক হজৰত বৰপীৰ চাহাবৰ ওচৰলৈ লৈ যায় আৰু পৰিচয় কৰাই দিয়ে। হজৰত বৰপীৰ চাহাবে তেতিয়া বিশেষ আগ্ৰহেৰে তেওঁ নিজে পিন্ধি থকা পবিত্ৰ সাজটিৰ পৰাই এটি চোলা উলিয়াই হজৰত আবু হাফচক পিন্ধাই দিলে আৰু ক'লে—"এই পবিত্ৰ চোলাটিৰ বৰকতত (যহুত) তুমি নিৰোগী হৈ থাকিবা।"

পুনৰ ৫৬০ হিজৰীত হজৰত আবুল হাচান আলীয়ে তেওঁৰ প্ৰিয় শিষ্য হজৰত আবু হাফচক হজৰত বৰপীৰ চাহাবৰ ওচৰলৈ লৈ গৈছিল। সেইবাৰো তেওঁ শিষ্যৰ বাবে বৰপীৰ চাহাবৰ পৰা আত্মিক পৰিচ্ছদ ভিক্ষা কৰিছিল। কিছুপৰ ধ্যানমগ্ন হোৱাৰ পিছত বৰপীৰ চাহাব সেই প্ৰাৰ্থনাত সম্মত হৈছিল। বৰপীৰ চাহাব ধ্যানমগ্ন হৈ বহি থকা সময়তে হজৰত আবু হাফচে অনুভৱ কৰিছিল যে বৰপীৰ চাহাবৰ বুকুৰ পৰা কিবা এক জ্যোতিশিখা বিকীৰ্ণ হৈ তেওঁৰ বুকুত প্ৰবেশ কৰিলে। সেই সময়তে তেওঁ নিজৰ চৌদিশে—বহু মৃত লোকৰ আত্মাই বিভিন্ন ভাষাত কৰা আল্লাৰ মহিমাৰ ঘোষণাও শুনিলে। এনে অভাৱনীয় ঘটনা দেখি তেওঁ ভয় আৰু বিস্ময়ত অস্থিৰ হৈ উঠিছিল। হজৰত বৰপীৰ চাহাবে তেতিয়া তেওঁক অভয় দিছিল আৰু ধীৰে স্থিৰে ধৈৰ্য্য ধৰি থাকিবলৈ নিৰ্দ্দেশ দিছিল। হজৰত আবু হাফচৰ পীৰ হজৰত আবুল হাচান আলীও আনকি শঙ্কিত হৈ উঠিছিল—কিজানি তেওঁৰ প্ৰিয় শিষ্য বলিয়া হৈ পৰিল এই ভাবি।

অৱশেহত হজৰত বৰপীৰ চাহাবে—তেওঁৰ পবিত্র মুৰ হজৰত আবু হাফচৰ বুকুত লগাই দিলে আৰু তেতিয়াহে হজৰত আবু হাফচৰ সকলো ভয়-শঙ্কা আঁতৰিল। প্ৰথমবাৰ হিজৰী ৫৫০ চনত হজৰত বৰপীৰ চাহাবে দিয়া চোলাটিৰ বৰকতত তেওঁ জীৱিতাবস্থাত কেতিয়াও অসুখত ভোগা নাছিল।

মৃতপ্ৰায় এজন উদৰী ৰোগীয়ে কিদৰে হজৰত বৰপীৰ চাহাবৰ দোৱাৰ বৰকতত আৰোগ্য লাভ কৰিবলৈ সমৰ্থ হৈছিল সেই বিবৰণীও অতি আশ্চৰ্যজনক।

উদৰীৰোগত ভোগা মানুহজনৰ আছিল সেইকালৰ বাগদাদৰ খলিফাৰ ওচৰ সম্বন্ধীয় কুটুম। পাকস্থলীত পানী সঞ্চিত হোৱাত মানুহজন মৃতপ্ৰায় হৈ পৰিছিল। খলিফাৰ আত্মীয় বাবে চিকিৎসাৰ কোনো ত্ৰুটি হোৱা নাছিল। ৰাজ দৰবাৰৰ বিভিন্ন উপাধিধাৰী বেজ, বৈদ্য, হেকিম, ধন্বন্তৰীয়ে বিভিন্ন পদ্ধতিৰে চিকিৎসা কৰিলে কিন্তু সকলো অথলে গ'ল। অৱশেহত ৰোগীক বৰপীৰ চাহাবৰ ওচৰলৈ লৈ যোৱা হ'ল। তেওঁ ৰোগীৰ দেহ আৰু পেটৰ ওপৰত হাত বুলাই দিলে। লগে লগে পৰম দয়ালু মহিমাময় খোদাৰ ৰহমতত ৰোগীয়ে সম্পূৰ্ণৰূপেও আৰোগ্য লাভ কৰিলে।

হজৰত বৰপীৰ চাহাবৰ অমূল্য উপদেশাৱলী

হজৰত বৰপীৰ চাহাবে তেওঁৰ সুদীৰ্ঘ জীৱন কালত অতি কঠোৰভাবে একনিষ্ঠ সাধকৰ জীৱন যাপন কৰিছিল। সাধনাত সিদ্ধিলাভ কৰাৰ বিভিন্ন ক্ৰমত তেওঁৰ অভিজ্ঞতা সম্বন্ধে বহু বিবৰণী তেওঁ এৰি থৈ গৈছে। সেই সমূহৰ ভিতৰত—চয়তানৰ প্ৰলোভন, দুষ্টপ্ৰবৃত্তি দমন, অন্তৰশুদ্ধিৰ পথ, ধৈৰ্য্য ধাৰণৰ সুফল আদিৰ বিষয়ে তেওঁৰ যি

বহুমূলীয়া উপদেশসমূহে আৰু আৰু সেইসমূহো সাধক সকলৰ বাবে অমূল্য সম্পদ স্বৰূপ।

চয়তান সম্পৰ্কে তেওঁ কৈছিল যে চয়তান—মানুহৰ শক্ৰ। সৃষ্টিৰ পাতনিৰে পৰা চয়তানে শক্ৰতা আচৰি আহিছে আৰু সেই বাবেই—সেই পুৰণি শক্ৰৱে যি মুহূৰ্ত্ততে মানুহক দুৰ্ব্বল অৱস্থাত পায়, তেতিয়াই—চিকাৰ হাতত পৰাৰ দৰে তাৰ সদ্ব্যৱহাৰ কৰে। চয়তানৰ বিৰুদ্ধে দুৰ্জ্জয় সংগ্ৰামৰ প্ৰধান অস্ত্ৰ হ'ল—আল্লাৰ প্ৰতি ভক্তি। একাগ্ৰ ধ্যানৰ মাজেৰে শক্তি আৰু সাহসৰ প্ৰাৰ্থনা জনালে সৃষ্টিকৰ্ত্তা খোদাই নিজে সহায়বৰ্ত্তা হৈ চয়তানক পৰাস্ত কৰিবলৈ অসীম মনোবল যোগায়। সেই শক্তি—হেজাৰ হেজাৰ সৈন্যৰ শক্তিৰ সমতুল্য।

সৃষ্টিকৰ্ত্তা পৰম কৰুণাময়, ক্ষমাময়, অনন্ত প্ৰেমময় খোদাৰ নৈকট্যাভিলাষী সকলক উদ্দেশ্য কৰি তেওঁ কৈছিল—"হে খোদাৰ বান্দা (দাস) সকল, যদি ইহকাল, পৰকাল দুয়োকালৰে আকাঙ্ক্ষা-মুক্ত হৈ হৃদয় আৰু মনক মুক্ত ৰাখিব পাৰা, তেতিয়াহে খোদাৰ নৈকট্য লাভ কৰিব পাৰিবা। পাৰ্থিব সম্পদ বিসৰ্জ্জন দিয়া। স্ৰষ্টাক ত্যাগ কৰি সৃষ্টিৰ পাছত ঢাপলি মেলিলে কি পাবা? পাৰ্থিব সম্পদ বিসৰ্জ্জনৰ বিনিময়ত যি শক্তি আহৰণ কৰিবা, তাৰ তুলনা নাই। তেতিয়াহে দুষ্প্ৰবৃত্তিক উচিত শাস্তি দিবা আৰু হৃদয়ে লাভ কৰিব—পৰকালৰ সুখ-সৌভাগ্য। চিৰস্থায়ী, অবিনশ্বৰ সম্পদলাভৰ অধিকাৰী হবা যত মলিনত নাই। তেতিয়াই বিশ্বপালকৰ পৰা এনে পৰিচালনা শক্তি লাভ কৰিবা যে বিপথে যোৱাৰ সকলো আগন্তুকৰ অবসান হব। যি কৰা—সকলো তেতিয়া খোদাৰ বাটতে কৰিবলৈ সক্ষম হবা। সেয়েহে—পাপৰ (গুণাহ) পৰা মুক্তি বিচাৰি অনুশোচনা (তৌবাহ) কৰা আৰু সৃষ্টিকৰ্ত্তাৰ অভিমুখে উভতি আহাঁ। আল্লাৰ বাবে মিছালাজৰ ভাও নুজুৰি সঁচাকৈ লাজ পাই পাপৰ পৰিচ্ছদ ত্যাগ কৰি সৰল অন্তৰেৰে

চিত্তশুদ্ধিৰ বাবে অনুশোচনা প্ৰকাশ (তৌবাহ্) কৰা। এই অনুশোচনা প্ৰকাশ কৰি কৰা ক্ষমাভিক্ষা (তৌবাহ্) এক অমূল্য সম্পদ। অঙ্গ-প্ৰত্যঙ্গৰ সাধনাতকৈ—অন্তৰৰ সাধনা বহুত বেলেগ পাৰ্থিব সম্পদ আৰু সৃষ্টিৰ লগত সম্পৰ্কচ্ছেদ কৰি হৃদয় যেতিয়া পৃথক হৈ পৰে—মাৰেফাত (গুপ্তবিদ্যা) ৰ জ্ঞান-সমুদ্ৰত উপনীত হৈ হৃদয়ে তেতিয়া কয়—"যি মোৰ স্ৰষ্টা, তেৱেঁই মোৰ পথ-প্ৰদৰ্শক। সেইসময়ত সাধনাৰ পথত অগ্ৰসৰ মানৱে এক প্ৰান্তৰ পৰা অন্য এক প্ৰান্তৰলৈ, স্থানৰ পৰা স্থানান্তৰলৈ যোৱাৰ পথ পায়। তেনে অৱস্থাত আল্লাৰ বান্দাই (দাসে) যেতিয়া তেওঁক ধ্যান কৰে —তেতিয়া তেওঁ প্ৰভাবিত নহয়। সন্ধানী অন্তৰে ক্ৰমে পথৰ পিছত পথ অতিক্ৰম কৰি আগবাঢ়ে। কেতিয়াবা কিবা সংশয়ৰ সম্মুখীন হ'লে ঈমানে (বিশ্বাসে) সাহস দিয়ে। সেই সাহসে অন্তৰৰ কম্পেকীয়া বিমূঢ়তা বা ভীতিৰ অগ্নিশিখা মুমুৰাই তাৰ থলত আল্লাৰ নৈকট্যৰ আৰু ভক্তিৰ সুখানুভূতি আনে।

পৃথিৱীৰ পাৰ্থিব সুখ-ভোগ বিসৰ্জ্জন দিলে পৰকালৰ পাথেয় সঞ্চয় হয় আৰু সৃষ্টিৰ লগত সম্পৰ্কচ্ছেদৰ উদ্দেশ্যই হ'ল—মহিমাময় আল্লাৰ প্ৰাপ্তি। যিমানেই বেছি পৃথিৱীৰ পাৰ্থিব সুখ ত্যাগ কৰিবা —সিমানেই বেছি পৰকালৰ শ্ৰেষ্ঠ নিয়ামত (সম্পদ) নিৰ্দ্দিষ্ট থাকিব। সেয়ে মৃত্যুৰ বাবে—পৰকালৰ বাবে প্ৰস্তুত হোৱা।

হে আল্লাৰ বান্দা (দাস) সকল, তোমালোকৰ বাবে মাথোন খোৱা-পিন্ধা, ঘৰতুৱাৰ কৰা, গৃহস্থালী পতা এয়েই জানো কাম্য ? তোমালোকৰ আত্মা আৰু অন্তৰৰ আকাঙ্ক্ষা জানো নাই ? অন্তৰৰ আকাঙ্ক্ষা হোৱা উচিত আল্লাহ প্ৰাপ্তিৰ আকাঙ্ক্ষা।

দোজখৰ (নৰক) জুইৰ ভয়ে প্ৰকৃত মোমিনৰ (মুছলমান) হৃদয় দগ্ধ বিদগ্ধ কৰে। এই ভয়ে তেওঁলোকৰ চেহেৰা বিবৰ্ণ কৰে, অন্তৰ মৰিমূৰ কৰে আৰু এই ভাবে যেতিয়া আন সকলো চিন্তাৰ ওপৰত উঠে, তেতিয়া করুণাময় আল্লাই তেওঁৰ দাসৰ প্ৰতি করুণা

আৰু দান খয়ৰাত কৰে আৰু পৰকালৰ দুৱাৰ তেওঁলোকৰ বাবে মুকলি কৰি দিয়ে। তেতিয়া মানুহে দেখা পায়—পৰলোকত নিজৰ জীৱনৰ ঠাই। পৰকালৰ কথা ভাবি দোজখৰ (নৰক) জুইৰ ভয়ত বিবৰ্ণ হৈ পৰা ব্যাকুল মানুহে নিজৰ প্ৰকৃত জীৱনৰ ঠাই দেখি অলপ শান্ত হয় আৰু কিছু সময়ৰ বাবে হলেও শান্তি আৰু নিৰাপত্তা লাভ কৰি আশ্বস্ত হয়। তেনে অৱস্থাতে—আল্লাই নিজৰ দুৱাৰ পুনৰ মুকলি কৰি দিয়ে। মানুহৰ অন্তৰ আৰু দেহৰ ভিতৰখন তেতিয়া পুনৰ মথিত হৰলৈ ধৰে আৰু চূৰ্ণ-বিচূৰ্ণ হৈ পৰে। ভয়, বিস্ময়ত মানুহৰ অন্তৰ ব্যাকুল হৈ উঠে। সাধনাৰ এই স্তৰো যেতিয়া সম্পূৰ্ণ হয়, তেতিয়াহে আল্লাহ্‌ৰ ৰহমত (কৰুণা)ৰ দুৱাৰ মুকলি হয়। তেতিয়াই সাধক নিৰাপদ হয় আৰু মনতো এক নতুন ভাব জাগ্ৰত হয়। ইয়াৰ পিছত পৰ্য্যায়ক্ৰমে সাধকৰ উন্নতিৰ ক্ৰম আছে।

প্ৰকৃত সাধকসকলৰ (অলী) বাবে পৃথিৱীখন এখন বন্দীশাল। পৰকালহে তেওঁলোকৰ মনত নিজহাতে গঢ়া সৌধ এটি। সেয়ে—যেতিয়া আল্লাহ প্ৰাপ্তিৰ আকাঙ্ক্ষা তেওঁলোকৰ প্ৰবল হৈ উঠে, তেতিয়া মানুহ আৰু পৃথিৱীৰ মাজত এখন পৰ্দ্দা (আৱৰণ) পৰি যায়। তেতিয়াই—পোনপটীয়াকৈ মহান স্ৰষ্টা খোদা তা'আলা তেওঁলোকৰ একমাত্ৰ কাম্য ধন হৈ পৰে। তেতিয়া মানুহে ইহকাল বা পৰকালৰ ভেদ নাৰাখে, মাথোন খোদাক পাবলৈ বিচাৰে। এয়ে প্ৰকৃত সত্য।

পৰীক্ষাৰ সময়তে মানুহৰ প্ৰকৃত স্বৰূপ উদ্ঘাটন হয়। যেতিয়া আল্লাহৰ ফালৰ পৰা দুৰ্দ্দিন চাপি আহে, অথচ তেতিয়াও তোমালোক অটল অবিচল হৈ থাকা, তেতিয়াহে তোমালোকক আল্লাহৰ বন্ধু বুলি কব পাৰি। কিন্তু মিছলীয়াসকলে সুসময়ত—যেতিয়া ভোগৰ বাবে উত্তম বস্তু উভৈনদী হৈ থাকে, তেতিয়াহে নিজক আল্লাহ তাআ'লাৰ বন্ধু বুলি প্ৰচাৰ কৰে আৰু যেতিয়া দুৰ্দ্দিনৰ সম্মুখীন হব লগীয়া

হয়, তেতিয়া লবি চাপলি পলায়। যেন কেতিয়াও কোনোকালে খোদাৰ লগত তেওঁলোকৰ প্ৰেমৰ সম্বন্ধ স্থাপন হোৱাই নাছিল। তেনেকুৱা পৰিবৰ্ত্তনৰ সময়ত মানৱৰ স্বৰূপ প্ৰকাশ পায়। ভুৱা দাবী প্ৰকাশ হৈ পৰিলেই মানৱৰ পূৰ্ব্বৰ সাধনা বিফল হৈ পৰে।

"এই পৃথিবীত যি সকলে খোদাৰ বাবে ধৈৰ্য্য ধৰে (চবুৰী কৰে) সেই সকল মহাশক্তিশালী। অৱশ্যে এই ক্ষেত্ৰত চবুৰ কৰা সকল, ধৈৰ্য্য ধৰা অৰ্থত—সাংসাৰিক সুখ-দুখ, বিপদ-আপদত ধৈৰ্য্য ধৰি সকলো নীৰৱে সহ্য কৰি যোৱাকে বুজোৱা নাই। পাৰ্থিব সুখ-দুখৰ পৰা আৰম্ভ কৰি খোদাৰ পথত থাকিবলৈ ধৰ্ম্মযুদ্ধ কৰা, জীৱনৰ কৰ্ত্তব্য সমূহ পালনত সম্মুখীন হোৱা বিপদ-আপদক, খোদাৰ ফালৰ পৰা অহা পৰীক্ষা স্বৰূপ বুলি গ্ৰহণ কৰি অবিচলিত ভাবেৰে সকলো কৰ্ত্তব্য পালন কৰি যোৱাকে ধৈৰ্য্য ধাৰণ কৰা বুজাইছে। এই ধৰণৰ বিপদ-আপদৰ উদ্দেশ্য মানবক প্ৰকৃত মানৱৰ পৰ্য্যায়লৈ তোলা। সেয়ে এই সমূহ নিজৰ আত্মিক মঙ্গলৰ হেতু স্বৰূপে গণ্য কৰি সন্তুষ্ট মনেৰে গ্ৰহণ কৰা প্ৰতি মোমিন (মুছলমান)ৰ কৰ্ত্তব্য।"

মজলিচত উপস্থিত শ্ৰোতৃমণ্ডলীক সম্বোধন কৰি তেওঁ কৈছিল, "উপস্থিত শ্ৰোতৃমণ্ডলী, আপোনালোকে অতীতলৈ এবাৰ উভতি চ'ক। অতীতৰ বিশ্বাসী, ধৈৰ্য্যশীল, সৎকৰ্ম্মপৰায়ণ লোকসকল কিমান অনুগত আছিল ভাবি চ'ক। সেইসকল মহাপুৰুষৰ আদৰ্শ অনুসৰণ কৰি তেনে আনুগত্যৰ অনুশীলন কৰক। আপোনালোকো খোদাৰ তেনে প্ৰিয়পাত্ৰ হব পাৰিব। যদি অতীতৰ বিশ্বাসী আৰু সৎকৰ্ম্মশীল লোকসকলে পোৱাৰ দৰে আল্লাক পাবলৈ বিচাৰে। তেনে—আল্লাহৰ বাবে ধৈৰ্য্যশীল হওক আৰু তেতিয়াই দুষ্প্ৰবৃত্তি-সমূহো বশীভূত হব।"

নফচ (প্ৰবৃত্তি) দমনৰ বাবে তেওঁ কৈছিল—

"মানুহৰ প্ৰবৃত্তিসমূহৰ সৃষ্টি, প্ৰকৃততে সৃষ্টিৰ মঙ্গলৰ হকেহে।

কিন্তু শয়তানৰ প্ৰৰোচনাত পৰি এই প্ৰবৃত্তি সমূহে মানুহক পাপত লিপ্ত কৰে। সেয়ে, যেতিয়া প্ৰবৃত্তি সমূহে কুকাৰ্য্যৰ প্ৰৰোচনা দিয়ে, তেতিয়া আপ্ৰাণ চেষ্টাৰে প্ৰবৃত্তিৰ বিৰোধিতা কৰক। অতি কঠোৰ ভাৱে, দীৰ্ঘদিন ধৰি অবিৰামে তাৰে প্ৰবৃত্তি দমনৰ এই সংগ্ৰামত লিপ্ত হলে আপোনা আপুনি প্ৰবৃত্তিয়ে মানৱৰ আনুগত্য স্বীকাৰ কৰিব। প্ৰবৃত্তিয়ে যেতিয়া খোদাৰ বান্দাৰ (দাস) আজ্ঞানুবৰ্ত্তী হৈ মানৱৰ মঙ্গলৰ হেতুকে এবাদতৰ (উপাসনা) কামত সহায় কৰিব, তেতিয়া প্ৰবৃত্তিৰ সৈতে হোৱা দীৰ্ঘ দিনৰ শত্ৰুতাকো শেষ পৰিব। তেতিয়া আল্লাহ তা'আলাই প্ৰবৃত্তি সমূহক আদেশ কৰিব--"শান্তিপ্ৰিয় প্ৰবৃত্তি সমূহ এইবাৰ সন্তুষ্ট চিত্তে তোমাৰ গৰাকীৰ ওচৰলৈ উভতি যোৱা।" প্ৰবৃত্তিয়েও তেতিয়া খোদাৰ এই আদেশত সঁহাৰি দিয়ে আৰু সকলো অশুভৰ পৰা শুদ্ধ হৈ, মুক্ত হৈ, আল্লাহৰ তুষ্টি সাধনত নিযুক্ত হয়।

এই যুগত মিছা আৰু কপটাচাৰৰ প্ৰাবল্য ঘটিছে। মেষৰ ছদ্মবেশী ভণ্ডসকলৰ প্ৰাদুৰ্ভাৱ ঘটিছে। সিঁহতৰ কাষ নাচাপিব। মিছলীয়া, অংশীদাৰ, কামনা আৰু পৌত্তলিকতাৰ দাস দুষ্প্ৰবৃত্তি সমূহৰ বিৰোধিতা কৰক। কঠোৰ তপস্যাৰ বলেৰে সিঁহতক আজ্ঞানুবৰ্ত্তী কৰক। প্ৰবৃত্তি ক্ষুদ্ৰ, মানৱ মহৎ।

আল্লাৰ দাস মানৱে প্ৰবৃত্তিৰ প্ৰৰোচনা আৰু লোভ-লালসা বিসৰ্জ্জন দিয়ে। সংসাৰ-বিৰাগী সাধু-ফকিৰৰ ভবি ধূলিত পৰিণত হয়। ভাবি চ'ক আল্লাই মৃতৰ পৰাই জীৱিতৰ উত্থান কৰায়। হজৰত ইব্ৰাহিম আলায়হিচ্ছালামে জানো তেওঁৰ মৃততুল্য (কাফিৰ) পিতৃমাতৃৰ পৰাই উঠা নাছিল? খোদাৰ ওচৰত বিশ্বাসী সকলেই জীৱিত আৰু অবিশ্বাসীসকল মৃত। আল্লাহ তাআ'লাই আকৌ কৈছে যে প্ৰথম মৃত ব্যক্তি চয়তান। কিয়নো চয়তানেই প্ৰথমে খোদাৰ আজ্ঞা উলঙ্ঘা কৰি অবিশ্বাসী হৈছিল।

দুষ্প্ৰবৃত্তিয়ে মানৱক অহৰহ আকৃষ্ট কৰে আৰু মানৱক প্ৰবৃত্তিৰ

ওচৰত প্ৰত্যাশী কৰিবলৈ বিজ্ঞাবেগ কবীৰ তাহাবে সেয়ে খেদ কৰি কৈছে—"আল্লাহৰ বান্দা (দাস) হৈ প্ৰবৃত্তিৰ ওচৰত কিয় প্ৰত্যাশী হবা? তোমালোকৰ প্ৰভু সৃষ্টিকৰ্তা পৰম দাতা, দয়ালু খোদাৰ ওচৰত তোমালোকৰ অকৃত্ৰিম ভক্তি-ভালপোৱা নিবেদন কৰি মাথোন তেওঁৰ ওচৰত প্ৰত্যাশী—অভিলাষী হোৱা। প্ৰকৃত মুছলমান কেতিয়াও প্ৰবৃত্তিৰ ওচৰত সেও নহয়।

"হে আল্লাৰ বান্দা সকল, যদিও আপোনালোকৰ অলেখ কৰ্তব্য আছে, সেই সৰ্বলোবে ভিতৰত প্ৰথম কৰ্তব্য হৈছে—প্ৰবৃত্তিসমূহ পৰিশুদ্ধ কৰি পবিত্ৰ কৰি লোৱা। নিজৰ প্ৰবৃত্তিক আজ্ঞাধীন কৰি লোৱাৰ আগতে আনৰ কথা নেভাবিবই। য'ত নিজে ডুব গৈ আছে, তাত কিদৰে লোকক উদ্ধাৰ কৰাৰ কথা ভাবিব পাৰে? কণাই লোকক কিদৰে পথৰ সন্ধান দিব? সাঁতোৰ জনা জনেহে ডুবিযোৱা-জনক উদ্ধাৰ কৰিব পাৰে। গতিকে যি সকলে মাৰেফাত (গুপ্ত বিষয়ক বিদ্যা)ৰ শিক্ষালাভ কৰিবলৈ সমৰ্থ হৈছে, সেইসকলেহে আপামৰ জনক খোদাৰ পথলৈ পৰিচালিত কৰিব পাৰে।

প্ৰবৃত্তিৰ প্ৰবোচনাক দমন কৰিবলৈ হ'লে আল্লাৰ ওচৰত সম্পূৰ্ণ ভাবে আত্মসমৰ্পণ কৰিব লাগিব। তেওঁৰ ওচৰত আত্মসমৰ্পণ কৰি একান্ত নিৰ্ভৰশীল হব পাৰিলে জীৱনৰ উদ্দেশ্য কিদৰে সফল হয়, তাৰ দৃষ্টান্ত হজৰত ইব্ৰাহিম্ (আঃ)ৰ জীৱনতে দেখা যায়। প্ৰবৃত্তিৰ দাস নোহোৱাৰ বাবেই চয়তানৰ ফুচুলনি বা প্ৰবৃত্তিৰ প্ৰলোভনে তেওঁক নিজ দৃঢ়তাৰ পৰা এচুলিমানো টলাব নোৱাৰিলে—আৰু সেয়েহে তেওঁ অগ্নি পৰীক্ষাত উত্তীৰ্ণ হ'ল। অগ্নি পৰীক্ষাৰ সেই চৰম মুহূৰ্ত্তত সৃষ্টিৰ প্ৰতি বস্তুৱে হজৰত ইব্ৰাহিম (আঃ) লৈ সাহায্য নিবেদন কৰিছিল। কিন্তু সেই সকলোকে তুচ্ছজ্ঞান কৰি তেওঁ উত্তৰ দিছিল—"তোমালোকৰ সাহায্য মোক কেলেই লাগিছে? সৃষ্টিকৰ্ত্তা স্বয়ং আল্লাই মোৰ অৱস্থাৰ বিষয়ে সকলো জানে। আৰু দেখি আছে। তেওঁৰ ওপৰত গভীৰ প্ৰতীতি থকাৰ হেতুকে মই আনৰ

সাহায্য লবলৈ কুণ্ঠা বোধ কৰিছোঁ।" তেনে অৱস্থাত দৃঢ়তা আৰু অবিচল মনোবলৰ বাবে হজৰত ইব্ৰাহিম (আঃ) খোদাৰ ৰহম (কৰুণা) লাভত সমৰ্থ হ'ল। খোদা তাআ'লাই অগ্নিক শীতল হবলৈ আদেশ দিলে।

সেইদৰে আল্লাহৰ কৃপালাভ কৰিবলৈ হলে আল্লাহৰ এবাদত (উপাসনা)ত বিভোৰ হ'ক। ধৈৰ্য্যশীল হ'ক। আল্লাই যি কৰে, তাত সন্তুষ্ট থাকক। পাৰ্থিব মায়াৰ পৰা নিজক মুক্ত ৰাখক। সৃষ্টি কৰ্ত্তা আল্লাহ তাআ'লাৰ প্ৰতি ভয় আৰু ভক্তি ৰাখক। এয়ে হ'ল বিজয়ৰ অস্ত্ৰ। আল্লাহৰ প্ৰিয়পাত্ৰ হবলৈ হ'লে তেওঁৰ আজ্ঞানুবৰ্ত্তী হবলৈ হ'লে অধ্যবসায়ী হব লাগিব। প্ৰবৃত্তিৰ প্ৰবোচনাৰ বিপৰীতে কাৰ্য্য কৰি খোদাৰ প্ৰিয়ভাজন হব লাগিব।

অন্তৰ শুদ্ধিৰ বিষয়ে হজৰত ৰবশীৰ চাহাবে কৈছে—অন্তৰ সংশোধন কৰক। অন্তৰ পবিশুদ্ধ হলেহে সাধন ভজন সকলো নিখুঁত আৰু নিৰ্ম্মল হব। এই সম্পৰ্কে নবী কৰিমে (ছঃ) কৈছে—'মানবদেহ উত্তম হৈ থাকে তেতিয়া, যেতিয়া অন্তৰ পবিত্ৰ আৰু নিৰ্ম্মল হৈ থাকে। অন্তৰ কলুষিত হোৱাৰ লগে লগে সকলো কলুষিত হৈ পৰে। মলিনতাই দেহ-মন উভয়কে অপৱিত্ৰ কৰে। আল্লাহৰ ওপৰত ভক্তি, বিশ্বাস স্থাপন তেওঁৰ একত্বত বিশ্বাস, নিৰ্ভৰতাৰে তেওঁৰ নিৰ্দ্দেশিত কাৰ্য্য কৰি গলেই অন্তৰৰ উন্নতি হয় আৰু তাৰ বিপৰীত কৰিলে অন্তৰৰ অধোগতি হয়। ধন নাথাকিলে যিদৰে চন্দুক আৱশ্যকহীন। চৰাই নাথাকিলে সজা যিদৰে শূন্য, মূল্যহীন, সেদইবে অন্তৰত এই সদগুণ সমূহৰ অভাৱ ঘটিলে দেহা মূল্যহীন—অৰ্থহীন।

যেতিয়ালৈকে মানবে আল্লাহৰ বান্দা (দাস) হৈ নিজৰ সকলো আশা, আকাংক্ষা, কৰ্ম্ম আল্লাহৰ তুষ্টিৰ বাবে নিয়োগ নকৰি নিজৰ সন্তুষ্টি বা পৰৰ প্ৰিয়ভাজন হবলৈ কৰিব, তেতিয়ালৈকে অন্তৰ শুদ্ধ নহয়। আল্লাহক ভয় নকৰি অন্যক ভয় কৰিলে, লোকৰ সমালোচনা কিয় কৰিবা? অন্তৰ শুদ্ধ হলেই উচ্চস্তৰৰ আত্মিক শক্তিলাভ

সমৰ্পণৰ হয়। কিন্তু মৌখিক বাক্য বা আত্ম প্ৰবোধনাৰে অন্তৰ শুদ্ধি বা আত্মিক শক্তি লাভ কৰিব নোৱাৰি।

যি সকলে আল্লাৰ ওচৰত প্ৰত্যাশী নহৈ আনৰ ওচৰত প্ৰত্যাশী হয়, সিহঁত মূৰ্খ। খোদাৰ ওচৰত নথকা বস্তু নাই। কথাত সাধু, কিন্তু কৰ্মত কপটাচাৰী সকলৰ মৌখিক কথা সমূহ বাহ্যিক লাভৰ উপযুক্ত হলেও ব্যৱহাৰৰ উপযুক্ত নহয়। আল্লাই স্বয়ং কৈছে—"হে আদমৰ সন্তান সকল, (মানবজাতি) মোৰ তৰফৰ পৰা তোমালোকৰ বাবে শুভৰ বাহিৰে—মঙ্গলৰ বাহিৰে আন একো নেথায়। কিন্তু যিবিলাক অমঙ্গলৰ, যিবিলাক অশুভ, সেই সমূহৰ বাবে দায়ী তোমালোকেই, কিয়নো সেয়া তোমালোকৰ কৃতকৰ্মৰহে ফল।"

প্ৰকৃত মুছলমানৰ বৰ্ণনা প্ৰসঙ্গত হজৰত বৰশীৰ চাহাবে কৈছে—"তেৱেঁই প্ৰকৃত মুছলমান, যি চয়তানক চিনি নাপায়। আল্লাহৰ বাহিৰে কাকো নাজানে, আল্লাহৰ আজ্ঞানুবৰ্ত্তী হোৱাৰ বাহিৰে আনৰ আজ্ঞানুবৰ্ত্তী নহয়। পাৰ্থিৱ আমোদ-প্ৰমোদ, সুখ-সম্ভোগৰ সন্ধানী নহয়। এই সকলো বোৰ তেওঁৰ মানত কৃত্ৰিম। তেওঁ বিচাৰে পৰলোকৰ (আখেৰাত) দুৰ্লভ পুৰস্কাৰ। কিন্তু যেতিয়া সেই পুৰস্কাৰো লাভ কৰে তেতিয়া তাকো ত্যাগ কৰি আল্লাহৰ সতে সম্মিলিত হয়। প্ৰত্যেক মুহূৰ্ত্ত তেওঁ বন্দেগীত (ধ্যান-ধাৰণা) কটায় আৰু সেই ধ্যান-ধাৰণাৰ উদ্দেশ্য হ'ল—খোদাপ্ৰাপ্তি। তেওঁৰ জীৱনত আৰু অন্য একো উদ্দেশ্য নাই। মোমিন (প্ৰকৃত মুছলমান) সকলে মাথোন আল্লাহৰ স'তে বন্ধুত্ব স্থাপন কৰিব। তেওঁলোকক আল্লাৰ বন্দেগীৰ বাহিৰে অইন কৰিবলৈ, আদেশ দিয়া হোৱা নাই। সেয়ে প্ৰকৃত মুছলমান হবলৈ হলে অংশীত্ব (চেৰ্ক) ত্যাগ কৰিব লাগিব। আল্লাহ এক, তেওঁ সকলোৰে স্ৰষ্টা, সকলো ক্ষমতা তেওঁৰেই।

খোদাৰ বিচাৰৰ সমালোচনা নকৰি, ঐশ্বৰ্য্যক নিজৰ উপাধান স্বৰূপ জ্ঞান কৰি আত মূৰ থৈ প্ৰাসাদৰ ওপৰত নিজৰ শয্যা ৰচনা কৰিলেই

মানৱে পুৰস্কাৰ লাভৰ আশা কৰিব পাৰে। এই পন্থা অৱলম্বন কৰিলে আল্লাহৰ তৰফৰ পৰা অৱধাৰিত অনুগ্ৰহ আৰু পুৰস্কাৰ এনেদৰে নিজৰ হাতলৈ আহিব যে ভাবি বিস্ময় মানিব লাগিব। হয়তো বিচাৰিব জনা নাই, খুজিব পৰা নাই, তেনে অমূল্য পুৰস্কাৰো নিজে হাততে ধৰা দিবহি। সেয়ে, মানৱ সকল, প্ৰতিজ্ঞা কৰক, যে ভাগ্যক লৈ সন্তুষ্ট থাকিব। আল্লাহৰ পথত থাকিবলৈ আৱশ্যক হ'লে—অপমান সহিব। মান-সন্মান বিসৰ্জন দিবলৈকো কুণ্ঠা বোধ নকৰিব।

হজৰত ৰবপীৰ চাহাবে আৰু কৈছিল—"মই এই ভাগ্য বিধানত সন্তুষ্ট থকাৰ হেতুকেই আল্লাহৰ নৈকট্য লাভৰ বাবে সক্ষম হৈছোঁ আৰু এই পথেৰে—প্ৰকৃত মুছলমানৰ (মোমিন) কৰ্ম্মধাৰা নিয়ন্ত্ৰিত হ'লে ভাগ্যক অনুসৰণ কৰি মানৱে আল্লাহৰ ওচৰলৈ যোৱাৰ মহাভাগ্য লাভ কৰিব। এনে দৰৰ সাধনাৰ ফলত আল্লাহৰ প্ৰেমলাভৰ পৰ্য্যায় লাভ কৰোঁতা সকলৰ সংখ্যা লাখত এজনতকৈ বেছি নহয়। সেয়ে আল্লাহক ভক্তি কৰা বাধ্যতামূলক স্বৰূপ গণ্য কৰি, ধৰ্ম্মীয় বিধি সমূহ পালন কৰক! প্ৰবৃত্তিৰ বিৰুদ্ধে ধৰ্ম্মযুদ্ধ কৰক! চয়তান আৰু কুসঙ্গীৰ প্ৰবোচনা, কুসঙ্গলাভৰ পৰা বিৰত থাকক। মোমিনৰ অস্ত্ৰ-শস্ত্ৰ সদায় সুসজ্জিত থাকে—প্ৰবৃত্তি দমনৰ যুদ্ধত ব্যৱহাৰ কৰিবলৈ। তেওঁলোকৰ খাদ্যই হ'ল ৰোজা (উপবাস) গভীৰ নিদ্ৰাই আচ্ছন্ন নকৰিলে তেওঁলোকে নিদ্ৰাৰ আশ্ৰয় নলয়। বিনা প্ৰয়োজনে কথা নকয়। আৱশ্যকৰ বাহিৰে আন সময়ত তেওঁলোক কলা, বোবাৰ দৰে। আল্লাই যেতিয়া ইচ্ছা কৰে, তেওঁলোকক কথা কোৱাৰ প্ৰেৰণা দান কৰে। যিদৰে পৰকালত মহাবিচাৰৰ দিনা মানুহৰ হাত, ভৰি আদি অঙ্গ, প্ৰত্যঙ্গসমূহেও কথা কব পাৰিব, সেইদৰে অনৰ্গল কথা কোৱাৰ শক্তি তেওঁলোকে লাভ কৰিব। আল্লাহৰ অনুগ্ৰহত তেওঁলোকৰ মুখৰ পৰা কৰলগীয়া কথাসমূহ নিস্থত হব। যেতিয়া আল্লাহৰ কিবা বিশেষ কাৰ্য্য সিদ্ধি হবলগীয়া থাকে, সেয়া তেওঁলোকক প্ৰেৰণা দি সম্পন্ন কৰায়।

ভবিষ্যতে মানবজাতিৰ ওৰকৰ পৰা যাতে কোনো ধৰণৰ আপত্তি, অভিযোগ উঠিব নোৱাৰে, তাৰ প্ৰতিবিধান কৰেই আল্লাই নবী (প্ৰেৰিত মহাপুৰুষ) সকলক উপযুক্ততা আৰু প্ৰেৰণা দি পৃথিবীলৈ পঠিয়াইছিল। নবী আৰু ৰছুলসকলক পুনৰ আল্লাই তেওঁৰ নিজৰ ওচৰলৈ ফিৰাই নিয়াৰ পাছত আলিম (ইছলামী শাস্ত্ৰজ্ঞ) সকলৰ ওপৰত সেই ভাৰ অৰ্পণ কৰিছে। সেই বিশেষ আলিম সকলৰ পৰিচয় হ'ল—তেওঁলোকৰ ভাষা অবাধ—অনৰ্গল। নবী কৰিমে (ছঃ) কৈ গৈছে যে আলিম সকল নবীৰ প্ৰতিনিধি স্বৰূপ (নায়েবে নবী)।

হে আল্লাৰ বান্দা (দাস) সকল, আপোনালোকে যিবিলাক উত্তম পুৰস্কাৰ লাভ কৰিছে, তাৰবাবে খোদাৰ ওচৰত কৃতজ্ঞতা নিবেদন কৰক। নিশ্চয়কৈ জানিব আৰু মনত ৰাখিব যে আপোনা-লোকে যি যি পাইছে, সেই সকলো পৰমকৰুণাময় খোদাৰ পৰাই পাইছে। সেয়ে উত্তম বস্তু লাভৰ পিছত জানো খোদাৰ ওচৰত কৃতজ্ঞতা জনোৱা উচিত নহয়?

আপোনালোকে উত্তম পাৰিতোষিক সমূহ অন্তৰ ফালৰ পৰা আহিম বুলি ভাবে আৰু সেইবাবে লোকৰ মুখাপেক্ষী হয়। কেতিয়াবা হয়তো ধন-ধানৰ আধিক্যত পাপতো লিপ্ত হয়। যিসকল জ্ঞানী, বিপথগামী হলে তেওঁলোকৰ ধ্বংস অনিবাৰ্য্য। প্ৰলোভনৰ বশবৰ্ত্তী হলে সাধু সজ্জনৰো ধ্বংস অৱশ্যম্ভাৱী। আনহাতে—ইহকাল, পৰ-কালৰ সকলো লোভ-লালসা বিসৰ্জ্জন দি প্ৰকৃত সাধক আৰু ধৈৰ্য্য-শীল সকলে মাথোন খোদাপ্ৰাপ্তিৰ বাবেই লৰি আছে। সংসাৰ বিৰাগী সকলৰ কৰ্ম্মধাৰা এনেকুৱাই।

অৱশ্যে আল্লাহ আৰু তেওঁৰ ৰছুলৰ প্ৰতি একান্ত অনুগত হলে কঠিন ত্যাগৰ বাবে সাজু থাকিব লাগিব। এই প্ৰসঙ্গত তেওঁ এটি ঘটনাৰ বিবৃতি দিছিল এনেদৰে—

"এদিন এজন মানুহ হজৰত ৰছুল (ছঃ)ৰ ওচৰলৈ আহি ক'লে—"ইয়া ৰছুলুল্লাহ, (হে ৰছুল) মই মহান প্ৰতিপালক খোদাক ভাল পাওঁ।"

হুজৈবতে তেতিয়া উত্তৰ দিলে—"তেন্তে দুখ-দুৰ্দশা, বিপদ-আপদ সহ্য কৰিবলৈ সাজু হোৱা।" এতেকে আল্লাহ আৰু ৰছুলৰ প্ৰতি যি ভালপোৱা, তাৰ লগত দুখ-দুৰ্দশা, অভাৱ-অনাটন জড়িত আছে। আল্লাহৰ পথত ধৈৰ্য্যশীল সাধকসকলে সেইবাবে কৈছে—"আল্লাহ আৰু তেওঁৰ ৰছুলৰ প্ৰতি প্ৰেম আৰু আনুগত্যৰ সৈতে দুখ-দুৰ্দশা এনেদৰে জড়িত আছে যে তাক বিচ্ছিন্ন কৰা অসম্ভৱ।" সেয়ে—এনে অভাৱ-অনাটন, দুখ-দুৰ্দশাৰ মাজতো সুদৃঢ়ভাবে থকাতে—আল্লাহ আৰু ৰছুলৰ প্ৰতি প্ৰেম আৰু আনুগত্যৰ পৰিচয় আছে।

হজৰত ৰৰণীৰ চাহাবে খোদাৰ ওচৰত ইহকাল আৰু পৰকালৰ উত্তম পাবিতোষক ভিক্ষা কৰি দোজখৰ (নৰক) জুইৰ পৰা মানৱক ৰক্ষা কৰিবলৈ প্ৰাৰ্থনা জনাই মোমিন (প্ৰকৃত মুছলমান)ৰ বাবে নিৰ্দ্ধাৰিত কাৰ্য্যাৱলীৰ নিৰ্দ্দেশ দিছিল: মোমিনৰ উদ্দেশ্য হ'ল খোদাত আত্ম-সমৰ্পণ। সৃষ্টিকৰ্ত্তা খোদা পৰম শক্তিমান। তেওঁ মানৱৰ বাবে যি নিৰ্দ্ধাৰিত কৰিছে, সি মানৱৰ প্ৰাপ্য। কেতিয়াবা হয়তো খোদাৰ আদেশত কিবা বিপদ-আপদৰো সন্মুখীন হ'বলগীয়া হ'ব পাৰে, সেই বুলিয়ে ধৈৰ্য্যহীন হৈ খোদাক সমালোচনা কৰাৰ অৰ্থ—"ঈমান (বিশ্বাস) বিসৰ্জ্জন দিয়া।"

"চৰিয়তৰ (ইছলামী নীতি বিধান) আদেশ সমূহ পালন কৰি সৃষ্টি আৰু প্ৰবৃত্তিৰ ওচৰত মৃতভুল্য হ'লে তোমাৰ নিজ ইচ্ছা বা অভিলাষ বুলিবলৈ একোৱে নাথাকিব। আল্লাহৰ ইচ্ছাই বান্দাৰো ইচ্ছা হ'ব। আল্লাহৰ কামকে নিজৰ কাম বুলি ললে, আল্লাহৰ প্ৰতি আনুগত্যকে নিজৰ স্বভাৱত পৰিণত কৰিলে—প্ৰবৃত্তিৰ কোনো আশা-আকাংক্ষা পূৰণ নহ'লেও বান্দা খোদা আৰু ৰছুলৰে অনুবৰ্ত্তী হ'ব।

বান্দা সৃষ্টিৰ প্ৰতি মৃতভুল্য হ'ব লাগে। সৃষ্টিৰ কোনো বস্তুৰ ওচৰত প্ৰত্যাশী নহ'লেই বান্দা সৃষ্টিৰ ওচৰত মৃতবৎ হ'ব আৰু তেতিয়াই মাৰেফাত (গুপ্ত বিষয়ক জ্ঞান) আহৰণৰ বাবে সক্ষম হ'ব। মোমিনে দুখ-বেদনা, নিৰ্য্যাতন-সকলো খোদাৰ হুকে সহ্য কৰিব। স্মৰণ ৰাখিব

লাগিব—প্ৰতিপালক বিশ্বনিয়ন্তাই একত্ৰিত মুৰ্শিদ পৰা মানৱক মুক্তি কৰিছে। তেতিয়াৰ পৰা মানৱৰ সকলো দায়িত্ব তেওঁৰ। গতিকে—নিজৰ ওপৰত দায়িত্ব লোৱা মানে নিজৰ পতন মাতি অনা। যেয়ে—কামনা-বাসনাৰ আজ্ঞাবহ নহৈ সমগ্ৰ অনুভূতিৰে, কায়মনোবাক্যে জীৱনৰ গতিপথ খোদাৰ বাটেৰেই নিয়ন্ত্ৰণ কৰিব লাগে। আল্লাহৰ উদ্দেশ্য মানৱত প্ৰকাশ পাব। তেতিয়া মানৱ হ'ব—আল্লাহৰ ইচ্ছা আৰু কৰ্ম্মৰ প্ৰতীক স্বৰূপ। মানৱৰ অন্তৰ শান্ত আৰু সমাহিত হ'ব। আত্মা অবিচল, ধীৰ, স্থিৰ হ'ব। মুখ উজ্জ্বল হ'ব, বাহু প্ৰশস্ত হ'ব। আল্লাই তেতিয়া মানৱক সঠিক পথৰ সন্ধান দিব। যি কথা মানৱৰ বাবে শিক্ষণীয়। আল্লাহৰ মহিমাত মানৱে তাকেই মাথোন শিকিব, সাৰ আৰু অসাৰৰ পাৰ্থক্য উপলব্ধি কৰিব। সত্য আৰু অসত্যৰ পাৰ্থক্য উপলব্ধি কৰিব পাৰিব। অসাৰৰ বাসনা সাধকৰ মনৰ পৰা আঁতৰি যাব। অসীমৰ বাসনাই তেতিয়া মানৱক আহ্বান জনাব এয়ে মাৰেফাতৰ সাজ।

হজৰত খৰপীৰ চাহাবে তেওঁৰ উপদেশ বাণীত কৈছে—"হে মোমিন, আল্লাহৰ শিক্ষাত, যেতিয়া তুমি গভীৰ জ্ঞানৰ অধিকাৰী হ'বা; তেতিয়া মাৰেফাতৰ আলোকে তোমাৰ অন্তৰ উদ্ভাসিত কৰিব। তেতিয়া আল্লাহৰ ইচ্ছাত তুমি সম্পূৰ্ণভাৱে ডুব যাবা। তোমাৰ নিজৰ কোনো শক্তি বা অনুভূতি নাথাকিব। যিদৰে ফুটা থকা পাত্ৰত পানী থকে নাথাকে, সেইদৰে খোদাৰ ইচ্ছা বা উদ্দেশ্যত নিমজ্জমান হোৱা তোমাৰ অন্তৰতো অন্য কোনো পাৰ্থিৱ বাসনা বা অনুভূতি নাথাকে। তদুপৰি মাৰেফাত লাভ কৰা সাধকৰ সাধ্যমত তেতিয়া নানা অলৌকিক শক্তিৰ বিকাশ হ'ব। এয়ে কেৰামৎ (মহিমা) কিন্তু সেই কেৰামতকে সাধকে নিজৰ শক্তিৰ পৰিচায়ক বুলি নাভাবি—ভাবিব লাগিব আল্লাহ-শক্তি বুলি।"

মাৰেফাত পন্থীসকল ভগ্নহৃদয়, ভগ্নআশা আৰু হতাশ প্ৰেমিকাৰ সমতুল্য। সাধাৰণ মানুহৰ আশা-ভৰসা, প্ৰবৃত্তিৰ প্ৰণোদনা

বা উত্তেজনা' এনেকা ক্ষণেকৰ শান্তি বাবে নাথাকে'। ক্ষণেকৰ শান্তি অৱস্থা অতিক্ৰম কৰে। এই অৱস্থাৰ পিছৰ পৰ্য্যায় হৈছে আশা-মনক স্বাংশিক সকলত্যাগ। কোৰআন হিতিৰাইদে পাৰ্থিৱ বিষয়বস্তুৰ অন্তৰালত প্ৰতিপালকৰ পৰীক্ষা; কিন্তু এই স্তৰত সংসাৰৰ লগত সম্পৰ্ক পবিত্ৰ আৰু মধুৰ হয়। এই স্তৰ কিন্তু অস্থায়ী। এই সপোন সকল নহয়। আকাংক্ষা জাগিলেও শিপাই খোপনি পুতিব নোৱাৰিব। আঘাতৰ পিছত আঘাত আহি সাধকক চূৰ্ণ-বিচূৰ্ণ কৰি পেলাব। এইদৰে আকাংক্ষাৰ নতুন উন্মেষ আৰু ধ্বংসৰ দ্বাৰা হৃদয় মথিত হব আৰু অৱশেষত ইয়াৰে সুমাজতস্বৰূপে তোমাত আত্মপ্ৰকাশ কৰিব। এয়ে সত্য আৰু প্ৰকৃত ৰূপ। ইয়াকেই 'বাকা' (স্থায়িত্ব) লাভ কৰা বুলি কয়।" আল্লাই কৈছে—"সেই সকল বান্দা মোৰ অতি ওচৰত, যি সকলৰ হৃদয় চূৰ্ণ-বিচূৰ্ণ হৈ গৈছে। সেইবাবে আল্লাহপ্ৰাপ্তি তেতিয়াই ঘটিব পাৰে।"

হাদিছত উল্লেখ আছে—মানুহে নফল এবাদতৰ (অতিৰিক্ত ওপৰঞ্চি প্ৰাৰ্থনা) দ্বাৰা আল্লাহৰ ইমান প্ৰিয় হয় যে তেতিয়া আল্লাই সাধকৰ চকু-কাণ, হাত-ভৰি সকলোতে বিৰাজ কৰে। অৰ্থাৎ তেতিয়া তেওঁলোকে যি কৰে, যি দেখে, যি শুনে সেই সকলো খোদাৰ মাধ্যমতে হয়। খোদায়ে যি দেখুৱায়, তাকেহে দেখে, যিখিনি শুনায়, তাকেহে শুনে, আৰু যি বুজায়, তাকেহে বুজে। এই শেষ অৱস্থাৰ নামেই ইছলামমাৰ্গত 'ফানা' (ধ্বংস বা নিৰ্ব্বাণ)।

এই পৰ্য্যায় প্ৰাপ্ত হলে—সাধকৰ দুনিয়াৰ (পৃথিৱীৰ) লগত কোনো সম্পৰ্ক নাথাকে। কাৰো অনুগ্ৰহৰ প্ৰত্যাশী বা নিগ্ৰহৰ ভয়ত ভীত হব নালাগে। সাধকৰ সম্মুখত থাকিব-কেৱল আল্লাহ। সাধকৰ হৃদয়-মন, চকু, দেহৰ প্ৰতি অণু-পৰমাণু খোদাৰ প্ৰতি মাথোন নিবদ্ধ থাকিব। সেই স্তৰত সাধকৰ বাবে খোদায়ে কি ব্যৱস্থা লয়, তাক তেৱেঁই মাথোন জানে। যদি সেই ব্যৱস্থা কঠোৰো হয়, তথাপি অধৈৰ্য্য হব নালাগে। কাৰণ বিশ্ববিধাতা, ইচ্ছাময়ৰ ইচ্ছাতে সাধকৰ

আত্মবিলুপ্তি ঘটিছে। সেই ব্যৱস্থা যদি শুভ হয়, তেন্তে সাধকৰ দুখৰ সীমা নোহোৱা হব। 'ফানা' পৰ্য্যায়ৰ এয়ে হ'ল বিশেষত্ব। প্ৰকৃত সাধকসকলৰ ইয়ে কাম্য আৰু সাধনাৰো ইয়াতেই সমাপ্তি। তাৰ পিছত পুনৰ প্ৰত্যাবৰ্ত্তন। এইবাৰ আকাংক্ষাই পবিত্ৰ হৈ আৰু নতুন ৰূপ লৈ জাগি উঠিব। এই পৰ্য্যায়লৈ উন্নীত সকলে আবদাল আখ্যা পায়। অলী আৰু আবদাল সকল পাপমুক্ত,—পবিত্ৰ।

সাধনাৰ এই পৰ্য্যায়লৈ উন্নীত হোৱা আবদাল সকলে (সিদ্ধ পুৰুষ) কোনো প্ৰকাৰ পাপত লিপ্ত হব নোৱাৰে। যদি কেতিয়াবা ভুলক্ৰমে ঘটে, সেয়া আল্লাহৰ ইচ্ছা আৰু নিজৰ ইচ্ছাৰ পাৰ্থক্য নিৰ্ণয়ত ভ্ৰান্তি হোৱাৰ বাবেই সম্ভৱ হয়। কিন্তু এই ক্ষণস্থায়ী ভুল শুধৰাই খোদাপাকে শুদ্ধ আৰু সঠিক পথৰ সন্ধান দিয়ে। আবদালে তেতিয়া আল্লাহৰ ওচৰত কাতৰ ভাবে ক্ষমা প্ৰাৰ্থনা কৰে।

হজৰত দৰপীৰ চাহাবৰ ওফাত (লোকান্তৰ)

পৰম করুণাময় বিশ্বপালকে এটি বিশেষ উদ্দেশ্য লৈ মানুহ সৃষ্টি কৰিছে। এই উদ্দেশ্যৰ পৰিপূৰ্ণতা লাভৰ হেতুকে মানুহে সৃষ্টিকৰ্ত্তাৰ বিধি নিষেধ সমূহ সম্বন্ধে জনা আৱশ্যক আৰু লগতে মানুহে খোদাৰ ওপৰত 'ঈমান' অনা (বিশ্বাস স্থাপন কৰা) একান্ত আৱশ্যক। এই সূত্ৰেই আল্লাহৰ 'নবী' আৰু ৰচুলসকলৰ লগত পৰিচয় হোৱা আৱশ্যক। আল্লাহৰ হুকুম তামিল কৰা (আদেশ মান্য কৰা), ফিৰিস্তা (দেৱদূত) ইনছান (মানৱ) আদি আল্লাহৰ সৃষ্টি সমুদয় জড় আৰু চেতন জগতৰ সৈতে নিজৰ সম্পৰ্ক স্থাপন আৰু সাময়িক ভাবে আল্লাহৰ আৰু তেওঁৰ সৃষ্টিৰ সৈতে চিনাকি ঘনিষ্ঠ কৰিবৰ উদ্দেশ্যে তেওঁৰ গ্ৰন্থ সমূহৰ সঁতে পৰিচিত হোৱাও অৱশ্য কৰ্ত্তব্য (ফৰজ)।

গওচল আজম হজৰত বৰপীৰ চাহাবেও উক্ত কৰ্তব্য সমূহ নিয়াৰিকৈ সম্পন্ন কৰি পুনৰ বিশ্বপালকৰ ওচৰলৈ (যি তেওঁক এই মৰ্ত্ত্যলোকলৈ বিশেষ কৰ্তব্যপালনৰ হুকুমে পঠিয়াইছিল) গ'ল। সিদ্ধিপ্ৰাপ্ত কৰোঁতা অলীসকলে সজ্ঞানে আল্লাহৰ সান্নিধ্য লাভ কৰে। নিজ কৰ্তব্য সম্বন্ধে যিদৰে তেওঁলোক চিৰ-সচেতন, সেইদৰে নিজৰ শেষ দশাৰ আসন্নকাল সম্বন্ধেও তেওঁলোক সজাগ।

হজৰত বৰপীৰ চাহাবৰ ওফাতৰ সময় ওচৰ চপাৰ আগতে বহু দূৰ দূৰান্তৰৰ পৰা বহু পীৰ-ফকিৰ আৰু শ্ৰদ্ধাভাজন লোক আহিছিল। কথিত আছে যে মাথোন মানুহেই নহয়, মৰলোকৰ মানুহৰ বাহিৰেও ফিৰিস্তা সকলো সময়ে সময়ে তেওঁৰ ওচৰলৈ আহিছিল। জনা যায়—প্ৰত্যেক চান্দ্ৰমাহৰ প্ৰথম দিনা—হজৰত গওচল আজমৰ ওচৰলৈ এজন অতিথি আহিছিল। প্ৰতি মাহতে অহা এই অতিথি জন একেজন ব্যক্তি নহয়—বেলেগ বেলেগ আছিল। হজৰত বৰপীৰ চাহাবে তেওঁক যথেষ্ট সমাদৰেৰে আপ্যায়ন কৰিছিল। কোনো কোনোৰ অনুমান মতে এয়া ফিৰিস্তাৰ বাহিৰে আন অতিথি নহয়।

ফিৰিস্তা সকল অশৰীৰী বাবে গওচল আজমৰ লগত থকা লোকসকলে তেওঁলোকক দেখা নাপাইছিল। কিন্তু তেওঁলোকে ইছলামী বিধান মতে যথাৰীতি "আচ্ছালামু আলেইকুম" অৰ্থাৎ "আপোনাৰ ওপৰত আল্লাহৰ ৰহমত বৰ্ষণ হ'ক" বুলি সম্ভাষণ জনালে—হজৰত গওচল আজমেও ছালামৰ প্ৰত্যুত্তৰ দিছিল—"ৱালেইকুম ছালাম" অৰ্থাৎ আপোনাৰ প্ৰতিও খোদাৰ কৰুণা বৰষক বুলি। এইদৰে সম্ভাষণৰ বিনিময়ৰ পৰাও—এই অশৰীৰী আত্মা-সমূহৰ আগমন সম্পৰ্কে সন্দেহৰ অৱসান হয়। তদুপৰি ৫৬০ হিজৰী চনৰ ৰমজানৰ পহিলা তাৰিখে অহা অতিথিজনে কথোপকথন প্ৰসঙ্গত হজৰত বৰপীৰ চাহাবক জনালে যে এয়ে তেওঁৰ শেষ সাক্ষাত! এই ইঙ্গিতৰ পৰা হজৰত বৰপীৰ চাহাবে নিজৰ অন্তিমকাল আসন্ন বুলি বুজিব পাৰিলে।

পিছৰ বছৰ ৬৩১ হিজৰী চনৰ ৰবিউল-আউৱল মাহৰ পৰা তেওঁ অসুস্থ হৈ পৰিল। তেওঁৰ অগণ্য শিষ্য অনুচৰ নৰ-নাৰী, তেওঁৰ বহুমূলীয়া উপদেশাৱলীৰে উপকৃত, বিপদ-আপদত সান্ত্বনা লভোঁতা অসংখ্য লোক শোকত মুহ্যমান হৈ পৰিল। কিন্তু ৰবণীৰ চাহাবে নিজে নিৰ্বিকাৰ চিত্তে পৰম নিৰ্ভয়ভাৱে মৃত্যুক সাদৰে গ্ৰহণ কৰি আঁকোৱালি লবলৈ প্ৰস্তুত হ'ল।

মৃত্যু আসন্ন হৈ অহা সময়ত ৰবণীৰ চাহাবে তেওঁক বেৰি থকা আত্মীয়-পৰিজন সকলক দিয়া এবাৰ উপদেশৰ পৰাও ফিৰিস্তাসকলৰ আগমন সম্বন্ধে বিশেষ ভাবে সন্দেহমুক্ত হব পৰা যায়। তেওঁ কৈছিল—"তোমালোক আৰু মোৰ মাজৰ দূৰত্ব এতিয়া ক্ৰমে বাঢ়ি গৈছে। এই ব্যৱধান পৃথিৱী আৰু আকাশৰ দূৰত্বতকৈও বেছি। তদুপৰি তোমালোকে নেদেখা আৰু বহুজন ইয়াত আছে। সেয়ে—তোমালোকে মোৰ আৰু তোমালোকৰ মাজত অলপ ব্যৱধান ৰাখি ৰহিবা। তোমালোকে দেখা নোপোৱা অশৰীৰী সকলৰ প্ৰতিও সন্মান দেখুওৱা কৰ্ত্তব্য।"

অসুস্থ অৱস্থাত শেষ উপদেশৰ বাণী লাভৰ আশাত হজৰত গওচল আজমৰ পুত্ৰেক আব্দুল ৰাহ্‌মাব এদিন তেওঁৰ ওচৰ চপাত তেওঁ এইদৰে কৈছিল—"আল্লাহৰ প্ৰতি সদায় অন্তৰত ভয় ৰাখি চলিবা। তেওঁৰ বাহিৰে আন কাৰো উপাসনা, আৰাধনা নকৰিবা। কাৰো ওচৰত মূৰ নোদোঁৱাবা। তেওঁৰ বাহিৰে আন কাৰো ওচৰত প্ৰত্যাশী নহবা। সকলো প্ৰয়োজন পূৰাওঁতা জন—বিশ্ব-নিয়ন্তা খোদা মাথোন। তেওঁ চিৰ জাগ্ৰত আৰু সৰ্ব্বদৰ্শী। তেওঁ এক, তেওঁ মহা পবিত্ৰ। তেওঁৰ একত্বই সকলো শক্তিৰ মূল, আধাৰ স্বৰূপ। এই সত্য অন্তৰত উপলব্ধি কৰি চলিবা।"

ওফাত (মৃত্যু)ৰ নিশা, ইছাৰনামাজৰ (নিশাৰ প্ৰাৰ্থনা) সময় হোৱাত হজৰত গওচল আজমে গা ধুলে। তাৰ পিছত নামাজ সম্পন্ন কৰিলে। সৰ্ব্বশেষত চিজ্‌দাহ কৰি (মূৰ মাটিত থৈ কৰা

প্ৰাৰ্থনাৰ অঙ্গ বিশেষ) নিজৰ শিশু, আত্মীয়-পৰিজনবৰ্গ, বিশ্বমুছলিমৰ বাবে প্ৰাৰ্থনা জনালে। তাৰ পিছত তেওঁ মূৰ তুলিলে। তেনেতে গায়েবী (শুদ্ধঃ অজ্ঞাত) বাক্য উচ্চৰিত হ'ল :

"হে সমাহিত আত্মা, আল্লাহৰ সান্নিধ্যলৈ আহা। আল্লাহ তোমাৰ প্ৰতি সন্তুষ্ট। তুমি সন্তোষ প্ৰকাশ কৰা।"

তেতিয়া হজৰত ৰৱণীৰ চাহাবে সন্তোষ জ্ঞাপন কৰি কলে—"চিৰ জীৱন্ত, উপাসনাৰ একমাত্ৰ যোগ্যজন সৰ্ব্বশক্তিমান আল্লাহৰ সাহায্য প্ৰাৰ্থনা কৰিছোঁ। তেৱেঁই সৃষ্টিকৰ্ত্তা, তেৱেঁই মৃত্যুৰো প্ৰেৰক। সৃষ্টিৰ উপাসনা আৰাধনাৰ দাবী তেওঁৰ বাহিৰে আন কোনোৱে কৰিব নোৱাৰে। আল্লাহ পৰম মহিমাময়; হজৰত মোহাম্মদ মোস্তাফা (দঃ) তেওঁৰ প্ৰেৰিত নবী আৰু ৰছুল।"

এইদৰে সন্তোষ প্ৰকাশ কৰি খোদাৰ প্ৰাৰ্থনা শেষ কৰাৰ পিছতে মৃত্যুৱে তেওঁক আঁকোৱালি ললে। শেষ সময়ত তেওঁ পুনৰ্বাৰ উচ্চ ৰৱ কৰিলে—'মই মোৰ আল্লাহৰ সাহায্য ভিক্ষা কৰিছোঁ।" তাৰ পিছত ক্ৰমে তিনিবাৰ পৰম করুণাময় খোদাৰ নাম উচ্চাৰণ কৰাৰ পিছতে তেওঁৰ পবিত্ৰ জীৱনৰ সামৰণি পৰিল। সিদিনা আছিল হিজৰী ৫৬১ চনৰ ৰবিয়ুছ ছানি মাহৰ এঘাৰ তাৰিখ।

"ইন্না লিল্লাহে ৱ ইন্না ইলায়হে ৰাজেউন"

নিশ্চয় আমি আল্লাহৰ (সৃষ্ট জীৱ) আৰু নিশ্চয় আমি তেওঁৰ ফালে প্ৰত্যাবৰ্ত্তনকাৰী।

আল্লাই তেওঁক জান্নাতত ঠাই দিয়ক।

শেষৰ উপদেশ

ৰবপীৰ চাহাবৰ অন্তিমকাল উপস্থিত হোৱাত তেওঁৰ পুত্র চৈয়দ আব্দুল ৰাহ্‌হাবে পিতৃৰ কাষলৈ গৈ শেষবাৰলৈ তেওঁৰ পৰা উপদেশ বিচাৰিলে। সেই বহুমূলীয়া সজ উপদেশ সমূহ এনেকুৱা :

"ভুলতো যেন কেতিয়াও পাপৰ পথত ভৰি নিদিয়া। পাপৰ পথত ভৰি দিলে নৰকগামী হ'ব লাগিব। অনিত্য সংসাৰৰ মায়াত মুগ্ধ হৈ সঞ্চিত সৎকৰ্ম্ম নষ্ট কৰি পৰকালৰ পাথেয় জলাঞ্জলি নিদিবা। একান্ত ভক্তিভৰে প্রকাশ্যে আৰু গোপনে মাথোন করুণাময় সৃষ্টি-কৰ্ত্তাৰে উপাসনা, আৰাধনা কৰিবা। নিৰ্দ্দিষ্ট পাঁচ ৱক্ত (ইছলামী নীতি মতে অৱশ্যপালনীয় পাঁচবাৰৰ প্ৰাৰ্থনা) নামাজ পঢ়ি চৰিয়তৰ আজ্ঞা পালনত সচেষ্ট থাকিবা। বিশ্বস্রষ্টা, বিশ্বপালক আৰু সংহাৰক করুণাময় খোদাৰ বাহিৰে আন কাকো ভয় নকৰিবা। জীৱনৰ সকলো অৱস্থাতে—সুখ-দুখ, সম্পদ-বিপদ কালত তেওঁৰ ওপৰতেই নিৰ্ভৰশীল হ'বা। আপদ-বিপদত পৰিলেও কেতিয়াও কাকো তেওঁৰ অংশীদাৰ নাপাতিবা। কিয়নো, পৰম মহিমাময় বিশ্বস্ৰষ্টা, খোদা তাআ'লা এক আৰু অদ্বিতীয়। তেওঁৰ কোনো অংশীদাৰ নাই। এই একেশ্বৰ ধৰ্ম্ম প্ৰচাৰ কৰিবলৈকেই আল্লাই পয়গম্বৰ সকলক পৃথিবীলৈ পঠিয়াইছিল। প্ৰকৃত আলিম সকলেও এই সত্যকে ঘোষণা কৰিছে।"

হজৰত ৰবপীৰ চাহাবে আৰু কৈছিল—"যদি কোনোৱে মোৰ ওছিলাত (আলমত) খোদা তাআ'লাৰ ওচৰত প্ৰাৰ্থনা কৰে, তেন্তে দয়াময় খোদাই সেই প্ৰাৰ্থনা পূৰ্ণ কৰিব। যদি সেইদৰে কৰাত কোনোৰ প্ৰাৰ্থনা পূৰণ নোহোৱা দেখে, তেন্তে একান্ত ভক্তিভৰে

ছুইবাকাত নফল (মনস্কামনা পূৰণাৰ্থে অতিৰিক্ত পুণ্যলাভৰ আশাত কৰা প্ৰাৰ্থনা) নামাজ পঢ়ি—এঘাৰ বাৰ ছুৰা এখলাছ পঢ়ি, এঘাৰ বাৰ দৰুদ ছৰিফ পঢ়ি, এঘাৰ বাৰ মোৰ নামলৈ, ইৰাক অভিমুখে এঘাৰ খোজ আগবঢ়াই তাৰ পিছত খোদাৰ ওচৰত পুনৰায় প্ৰাৰ্থনা কৰিব। তেতিয়া পৰম দয়ালু আল্লাই অৱশ্যেই সেই প্ৰাৰ্থনাকাৰীৰ প্ৰাৰ্থনা পূৰণ কৰিব। কিন্তু কোনোৱে যদি মোৰ নামত কিবা বস্তু মানস কৰে বা সৃষ্টিকৰ্ত্তা আল্লাহ তাআ'লাৰ বিনে মোৰ ওচৰত কিবা প্ৰাৰ্থনা কৰে—তেন্তে সেই প্ৰাৰ্থনাকাৰী অংশীবাদৰ মহাপাপত লিপ্ত হৈ খোদাৰ ওচৰত গুৰুতৰ অপৰাধত অপৰাধী হ'ব আৰু নৰকৰ শাস্তি ভোগ কৰিব।"

এই গ্ৰন্থত সন্নিৱিষ্ট বিদেশী শব্দ কেইটামান

অলী—	খোদাভক্ত ব্যক্তি, সাধু
অলী আল্লাহ—	খোদাৰ প্ৰকৃত ভক্ত, যিজনে আল্লাহৰ সান্নিধ্য লাভ কৰে : সিদ্ধপুৰুষ।
চৰিয়ত—	ইচলামী সংবিধান।
তৰিকত—	খোদা প্ৰাপ্তিৰ পথ
হকিকত—	সত্যতা : Rality of divine knowledge.
মাৰেফাত—	তত্ত্বজ্ঞান : Divine knowledge.
ফানা—	ধ্বংস : Annihilation
বাকা—	স্থায়ীত্ব
কুতুব—	সন্ত, সাধু, Saint
চুফী—	অধ্যাত্মবাদী
জীন—	অপদেৱতা Geniie
জাকাত—	বিশুদ্ধীকৰণ : ইছলামৰ মতে সঞ্চিত অৰ্থৰ চুকুৰি ভাগৰ এভাগ দুখীয়াৰ মাজত বণ্টন কৰা হয়। প্ৰাচুৰ্য্য অনুসৰি 'জাকাত'ৰ হাৰ নিৰ্দ্ধাৰণ হয়। এই দান বাধ্যতামূলক (ফৰজ)
চদ্‌কায়ে ফিৎৰা—	ৰমজান মাহৰ শেষত ৰোজাসম্পন্ন কৰি দিয়া দান বা ভিক্ষা বিশেষ।
চুন্নত—	নিয়ম, হজৰত ৰছুলুল্লাহে পালন কৰা নিয়ম সমূহ : Islamic custom.
'ফেকা'—	মুছলিম আইন বা সেই সম্বন্ধীয়।

[illegible]— ছুফী মতবাদ

ছালেহীন— ধাৰ্মিক লোকসকল।

হুজুৰী— উপস্থিতি

গায়েবাত— অদৃশ্যমানতা, পৰকাল

আওতাদ— সম্বন্ধ, সম্পৰ্ক : Relationship

তফছীৰ— বিশদ ব্যাখ্যা : Commentary

কেৰাত— আবৃত্তি, পঠন : Recitation.

হেদায়ত— পৰিচালনা, পথপ্ৰদৰ্শন : Guidance.

আবদাল— খোদাভক্ত ব্যক্তি

অছুল— ইছলামৰ মূলনীতি, সত্যনীতি, আছলৰ বহুবচন

আৰবি ফুল

মা আৰিফ— আধ্যাত্মিক তত্ত্বজ্ঞান সম্বন্ধীয় পুথি এখন

আলেপ্পো— চিৰিয়া প্ৰদেশৰ এখন চহৰ

খেৰ্কা— চোলা

'জিলান' বা 'গিলান' উভয়বিধ উচ্চাৰণেই প্ৰচলিত। আৰবী সকলে 'জিলান' বুলি উচ্চাৰণ কৰে, ফাৰ্চী সকলে গিলান।

ইচলামৰ মূলভিত্তি গঢ়ি উঠিছে পাঁচোটি লাই খুটাৰ ওপৰত ভেঁটী কৰি। সেয়ে হ'ল :

(১) এক, অদ্বিতীয়, অংশীবিহীন আল্লাহৰ ওচৰত বিশ্বাস স্থাপন।

(২) আল্লাহৰ ফিৰিস্তা (আজ্ঞাবাহক দেৱদূত) সকলৰ ওপৰত বিশ্বাস স্থাপন।

(৩) আল্লাহৰ গ্ৰন্থসমূহ (কিতাব) যাইক পবিত্ৰ কোৰআন মজিদৰ ওপৰত বিশ্বাস স্থাপন।

(৪) আল্লাহৰ ৰছুল (প্ৰেৰিত পুৰুষ) সকলৰ ওপৰত বিশ্বাস স্থাপন, যাইকৈ শেষ নবী হজৰত মোহাম্মদ মোস্তফা ছাল্লাল্লাহু আলায়হে ৱাচালামৰ ওপৰত।

(৫) আখেৰাত (শেষ) ৰ জীৱনৰ ওপৰত বিশ্বাস।

এই পাঁচটা বিষয়ত বিশ্বাস স্থাপন কৰিলেহে মুছলমান বুলি স্বীকৃত হয়। ইয়াৰ লগতে আল্লাহৰ ওচৰৰ পৰা হজৰত মোহাম্মদ (ছঃ)ৰ —আদেশ সমূহৰ আনুগত্য গ্ৰহণ কৰিব লাগিব। এই আনুগত্যইহে প্ৰকৃত ইচলাম।

এবাদত : এবাদতৰ প্ৰকৃত অৰ্থ হ'ল—'বন্দেগী' অৰ্থাৎ দাসত্ব। মানুহ, সৃষ্টিকৰ্ত্তা আল্লাহৰ দাস (বান্দা) আৰু আল্লাহ হ'ল মা'বুদ (গৰাকী : উপাস্য)। দাসে—তেওঁৰ উপাস্যৰ আনুগত্যৰ বাবে যি কৰে, সেই সকলো এবাদত।

দীন : আল্লাহৰ প্ৰেৰিত পুৰুষ (পয়গম্বৰ) সকলৰ শিক্ষা অনুৰূপে আল্লাহৰ সত্বা, তেওঁৰ গুণবাজি আৰু আখেৰাতৰ (শেষ সময় : পৰকালৰ) পুৰস্কাৰ আৰু শাস্তি সম্পৰ্কে বিশ্বাস ৰখা। কিতাব সমূহ মানি লোৱা আৰু সেই কিতাব সমূহৰ নিৰ্দ্ধাৰিত পথক সত্য বুলি উপলব্ধি কৰা। কাকো অংশীদাৰ নকৰি—আল্লাহৰ এবাদত কৰা আৰু পয়গম্বৰ সকলৰ আনুগত্য স্বীকাৰ কৰি লোৱা।

হাদিচ : হজৰত মোহাম্মদে (ছঃ) তেওঁ নবী হোৱাৰ সময়ৰ পৰা তেইচ বছৰ কালৰ প্ৰতিটো মুহূৰ্ত্ত মানুহক শিক্ষা আৰু পথ নিৰ্দ্দেশ (হেদায়েত) দানৰ কামত কটাইছে। কাম-কাজত তেওঁৰ অনুমোদন, নিৰ্দ্দেশ আৰু নিষেধ সমূহ মুখস্থ কৰি, মনত ৰাখি, লিখি বা নিৰ্ভৰযোগ্য উৎসৰ পম খেদি সংগ্ৰহ কৰি ৰখা হৈছে। ক্ৰমে এই বৰ্ণনা সমূহ গ্ৰন্থকাৰে প্ৰকাশ হয়। এই বৰ্ণনা সমূহ 'হাদিচ' নামে খ্যাত।

এই হাদিচ সংগ্ৰাহক সকলৰ মাজত—

(১) ইমাম মালিক (ৰহঃ)

(২) ইমাম বোখাৰী (ৰহঃ)

(৩) ইমাম তিৰমিযী (ৰহঃ)

(৪) ইমাম আবু দাউদ (ৰহঃ)

(৫) ইমাম নাচায়ী (ৰহঃ) আৰু ইমাম ইবনে মাজাহৰ (ৰহঃ)

[illegible] সংগৃহীত হাদিচৰ গ্ৰন্থসমূহ অতি নিৰ্ভৰযোগ্য বুলি গ্ৰহণ কৰা হৈছে।

ফেকা : কোৰআন আৰু হাদিচৰ বিধান সম্পৰ্কে ধৰ্মীয় নেতৃবৃন্দই চিন্তা গবেষণা কৰি সাধাৰণ লোকৰ সুবিধাৰ বাবে কানুন (নিয়ম) সমূহ বিস্তাৰিত ভাবে লিপিবদ্ধ কৰিছে। এই [illegible] সমূহক 'ফেকা শাস্ত্ৰ' বোলে।

ফেকা সংক্ৰান্ত চাৰিটি তৰিকাই (পন্থা) ইচলামী জগতত স্বীকৃতি লাভ কৰিছে :

(১) ইমাম আবু হানিফাৰ (ৰহমাতুল্লাহ আলায়হে) দ্বাৰা ৰচিত ফেকা। এখেতৰ ৰচনাত ইমাম আবু ইউচুফ, ইমাম মোহাম্মদ আৰু ইমাম জাফৰ আদি কেগৰাকীমান সুবিজ্ঞ ওলেমাৰ (বিজ্ঞ পণ্ডিত) সহযোগ আছিল। এয়ে হানিফী ফেকা।

(২) ইমাম মালেক (ৰহঃ) ৰ দ্বাৰা ৰচিত ফেকাহ
—মালেকী ফেকাহ।

(৩) ইমাম চাফেয়ী (ৰহঃ) ৰ দ্বাৰা ৰচিত ফেকাহ
—চাফেয়ী ফেকাহ

(৪) ইমাম আহম্মদ ইব্‌নে হাম্বল (ৰহঃ) ৰ দ্বাৰা ৰচিত
—ফেকা হাম্বলী ফেকাহ

এই চাৰিবিধ ফেকা হজৰত মোহাম্মদ (ছঃ) ৰ পিছৰ দুশবছৰৰ ভিতৰত ৰচিত হয়।

তাচাৱাফ : ফেকাৰ সম্পৰ্ক—মানুহৰ প্ৰকাশ্য কাৰ্য্য-কলাপৰ সৈতে। নিৰ্দ্দেশিত কাৰ্য্য পদ্ধতিৰ কাৰ্য্য সম্পাদন হৈছে নে নাই ফেকাই সেই বিষয়ে দৃষ্টি ৰাখে।

ফেকাৰ বিধান পালনত অন্তৰৰ যোগাযোগ আৰু একাত্মতা সম্পৰ্কে অনুধাবন কৰে 'তাচাৱাফে'।

আল্লাহ আৰু তেওঁৰ ৰছুলৰ প্ৰতি প্ৰকৃত সত্য প্ৰেম আৰু চৰিয়তৰ বিধান সমূহ আন্তৰিকতা আৰু সংসঙ্কল্পেৰে পালন কৰাৰ নামেই ইচলামী 'তাচাৱাফ'।

গ্ৰন্থপঞ্জী

১। Towards understanding Islam by—
Syed Abul Ala Maududi

২। ইচলাম পৰিচিতি—মৌলানা মৌদুদী

৩। ইচলামৰ জীৱন পদ্ধতি—মৌলানা মৌদুদী

৪। The Beauties of Islam by—
Muhammad Sarafaraz Hussain

৫। Spirit of Islam—Syed Amir Ali

৬। Mujaddid's conception of Towhid.

৭। The Philosophy of the Fakirs.—
Sir Ahmed Hussain.

৮। উপনিষৎ গ্ৰন্থাৱলী—উদ্বোধন কাৰ্য্যালয়।

৯। শ্ৰীমদ্ভাগৱদগীতা—অনিল বৰণ ৰায়।